# শীতকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
**তাৰিখ ঃ ২৩/১২/২০২১ বৃহস্পতিবাৰ**

---

**ইংৰাজী ২৩-১২-২০২১ তাৰিখে ৰাতিপুৱা ৯.৩০ বজাত মাননীয় অধ্যক্ষ শ্ৰী বিশ্বজিৎ দৈমাৰী মহোদয়ৰ অধ্যক্ষতাত পূৰ্বনিৰ্ধাৰিত সময়মতে সদনৰ কাম-কাজ আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ৬১। মাননীয় মন্ত্ৰী।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**মাননীয় অধ্যক্ষ ঃ** Supplementary.

**শ্ৰীকৰিম উদ্দিন বৰভূঞা (সোণাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিটো উত্তৰ পাইছোঁ, এই উত্তৰটোৱে এটা সন্দেহৰ সৃষ্টি কৰিছে, তাত উত্তৰ দিছে মন্ত্ৰী মহোদয়ে যে total last 3 year ত ১৩০৭.৬৯ লাখ revenue generation হৈছে। কিন্তু কিমান মাটিৰ বিপৰীতে lease দি এই পইচাটো পাইছে সেইটো clear কৰা নাই।

দ্বিতীয়তে, কোন কোন জিলাৰ মাটি lease দিছে? কাৰণ আমাৰ গুৱাহাটীৰ মাটি আৰু বৰপেটাৰ মাটিৰ মূল্যটো একে নহ'ব। সেইকাৰণে এইটো specify কৰা নাই। উত্তৰটোৱে এটা সন্দেহৰ সৃষ্টি কৰিছে। এইটো জিলা ভিত্তিত এটা clear কৰিব লাগে, কোন কোন জিলাৰ কিমান মাটি lease দিছে?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আমাৰ উত্তৰটোত আমি দিছোঁ যে এইটো এতিয়াৰ নহয় আগৰ চৰকাৰৰ দিনত, ASTC ৰ যিটো হেড কোৱাৰ্টাৰ তাত চিনেমা হল ইত্যাদি কিবাকিবি বনাইছে, তাৰ পৰাহে আচলতে ভাড়াটো আহে। আমি কাকো lease ত দিয়া নাই। হলটো চৰকাৰৰে, ASTC ৰে। গতিকে তেনেকুৱা ধৰণৰ এটা ব্যৱস্থা কৰা হৈছে। কিন্তু মাটি তেনেকৈ কাকো lease ত দিয়া হোৱা নাই এতিয়ালৈকে। আমাৰ আমগুৰিৰ এটুকুৰা মাটি lease ত আগৰ চৰকাৰৰ দিনত দিয়া হৈছিল। এতিয়া আমাৰ আমগুৰিৰ মাটিৰো কেনচেল কৰিব দিছোঁ। ঠিক তেনেধৰণে আমগুৰিৰ উপৰিও শিৱসাগৰত আমাৰ নিজৰ অট্টালিকা হৈছে তাত আমি ভাড়া দিছো। তেনেকুৱা ভাড়াহে দিয়া হৈছে, lease ত তেনেকুৱা মাটি দিয়া হোৱা নাই। কিন্তু মই এটা কথা জনাও যে আমাৰ মাটিৰ পৰিমাণটো দিছো, সেইটো কথা আপোনাক মই জনাই থৈ দিম, মাটিৰ পৰিমাণটো ইয়াত দিছো আৰু আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিচাৰিছে যে যিহেতুকে ASTC ৰ prime land যি খিনি আছে, প্ৰায় গোটেই prime location ত মাটিখিনি আছে। গতিকে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে মাজতে এটা কথা কৈছিল যে যিকোনো third party লৈ UI float কৰি এটা Assesment report ল'ব বিচাৰিছোঁ। এই Assesment report টো আচলতে এই মাটি সমূহ আচলতে কেনেধৰণে ব্যৱহাৰ কৰা হয় তাৰ কাৰণে এটা আমি third party ল'ব বিচাৰিছোঁ আৰু ইতিমধ্যে UI float কৰিছো আৰু সেই মতে third party য়ে যিটো কথা ক'ব সেই মতে যি এচেচমেন্ট কৰিব বা যি তেওঁলোকে পৰামৰ্শ দিব সেই পৰামৰ্শৰ ভিত্তিত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব।

**মাননীয় অধ্যক্ষ ঃ** 2nd Supplementary.

**শ্ৰীকৰিম উদ্দিন বৰভূঞা (সোণাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, 1043 বিঘা মাটি, গোটেই মাটিখিনি চহৰৰ prime location ত আছে। সেইখিনি Commercial purpose ত ব্যৱহাৰৰ যদি সিদ্ধান্ত লৈছে, সেইটো চৰকাৰী মূল্য নিৰ্দ্ধৰিত কৰি পি পি উলিয়াই কৰিব নে তাত মাৰ্কেট মূল্য finalize কৰাৰ পিছত। মোৰ intention টো হ'ল যে more revenue generation যদি কৰা যায় তাৰ পৰা, কাৰণ বেলেগ কোনো বিভাগত ইমান এচেট চহৰৰ মাজত নাই, accept transport. এইখিনি proper utilization ৰ কাৰণে চৰকাৰে, exactly বেংকে যেনেকৈ তিনিজ ভেলুৱাৰ দি কৰে, তেনেকৈ কিবা চিন্তা কৰিছে নে চৰকাৰৰ যিখিনি মাটিৰ ভেলু আছে সেইখিনিৰ ওপৰত বেচ কৰি তাত construction কৰিব, সেইটোৰ কিবা সিদ্ধান্ত আছে নেকি ? যদি আছে তেতিয়াহ'লে জনাওঁক।

**মাননীয় অধ্যক্ষ ঃ** হ'ব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কলো যে, কোনোৱা এটা professional Company ৰ লগত UI float কৰিম এতিয়া। গতিকে তাতে UI float কৰাৰ পিছত তেওঁলোকে এটা মডেল দিব, সেই মডেলটো যদি তেওঁলোকে কয় যে পি পি মুডত হ'ব লাগে, পি পি মুডত হ'ব, যদি নহয় চৰকাৰে লোন লৈ কৰক, তেওঁলোকে যদি কয় তেনেকুৱা ধৰণে হ'ব। গতিকে আমি প্ৰথমে এই যিটো পাৰ্টীক দিম, আমি এতিয়া UI float কৰিম, float কৰিলে যি সকল professional party তেওঁলোক আহিব। বেংকৰ valuer নাহে ইয়াত। ইয়াত আহিলে professional party আহিব, যেনে EY আছে, যেনে PWC আছে, যেনে Deloitte আছে গতিকে এনেকুৱা ধৰণৰ যিবোৰ গ্ল'বেল কোম্পানী যাৰ ব্যৱসায় জ্ঞানো আছে বা কি মডেলত ল'লে লাভ হয় বা লোকচান হয় সেইটো আছে। গতিকে সেই কাৰণে আমি UI float কৰাৰ পিছত তেওঁলোকৰ এচেচমেন্টৰ ওপৰত ভিত্তি কৰি আমি এই ব্যৱস্থাখিনি যিখিনি কৈছে, আমিও বহুত দিনৰ পৰা বিচাৰি আছিলো যে এই মাটি খিনি আচলতে ব্যৱহৃত হ'ব লাগে। গতিকে এই ক্ষেত্ৰত যিটো পাৰ্টীয়ে আমাক এচেচ্‌মেন্ট কৰি দিব সেই এচেচ্‌মেন্টৰ ভিত্তিতে আমি এই ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰাৰ সিদ্ধান্ত লৈছোঁ। গতিকে আগন্তুক দিনত আমি ভাৱো তেনেকৈ আগবাঢ়ি যাব।

**মাননীয় অধ্যক্ষ ঃ** Thank you. Supplementary আহিব আপুনি ক'ব লাগিব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এইটোৰ ক্ষেত্ৰতে এটা কথা কওঁ, যোৱাবাৰ আমাৰ ৰূপনগৰৰ ৫৯ বিঘা মাটি আছে, সেই ৫৯ বিঘা মাটিত advantage Assam ৰ পিছত এটা Cannadian কোম্পানী আহিছিল আৰু তেওঁলোকে কৈছিল যে তাত JW m Hotel এখন আৰু এটা মাৰ্কেট কমপ্লেক্স কৰিব আৰু ডেভলপ কৰিব, সেই কথাখিনিও এই সদনত কৈছিলোঁ। কোৱাৰ পিছত ইয়াত ইমান হুলস্থূল হ'ল আৰু তাৰ লগে লগে চিৰিজ হিচাপে টি ভিত আলোচনা হ'ল যে অসম চৰকাৰে পৰিবহণৰ মাটি বিক্ৰী কৰিব ওলাইছে। গতিকে Cannadian যিটো পাৰ্টী আহিল আমি তেওঁলোকক request কৰিব লগীয়া হ'ল।

**মাননীয় অধ্যক্ষ ঃ** Thank you. এতিয়া ৰূপক শৰ্মা।

**শ্ৰীৰূপক শৰ্মা (নগাঁও) ঃ** অধ্যক্ষ মহোদয়, সমগ্ৰ অসমতে আমাৰ এ এচ টি চিৰ বাছ আস্থান সমূহত পৰিত্যক্ত অৱস্থাত বহুত বাছ পৰি আছে। অব্যৱহৃত একেবাৰে। মই নগাওঁতো দেখিছো, সৰু ঠাই, একেবাৰে মাজ মজিয়াত, বাছ থ'বলৈ ঠাই নাইকীয়া হৈ গৈছে আৰু একেলগে তাত ডি

টি অ’ অফিচটো অস্থায়ীভাৱে সোমাই আছে। তাতো গাড়ী থবলৈ ঠাই নোহোৱাৰ কাৰণে গাড়ী এখনৰ ওপৰত এখনকৈ জাপি থবলগীয়া অৱস্থা হৈছে। যেতিয়া revenue ৰ কথা আহিছে যে সমগ্ৰ অসমতে পৰিত্যক্ত অৱস্থাত থকা বাছবিলাক revenue আনিবৰ কাৰণে বিক্ৰীৰ ব্যৱস্থা কৰিব নেকি ? লগতে অস্থায়ীভাৱে যিটো ডি টি অ’ অফিচ চলি আছে নগাওঁত এ এচ টি চি কেম্পাছৰ ভিতৰত, মই পুনৰবাৰ কৈছো তাত গাড়ী থব নোৱাৰি, এখনৰ ওপৰত এখন গাড়ী জাপি থোৱা আছে। সেই অস্থায়ী যিটো কাৰ্য্যালয়, স্থায়ী ভাৱে নিৰ্মাণ কৰিবলৈ ডিমৰগুৰিত কাম চলি আছিল কিন্তু অৰ্ধনিৰ্মিত হৈ আছে, তাৰো সম্ভৱ কৰিব নেকি মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ।

**माननীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যি বিলাক বাছ পৰি আছে সেই বাছ বিলাকৰ ইতিমধ্যে আমি ই-টেণ্ডাৰ কৰিছিলোঁ, বহুত বাৰ টেণ্ডাৰত কোনোৱে পাৰ্টিচিপেট নকৰিলে। শেহতীয়া ভাৱে যোৱা মাহৰ আগৰ মাহত আৰু এখন টেণ্ডাৰ কৰা হ’ল, তাত পাৰ্টিচিপেট কৰিলে কিছু অক্চন কৰি দিয়া হৈছে। বাকী যিখিনি বাছ ডেমেজ হৈ আছে সেইখিনি পৰ্য্যায় ভিত্তিত অকচনৰ চেষ্টা আমি কৰি আছো, কিন্তু অক্চনৰ আমি নটিছ দিয়াৰ পিছতো কোনো পাৰ্টি আগবাঢ়ি অহা নাছিল। এটা পাৰ্টি আহিছিল। গতিকে বাকীখিনিও আমাৰ ৰূপক শৰ্মা ডাঙৰীয়াই যিটো কথা কৈছে সেইখিনিও আমি অকচনৰ ব্যৱস্থা কৰিব লাগিব। কাৰণ যিবিলাক বাছ বেয়া হৈছে সেইবিলাক আকৌ পুনৰ মেৰামতি কৰিব পৰা অৱস্থাত নাই। গতিকে সেই খিনি অকচন কৰা হ’ব আৰু ডি টি অ’ অফিচ যিটো আছে সেইটো নিশ্চয় সম্পূৰ্ণ কৰা হ’ব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া দিগন্ত কলিতা।

**শ্ৰী দিগন্ত কলিতা (কমলপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ক ইতিমধ্যে মই দুখনকৈ চিঠি লিখিছোঁ অৱশ্যে আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে মোক কৈছে। তাৰমানে বাইহাটা চাৰিআলী এখন মধ্য ঠাই। আমাৰ জালুকবাৰী, ৰঙিয়া, সকলোবিলাকৰ অঞ্চল ধুনীয়া। তাত প্ৰায় দুই বিঘা মাটি আছে, জানে আমাৰ মন্ত্ৰী মহোদয়ে, মই কৈছিলোঁ। যে সেইটো নতুনকৈ ৰিনোভেচন কৰি এটা বাছ আস্থান আৰু এটা সৰুকৈ অতিথিশালা কৰাৰ পৰিকল্পনা কৰাৰ কাৰণে দুবাৰকৈ লিখিছোঁ। মোৰ বিশ্বাস আছে তেখেতে এইখিনি গুৰুত্ব সহকাৰে ল’ব।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, দিগন্ত কলিতা ডাঙৰীয়াই মোৰ ইতিমধ্যে কথাখিনি কৈছে আৰু আমাৰ যিটো এটা পাৰ্টী ল’ম এছেছমেন্টৰ কাৰণে, তেওঁলোকৰ এছেমেন্ট আহক আহিলে সেই মতে আমি কাম খিনি কৰিম আৰু নকৰাৰ কথা নাই । তাৰ উপৰিও আমাৰ কামৰূপৰ মই গাৰ্জেন মিনিষ্টাৰ ও, সেইটো এটা মোৰ কৰ্তব্যৰ ভিতৰতে আছে আৰু সেইটো বিবেচনা কৰা হ’ব।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে । প্ৰশ্ন নং ৬২। শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী ৰণোজ পেগু (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনত ৰখা হৈছে ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই শিক্ষা মন্ত্ৰী মহোদয়ৰ পৰা যিবিলাক তথ্য বিচাৰিছিলো আৰু ইয়াত পৰিশিষ্ট- ক, খ ত দিছে কিন্তু ৱেবচাইতত পোৱা নাই । এইটো এটা টেকনিকেল অসুবিধা আছে, সেই খিনি আমাক মেটেৰিয়েল প্ৰিন্টআউট দিলে ভাল আছিল। এতিয়া কথাটো হৈছে মন্ত্ৰী মহোদয়ৰ উত্তৰত কৈছে যে আমাৰ ১১ খন ৰাজ্যিক বিশ্ববিদ্যালয় আছে কিন্তু পুৰণি কেইখনক বাদ দি এতিয়া বেছিভাগে বিশ্ববিদ্যালয়ে ইউ জি চি

অনুমোদন পোৱা নাই আৰু নোপোৱাৰ ফলত সম্পূৰ্ণৰূপে কাৰ্য্যকৰী হোৱা নাই । তাৰ মূল কাৰণ হৈছে ফেকাল্টি নিযুক্তি নোহোৱাৰ ফলত এই বিশ্ববিদ্যালয় সমূহ handicapped হৈ আছে । এনেকুৱা এটা ব্যৱস্থাত নতুন শিক্ষানীতি প্ৰস্তাৱ কৰিছো ১ জানুৱাৰীৰ পৰা । নতুন শিক্ষা নীতিত বিশ্ববিদ্যালয় সমূহক তিনিটা ভাগত ভাগ কৰিব কৈছো যে গৱেষণা বিশ্ববিদ্যালয়, Teaching University and Autonomus college university. এতিয়া প্ৰশ্নটো হ'ল- য'ত ১২বি পোৱা নাই তাত আমি তিনি ধৰণৰ বিশ্ববিদ্যালয় আমি কেনেকৈ বিভক্ত কৰিম বা বাস্তৱায়িত কৰিম এই সম্পৰ্কে শিক্ষা বিভাগৰ যি ধৰণৰ প্ৰস্তাৱ আছে নহ'লে জানুৱাৰীৰ পৰা নতুন শিক্ষা নীতি আমি আলোচনা কৰিম পিছত প্ৰসংগ ক্ৰমে, এতিয়া তাত কেনেধৰণে চৰকাৰে কাম-কাজ কৰিব ?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয় ।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যি কেইখন পুৰণা বিশ্ববিদ্যালয়, যোৱা চৰকাৰৰ দিনতে প্ৰতিষ্ঠা কৰা বিশ্ববিদ্যালয়, সেই বিশ্ববিদ্যালয় প্ৰায় কেইখনে ১২ বি পাইছে আৰু যি কেইখনে ১২ বি recognition পাবৰ কাৰণে প্ৰকৃতাৰ্থত বিশ্ববিদ্যালয় কেইখন কাৰ্য্যক্ষম হোৱাই নাই গতিকে আমি আবেদন কৰা নাই। সেই কেইখন বিশ্ববিদ্যালয় হৈছে আমাৰ ভট্টদেৱ বিশ্ববিদ্যালয়, মাধৱদেৱ বিশ্ববিদ্যালয়, ৰবীন্দ্ৰনাথ টেগৰ বিশ্ববিদ্যালয়, মাজুলি সাংস্কৃতিক বিশ্ববিদ্যালয় আৰু বিৰাংঙ্গনা সতী-সাধিনী বিশ্ববিদ্যালয়, গোলাঘাট। এই সমূহ বিশ্ববিদ্যালয়ত আন্তঃগাঠনি নিৰ্মাণৰ কাৰণে ইতিমধ্যে অসম চৰকাৰে ৫০ কোটিকে টকা আমাৰ যোৱা পূৰ্ণাঙ্গ বাজেট অধিবেশনৰ সময়তে মাননীয় মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছিল আৰু বাজেটত সেই খিনি পইছা ৰিফ্লেক্ট হৈছে আৰু ইতিমধ্যে ইয়াৰ মাটি আৱন্টনৰ কাম প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত আৰু লোক নিৰ্মাণ বিভাগে ইয়াৰ ডি পি আৰ প্ৰস্তুত কৰি আছে । ইয়াৰ আৰ্কিটেক্সাৰেল গাঠনি সমূহ যাতে অসমক প্ৰতিনিধিত্ব কৰিব পাৰে অসমৰ কৃষ্টি সংস্কৃতিক প্ৰতিনিধিত্ব কৰিব পাৰে তাৰ কাৰণে বিশ্ববিদ্যালয়ে উপাচাৰ্য্য সকলক অনুৰোধ জনাইছো যে তেওঁলোকে এটা কনচেপ্ট দিব, সেই কনচেপ্টৰ ওপৰত নিৰ্ভৰ কৰি এই বিশ্ববিদ্যালয়ে কেইখন ৫০ কোটি টকা ব্যয় সপক্ষে তাৰ আন্তঃগাঠনি নিৰ্মাণ হ'ব আৰু এই বিশ্ববিদ্যালয়ৰ বাবে প্ৰয়োজনীয় ফেকাল্টিৰ কাৰণে পোষ্ট ক্ৰিয়েট কৰাৰ বাবে ইতিমধ্যে আৰম্ভ হৈ গ'ল। মাজুলি সাংস্কৃতিক বিশ্ববিদ্যালয় ৰ কাৰণে teaching post 12, non-teaching post ৰ কাৰণে ২৫ টা। মাধৱ দেৱ বিশ্ববিদ্যালয় teaching post ৩১, non-teaching post ৰ কাৰণে ৪৯ টা, ৰবীন্দ্ৰনাথ টেগৰ বিশ্ববিদ্যালয় teaching post ৫২, non-teaching post ৰ কাৰণে ২৫ টা এই খিনি পোষ্ট ইতিমধ্যে ক্ৰিয়েট হ'ল আৰু এই খিনিৰ নিযুক্তি প্ৰক্ৰিয়াও আৰম্ভ হৈছে । ১২ বি আমি বুজিব লাগিব যে University Grant Commission Act, 12B মতে কোন বিলাক বিশ্ববিদ্যালয় অনুদান দিব পৰা যায় তাৰ কাৰণে ১২ বি স্বীকৃতিটোৰ কথা আনিছিল, য'ত মূলত আন্তঃগাঠনিৰ কথা আছে, তাত থকা বিভিন্ন মেচিনাৰীৰ কথা আছে আৰু ফেকাল্টীৰ ক্ষেত্ৰত নিৰ্দিষ্ট ভাবে প্ৰত্যেকটো বিভাগতে একোজনকৈ প্ৰফেচ'ৰ থাকিব লাগে। আমাৰ দীৰ্ঘদিন ধৰি আমাৰ মহা বিদ্যালয় সমূহতো যিবিলাক পদোন্নতি হ'ব লাগে, Senior grade, associate professor, professor লৈ পদোন্নতিৰ প্ৰক্ৰিয়াবিলাকো বিভিন্ন কাৰণত স্থবিৰ হৈছিল, বৰ্তমান তাক তৰান্বিত কৰা হৈছে। শেহতীয়া ভাবে আমি ৪১৮ গৰাকী সহকাৰী প্ৰবক্তাক তেওঁলোকৰ Senior grade এই বিধান সভাৰ অধিবেশনৰ আগে আগে তেওঁলোকক প্ৰদান কৰিছো আৰু বাকী প্ৰমোচনৰ কাম খিনিও সুচাৰুৰূপে হ'ব। গতিকে তাৰ উপৰি 12B ত যিটো কথা কৈছে যে স্বীকৃতিটো পাবৰ কাৰণে হয়

বিশ্ববিদ্যালয় খনৰ ২কোটি টকাৰ আন্তঃগাঠনি থাকিব লাগিব নহয় ৰাজ্য চৰকাৰখনে প্ৰতিশ্ৰুতি দিব লাগিব যে ২ কোটি টকা প্ৰদান কৰিম। এতিয়া ২ কোটিৰ ঠাইত অসম চৰকাৰে প্ৰদান কৰিছে ৫০ কোটি টকা, গতিকে আমি যেতিয়া ৫০ কোটি টকা প্ৰদান কৰিলো 12B recognition পোৱাত আৰু আবেদন কৰা নাই যিহেতু আমি ঘৰ বনাই আছো । আমি আবেদন কৰাৰ লগে লগে 12B recognition পাম আৰু তাৰ ওপৰত নিৰ্ভৰ কৰি ইউ জি চিৰ পৰা বা অন্য সংস্থাৰ পৰা পাবলগীয়া বিত্তীয় অনুদান পাম। কিন্তু এই খিনিতে কথা এটা ক'ব লাগিব যে আমি এটা সন্ধিক্ষণৰ মাজত আছো, যি সন্ধিক্ষনত নতুন শিক্ষা নীতি প্ৰৱৰ্তন হৈছে গতিকে ইউ জি চি ৰ ঠাইত কমিচনত Higher Education আহিব, গতিকে কিছু নীতিগত সাল-সলনি হ'ব পাৰে । মাননীয় বিধায়ক গৰাকীক এই কথা খিনি জনালো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ কথাতো হৈছে বিশ্ববিদ্যালয় আমি পাতিছো এই বিশ্ববিদ্যালয় বিলাক দীৰ্ঘদিনৰ কাৰণে হেণ্ডিকেফ্ট হৈ থাকে স্বাভাৱিকতে গোটেই শিক্ষা প্ৰদানৰ প্ৰক্ৰিয়াটোৱে ব্যাহত হয় । অমসত এই প্ৰক্ৰিয়াটো ব্যাহত হৈছে, এই কাৰণে বিশ্ববিদ্যালয় পতাৰ কাৰণে স্বাভাৱিকতে চৰকাৰে কথা বিলাক গুৰুত্ব সহকাৰে বিবেচনা কৰিব লাগিব। আন্তঃগাঠনি গঢ়ি তোলেতে আমাৰ বিলম্ব আকৌ ফেকাল্টিৰ প্ৰশ্নটো আছেই । এটা উত্তৰত মন্ত্ৰী মহোদয়ে কৈছে যে বিশ্ববিদ্যালয় সমূহৰ কৰ্তৃপক্ষৰ পৰা আবেদন পালে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব এইটো হৈছে 12B সম্পৰ্কত। এতিয়া কথাটো হৈছে বিশ্ববিদ্যালয় বিলাকক handicapped কৰি ৰাখে তাৰ একাডেমিক কাউঞ্চিল গঠন কৰাত কিয় বিলম্ব হৈছে সেই সম্পৰ্কত মন্ত্ৰী মহোদয়ে ক'ব নেকি ?

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সকলো অনুষ্ঠান-প্ৰতিষ্ঠান বিলাকৰ Restriction period এটা থাকে, সেইটো চমুৱাব নোৱাৰি। গতিকে বিশ্ববিদ্যালয় এখন ঘোষণা কৰাৰ পৰা তাৰ আইন পাছ কৰা তাৰ পিছত বিভিন্ন কমিটি সমূহ গঠন কৰা, পুঁজি যোগান ধৰা এই পিৰিঅ'ডটো আমি ভাবো যে আমি খৰতকীয়াকৈ কৰি আছো । কাৰণ এই খন নতুন বিশ্ববিদ্যালয়। তাত মাটি বিচাৰোতে আমাৰ সময় লাগিছে, গতিকে এই প্ৰসৱ কাল ৰ বেদনাখিনি সকলোৰে সহ্য কৰিব লাগিব । ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ শিৱসাগৰত Assam Rajiv Gandhi University of Co-operative management আছে এই বিশ্ববিদ্যালয় খনৰ কাৰণে ৩৬ টা পদ বিচাৰি, professor ৰ পদ-৬ টা, associate professor ৰ পদ-১২ টা আৰু assistant professor- 18 টা ইতিমধ্যে আবেদন কৰি থোৱা আছে আমাৰ বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ পৰা কিন্তু এতিয়ালৈকে ৰাজ্য চৰকাৰে সেইটো অনুমোদন কৰা নাই । এইটো কেতিয়া কৰিব? আন্তঃগাঁথনিৰ উন্নয়নৰ ক্ষেত্ৰত ৫০ কোটি টকা দিয়া কথা আছিল তাৰ ভিতৰত Academic building ৰ কাৰণে, তাৰ ভিতৰত পুৰুষ আৱাস গৃহ, মহিলা আৱাস গৃহ আৰু ৱাৰ্ডেন আৱাসৰ কাৰণে আৰু যিটো architecture বনোৱাৰ কথা আছিলে সেই গোটেই খিনিৰ কাৰণে যিটো ফাণ্ড দিবলগীয়া আছিলে ৫০ কোটি টকা এতিয়ালৈকে দিয়া নাই এইটো কেতিয়া দিয়া হ'ব ? লগতে Assam Rajib Gandhi University of Co-operative management যিখন আইন বনাইছিল সেইখন আইনখনে যথেষ্ট গণ্ডগোলীয়া আছিলে তাক সংশোধনৰ কাৰণে

ইতিমধ্যে ড্ৰাফটিং কৰি থোৱা আছে সেই খন এইবাৰ উঠোৱা নহ'ল কেতিয়া উঠোৱা হ'ব বিধান সভাত ?

**ডাঃ ৰণোজ পেগু (শিক্ষা মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, শিৱসাগৰত থকা ৰাজীৱ গান্ধী ইউনিভাৰছিটি অব কো-অপাৰেটিভ মেনেজমেন্ট এই বিশ্ববিদ্যালয়খন আমাৰ শিক্ষা বিভাগৰ দিনত প্ৰতিষ্ঠা কৰা হোৱা নাছিল। এখন কো-অপাৰেশ্যন ডিপাৰ্টমেন্টৰ অধীনত প্ৰতিষ্ঠা কৰা হৈছিল। ইতিমধ্যে কেবিনেটে সিদ্ধান্ত গ্ৰহণ কৰিছে যে এই বিশ্ববিদ্যালয়খন কো-অপাৰেশ্যন ডিপাৰ্টমেন্টৰ পৰা শিক্ষা বিভাগৰ অধীনলৈ অনা হ'ব। নতুন শিক্ষানীতি 'এটা চাবজেক্টৰ ওপৰতএখন ইউনিভাৰছিটি ' সেই কনচেপ্টৰ পৰা এটা মাল্টিডিচিপ্লিনাৰী শিক্ষা ব্যৱস্থাৰ ফালে গৈছে। গতিকে এই ইউনিভাৰছিটিখনৰ লক্ষ্য, উদ্দেশ্য সকলোখিনি সলনি কৰিব লাগিব। বৰ্তমান পৰ্যায়ত বিশ্ববিদ্যালয়খন কো-অপাৰেশ্যন ডিপাৰ্টমেন্টৰ পৰা শিক্ষা বিভাগলৈ হস্তান্তৰ প্ৰক্ৰিয়াৰ মাজত আছে। হস্তান্তৰ অতি সোনকালে হ'ব। তাৰ পাচতে আমি বিহীত ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, শ্ৰীখলিল উদ্দিন মজুমদাৰ।

**শ্ৰীখলিল উদ্দিন মজুমদাৰ (কাটিগড়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমার সমষ্টিতে কমার্স এবং বিজ্ঞান পড়ার জন্য আমার সমষ্টি থেকে শিলচর যেতে হয়। সেটা প্রায় ইন্টারনেশন্যাল বর্ডার এবং মেঘালয় বর্ডারে। সেজন্য আমি মন্ত্রী মহোদয়কে অনুরোধ করছি যে, আমার সমষ্টিতে দুটা মডেল কলেজ দেওয়া হোক দুটা ব্লকে। আর মহিলার জন্য একটি কলেজ দেওয়া হোক । এই অনুরোধ রাখলাম মন্ত্রী মহোদয়ের কাছে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো পোনপটীয়াকৈ এই প্ৰশ্নৰ লগত সংলগ্ন নহয়। তথাপিও মই জনাওঁ যে যিবিলাক অঞ্চল শিক্ষাত পিচপৰা বা যিবিলাক অঞ্চলত জনসংখ্যা অনুপাতে তাত মহাবিদ্যালয়ৰ আৱশ্যকতা আছে, সেইটো চৰকাৰে সময়ে সময়ে বিবেচনা কৰি আহিছে আৰু তাৰ কাৰণে ম'ডেল কলেজৰ লগতে স্ত্ৰীশিক্ষাৰ প্ৰতি গুৰুত্ব দি উইমেন কলেজো প্ৰতিষ্ঠা কৰিছে। মাননীয় বিধায়ক গৰাকীয়ে অঞ্চলটোৰ বিষয়ে জনালে মই তাত কি প্ৰয়োজনীয়তা আছে,নাই এই কথাখিনি ডিপাৰ্টমেন্টত চালি-জাৰি চাই ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, প্ৰশ্ন নং- ৬৩।

**ডাঃ ৰণোজ পেগু (শিক্ষা মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰশ্নৰ উত্তৰটো পালো, কিন্তু কিছুমান কথা আছে, ক'ব লাগিব। অধ্যক্ষ মহোদয়, গুণোৎসৱৰ প্ৰথম ফেজ ২০১৭ চনত হৈছিল, তিনিটা ফেজত হৈছিল আৰু ২০১৮ চনত চেভেন ফেজ হৈছিল, দুটা ফেজত হৈছিল। কথাটো হৈছে এনেকুৱা যে গুণোৎসৱ হৈছিল ভালেই কথা, আমি ভালেই পাইছো। আমি বিধায়ক সকল গৈছিলো। কনচেপ্টতো ভালেই আছিল অধ্যক্ষ মহোদয়। কিন্তু আজিৰ দিনত মোৰ এনে লাগিছে এই গুণোৎসৱটো ৰেকৰ্ড ঠিক কৰিবৰ কাৰণে হৈছে, এনৰ'লমেন্টতো ঠিক কৰিবৰ কাৰণে হৈছে নে ইনফ্ৰাষ্ট্ৰাকচাৰ ঠিক কৰিবৰ কাৰণে হৈছে? আচলতে আমি যিটো চালো যে গুণোৎসৱ হৈছে, ইনভিজিলেটৰে ৰিপোৰ্ট পঠাইছেযে ক'ৰবাত টয়লেট লাগে, ক'ৰবাত বিল্ডিং লাগে, ক'ৰবাত ড্ৰেইন লাগে। মাননীয় মুখ্যমন্ত্ৰীয়ে আমাক এনেকৈ কৈছিল যে আপোনালোক ইলবিল্ডাৰ হৈ যাওক, তাৰপৰা বিশেষকৈ আপোনালোকৰ ৰিক'মেণ্ডেশ্যনখিনি পঠাওক আৰু ইনভিজিলেটৰে যি ৰিক'মেণ্ডেশ্যন পঠাব আমি আমাৰ বাজেটত চেংশ্যন কৰি ব্যৱস্থা গ্ৰহণ কৰিম।

অধ্যক্ষ মহোদয়, ক'বলগা হৈছে যে আজিৰ দিনত গুণোৎসৱ হৈছে অথচ ছাত্ৰ আৰু শিক্ষকৰ ৰেচিও যিটো আছে আজিৰ দিনত অসমত ১০ পাৰচেন্ট এনেকুৱা স্কুল আছে য'ত এজন শিক্ষকৰ দ্বাৰাই চলি আছে। গুণোৎসৱ হৈছে , আমি ইনফ্ৰাষ্ট্ৰাকচাৰ ঠিক কৰিব পৰা নাই আৰু লগতে আমি যিটো চালো যে ২০২২-২০২৩ চনত নিউ এডুকেশ্যনপ'লিচি আৰম্ভ হ'ব। কৰ'নাৰ সময়ত মন্ত্ৰী মহোদয়ে জানে যে আমি ৰিজাল্টতো ভেৰিফাই কৰিব পৰা নাই। এতিয়া এমালগেমেশ্যন যিটো হ'ব এই ইনফ্ৰাষ্ট্ৰাকচাৰটো আমাৰ আছেনে নাইঙ্গ ইনফ্ৰাষ্ট্ৰাকচাৰ নাথাকিলে আকৌ কৰ'নাৰ নিচিনা যদি হয় , ছাত্ৰ-ছাত্ৰী সকলৰ লাইফ নষ্ট হ'ব। এইকাৰণে মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা লৈছে, কেনেকুৱা ব্যৱস্থা লৈছে সদনত জনাব লাগে।

**ডাঃ ৰণোজ পেগু (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গুণোৎসৱৰ জৰিয়তে আমাৰ বিদ্যালয়সমূহত আন্তঃগাঁথনিৰ নাটনি কি কি আছিল, শিক্ষা দান কৰাৰ ক্ষেত্ৰত যিটো গেপ আছিল, সেইকন ঘাটি আমাৰ কি কি আছিল, ফেকাল্টি প'জিছনবিলাক ক'ত কেনেকুৱা আছিল এই গোটেই কথাখিনি আমি গ'ম পালো। গম পোৱাৰ পিছতে সৰ্বশিক্ষা মিছনৰ অধীনত ৯৬২.৯৩ কোটি টকা আন্তঃগাঁথনিৰ গেপ খিনি দূৰ কৰিবৰ কাৰণে প্ৰয়োজন বুলি এই প্ৰস্তাৱ তেওঁলোকে আমাক দিলে, আৰু সেই প্ৰস্তাৱৰ বিপৰীতে ২০১৮ চন হৈ যোৱাৰ পিছত ২০১৯ চনত সৰ্বশিক্ষাৰ তৰফৰ পৰা এইখিনি যেতিয়া দিলে, দিয়াৰ পিছৰ পৰা আজিলৈকে ৭৪৭.৪৩ কোটি টকা আন্তঃগাঁথনি উন্নয়নৰ প্ৰশাসনিক অনুমোদন ইতিমধ্যে অসম চৰকাৰে দিছে। ইয়াৰ জৰিয়তে শ্ৰেণী কোঠা নিৰ্মাণ , পাৰ্টিশ্যন ৱাল নিৰ্মাণ কৰা, ২০ হাজাৰ স্কুলত ইলেক্ট্ৰিচিটিৰ কানেকশ্যন প্ৰদান কৰা, বাউণ্ডেৰী ৱাল নিৰ্মাণ কৰা, টয়লেট নিৰ্মাণ কৰা, খোৱা পানীৰ যোগান এই গোটেই কামখিনি চলি আছে। সকলোবিলাক কাম কৰিবৰ কাৰণে এই পইচাখিনি ক'ৰপৰা আহিছে বুলি ক'লে যোৱাকালি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সদনত দিয়া উত্তৰৰ আঁতধৰি ক'ব লাগিব যে এইখিনি আমাৰ আৰ,আই,ডি,এফৰ ফাণ্ড। আৰ,আই,ডি,এফৰ ফাণ্ড আৰু আৰ,আই,ডি,এফৰ ফাণ্ডটোৰ পৰা ফেজিং কৰা হৈছে। প্ৰথম বছৰটোতে গোটেইখিনি পইচা লোৱা নাযায়। কাৰণ গোটেইখিনি ল'লে আমি ইয়াৰ বিপৰীতে ইন্টাৰেষ্ট দিব লাগিব। গতিকে ফেজিং কৰি আমি এইখিনি ইমপ্লিমেন্ট কৰি আছো। ইয়াৰ বিপৰীতে শিক্ষানুষ্ঠান বিলাকত যিখিনি টিচিং গেপ আছিলে সেইখিনি নাইকিয়া কৰাৰ কাৰণেও অ'পেন চোৰ্চ কিছুমান এডুকেশ্যনেল মেটেৰিয়েল, সৰ্বশিক্ষা মিছন, বিভিন্ন এচচিইআৰটিৰ অধীনত থকা বিভিন্ন জিলাৰ ডায়েট সমূহৰ জৰিয়তে আমি তাৰ কাৰণে মেটেৰিয়েল প্ৰস্তুত কৰিছো আৰু কৰি পেলাই ৰিমেডিয়েল ক্লাচ কৰি কৰি শিক্ষানুষ্ঠানসমূহত য'ত যি নাটনি আছে সেই নাটনিখিনি দূৰ কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। গুণোৎসৱৰ পৰা আমি যি গম পাইছিলো যে ৬২.৯৩ কোটি টকাৰে আমাৰ আন্তঃগাঁথনিটো ব্যাপক পৰিৱৰ্তন সাধন কৰিবলৈ সম্ভৱপৰ নহয় আৰু সেই কাৰণে আন ২৫০০খন স্কুললৈ ৫০ লাখ কৰি টকা নাবাৰ্ড ইনফ্ৰাষ্ট্ৰাকচাৰ ডেভেল'পমেন্ট এচিচটেন্সৰ আধাৰত আন্তঃগাঁথনি উন্নয়নৰ কাৰণে ব্যয় কৰাৰ কাৰণে আমাৰ বাজেটত ধাৰ্য্য কৰা হৈছে। সেই কাম আমি অতি সোনকালে আৰম্ভ কৰিম। তাৰ উপৰিও ২০৯খন বিদ্যালয়, যিখিনি বিদ্যালয়ৰ ৭৫ বছৰ সম্পূৰ্ণ হৈছে আৰু সেই বিদ্যালয়খিনিৰ এনৰোলমেন্ট যথেষ্ট ভাল,সেই বিদ্যালয়খিনিক আৰু ভাল কৰিবৰ কাৰণে ৩ কোটিকৈ টকা আমি ব্যয় কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছো। এইখিনি আমি আন্তঃগাঁথনি উন্নয়নৰ কাম কৰিছো। অধ্যক্ষ মহোদয়, তেখেতে এটা সুনিৰ্দিষ্ট প্ৰশ্ন কৰিছে ছাত্ৰ আৰু শিক্ষকৰ ক্ষেত্ৰত। সেই কথাটো মই জনাই দিব বিচাৰো যে এই ছাত্ৰ আৰু শিক্ষকৰ ৰেচিও সঠিক কৰাৰ কাৰণে অসম চৰকাৰে যোৱা চৰকাৰৰ একেবাৰে শেষ

পৰ্যায়ত আহি এখন আইন বনাইছিল শিক্ষকৰ বদলিকৰণক লৈ । তাৰ কাৰণে আমাৰ চৰকাৰখনে এটা হিউমেন ৰিচোৰ্চ মেনেজমেন্ট চিষ্টেম প্ৰস্তুত কৰি উলিয়ালে যিটো প'ৰ্টেলত সকলো বিলাক শিক্ষকে তেওঁলোকৰ নাম পঞ্জীয়ন কৰিব। নতুন বছৰটোৰ আৰম্ভণিৰ পৰা আমি ট্ৰেন্সফাৰ কৰা আৰু ৰেচনেলাইজ কৰা  অৰ্থাৎ য'ত বেছি শিক্ষক আছে তাৰ পৰা কম শিক্ষক থকা অঞ্চললৈ বদলি কৰি সেই খালী পদসমূহ পূৰণ কৰাৰ প্ৰক্ৰিয়াটো নতুন বছৰৰ প্ৰথম সপ্তাহটোৰ  পৰাই আমি আৰম্ভ কৰিম বুলি আজিৰ সদনত মই জনাইছো, ধন্যবাদ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিবিলাক স্কুলৰ ৫০ বছৰ,৭৫ বছৰ হৈছে সেইবিলাকক অনুদান দিয়া হ'ব। মোৰ কৰিমগঞ্জ জিলাৰ নীলমনি হাইস্কুলৰ ১০০ বছৰ হৈছে। লাটোৰা হাইস্কুলত ফেব্ৰুৱাৰী মাহত চেণ্টুৱাৰি চেলিব্ৰেশ্যনটো হ'ব। সদনত মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাম যে আপুনি চিফ্‌গেষ্ট হিচাপে থাকিব লাগে, লগতে এই তিনি কোটি টকা যে পাব ইয়াৰ চেক্‌টো লৈ গ'লে ভাল হ'ব। পিষ্টজোৰা এল,পি স্কুলখনৰ একো বস্তুৰেই নাই। এইখিনি ঠিক হয় যাতে।

**মাননীয় অধ্যক্ষ ঃ** হ'ব, আমি বুজি পাইছো, সন্মানীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে বিভিন্ন হিতাধিকাৰীক, এতিয়া মাইক্ৰ'ফাইনেন্সৰ যিসকল মহিলা তেওঁলোকক চেক্ বিতৰণ কৰিব দুই আৰু তিনি তাৰিখে। কিন্তু এই আন্তঃগাঁথনি উন্নয়নৰ তিনি কোটি টকাটো চেকত দিবপৰা নাযাব। ইয়াত নিশ্চিতভাৱে কিছুমান নীতি আছে, বিধি আছে, গাইডলাইন থাকিব আৰু সেইমতে হ'ব। আপোনাৰ সমষ্টিত যিখিনি স্কুল আপুনি অনুদান পাব লাগে বুলি বিবেচনা কৰে, সেই স্কুলৰ তালিকাখিনি বিভাগক দিব, মোৰ হাতত দিলে মই পোন-পটীয়াকৈ চাই দিম,ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, শ্ৰী আমিনুল ইছলাম (চিনিয়ৰ)

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গুণোৎসৱৰ কাৰণে চৰকাৰে যিখিনি ব্যৱস্থা লৈছে ধন্যবাদ জনাইছো। কিন্তু কথাটো হ'ল

**ডাঃ ৰণোজ পেগু (শিক্ষামন্ত্ৰী) ঃ** ....গাইড লাইন মতে হ'ব। আপোনাৰ সমষ্টিত যিখিনি স্কুল আপুনি অনুদান পাব লাগে বুলি বিবেচনা কৰে সেই স্কুলৰ তালিকাখিনি আপুনি বিভাগক দিব, মোৰ হাতত দিলে মই পোনপটীয়াকৈ চাই দিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী আমিনুল ইছলাম (চিনিয়ৰ)

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গুণোৎসৱৰ কাৰণে চৰকাৰে যিখিনি ব্যৱস্থা লৈছে মই ধন্যবাদ জনাইছো। কিন্তু কথাটো হ'ল গুণোৎসৱটো তেতিয়াহে কাৰ্য্যকৰী হ'ব যেতিয়া আমি বিদ্যালয়ত শিক্ষক আৰু আন্তঃগাঁথনিৰ সকলো বিলাক সমস্যাৰ সমাধান কৰিব পাৰিব। ইতিমধ্যে যিখিনি বিদ্যালয় প্ৰাদেশিকীকৰণ হৈছে তাত প্ৰায় বিলাক বিদ্যালয়তে প্ৰধান শিক্ষক লোৱা হোৱা নাই। প্ৰধান শিক্ষকৰ লিখা-মেলা, ৰিপোৰ্টিং কৰা যিখিনি কাম সেই কাম বিলাক আন অফিচিয়েলী কোনোবাই কৰি আছে। গতিকে তেনেকুৱা বিদ্যালয় বিলাকত প্ৰধান শিক্ষক নিযুক্তি দিব লাগিছিল। দ্বিতীয়তে, যিখিনি টেট কোৱালিফাইড শিক্ষক আছে, ৫০ শতাংশ নম্বৰ আছে, দুই বছৰীয়া প্ৰফেশ্যনেল ট্ৰেইনিং আছে সেই শিক্ষক সকলকো আনকি টিউটৰ হিচাবে ৰখা হৈছে। গতিকে এইখিনি এমেণ্ডমেণ্ড কৰিব লাগে আৰু যদিহে বিদ্যালয়ত শিক্ষকৰ সমস্যাটো সমাধান নকৰে তেতিয়া হ'লে গুণোৎসৱ ফলপ্ৰসু নহ'ব বুলি আমাৰ ধাৰণা হয়। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**ডাঃ ৰণোজ পেগু (শিক্ষামন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৱে জানো আমি নতুন শিক্ষানীতি খৰতকীয়া কৈ প্ৰৱৰ্তন কৰাৰ কাৰণে বিদ্যালয় সমূহৰ গাঁথনি গত পৰিৱৰ্তন সাধন কৰিছো। এই গাঁথনি গত পৰিৱৰ্তনত ক্লাচ চিক্স, চেভেন, এইট টো এলিমেণ্টৰী এডুকেশ্যন বিভাগৰ পৰা স্কুল এডুকেশ্যন বিভাগ বা চেকেণ্ডাৰী স্কুল এডুকেশ্যন, ডাইৰেক্টৰেট লৈ আহিব। যিহেতু আমি এতিয়া এটা সন্ধিক্ষণৰ মাজত আছো সেয়ে কিছু কাম আমি আগবঢ়াইছো আৰু কিছু স্থবিৰ কৰি ৰাখিছো। প্ৰাথমিক শিক্ষাৰ কাৰণে যিখন আমাক চাৰ্ভিচ ৰুলৰ প্ৰয়োজন, যিহেতু আমি ক্লাচ চিক্স, চেভেন, এইট টো চেকেণ্ডৰী এডুকেশনলৈ লৈ আহিম গতিকে এই কামটো আমি আগত কৰি চাৰ্ভিচ ৰুল প্ৰস্তুত কৰা কামটো দুদিন আমি স্থবিৰ কৰিছো। চাৰ্ভিচ ৰুলখন হৈ যোৱাৰ লগ লগে আমাৰ প্ৰধান শিক্ষকৰ পদবীটোক এটা ডেজিগনেটেড দিয়া কামটো আমি সম্পূৰ্ণ কৰিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী জাকিৰ হুছেইন।

**শ্ৰী জাকিৰ হুছেইন লস্কৰ (হাইলাকান্দি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, গুনোৎসৱৰ বিষয়ে ইয়াৰ আগেতে বহুত বাৰ আলোচনা হৈছে। মাননীয় মন্ত্ৰী ডাঙৰীয়াই প্ৰশ্নৰ উত্তৰত যিখিনি কথা কৈছে সেইখিনি কথাৰ ওপৰত ক'ব লগীয়া নাই কিন্তু মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ কথাখিনি বিশ্বাস কৰিব পৰা নাই। ইয়াৰ আগতে পবিত্ৰ সদনত শিক্ষা বিষয়ৰ ওপৰত বহুবাৰ এনেকুৱা ধৰণৰ ৰিপ্লাই পাইছো কিন্তু কাৰ্য্যক্ষেত্ৰত কোনো বাস্তৱতা নাই। গতিকে আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াক আহ্বান জনাইছো যে গুনোৎসৱৰ জৰিয়তে বিদ্যালয় সমূহত বা শিক্ষাৰ ক্ষেত্ৰত কি কি অসুবিধা আছে গোটেইখিনি চৰকাৰে উলিয়াই ললে কিন্তু চৰকাৰে এই অসুবিধা সমূহৰ আঁতৰাবৰ কাৰণে বিহীত ব্যৱস্থা লোৱা দেখা নাই। কিন্তু যিমান ধুনীয়াকৈ তেওঁলোকে কথাবিলাক কৈছে সিমান ধুনীয়াকৈ কাম বিলাক হোৱা নাই। সেয়ে আপোনাৰ জৰিয়তে মই চৰকাৰৰ পৰা জানিব বিচাৰিম যে শিক্ষাৰ ক্ষেত্ৰত যিখিনি কথা কৈ থকা হৈছে, ঘোষণা কৰা হৈছে কেতিয়া সেইবিলাক বাস্তৱত পৰিণত কৰা হ'ব আৰু শিক্ষা ব্যৱস্থা কেতিয়া ভাল হ'ব?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**ডাঃ ৰণোজ পেগু (শিক্ষামন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় বিধায়ক সকলক অনুৰোধ জনাওঁ যে আমি বিদ্যালয় সমূহলৈ যোৱা উচিত। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই পোন্ধৰ আগষ্টৰ দিনা যি দহ টা আপীল কৰিছিল সেই দহটা আপীলৰ ভিতৰত এটা আপীল আছিল যে নিজৰ বিদ্যালয়খনলৈ এপাক ঘূৰি যাব লাগে আৰু সেই বিদ্যালয় সমূহৰ হাতত ধৰি তাত ক'ত কি সমস্যা আছে আগুৱাই লৈ যোৱাৰ যদি আমি ব্যৱস্থা কৰো তেনেহ'লে সমস্যা বিলাকৰ সমাধান হ'ব। আমি বিদ্যালয় সমূহলৈ গলেহে গম পাম যে তাত কি সমস্যা হৈ আছে। ৭৭৪ টকাৰ কাম অকল আৰ আই ডি এফৰ অধীনতে অনুমোদন দিছো। প্ৰায় চাৰে তিনিশ কোটি টকাৰ আন্তঃগাঁথনি ëÂ§þ1 ßÁ÷ Õ±÷ üÂ©Û ŽÂ1 ÕñÏò1 Â1±ßÁ1ËåÂ¼নেচিডৰ আণ্ডাৰৰ পৰা অনুষ্ঠান বোৰৰ কাম কৰিছো। মাননীয় বিধায়ক সকল যদি বিভিন্ন অনুষ্ঠানলৈ যায় আৰু তাৰ সমস্যাসমূহ কাগজ এখনত লিখি লৈ যদি মোৰ হাতত অৰ্পণ কৰে মই সেইখিনি বিভাগক লৈ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ৬২। শ্ৰী দিগন্ত কলিতা।

**ডাঃ ৰণোজ পেগু (শিক্ষামন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী দিগন্ত কলিতা (কমলপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিশেষকৈ কমলপুৰ সমষ্টিত মই এই সাত মাহৰ কথা কোৱা নাই। আমাৰ যোৱা বি জে পি চৰকাৰৰ দিনতো আমাৰ কিছুমান

স্কুল এমালগেমেশ্যন হৈছে। মই স্পেচিফিক তিনিখন স্কুলৰ কথা আজি মন্ত্ৰী মহোদয়ক অৱগত কৰো। সুন্দৰীখাল গাৰ্লচ্ এম ই স্কুল, মধুকুছি এম ই স্কুল, এক নং খৰিকট এল পি স্কুল এই স্কুল তিনিখনৰ আন্তঃগাঁথনি ইমান ধুনীয়া হৈ আছে। আপুনি গ'লে কেতিয়াবা গম পাব যে একদম সুন্দৰ পৰিবেশ। প্ৰশ্নটো হ'ল সেই স্কুল বিলাক তাত পৰিত্যক্ত অৱস্থাত থকাৰ কাৰণে বেয়াহৈ গুছি গৈছে। আমি বিচাৰিছো স্কুলখিনি যি এমালগেমেশ্যন হৈ গ'ল বা যি হ'ব অকল মোৰ কমলপুৰ সমষ্টিতে নহয় অন্যান্য সমষ্টি সমূহতো স্কুল বিলাকক চৰকাৰী অনুষ্ঠানলৈ পৰিৱৰ্তন কৰিব লাগে। এইখিনিয়েই মোৰ মন্ত্ৰী ডাঙৰীয়াৰ ওচৰত আহ্বান।

**ডাঃ ৰণোজ পেগু (শিক্ষামন্ত্ৰী) ঃ** माननीয় অধ্যক্ষ মহোদয়, বিদ্যালয় সমূহৰ এমালগেমেশ্যন হোৱাৰ পিছত কিছুমান বিদ্যালয়ৰ চৌহদত থকা ঘৰ সমূহ খালী হৈ পৰিছে আৰু খালী হোৱা সূত্ৰে সেই সমূহ চৰকাৰৰ হাতলৈ আহিছে। ইতিমধ্যে আমি এটা গাইড লাইন প্ৰস্তুত কৰিছো যে বিদ্যালয়ৰ চৌহদ চৰকাৰে অন্য চৰকাৰী বিভাগক আৱণ্টন দিব পাৰে। আমাৰ চৰকাৰৰ বহুতো ব্লক পৰ্য্যায়ৰ কাৰ্য্যালয়, মহকুমা পৰ্য্যায়ৰ কাৰ্য্যালয় এতিয়াও ভাৰা ঘৰত চলি আছে। গতিকে য'ত য'ত ভাৰা ঘৰত চলি আছে সেই ভাৰা ঘৰত চলি থকা কাৰ্য্যালয় সমূহ এই খালী হৈ পৰা বিদ্যালয়ৰ গৃহতেই এতিয়া আমি প্ৰতিষ্ঠা কৰিব পাৰো আৰু কৰ'বাত কৰ'বাত চিকিৎসালয় প্ৰস্তুত কৰাৰ প্ৰস্তাৱও আমাৰ হাতলৈ আহিছে। কিন্তু মাননীয় বিধায়ক শ্ৰী দিগন্ত কলিতা ডাঙৰীয়াই যিটো কৈছে যে বহুতো ভাল আন্তঃগাঁথনি আছে এনেকুৱা ক্ষেত্ৰত অসম চৰকাৰে চি বি এচ ই ৰ অধীনত ইংৰাজী মাধ্যমৰ আদৰ্শ বিদ্যালয় প্ৰতিষ্ঠা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছো। বহু জিলাত ইতিমধ্যে আৰম্ভ হৈছে। এতিয়া চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে যে অসমৰ ১২৬ টা বিধান সভা সমষ্টিত প্ৰত্যেকটা সমষ্টিতে একোখনকৈ চি বি এচ ই ৰ অধীনত ইংৰাজী মাধ্যমৰ আদৰ্শ বিদ্যালয় প্ৰতিষ্ঠা কৰিব। গতিকে যদিহে খুব ভাল আন্তঃগাঁথনি আছে তেনেহ'লে আমি এই বছৰতে ই তেখেতৰ সমষ্টিত চি বি এচ ই ৰ অধীনত ইংৰাজী মাধ্যমৰ আদৰ্শ বিদ্যালয়খন আৰম্ভ কৰিব পাৰিম। গতিকে কাৰ কাৰ সমষ্টিত এনেকুৱা ধৰণৰ ভাল আন্তঃগাঁথনি আছে মোক জনাবৰ কাৰণে আহ্বান জনালো।

**মাননীয় অধ্যক্ষ ঃ** দ্বিতীয় চাপ্লিমেণ্টৰী।

**শ্ৰী দিগন্ত কলিতা (কমলপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে প্ৰশ্নৰ উত্তৰ দিয়াৰ কাৰণে বহুত বহুত ধন্যবাদ জ্ঞাপন কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী ওয়াজেদ আলী চৌধুৰী।

**শ্ৰী ওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিবোৰ বিদ্যালয় হাইস্কুল, এম ই স্কুল, এল পি স্কুল বিশেষকৈ হাইস্কুল বিলাক দুই কিলোমিটাৰ বা তিনি কিলোমিটাৰৰ ভিতৰত যিবিলাক হাইস্কুল এটাচড কৰা হৈছিল, পিছত আকৌ এটা অৰ্ডাৰ গ'ল যে সেইটো ডিটাচড কৰি দিলে। অৰ্থাৎ সেইবিলাকক পুনৰাই নিজৰ নিজৰ স্কুলত যাব দিলে। অথচ স্কুল কেইখন এক কিলোমিটাৰ-দুই কিলোমিটাৰৰ ভিতৰতেই। যেনে - মোৰ সমষ্টিত তিনিখন হাইস্কুল আছে হামিদাবাদ উচ্চতৰ মাধ্যমিক বিদ্যালয়, কপিলগঞ্জ গাৰ্লচ্ হাইস্কুল আৰু নস্কৰা হাইস্কুল। এই তিনিখন স্কুল এটাচড কৰি দিছিলে। আমি ভালেই পাইছিলো। কিন্তু পিছত আকৌ এটা অৰ্ডাৰ গ'ল যে এই বিলাক স্কুলৰ শিক্ষক সকল পুনৰ নিজৰ নিজৰ স্কুলত গুছি যাব। গতিকে আকৌ তিনিখন স্কুল হৈ গ'ল। এই ক্ষেত্ৰত চৰকাৰে এতিয়া কি সিদ্ধান্ত ল'ব?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**ডাঃ ৰণোজ পেগু (শিক্ষামন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিদ্যালয় একত্ৰীকৰণৰ প্ৰক্ৰিয়াটো আমাৰ শিক্ষাক্ষেত্ৰ বুলি এখন আঁচনিৰ অধীনত হৈছে আৰু এইটো পৰ্য্যায়ক্ৰমে হৈ থাকিব। বিদ্যালয় একত্ৰীকৰণৰ প্ৰক্ৰিয়াটো আমাৰ কাৰণে খুবেই গুৰুত্বপূৰ্ণ। যেতিয়ালৈকে আমি নাম্বাৰ অব স্কুলৰ অপটিমাইজেশ্যনটো আমি কৰিব নোৱাৰিম অৰ্থাৎ আমি যিমানখিনি বিদ্যালয় লাগে সেইটো যেতিয়ালৈকে আমি অপটিমাইজ কৰিব নোৱাৰিম, কেইজনমান খুব কম সংখ্যক ছাত্ৰ-ছাত্ৰীক লৈ চৰকাৰে এখন এখন বিদ্যালয় চাৰ্পেটি দি থকাটো চৰকাৰৰ কাৰণে সম্ভৱপৰ কথা নহয়। গতিকে বিদ্যালয় একত্ৰীকৰণৰ প্ৰক্ৰিয়াটোৰ শিক্ষা ক্ষেত্ৰত গাইড লাইনটো মই প্ৰয়োজন হ'লে সকলো বিধায়কক আগতেও দিছো আকৌ এবাৰ দিম। মাননীয় অধ্যক্ষ মহোদয়, গতিকে প্ৰত্যক মাননীয় বিধায়ক সকলক মই অনুৰোধ জনাইছো আপোনালোকে নিজৰ নিজৰ সমষ্ঠিত শিক্ষা বিষয়ৰ ওপৰত যি সমূহ একত্ৰিকৰণৰ প্ৰস্তাৱ আছে, সেই প্ৰস্তাৱ সমূহ চায়, প্ৰয়োজন ভিত্তিক নতুন শিক্ষাৰ অধিকাৰ আইনে যিটো কথা কৈছে ১ কিঃমিঃ ব্যাসাৰ্ধৰ ভিতৰত এখন প্ৰাথমিক বিদ্যালয়, ৩ কিঃমিঃ ব্যাসাৰ্ধৰ ভিতৰত এখন ME School, ৫ কিঃমিঃ ব্যাসাৰ্ধৰ ভিতৰত এখন High School. সেই ধৰণে যাতে আমি Optmise কৰিব পাৰো। নতুন শিক্ষা নীতিয়ে Visualize কৰিছে, এখন মহাবিদ্যালয়ত নাই কমেও ৩ হাজাৰ ছাত্ৰ-ছাত্ৰী থাকিব লাগে। এইটো কোনো গাইড লাইন নহয়, আপোনালোকেও পৰামৰ্শ আগবঢ়াব। ১০০ জন ছাত্ৰ-ছাত্ৰীৰে কেনেকৈ এখন High School চলিব। High School বিলাকটো আমি Secondary বিদ্যালয় কৰিম, দ্বাদশ শ্ৰেণীলে। Secondary বিদ্যালয় এখনত Minimum ৭৫০ ৰ পৰা ১৫০০ মান ছাত্ৰ-ছাত্ৰী থাকিলে হে আমাৰ কাৰণে মেনেজমেন্টত সুবিধা হয়। ঠিক তেনেকৈ LP School এখন ৬ জন ছাত্ৰ-ছাত্ৰীক লৈ কেনেকৈ চলাম। ১০ গৰাকী ছাত্ৰ-ছাত্ৰী লৈ কেনেকৈ এখন ME School চলাম, এইটো অসম্ভৱ কথা। ইয়াৰ একত্ৰিকৰণ হ'বই লাগিব তাত বিধায়ক সকলৰ পৰামৰ্শও বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মাননীয় সদস্য শ্ৰী দুৰ্গাদাস বড়ো।

**শ্ৰী দুৰ্গা দাস বড়ো (কলাইগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যথেষ্ট সময় একত্ৰিকৰণৰ ওপৰত আলোচনা হ'ল কিন্তু মাননীয় মন্ত্ৰী মহোদয় আপোনাৰ পৰা জানিব বিচাৰিছো, আমি একত্ৰিকৰণ প্ৰক্ৰিয়া কৰি থাকাটো নতুন শিক্ষা নীতি মতে Drivecation ৰ কথা ভাবিবলগীয়া হ'লেই আমাৰ। যিহেতু শ্ৰেণী সমূহ এই ফালৰ পৰা সেই ফালে যাব নতুন শিক্ষা নীতি মতে। এইটোত শিক্ষা বিভাগৰ যথেষ্ট বিজুতি নঘটিবনে। লগতে এটা কথা তাৰ লগত সামঞ্জস্য ৰাখি কৈছো। ১ কিঃমিঃ ব্যাসাৰ্ধৰ ভিতৰত এখন প্ৰাথমিক বিদ্যালয়, ৩ কিঃমিঃ ব্যাসাৰ্ধৰ ভিতৰত এখন ME School, ৫ কিঃমিঃ ব্যাসাৰ্ধৰ ভিতৰত এখন High School ৰ কথাটো ক'লে একত্ৰিকৰণৰ ক্ষেত্ৰত। এখন প্ৰাথমিক বিদ্যালয় যদি একত্ৰিকৰণ কৰি দিয়া হয়, এখন ME School ৰ লগত তেওঁৰ দূৰত্বটো এনেই ৩ কিঃমিঃ হ'ল। এনেকুৱা বিষয়সমূহ যদি আমি দেখুৱাই দিওঁ মাননীয় মন্ত্ৰী মহোদয় সেই অসুবিধা সমূহ দূৰ কৰাৰ কাৰণে কিবা সহায় কৰিব নে?

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, নতুন শিক্ষা নীতিত যি বিদ্যালয় শিক্ষাৰ গাঠনিগত পৰিৱৰ্তন হৈছে, তাৰ পৰা বহুতে আশংকা কৰিছে যে, বিদ্যালয়বোৰ বহুত কিবা কিবি সাল সলনি হৈ যাব নেকি? বিদ্যালয় সমূহৰ সাল সলনি একো নহয়। বহুতে আশংকা কৰিছে যে, আমাৰ অংগনাবাদী কেন্দ্ৰটো বিদ্যালয়লৈ লৈ যাব নেকি? নহয়, অংগনাবাদী কেন্দ্ৰ য'ত যেনেকৈ আছে তাতেই থাকিব। য'ত অংগনবাদী কেন্দ্ৰ বিদ্যালয় লগতে আছে, তাত থাকিলে ভাল। সেই অংগনাবাদী কেন্দ্ৰতে এতিয়া প্ৰাক প্ৰাথমিক ৩ বছৰ বয়সৰ পৰা ৬ বছৰ বয়সলৈ শিক্ষাদান কৰিব।

LP School ও য'ত যেনেকৈ আছে তাতেই থাকিব, নতুন শিক্ষা নীতিৰ নতুন আইন অধীনত। তাতে Class-I ৰ পৰা Class-V লৈ শিক্ষাদান হ'ব। কিন্তু তৃতীয়, চতুৰ্থ আৰু পঞ্চম যিটোক আমি Preparatory Stage বুলি কৈছো, তাৰ কাৰিকুলামটো বেলেগ হ'ব। নতুন শিক্ষা নীতি মতে SCERT য়ে প্ৰস্তুত কৰিব তৃতীয়, চতুৰ্থ আৰু পঞ্চম। একত্ৰিকৰণৰ প্ৰয়োজন হৈছে ১ কিঃমিঃ ব্যাসাৰ্ধত ২খন বা ৩ খন LP School আছে। তাত আমাৰ প্ৰয়োজন হৈছে। ৩ কিঃমিঃ ব্যাসাৰ্ধত ৩ খন ME School চলি আছে, এইখিনি নহ'বৰ কাৰণে আমি এই ব্যৱস্থাটো কৰিছো। বহু ঠাইত একেটা Campus ৰ ভিতৰত তিনিখন বিদ্যালয় চলি আছে, এখনক High School, এখনক ME School, আৰু এখনক LP School বুলি কয়। এতিয়া এই ৩ খন বিদ্যালয় একত্ৰিকৰণ কৰি তাক এখন সংহত বিদ্যালয় হিচাবে আমি পৰামৰ্শ আগবঢ়াইছো। একাদশ আৰু দ্বাদশ বিদ্যালয়, হ'ল মাজত জুনিয়ৰ কলেজ বুলি নাম দিছিলে, এতিয়া আমি কৈছো Sineor Secondary School। এজন Post Graduate একাদশ আৰু দ্বাদশ শ্ৰেণীত পাঠদান কৰে। ওচৰতে এখন হাইস্কুল আছে তাত নৱম আৰু দশম আছে। এতিয়া আমি নৱৰ পৰা দ্বাদশ শ্ৰেণীলৈ গোটেইখিনি একত্ৰিকৰণ যদি আমি কৰো, তেনেহলে এজন Post Graduate শিক্ষকে নৱম পৰা দ্বাদশলৈ শিক্ষাদান কৰিবলৈ সক্ষম হ'ব, যিয়ে আমাক ছাত্ৰ-ছাত্ৰী সকলক বহুত ধৰণে উপকৃত কৰিব। তাৰ বাবে আমি সেই দৃষ্টিকোণৰ পৰাই এই একত্ৰিকৰণৰ প্ৰস্তাৱটো আনিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নম্বৰ ৬৫। শ্ৰী ৰেকিবুদ্দিন আহমেদ।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ (ছয়গাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পোন প্ৰথমে মই মাননীয় মন্ত্ৰী মহোদয়ক এটা ধন্যবাদ দি লৈছো। মোৰ সমষ্টিৰ গাহোল কোণাত গাৰো মাধ্যমৰ ১২ জন লোকে টেট উত্তীৰ্ণ হৈছে। তাৰ কাৰণে Social Media ত তেওঁলোকক প্ৰশংসা কৰিছে। High School আৰু Higher Secondary ত দিছিল, তাৰ বাবে মই তেওঁলোকক ধন্যবাদ দিছো। অধ্যক্ষ মহোদয়, মোৰ যিটো বিষয়ৰ ওপৰত মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো যে, যি সমূহ বে-চৰকাৰী শিক্ষা প্ৰতিষ্ঠান আছে, সেই প্ৰতিষ্ঠান সমূহত কিদৰে অধিক হাৰত মাচুল সংগ্ৰহ কৰি আছে, তাৰ বাবে মন্ত্ৰী মহোদয়ে যি কমিটি গঠন কৰিছে, ৰাজ্যিক পৰ্য্যায়ত তেওঁ ২/৩ টা কমিটি গঠন কৰিছে। অধ্যক্ষ মহোদয়, ব্যক্তিগত খণ্ডৰ বিদ্যালয় সমূহে কি দৰে মাচুল সংগ্ৰহ কৰিব লাগে, তাৰ বাবে চৰকাৰে যি দুটাকৈ কমিটী গঠন কৰিব লাগে, এটা মাধ্যমিক আৰু উচ্চ মাধ্যমিকৰ বাবে আৰু আনটো প্ৰাথমিক আৰু মধ্য ইংৰাজীৰ বাবে। ইয়াৰ পাছত মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, আপোনাৰ ওচৰলৈ বহু প্ৰতিষ্ঠান আহে। আপুনি নিজেই এইটো জ্ঞাত নে? ব্যক্তিগত বিদ্যালয়সমূহে যিদৰে মাচুল সংগ্ৰহ কৰি আছে, যিটো আৰ্হি চৰকাৰৰ ফালৰ পৰা বনাইছে, ব্যক্তিগত প্ৰতিষ্ঠানসমূহে সেই আহি মতেই মাচুল সংগ্ৰহ কৰি আছে, নে তেওঁলোকে সেই আৰ্হিৰ বাহিৰৰ পৰা মাচুল সংগ্ৰহ কৰি আছে? আৰু ভয়ত অভিভাৱক সকলে অভিযোগ নিদিয়ে, এই বিষয়ৰ ওপৰত মাননীয় মন্ত্ৰীয়ে কিছু ক'লে মই ভাল পাম।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক শ্ৰী ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াই সমষ্টিৰ গোহাল কোণৰ কথা উল্লেখ কৰিছে বাবে মইও সদনক জনাব বিচাৰিছো যে, এজন শিক্ষা বিষয়াৰ এক প্ৰচেষ্টাৰ ফলস্বৰূপে আজি ১৩ জনকৈ ছাত্ৰ-ছাত্ৰীয়ে টেট উত্তীৰ্ণ হ'বলৈ সক্ষম হ'ল। আমাৰ গাৰো ভাষাৰ বিদ্যালয় সমূহ বন্ধ হোৱাৰ উপক্ৰম হৈছে আৰু এটা ধাৰণা

আছিল যে, গাৰো মাধ্যমৰ ছাত্ৰ-ছাত্ৰী য়ে টেট উত্তীৰ্ণ নহয়। এই শিক্ষা বিষয়া শ্ৰী অপূৰ্ব ঠাকুৰীয়াই এই গোহাল কোণৰ গাওঁলৈ গৈ গাওঁৰ শিক্ষত ছাত্ৰ-ছাত্ৰী সকলক লগত লৈ এটা বিশেষ Crossing Camp কৰিলে আৰু তেওঁ বিশ্ববিদ্যালয় আৰু ডাইৰেক্টৰ পৰ্য্যায়ৰ পৰা শিক্ষকক নি ছাত্ৰ-ছাত্ৰীক প্ৰশিক্ষিত কৰিলে আৰু একেবাৰতে এখন গাওঁৰ ১৩ জনকৈ প্ৰাৰ্থীক টেট পৰীক্ষাত উত্তীৰ্ণ হ'বলৈ সক্ষম হ'ল। মই সেই শিক্ষা বিষয়া গৰাকীক ধন্যবাদ জনাইছো।

**শ্ৰীমতী নন্দিতা দাস (বকো)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মোৰ কথাখিনি ক'ব নিদিয়া বাবে শোক প্ৰকাশ কৰিছো।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, টেটৰ পৰীক্ষাত এই ১৩ জনকৈ ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হোৱাৰ কাৰণে আমি সমগ্ৰ অসমতেই গৌৰৱ অনুভৱ কৰিছো।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ (ছয়গাঁও)** ঃ মাননীয় অধ্যক্ষ মহোদয়, জিলা পৰ্য্যায়ৰ শিক্ষা বিষয়া শ্ৰী অপূৰ্ব ঠাকুৰীয়াৰ যিহেতু নাম লৈছে, গতিকে তেওঁক পুৰস্কাৰ প্ৰদান কৰিব লাগে। গতিকে মই সদনৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো যে তেওঁ ইমান ভাল কাম কৰিছে, গতিকে তেওঁক পুৰস্কৃত কৰিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ এই গণ্ডোগলটো কিয় হ'ল মোক বুজাই দিয়ক। মন্ত্ৰীয়ে এই ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিছে।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ (ছয়গাঁও)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ছয়গাওঁ সমষ্টিত তিনিটা ব্লক আছে। বনগাওঁ ব্লকটো বকোৰ লগত intake আছে। বকো থানাই আমাৰ ছয়গাওঁৰ এই বৃহৎ অঞ্চল উকিয়ামলৈ নিয়ন্ত্ৰণ কৰে। গতিকে ছয়গাওঁ আৰু বকো এটা দুটা সমষ্টিৰ সংলগ্ন হৈ থকা বাবে আমাৰ বিভিন্ন কাম হৈ থাকে।

**মাননীয় অধ্যক্ষ** ঃ দুটা সমষ্টিৰ দুইজনৰ লগত কিয় বুজাবুজি নাই।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ (ছয়গাওঁ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহত এটা অভিযোগ আছে যে তেওঁলোকে ছাত্ৰ-ছাত্ৰীবিলাকৰ পৰা বহুত মাচুল সংগ্ৰহ কৰে। এই ক্ষেত্ৰত কমিটি বনোৱা আছে। মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম, এইটোৰ ক্ষেত্ৰত বিতং ভাৱে অধ্যয়নৰ জৰুৰী আছে, এই কমিটীখন state level ত হৈছে, অসমৰ প্ৰত্যেকখন জিলালৈ এই কমিটিখন সম্প্ৰাসৰণ কৰিব লাগে, যাতে ইয়াৰ জৰিয়তে ব্যক্তিগত বিদ্যালয়সমূহে কোনো দুখীয়া গৰীব জনসাধাৰণক যাতে অত্যাচাৰ কৰিব নোৱাৰে, তাৰ ওপৰত শক্তিশালী পদক্ষেপ লোৱাৰ বাবে মন্ত্ৰী মহোদয়ক অনুৰোধ জনালোঁ।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। মন্ত্ৰী ডাঙৰীয়া।

**ডাঃ ৰণোজ পেগু (শিক্ষা বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বক্তিগত খণ্ডৰ বিদ্যালয় সমূহক নিয়ন্ত্ৰণ কৰিব কাৰণে তথা শক্তিশালী পদক্ষেপ লোৱাৰ কাৰণে চৰকাৰে আইন বনাইছে। আইনৰ অধীনত Rule প্ৰস্তুত কৰিছে আৰু তাৰে অধীনত কমিটি গঠন কৰিছে। সেই মতে আমাৰ যি Fee Regulatory Committee আছে, এই Fee Regulatory Committee য়ে এতিয়ালৈকে 2250 খন বিদ্যালয় পঞ্জীয়নভুক্ত কৰিছে। চৰকাৰে যিটো নিৰিখ বান্ধি দিছে, সেইটো এনেধৰণৰ pre-primary & class I to class V annually total fee per annum 27,000/- , class VI to class X annually total fee per annum 32,000/- , Science stream যদি হয় 37,000/-, Art stream ত 32,000/-, Commerce

stream ত 33,000/- & other stream 35,000/-। এতিয়া এই যিটো benchmark আছে, এই benchmark ৰ যিবোৰ বিদ্যালয়ৰ মাচুল কম, সেই বিদ্যালয় সমূহক fee fixation কৰাৰ পৰা ৰেহাই দিও। এনেকুৱা ৰেহাই দিয়াৰ বিদ্যালয়ৰ সংখ্যা হ'ল ১৭৫৮ খন। ইয়াৰ ওপৰত যিসমূহ বিদ্যালয় আছে, তেওঁলোকৰ fees কিমান হ'ব, সেইটো নিৰ্ধাৰণ কৰাৰ কাৰণে fixation লৈ মতা হয়, তেওঁলোকৰ hearing লোৱা হয় আৰু এনেকুৱা জ্বাজ্ব খন বিদ্যালয়ৰ fee fixation এই Fee Regulatory Committee য়ে ইতিমধ্যে কৰিছে। কেইবাখনো বিদ্যালয়ে revision ৰ কাৰণে আবেদন কৰিছিল, ৭ খন বিদ্যালয় আছিলে তেনেকুৱা। এই ৭ খন বিদ্যালয়ৰ ভিতৰত ৬ খনৰ revision টো হৈ গৈছে আৰু এখনৰ বিদ্যালয়ৰ pending আছে। তাৰে numbers of school filed expenses as per order of High Court। ১৩ খন বিদ্যালয়ে হাই কোৰ্টত আবেদন জনাইছে। গতিকে fees fixation কৰাটোত চৰকাৰখনে পদক্ষেপ গ্ৰহণ কৰিছে আৰু এখন Fee Regulatory Committee গঠন কৰিছে। সেই কমিটিখনৰ জৰিয়তে ইয়াত নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে আৰু ইয়াত Civil Society ৰো এটা অৰদান থাকে। কাৰণ ব্যক্তিগত খণ্ডৰ যিসমূহ বিদ্যালয় আছে, সেইসমূহৰ বহুখিনি Civil Society ৰ initiative ত অনুষ্ঠিত হৈছে আৰু বিভিন্ন NGO বা Trust ৰ দ্বাৰা বহুতখিনি বিদ্যালয় পৰিচালিত হয়। গতিকে Civil Society হিচাপেও ইয়াত guardian সকলৰো এটা rule থাকে, এইখিনি নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত। সেই সহায় সহযোগিতাখিনিও আমি আহ্বান জনাইছোঁ। কিন্তু আমাৰ যিখন Fee Regulatory Committee আছে, সেই কমিটিখনে সুন্দৰ ভাৱে কাম কৰি আছে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। ইয়াৰ পিছৰ supplementary সন্মানীয় সদস্য শ্ৰী ৰফিকুল ইছলাম।

**শ্ৰীৰফিকুল ইছলাম (জনীয়া)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ব্যক্তিগত খণ্ডৰ বিদ্যালয় নিয়ন্ত্ৰণ সম্পৰ্কে প্ৰশ্ন আছিল, যিটো মন্ত্ৰী মহোদয়ে উত্তৰ দিছে। আমি লক্ষ্য কৰিছো ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহত খুব সাংঘাতিকভাৱে infrastructure আছে, তেনেকুৱা নহয়। কিছুমানত অধিক সংখ্যক infrastructure চৰকাৰী বিদ্যালয়তকৈ কম। যদি চৰকাৰী বিদ্যালয়ৰ ওচৰত ব্যক্তিগত খণ্ডৰ বিদ্যালয় খালী আছে, আমাৰ ছাত্ৰ-ছাত্ৰীবোৰ তাত গুছি গৈছে। যাৰ কাৰণে আমি চৰকাৰী বিদ্যালয় বন্ধ কৰিব লগা হৈছে। ইয়াৰ মূলত কাৰণ হ'ল শিক্ষকৰ অভাৱ আৰু স্কুলৰ timing যিটো maintain কৰিব লাগে, যেনেকৈ ব্যক্তিগত খণ্ডৰ বিদ্যালয়ে কৰে, আমাৰ ইয়াত অলপ ব্যতিক্ৰম হৈছে। মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিম মোৰ এখন বালিগুৰু উচ্চতম মাধ্যমিক বিদ্যালয় ১৫৩০ জন ছাত্ৰ -ছাত্ৰী class ১২ লৈকে আছে। যোৱা ৭ বছৰৰ পৰা political science ত বিষয় শিক্ষক জন নাই। আজি এক সপ্তাহ আগতে সেই স্কুলত programme কৰি আহিলো, এইটো এটা উদাহৰণ মই দিছো। আমাৰ হায়াৰ চেকেণ্ডাৰী স্কুল বা হাইস্কুল বোৰত আপুনি পাব যে বহুততে বিষয় শিক্ষক বা শিক্ষক বিলাক নাই। primary teacher নাই, যাৰ কাৰণে মানুহে বিচাৰে চৰকাৰী বিদ্যালয়ত দিব, কিন্তু শিক্ষক নথকাৰ কাৰণে তেওঁলোকে বাধ্য হৈ ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত দিব লগীয়া হয় আৰু ব্যক্তিগত খণ্ডৰ বিদ্যালয়ে তেতিয়া সুযোগটো লয়। গতিকে নিয়ন্ত্ৰণ কমিটী যদিও আছে, সেই কমিটিয়ে active হৈ কাম কৰিব লাগে, সঠিকভাৱে যাতে নিয়ন্ত্ৰণ কৰে, দুখীয়া মানুহৰ লৰা-ছোৱালীয়ে যাতে suffer নকৰে, এইখিনিয়ে মোৰ মন্ত্ৰী মহোদয়লৈ অনুৰোধ।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী মহোদয়।

**ডাঃ ৰণোজ পেগু (শিক্ষা বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আচল সমাধানটো হ'ল যে জনসাধাৰণক সকাহ দিয়া। এই শিক্ষাদান কৰা বিত্তীয় বোজাৰ পৰা জনসাধাৰণক সকাহ দিয়াৰ

একমাত্ৰ সমাধানটো হ'ল যে আমাৰ যিসমূহ চৰকাৰী বিদ্যালয় আছে, সেই বিদ্যালয় বিলাকৰ গুণগত মান উন্নত কৰিব লাগিব। সেই গুণগত মান উন্নত কৰাৰ কাৰণে বৰ্তমান শিক্ষা বিভাগে নিৰন্তৰভাৱে কাম কৰি আছে। আপোনালোক সকলোৰে মোক সহায় সহযোগিতা লাগে। বিধায়ক সকল বিভিন্ন ঠাইত ঘূৰে, নিজৰ সমষ্টিৰ বিভিন্ন বিদ্যালয় পৰিদৰ্শন কৰে। মোলৈ সৰু video clip বা সৰু message এটা Whatsapp যোগে পঠালেও মই সেইটোৰ ওপৰত action আৰম্ভ কৰিম। এই প্ৰস্তাৱটো মই সদনত দিছো। তেনেকৈ পঠালে মই উপকৃত হ'ম আৰু গম পাম যে ক'ত কি চলি আছে। কাৰণ এখন জিলাত হাজাৰ হাজাৰ স্কুল থাকে, গতিকে এগৰাকী শিক্ষা বিষয়াৰ শাৰীৰিকভাৱে উপস্থিত থকাটো সম্ভৱ নহয়। উপস্থিত আপোনালোকে থাকে, যেতিয়া সম্ভেদখিনি আমাক দিব আমি কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী মজিবুৰ ৰহমান।

**শ্ৰী মজিবুৰ ৰহমান (দলগাওঁ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে শিক্ষা মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব খুজিছোঁ যে আমাৰ চৰকাৰী বিদ্যালয় আৰু বে-চৰকাৰী বিদ্যালয় সমূহৰ মাজত শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজৰ যিটো অনুপাত থাকিব লাগে, সেইটো একে। 30:1 আৰু 35:1 আছে। কিন্তু বহু ব্যক্তিগত বিদ্যালয় আছে, সেই বিদ্যালয় সমূহত 60:1, 70:1 হৈ আছে। গতিকে মাননীয় শিক্ষামন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিম যাতে আপুনি এই ক্ষেত্ৰত গুৰুত্ব দিয়ে, ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ অনুপাত যাতে মিলি থাকে।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী মহোদয়।

**ডাঃ ৰণোজ পেগু (শিক্ষা বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, নিশ্চিতভাৱে আমি এইটোৰ ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া প্ৰশ্ন নং ৬৬, সন্মানীয় সদস্য শ্ৰী নুৰুল হুদা।

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উজনি অসমৰ তামোল বিলাক আমাৰ মধ্য অসমলৈ আহে। বৰাক ভেলীৰ পৰাও আহে। সেই তামোল বিলাক অহাৰ পিছত তামোলৰ factory বিলাকত হাজাৰ হাজাৰ দুখীয়া মানুহে তামোলৰ বাকলি গুচাই পইচা পায় আৰু জীৱিকা নিৰ্বাহ কৰে। এই বাকলি নি তেওঁলোকে শুকায়, যিহেতু গেছৰ চিলিণ্ডাৰ কিনিবৰ কাৰণে পইচা নাই, তেওঁলোকে এইখিনি ৰন্ধন কাৰ্য্যত ব্যৱহাৰ কৰে। এইখিনি হৈ থকা অৱস্থাত চৰকাৰেও কৰ বহুত পাইছিল প্ৰায়, কোটি টকাৰ ওপৰত নগাওঁ জিলাৰ পৰা এক বছৰত পাইছে। আজি প্ৰায় ৫, ৬ মাহ মান আগতে হঠাতে এই factory বিলাক নীতিৰ্বহিভূত ভাৱে তলা লগাই দিয়া হ'ল। মন্ত্ৰী মহোদয়ে উত্তৰ দিছে যে factory চলি আছে। কিন্তু মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে এতিয়া factory ৰ মালিকবিলাকে ভয়তে ব্যৱসায় বন্ধ কৰি দিছে। তাৰ কাৰণে আমাৰ উজনি অসমৰ তামোলৰ খেতিয়ক বিলাকে পইচা পোৱা নাই। আৰু দুখীয়া লোকসকলে যিবিলাকে কাম কৰিছিল তেওঁলোকও কাম পোৱা নাই। এটা হাঁহাকাৰৰ সৃষ্টি হৈছে। গতিকে মই অনুৰোধ জনাছোঁ যে ব্যৱসায়ৰ ক্ষেত্ৰত সুযোগটো পাই তাৰ ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মন্ত্ৰী মহোদয়।

**Shri Chandra Mohan Patowary (Minister, Industries & Commerce etc.)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে মই পৰীক্ষা কৰি চাম।

**মাননীয় অধ্যক্ষ** ঃ Second Supplementary.

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সেইটোৰে ক'ব বিচাৰিছো যে ব্যৱসায়টো ভালকৈ চলিব লাগে। চলি আছে বুলি মন্ত্ৰী মহোদয়ে কৈছে। মই ধন্যবাদ জনাইছোঁ লগতে ব্যৱসায়টো ভালকৈ চলি থকা সুব্যৱস্থা কৰি দিয়াৰ বাবে অনুৰোধ জনাইছো, যাতে মানুহে আদান-প্ৰদান কৰি থাকিব পাৰে।

**Shri Chandra Mohan Patowary (Minister, Industries & Commerce etc.) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীক কৈছোয়েই মই পৰীক্ষা কৰি চাম।

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট) ঃ** ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ- Question Hour** শেষ হৈছে। শূণ্যকালীন ঘন্টা। শ্ৰীমতী সুমন হৰিপ্ৰিয়া

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া (হাজো) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, যোৱা দুবছৰে আমি ক' ভিড ১৯ ৰ ক্ষেত্ৰত যুদ্ধ কৰিলো। যুদ্ধ কৰি আমি অলপ সহজ অৱস্থালৈ ঘূৰি আহিছিলো। কিন্তু তাৰ পাছত অলপতে যিটো ৩য় ৱেভ আহিছে Omicron, এই Omicron টোৰে সঁচাকৈ আজি গোটেই পৃথিবীবাসীক চিন্তিত কৰিছে। এই Omicron টোৰে সঁচাকৈ আমাক চিন্তাত পেলাইছে নেকি? কাৰণ WHO য়ে কৈছে যে it is a very fast moving variant. অলপ ডেল্টা ভাইৰাচতকৈ, যিটোৰে আমাক অলপ আগত আক্ৰমণ কৰিলে, সেই ডেল্টা ভাইৰাচতকৈ কিন্তু ই moving very fast. গতিকে ইতিমধ্যে দেখা গৈছে, পৃথিবীৰ প্ৰায় ১০০ খনতকৈ অধিক দেশত Omicron বিয়পি পৰিছে, আৰু এইটো সঁচাকৈয়ে এটা চিন্তাৰ বিষয়। বহুতে ইতিমধ্যে এয়াৰলাইনছ পৰ্য্যন্ত, ছিংগাপুৰ এয়াৰলাইনছ পৰ্য্যন্ত বন্ধ হৈ গ'ল। চীনৰ ছিয়ান এলেকাটো Lockdown ঘোষণা কৰিলে। ডেৰ লাখ মানুহক ঘৰৰ ভিতৰত সোমাই থাকিবলৈ কৈছে। গতিকে যিহেতু গোটেই পৃথিবীবাসী চিন্তিত হৈ পৰিছে, WHO য়ে কৈছে যে it is very fast moving variant than Delta virus গতিকে Delta তকৈ যদি very fast যায়, গতিকে চিন্তা কৰিবলগীয়া কাৰণ ২৬ নবেম্বৰত যেতিয়া ধৰা পৰিছিল, চাউথ আফ্ৰিকাত, এতিয়া চাওঁক ১০০ খনতকৈ অধিক দেশত ইতিমধ্যে আমাৰ Omicron virus দেখা পোৱা গৈছে। বৃটেইন বহুত চিন্তিত হৈ পৰিছে, আমাৰ আমেৰিকা হওঁক, সকলোতকৈ ডাঙৰ কথা, চীনৰ ছিয়ান এৰিয়াত ডেৰলাখ লোকক কৈছে যে ঘৰৰ ভিতৰত থাকক আৰু ইতিমধ্যে যাতায়ত পৰ্য্যন্ত বহুত এয়াৰলাইনছ বন্ধ কৰি দিছে। ছিংগাপুৰ এয়াৰলাইনছ হওঁক। আমাৰ ভাৰতবৰ্ষত Omicron ২ ডিচেম্বৰত কৰ্ণাটকৰ বাংগালুৰুত আমাৰ প্ৰথম ধৰা পৰিছিল ২টা কেচ। গতিকে ২ ডিচেম্বৰৰ পৰা আজি চাওঁক ২৩০ টা যোৱা কালিলৈকে হ'ল। আজি ৫ টা আকৌ নতুন কেচ পোৱা গৈছে। গতিকে এতিয়ালৈকে ২৩৫ হৈ গ'ল । ইয়াতে আৰু এটা কথা আছে Omicron virus য়ে বোলে যেতিয়া জনসংখ্যা বেছি হয়, ঘন জনবসতিত Omicron বেছি fast যায়। গতিকে আমি ভাৰতবৰ্ষ বা অসম এই বিষয়ে অলপ অধ্যয়ণৰ প্ৰয়োজন আছে Omicron ৰ ওপৰত আৰু এইটো AIIMS ৰ সঞ্চালক Randeep Guleria ই এটা কথা কলে, সেইটোৰ বিষয়ে অলপ চিন্তা কৰিবলগীয়া যে This new variant has the potential of developing immune scope mechanism which may lead to decrease efficiency of covid-19 Vaccines. এইটো PTI ৰ এটা Report ত প্ৰকাশ পাইছে। গতিকে আমাৰ এইটোও গৱেষণা কৰিবলগীয়া যে আমাৰ যিখিনি double dose vaccine হ'ল, সেইটো কিমান প্ৰতিষেধক হিচাপে কামত আহিব, Omicron ৰ ওপৰত। সেইটো এটা চিন্তা কৰিবলগীয়া, আৰু কিছুমান দেশতটো এতিয়া booster পৰ্য্যন্ত প্ৰয়োগ কৰিছে। গতিকে আমি তেনেকুৱা ধৰণৰ চিন্তা কৰিছো,

booster dose ৰ ক্ষেত্ৰত, আৰু সকলোতকৈ ডাঙৰ কথা যিহেতু এতিয়া খ্ৰীষ্টমাচ আহি আছে New year eve parties আহি আছে, গতিকে আমাৰ কেনেকুৱা ধৰণৰ গাইডলাইন হ'ব। এতিয়া ল'ৰা-ছোৱালীৰ ক্ষেত্ৰটো মাক-বাপেকে স্কুললৈ পঠিয়াবলৈ চিন্তা কৰি আছে। কাৰণ নতুন Variant, তাৰ লগুণ বিলাকেই আমি নাজানো আৰু কেনেকৈ বিয়পিছে, আপোনালোকে চাওঁক, মহাৰাষ্ট্ৰত ৬৫ কেছ, দিল্লীত ৫৭, তেলেংগানাত ২৪, কৰ্ণাটকত ১৯, ৰাজস্থান ২২, কেৰালাত ১৫, গুজৰাট ১৪, পোন্ধৰখন ৰাজ্যত হ'ল এতিয়ালৈকে। আৰু আমাৰ অসমৰ ওচৰ পালেহি, উৰিষ্যা আৰু ৱেষ্টবেংগল। গতিকে এইক্ষেত্ৰত আমাৰ কেনেকুৱা ধৰণৰ সজাগতা হ'ব আৰু কেনেকৈ কৰিম ? যোৱাবাৰ আমি দেখিছো যে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়, তেতিয়াৰ স্বাস্থ্যমন্ত্ৰীয়ে কেনেকৈ যুদ্ধকালীন তৎপৰতাৰে আমাক সুৰক্ষা প্ৰদান কৰিছিল। গতিকে এই ক্ষেত্ৰত আমাৰ বৰ্তমানৰ স্বাস্থ্যমন্ত্ৰীৰ পৰাও আমি আশা কৰিম যে কেনেকুৱা ধৰণৰ আমাৰ ৰাইজক অৱগত কৰিব ?

**মাননীয় অধ্যক্ষ** -ঃ- ধন্যবাদ, মাননীয় মন্ত্ৰী ৫ মিনিটৰ ভিতৰত ক'ব লাগিব।

**শ্ৰী কেশৱ মহন্ত (স্বাস্থ্য মন্ত্ৰী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, এটা গুৰুত্বপূৰ্ণ বিষয় সদনৰ মজিয়ালৈ আজি মাননীয় সদস্যা সুমন হৰিপ্ৰিয়া ডাঙৰীয়ানীয়ে অনা কাৰণে আৰু মাননীয় অধ্যক্ষই এইটো অনুমতি দিয়াৰ কাৰণে মই প্ৰথমে ধন্যবাদ জনাইছো। এই ক'ভিড সম্পৰ্কত আমি সকলোৱে অভ্যস্ত। তাত কোনো ইয়াৰ পৰা আতৰি থকা নাই। প্ৰায় সকলৰ গাতে লাগিছে, লাগিপেলাই হয়তো কোনোবাই গম পাইছো, হস্পিতাললৈ গৈছো, কোনোবাই হয়তো গম পোৱা নাই, তাতে গাতে নাইকীয়া হৈ গৈছে। গতিকে এই ক্ষেত্ৰত আমি বিশেষকৈ ৰাইজৰ প্ৰতিনিধি সকলে ৰাইজৰ ওচৰত গৈ সকলোখিনি সহায়-সাৰথি কৰিছো। এতিয়া ক'ভিডৰ আজি Omicron ৰ কথাটো ইয়ালৈ আহিছে। এইটো এটা latest variant, ইয়াৰ আগতে আলফা, বিটা হৈছে। তাৰ পাছত ডেল্টা হৈছে। যেতিয়া ২০১৯ চনত সেই সময়তেই চীনত যেতিয়া আৰম্ভ হৈছিল, তেতিয়া আলফা বিটা, সেইটো আমাৰ ইয়ালৈ বিয়পি পৰিলে, গোটেই পৃথিবীলৈ বিয়পি পৰিলে। তাৰ পাছত এইটো গৈ mutation হৈ এইটো ডেল্টা হ'ল। গতিকে ডেল্টা হোৱাৰ পাছত ২য় ৱেভটো delta, first wave টো আলফা, বিটা আছিল আৰু এতিয়া Omicron আহি আছে। এই ক্ষেত্ৰত Omicron টো প্ৰথম ওলাইছিল, বিশেষকৈ দক্ষিণ আফ্ৰিকাৰ বচ্চোৱানাত, ২৪ নবেম্বৰ, ২০২১। ২৪ নবেম্বৰ ২০২১ তাৰিখে যেতিয়া এইটো গম পালে, তেতিয়া ২৬ নবেম্বৰ ২০২১ তাৰিখে Variant of concern B11529 এইটো বিশ্ব স্বাস্থ্য সংস্থাই তাৰ যিটো বৈজ্ঞানিক ব্যৱস্থাৰে ইয়াৰ যিটো সমীকৰণ, সেইটো উদ্ভাৱণ কৰিলে। আমাক জানিবলৈ দিলে, তাৰ পাছত ২৭ নবেম্বৰ ২০২১ তাৰিখত দেশৰ বিভিন্ন ভ্ৰমণ সম্পৰ্কীয় Omicron সংক্ৰমণ ঘটনাৰ প্ৰতিবেদন বিলাক তাৰ পৰাই আহি আছে। তাৰ পিছৰ পৰাই আৰম্ভ হ'ল। এতিয়া আমি তেখেতে যিহেতু Omicron ৰ কথা কৈছে, মই সেইটোলৈ আহিছো। ইয়াৰ যিটো spike protein, সেই spike protein, টোত mutation হৈছে। spike protein, বুলি কওঁতে আমি টিভি ত দেখুৱাই থকা দেখো যে, যিটো spike এইটো তাত mutation হৈছে। তাত mutation হোৱাৰ কাৰণে ইয়াৰ infection টো অলপ বেছি বুলি বৈজ্ঞানিকসকলে কৈছে, infection টো বেছি বুলি কোৱাৰ কাৰণে আমি দেখিছো যে এতিয়া ইউনাইটেড কিংডম হওঁক, ফ্ৰান্স হওঁক এই দুখন দেশতে spread টো বেছি হৈছে। এতিয়া ইউ কে ত প্ৰতিদিনে ১ লাখকৈ ইয়াৰ spread হৈছে। তাৰ পাছত আমাৰ এই ক্ষেত্ৰত ইতিমধ্যে ভাৰতবৰ্ষত আমাৰ হৰিপ্ৰিয়া ডাঙৰীয়ানীয়ে কৈ গৈছে, যে আজিলৈকে ২৩৬ টা কেচ এতিয়ালৈকে শেহতীয়াভাবে ইয়াত পাইছে। তাৰ বাদে এতিয়া আমি

পোৰা নাই, অসমত এতিয়ালৈকে আমি পোৰা নাই। অসমত যিখিনি কৰিছো। কিন্তু মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই এই ক্ষেত্ৰত বিশেষ তৎপৰতা গ্ৰহণ কৰি আছে ভাৰতবৰ্ষৰ কাৰণে। আৰু তেখেতে ঘনাই ঘনাই এই বিষয়ত আলোচনা বিলোচনা আৰু স্বাস্থ্যবিভাগৰ ক্ষেত্ৰটো কিছু direction তাৰ পৰা আহিছে। Latest direction যোৱা পৰহিও আমাৰ তালৈ আহিছে যে আমি এই সময়ত কি কৰিব লাগে। এতিয়া আমি Omicron টো তেওঁলোকৰ মতে কৈছে যে আমাৰ ডেল্টাতকৈ ৩ গুণ বেছি, দ্ৰুতগতিত এইটো সংক্ৰমন হ'ব। যোৱাকালি ২১ তাৰিখে ভাৰত চৰকাৰে আমাক তেখেতসকলে সকলো বৈজ্ঞানিক গৱেষণা আদিৰ পাছত যিটো direction আমালৈ আহিছে।

**মাননীয় অধ্যক্ষ** ঃ- ৫ মিনিট হৈ গ'ল।

**শ্ৰী কেশৱ মহন্ত (স্বাস্থ্যমন্ত্ৰী) ঃ** চমুৱাই দিছো মই। তাৰপিছত এইক্ষেত্ৰত আমাৰ কিছুমান direction দিছে জিলা ভিত্তিত হওঁক, ৰাজ্যিক ভিত্তিত হওক, যিখিনি ভিজিলেঞ্চ, সেইখিনি ক্লিয়াৰ কৰিব লাগে। packing testing আৰু এইখিনি কাম আৰম্ভ কৰিব লাগে। তাৰপাছত ইয়াত এশ শতাংশ Vaccination ত গুৰুত্ব দিব লাগে। গতিকে ভুৱা প্ৰচাৰ আদি যাতে নহয়, সেইখিনি চাব লাগে। ফিল্ডত যিখিনি অফিচাৰ আছে, তেওঁলোকক আকৌ trainedup কৰি ফিল্ডলৈ পঠাব লাগে। এইটো latest direction ভাৰত চৰকাৰৰ পৰা আহিছে। গতিকে সেইমতে আমি ইতিমধ্যে প্ৰস্তুতি কৰিছো। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই এইক্ষেত্ৰত এক বিশেষ তৎপৰতাৰে আমাৰ স্বাস্থ্য বিভাগৰ লগত আলোচনা কৰি এই কামখিনি দ্ৰুতগতিত আগবঢ়াবলৈ ঠিক কৰিছো আৰু আমাৰ সন্মানীয় সদনৰ প্ৰতিজন সন্মানীয় সদস্যক মই অনুৰোধ কৰিব বিচাৰিছো যে, এইক্ষেত্ৰত আপোনালোক সকলোৱে যাতে সহযোগ আগবঢ়াই ইয়াকে কৈ মোৰ বক্তব্য সামৰিছো।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)** -মাননীয় অধ্যক্ষ মহোদয়, যুগশঙ্খ পত্ৰিকায় প্ৰকাশিত "স্বচ্ছ ভারত অভিযানের নামে ৬৫ লক্ষের কেলেংকারি করিমগঞ্জ পৌরসভায়"— বিষয়টি উত্থাপন করার সুযোগ দেওয়ার জন্য অধ্যক্ষ মহোদয় আমি ধন্যবাদ জ্ঞাপন করছি।

অধ্যক্ষ মহোদয়, স্বচ্ছ ভারত মিশনে প্রায় পাঁচ থেকে ছয় কোটি টাকা করিমগঞ্জ পৌরসভায় দিল এবং সেই টাকা প্রত্যেকটি পৌরসভায় দেওয়া হয়েছিল। অধ্যক্ষ মহোদয়, সেই মর্মে ২০ মার্চ ২০২০ তারিখে ডিসি কনফারেন্স হলে একটি মিটিং হয়েছিল। এখানে মাইনুটস তৈরি করা হয়। আমি যে কথাগুলো বলব প্রত্যেকটি কথার তথ্য দিয়ে কথাগুলো বলব। সেই মাইনুটস যে রেডি করা হয় তাতে অনেক সামগ্রী কিনার কথা বলা হয়েছিল, এখানে ট্রাই সাইকেল, বিভিন্ন সামগ্রী এবং গাড়ী কিনার কথাও হয়েছিল। সেই মাইনুটস টা রিসিভ করেন পৌরসভার ভাইস-চেয়ারমেন, ২৩ মার্চ ২০২০ তারিখে। এবং দু-দিন আগে ২১ মার্চ ২০২০ তারিখে টেণ্ডার করা হয়। টেণ্ডারের সময় ছিল ২১মার্চ থেকে ২৬মার্চ কিন্তু ২১ তারিখ যদি টেণ্ডার কল করা হয় তাহলে ২১ তারিখ প্রকাশিত হতে হবে। সেটা প্রকাশিত হল ২৫ মার্চ ২০২০ তারিখে। এবং ৭ এপ্রিল তারিখে জেলাধিপতির কাছে নোটিস যায়, ডিআইপিআর এর কাছে যায় যাতে পত্রিকায় প্রকাশিত হয়। ৯ এপ্রিল ২০২০ তারিখ আবু তাহের খানের নামে ৫৫ লাখ টাকার চেক্ দেওয়া হয়। চেক্ নাম্বার ৭৬০১৭৩০৬ , Axis বেঙ্কের চেক্ । দুটি চেক্ দেওয়া হয়,আবু তাহের নামে। সেই কণ্ডিশনে আছে যে এক মাসের ভিতরে সব জিনিসগুলো মিউনিসিপালিটিকে দিতে হবে। আমি এই পবিত্র বিধান সভায় চেলেঞ্জ দিয়ে বলছি একটাও জিনিস অর্থাৎ ৭০ শতাংশও জিনিস এখন পর্যন্ত

মিউনিসিপ্যালিটিতে যায় নি। কিন্তু ৫৫ লক্ষ চেক দেওয়ার পর সেই জিনিস দেওয়ার জন্য যে তৎপরতা দেখানো উচিত ছিল অর্থাৎ সেছপুল দেওয়া হলনা কোনো জিনিস দেওয়া হল না। সেই কাজটি সংঘটিত হল ২২ মার্চ থেকে ২৪মার্চ, অর্থাৎ যখন জনতা কারফিউ ছিল । চেক্ দেওয়া হল, টেণ্ডার কল করা হল, যত ধরণের কাজ করা হল, আমাদের প্রধানমন্ত্রী যখন লকডাউন ঘোষণা করেছিলেন জনতা কারফিউর জন্য। প্রাই মিনিষ্টার কমপ্লিট লক ডাউন ফর এনটায়ার ন্যাশন ফর ২১ ডেজ। ২১ দিনের জন্য সমস্ত ভারতবর্ষে লকডাউন দেওয়া হয়েছিল। কিন্তু দুঃখের বিষয় হচ্ছে সেই চেক থেকে শুরু করে টেণ্ডার পর্যন্ত প্রত্যেকটা কাজ এই ২১ দিনের ভিতরে করা হল। অর্থাৎ এই আবু তাহের খান টেণ্ডার দেওয়ার জন্য কিভাবে আসল শিলচর থেকে। সেই টেণ্ডার নোটিশ কি ভাবে পাবলিশ হল? এই বৃহৎ কেলেংকারি কাহাকে বলে, চুরি কাহাকে বলে ,কিভাবে কেলেংকারি করতে হয় সেটা করিমগঞ্জ পৌরসভা স্বচ্ছ ভারত অভিযানে দেখতে পাওয়া গেল। টিপার কেনার কথা ছিল কিন্তু সেই জায়গায় মারুতি ভেন কিনা হল। সেই ভেন নিয়ে যখন সার্ভিস সেন্টারে যাওয়া হল সার্ভিসিং এর জন্য, অনলাইন সার্চ করে দেখা গেল সেই মারুতি ভেনও আবু তাহের খানের নামে রেজিষ্টার করা আছে। করিমগঞ্জ পৌরসভার নামে নয়। আমাদের মুখ্যমন্ত্রী গুড গর্ভনেন্স র কথা বলে থাকেন। কয়েকদিন আগে দেখেছি দিল্লিতে ইনি গিয়েছিলেন এবং বলেছেন গুড গর্ভনেন্স এর কথা। আমাদের স্বচ্ছ ভাবমূর্তি, গুড গর্ভনেন্স,এই সমূহ ভালো ভালো কথা বলেছিলেন। আমরা তাতে একমত। আমাদের কোন আপত্তি নেই। অধ্যক্ষ মহোদয়, সেই তথ্যর উপর ভিত্তি করে ২১ তারিখে ২৮ লক্ষ টাকার চেক দেওয়া হয়। প্রজেক্ট জ্যোতি, ২০৪ টি জায়গায় বেনিফিসারি ইলেক্ট্রিক খুঁটি দিয়ে লাইট লাগানোর কথা ছিল , কিন্তু একটা জায়গায়ও লাইট লাগানো হলনা। অধ্যক্ষ মহোদয়, আমি বিরোধী দলের বিধায়ক ,শাসক দলের কেউ যদি দুর্নীতি করে তার উপর কি ব্যবস্থা নেওয়া হবে। আমি মন্ত্রী মহোদয়ের কাছে অনুরোধ রাখব যে একটি বিশেষ টিম পাঠানো হোক। আমি লিখিত ভাবে ডিপার্টমেন্টে জানিয়েছি। তাই আমি চাই একটি হাই লেভেল টিম দিয়ে এনকোয়ারি করা হোক কারণ যেহেতু শাসক দলের ব্যপার, শাসক দলে যদি দুর্নীতি করে তাহলে সেই দুর্নীতি হবে কি হবে না সেটাই আজকের দিনে প্রশ্ন। হয়তো বিরোধী দলের কেউ যদি এই দুর্নীতি করত তাহলে হয়তো তাকে জেলে পাঠানো হত। কিন্তু শাসক দলের কেউ কেলেংকারি করলে তার উপর কি ধরনের ব্যবস্থা নেওয়া হবে সেটাই আজকে মন্ত্রী মহোদয়ের কাছে অনুরোধ।

**माननीय अध्यक्ष ঃ** মাননীয় মন্ত্রী।

**শ্রী অশোক সিংহল (নগৰ উন্নয়ন মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্রীকমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই যিখিনি কথা ক'লে, মোৰ হাতত যিখিনি তথ্য আছে দুটা কথা তেখেতে অভিযোগ আনিছে যে, গাড়ী কিনাৰ নামত কেলেংকাৰী হৈছে, আৰু দ্বিতীয়তে কর্মচাৰীয়ে দৰমহা পোৱা নাই। কর্মচাৰীৰ দৰমহাৰ ক্ষেত্রত মই জনাব বিচাৰো যে, Assam Municipal Act 1956 section 50 অনুসাৰে পৌৰনিগম কর্মচাৰীৰ দৰমহা দিয়াৰ দায়িত্ব পৌৰসভাৰ ওপৰত ন্যস্ত কৰা হৈছে। তথাপিও অসম চৰকাৰে Devolution front revenue gap ৰ জৰিয়তে দৰমহাৰ অন্যান্য কামৰ বাবে বিত্তীয় বছৰ ২০২১-২২ ৰ বাবে কৰিমগঞ্জ পৌৰসভাক ৭৪ লাখ ২৮ হাজাৰ ৩১৮ টকা মোকোলাই দিছে যে, কর্মচাৰীক দৰমহা দিব পাৰে। তাৰপিছত কিয় দৰমহা হোৱা নাই মই ক'ব নোৱাৰিম। কিন্তু ইয়াৰ ওপৰত খবৰ লোৱাৰ কাৰণে আৰু এনকুৱেৰী কৰাৰ কাৰণে কোৱা হৈছে। স্বচ্ছ ভাৰত অভিযানৰ নামত ৫৬ লাখৰ কেলেংকাৰী কৰিমগঞ্জ পৌৰসভাই

এই যিটো কথা ওলাইছে, মোৰ হাতত যিখিনি তথ্য আহিছে, তথ্যমতে তাত গাড়ী কিনা হৈছে চিচ্‌ফুল ক্লিনাৰ ২ হাজাৰ লিটাৰৰ কিনা হৈছে ১০ লাখ ৫০ হাজাৰ টকাত minihydraulic tipper দুটা কিনা হৈছে ৫০ হাজাৰ টকাকৈ। ইয়াত যদি কিবা দুৰ্নীতি হৈছে মিউনিচিপালিটিৰ নামত অহা নাই। যিটো specification ৰ গাড়ী আছিল সেই specification ৰ গাড়ী কিনা হোৱা নাই। যেতিয়া গোটেই লক্‌ডাউন হৈ আছিল, গোটেই ভাৰতবৰ্ষ বন্ধ আছিল, এই সময়ত কেনেকৈ লেন-দেন হ'ল, কেনেকৈ নিবিদা কৰিলে, কেনেকৈ গাড়ী চাপ্লাই হ'ল সেই গোটেই কথা সামৰি এটা এনকুৱেৰী দিয়া হ'ব। এই আশ্বাস মই আপোনাৰ মাধ্যমেৰে সদনক দিব খুজিছো।

মাননীয় অধ্যক্ষ মহোদয়, দ্বিতীয় কথা তেখেতে যিটো ক'লে যে শাসকীয় দলে দুৰ্নীতি কৰিলে কি হ'ব, দুৰ্নীতি কৰিলে জেলত যাব। এইবিলাক কথা নহয়। অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত যিখন চৰকাৰ চলি আছে, তেখেতে এই কথাটো বাৰম্বাৰ কৈ আহিছে যে দূৰ্নীতিৰ লগত কাৰো সম্পৰ্ক নাথাকে। শাসক-বিৰোধী সকলোকে সমান চকুৰে চোৱা হ'ব। অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে সদনক জনাব বিচাৰিছো যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে নিৰ্দ্দেশ দিয়াৰ পিছত বহুধৰণৰ ৰিফৰ্মচ আমি Urban affairs আৰু Muninicipal Department ত আনাৰ চেষ্টা কৰি আছো। ইয়াৰ ফলত ট্ৰেড লাইচেঞ্চচ গোটেই অসমত ইনষ্টেণ্ট এণ্ড অন লাইন কৰা হ'ল। আগত আছিল যে ট্ৰেড লাইচেঞ্চ বিচাৰি গ'লে বিচাৰি নাপায়। মিউনিচিপালিটিত মানুহে তিনি মাহ, ছয় মাহ ধৰি লাইচেঞ্চৰ বাবে হাৰাশাস্তি কৰি ঘূৰি থাকে। আজি গুৱাহাটীত মিউনিচিপাটি কৰ্পোৰেশ্যনত যদি এতিয়া লাইচেঞ্চ ল'ব লাগে তেন্তে তেওঁ ঘৰতে বহি দহ মিনিটৰ ভিতৰত অন লাইন যোগে লগে লগে পাব। অন লাইন আবেদন কৰোতে যি তিনিখন মান নথি বিচাৰিছে, সেই কেইখনমান জমা দি টকা দিলে লাইচেঞ্চ পাই যাব। সমগ্ৰ অসমতে মিউনিচিপাল লাইচেঞ্চৰ বাবে অন লাইন আৰু ইনষ্টেণ্টৰ ব্যৱস্থা কৰিছো। এইখিনি আপোনাৰ জৰিয়তে মই সদনত জনাব বিচাৰিছো। আনহাতে Online Property Tax Accessment and Payment ৰ আগতে কোনোবাই Property Tax দিব বিচাৰিলেও মিউনিচিপালবোৰত লোৱাৰ সুযোগ নাছিল। কিন্তু এতিয়া সমগ্ৰ অসমতে Property Tax ৰ অন লাইন যোগে Accessment and Payment ৰ ব্যৱস্থা কৰা হৈছে। Mannual Property Tax Payment ৰ ব্যৱস্থা সমগ্ৰ অসমতে বন্ধ কৰিছো। লগতে সমগ্ৰ অসমতে Mannual Trade Licence Issue কৰা বন্ধ কৰা হৈছে। আগতে সৰু সৰু মানুহে সৰু সৰু কামৰ বাবে মিউনিচিপালিটীত মানুহে হাৰাশাস্তি পাই আছিল, এতিয়া নাইকিয়া হ'ল। কোনোধৰণৰ কেৰাণী, ইন্সপেক্টৰৰ সহায় নোহোৱা কৈ অনলাইন যোগে ইনষ্টেণ্ট পাব। নিশ্চিত ভাৱে এনে ব্যৱস্থাই পৰিৱৰ্তনৰ এটা ইঙ্গিত বহন কৰিছে। আগতে মিউনিপালিটী বোৰত Building Permission নোপোৱাৰ ফলত মানুহে ছয় মাহ, এক বছৰ দিন ধৰি ঘৰ বনাব পৰা নাছিল। সেয়েহে আমি সমগ্ৰ অসমতে Online Building Permission ৰ ব্যৱস্থা কৰিছো আৰু আগন্তুক দিনবোৰত কেৱল Online ব্যৱস্থাৰে নহয়, কম্পিউটাৰৰ সহায়ত Auto scrutiny ৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব যাৰ জৰিয়তে Building Permission যিবোৰ দিয়া হৈছে আইন মতে হৈছে নে নাই সেইখিনি scrutiny কৰা হ'ব। অসমত যিবোৰ মিউনিচিপালিটী আছে তাৰ দুই এটা মিউনিচিপালিটীৰ বাহিৰে বিল্ডিংবোৰ আইন মতে নাই। গতিকে আগন্তুক এই দুই মাহৰ ভিতৰত অসমৰ গোটেই বিল্ডিংবোৰ আইন মতে কৰাৰ ব্যৱস্থা আমি কৰি আছো। কেন্দ্ৰীয় চৰকাৰে ৰিফৰ্মচ এজেণ্ডা মতে Department of Urban Housing and Urban Affairs ত ৫১ টা

ৰিফৰ্ম কৰাৰ বাবে কৈছিল। মোৰ আগৰ মন্ত্ৰী সকলে তেওঁলোকৰ কাৰ্য্যকালত ১৯ টা ৰিফৰ্মচ কৰিছিল। মই যোৱা সাত মাহত ৫১ টাৰ ভিতৰত ২৯ টা ৰিফৰ্মচ কৰিছো। মুঠ ৪৮ টা ৰিফৰ্ম হৈ গৈছে। তিনিটা হ'বলৈ বাকী আছে। অহা দুই মাহৰ ভিতৰত এই গোটেই ৰিফৰ্মচবোৰ আমি কৰিব পাৰিম। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই সদনক জনালো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী সুজাম উদ্দিন লস্কৰ ডাঙৰীয়াই কওঁক।

**শ্ৰী সুজাম উদ্দিন লস্কর (কাটলিছেরা)** -মাননীয় অধ্যক্ষ মহোদয়, শূন্যকালীন ঘন্টায় আমাকে সুযোগ দেওয়ার জন্য আপনাকে অশেষ ধন্যবাদ জানাই। “সংকটে গ্ৰামীণ অৰ্থনীতি রাজস্ব হারাচ্ছে সরকার” সিণ্ডিকেট দমনের জন্য বিপাকে স্থানীয় সুপারি ব্যবসায়ী—

মাননীয় অধ্যক্ষ মহোদয় সমগ্র অসম রাজ্যে লোকেল যে সুপারি সেটা আমাদের জন্ম লগ্ন থেকে চলছে ভারত স্বাধীন হওয়ার পর থেকে চলছে। আজ বার্মিজ সুপারি সিণ্ডিকেটের জন্য লোকেল সুপারিগুলোর হয়রানি হচ্ছে। এখন এই তিন চার মাস সিজন টাইম পুরানো ইতিহাস দেখলে দেখা যায় যে ৩০০ থেকে ৪০০ কোটি টাকা রাজস্ব আদায় হয়, আমাদের স্থানীয় সুপারি থেকে। বর্তমানে হাইলাকান্দি জেলায় ৮টি চিকিনি ফেক্টরী বন্ধ আছে। যেগুলো আমাদের হাইলাকান্দি এস পি মহোদয় বন্ধ করে রেখেছেন, বার্মিজ সুপারি সিণ্ডিকেটের কারণে। বরাক ভ্যালিতে তিনটা জেলা করিমগঞ্জ, হাইলাকান্দি, কাছাড় আমাদের ১৫ জন বিধায়ক, ২ জন সাংসদ আমি সদনের মধ্যে বলছি প্রত্যেকের বাড়ীতে সুপারি গাছ আছে। আমাদের অসমে এগ্রিকালচারে ধান ক্ষেতি, সুপারি, সশ্য এই তিন চারটা জিনিসই আমাদের কৃষকদের উপার্জনের ব্যবস্থা। আজ সুপারির চারা লাগানো হয়, তার থেকে গাছ হয়, ১০-১২ বছর পরে সুপারি বিক্রী হয় । আজ কাঁচা সুপারি যেটা শূন্য জি এস টি কোন টেক্স নাই কিন্তু সুপাবির খোসা ছাড়িয়ে যেটা কাঁচা সুপারি সিদ্ধ করে রোটা বানানোর পর সেটা থেকে জি এস টি দেওয়া হয়। আমার কাছে কিছু তথ্য আছে। ২০১৭-১৮, ২০১৮-২০১৯, ১৯-২০ প্রদীপ সুরানা উনি ইনকাম টেক্স দিয়েছেন ৫ লাখ ২৯ হাজার ৪৪৮ টাকা , জি এস টি দিয়েছেন ৩২ লাখ ৯১ হাজার ৭৯৮ টাকা । চিলস্তান সুরানা ২০১৭-১৮, ১৮-১৯, ২০১৯-২০২০ ইনকাম টেক্স দিয়েছেন ৬ লাখ ৩০ হাজার ১৫৩ টাকা আর জি এস টি দিয়েছেন ২৮ লাখ ৪৬ হাজার ৬১০ টাকা। সে রকম জি এস টি দেওয়া প্রায় তিন চারশো ব্যবসায়ী অসমের মধ্যে হবেন। সুরানা ট্রেডিং, রূপক সেন, ফরিদ খান চৌধুরী, নরুল হক, শালে আহমেদ, রূপক দেব ,দিলীপ সুরানা, এই রকম আমার তথ্য ভিত্তিক তিন- চারশো সুপারি ব্যবসায়ী জি এস টি দিয়েছেন। আমার সীমা অসম-মিজোরাম সীমান্তে। যে বার্মিজ সুপারির উপরে আমাদের মাননীয় মুখ্যমন্ত্রী যে পদক্ষেপ নিয়েছেন আমি শতবার উনাকে ধন্যবাদ দিচ্ছি। কারণ ড্রাগস, হিরোইন, এইগুলো বন্ধ করার ব্যবস্থা নিয়েছেন কিন্তু আমাদের স্থানীয় সুপারি বন্ধ রাখার জন্য আজ অসম সরকার চার থেকে পাঁচশো কোটি টাকা আজ জি এস টি মার খাচ্ছে। আজ আমরা সুহৃদ প্রকল্প পাচ্ছি না। আজ এই জি এস টি টা পাচ্ছে পশ্চিমবঙ্গ। আজ কাঁচা সুপারি জিরো বেলেন্সে মাল আসছে, সমগ্র অসম রাজ্যের বর্ডারে যাচ্ছে আর পশ্চিমবঙ্গে যাওয়ার পর সেখানকার সরকার জি এস টি পাচ্ছে। তাই আমি অনুরোধ রাখছি কোন এনকুয়ারি করে সুপারির ব্যবসা মাত্র তিন,চার মাস চলে। তিন , চার মাস পরে আর এই ব্যবসা চলে না। ত্রিপুরার সঙে বরাকের বর্ডার,মিজরামের সঙে বর্ডার। ত্রিপুরা থেকে মিজোরাম থেকে কাঁচা সুপারি আসে। বর্তমানে হাইলাকান্দি জেলার রামনাথপুর থানায় ৪০ টি কাঁচা সুপারির গাড়ি আবদ্ধ আছে। কিন্তু পুলিশ সিজ ও করে না কোর্টেও পাঠায় না, যে মিজোরামের মাল আসতে দেবে না। কিন্তু আমাদের ১৫৪ ন্যাশনেল হাইওয়ে রোড হয়ে হাজার হাজার গাড়ি মিজোরামে

যাচ্ছে। হাজার হাজার গাড়ি মিজোরাম থেকে হাইলাকান্দি আসছে। আমাকে আমার সমষ্টির জনসাধারণ প্রশ্ন করেন যে হাজার হাজার গাড়ি আসছে যাচ্ছে কিন্তু কাঁচা সুপারি কেন বন্ধ হয়। আমি অনুরোধ রাখছি আমাদের লকেল সুপারি ছাড়ার জন্য উদাহরণ স্বরূপ বলছি তার থেকে প্রায় চার-পাঁচশ কোটি টাকা জিএসটি আমরা পাব।

**মাননীয় অধ্যক্ষ ঃ** আগতে আপোনালোকে মন্ত্ৰী ডাঙৰীয়াৰ উত্তৰটো শুনক।

**শ্ৰী অতুল বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চুপাৰীৰ বেপাৰটো ভাল আছিলে। ২০২১ ৰ পৰা ২০১৬ লৈকে আৰু বেছি ভাল আছিল। এতিয়া অকল বৰাক ভেলীতেই নহয়, সমগ্ৰ অসমতে মানুহে তামোল খেতি কৰে। যোৰহাট, শিৱসাগৰ, ধেমাজী, হাইলাকান্দি, কাৰ্বিআংলং, বঙাইগাওঁ, গোৱালপাৰা, কামৰূপ সকলোতে তামোলৰ খেতি কৰে। কিন্তু অকল বৰাকভেলীতেই কিয় ইমান প্ৰতিক্ৰিয়া হৈছে? প্ৰতিক্ৰিয়া এটা কাৰণতেই হৈছে হয়তো মাননীয় মুখ্যমন্ত্ৰীয়ে বাৰ্মিজ চুপাৰীটো বন্ধ কৰিছে, চুপাৰীৰ ছিণ্ডিকেটটো বন্ধ কৰিছে। যাৰ ফলত বহুতৰে কিছু অসুবিধা হৈছে। বেমাৰটো তাতেই। মাননীয় অধ্যক্ষ মহোদয়, শূণ্যকালীন ঘন্টাত মাননীয় সদস্য শ্ৰী ছুজামউদ্দিন লস্কৰ ডাঙৰীয়াই যিটো প্ৰশ্ন উত্থাপন কৰি সদনৰ দৃষ্টি আকৰ্ষণ কৰিলে চৰকাৰে ৰাজহ হেৰুৱাইছে বুলি, হাইলাকান্দিত কিছুমান চুপাৰী জব্দ কৰিছিলে। অনুৰূপ ধৰণে বঙাইগাওঁতো জব্দ কৰিছে আৰু জব্দ কৰি গাড়ীবিলাক release কৰা নাই। হাইলাকান্দি আৰু বঙাইগাওঁৰ SP য়ে Director, Horticulture লৈ তাৰ sample পঠাইছিলে test কৰিবৰ কাৰণে। Director, Horticulture ৰে sample পঠাইছিল Central Plantation and Research Institute লৈ, যিটো কেৰেলাত আছে। এইটো ICAR ৰ এটা Institute. তাৰ পৰীক্ষা কৰাৰ পাছত তেখেতসকলে এটা report দিছে যিটো report সেই বাৰ্মিজ বেপাৰীসকলৰ অনুকুলে নাই। তাত স্বাস্থ্যৰ কাৰণে অত্যন্ত ক্ষতিকাৰক কিছুমান পদাৰ্থ পোৱা গৈছে। আমাৰ মাননীয় সদস্য নুৰুল হুদা ডাঙৰীয়াইও সদনত এটা কথা উল্লেখ কৰিছে আৰু মাননীয় উদ্যোগ মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিছে। তেখেতে কৈছে যে চুপাৰী Industry টো বন্ধ হোৱা নাই। অসমত থলুৱাভাৱে যিবিলাক তামোল উৎপাদন কৰা হয়, তাৰ পৰা এৰেকানাথ বা চুপাৰী প্ৰস্তুত হয়। সেইখিনিৰ ক্ষেত্ৰত চৰকাৰে কোনো ধৰণৰ বাধা আৰোপ কৰা নাই। কিন্তু সমস্যা হৈছে যে এই বিষয়টো আপোনালোকে আমাৰ দৃষ্টিগোচৰ কৰিছে, কৃষি মন্ত্ৰী হিচাপে কৃষি বিভাগৰ। গতিকে মই এই কথাও থোৱতে কৈ থওঁ যে The Farmers Produce Trade and Commerce, Promotion and Facilitation Ordianance 2020, এই অধ্যাদেশখন যেতিয়া ভাৰত চৰকাৰে জাৰী কৰিলে তাৰ পৰিপ্ৰেক্ষিতত অসম চৰকাৰেও ১২-৬-২০২০ তাৰিখে নিজৰ নিজৰ বজাৰ চৌহদৰ বাহিৰত The Assam Agricultural Produce Market Act, 1970 অনুসৰি তালিকাভুক্ত কৃষি উপজ তামোল আৰু চুপাৰী সাঙুৰি এই ক্ষেত্ৰত নিয়ন্ত্ৰণ তথা পাইকাৰী বিপণনৰ বিপৰীতে প্ৰযোজ্য উপকৰৰ সংগ্ৰহ বন্ধ কৰি থোৱা হৈছে। Act হোৱাৰ পাছত আমি নিয়ন্ত্ৰিত বজাৰৰ পৰাহে cess ল'ব পাৰো। এইটো এটা বাধা আছে। এতিয়া আমি দেখিছো যে চুপাৰী আৰু তামোলৰ খেতি মূলত চীন,বাংলাদেশ, ম্যানমাৰ, বাৰ্মা, থাইলেণ্ড আৰু অসমৰ বিভিন্ন জিলাত হয়। কিন্তু ভাৰতবৰ্ষত তামোলৰ খেতি বিশ্বৰ ভিতৰতে সৰ্বাধিক। অসম, কেৰেলা আৰু কৰ্ণাটক এই তিনিখন ৰাজ্যই দেশৰ ৮৩ শতাংশ তামোল উৎপাদন কৰে। অসমত মুঠতে ৬৭৭১৯ হেক্টৰ মাটিত তামোলৰ খেতি হয়, যিটো ভাৰতবৰ্ষৰ মূল তামোলৰ খেতিৰ ১৪.৮২ শতাংশ আৰু আমাৰ হাতত থকা তথ্য মতে নগাওঁত আটাইতকৈ বেছি production হয়। হাইলাকান্দি জিলাত

২৬৬৮ হেক্টৰ মাটিত তামোলৰ খেতি হয় আৰু ইয়াৰ মুঠ উৎপাদন প্ৰায় ৯৪৫০ মেট্ৰিকটন। এইদৰে কৰিমগঞ্জ জিলাত ২৩৪৭ হেক্টৰ মাটিত তামোলৰ খেতি হয় আৰু উৎপাদন ২৪৯৪ মেট্ৰিকটন। সেইদৰে কাছাৰ জিলাত ৪৩৫২হেক্টৰ মাটিত তামোলৰ খেতি হয় আৰু উৎপাদন ৯৪৫০ মেট্ৰিকটন। এনেধৰণেৰে আমাৰ ৰাজ্যত যথেষ্ট তামোলৰ উৎপাদন হয়। কিন্তু সমস্যাটো হৈছে বাৰ্মিজ চুপাৰীলৈ। এতিয়া যিখিনি চুপাৰী বাহিৰত পৰীক্ষাৰ কাৰণে পঠোৱা হৈছিল, সেই কথাখিনি ইয়াত উল্লেখ নাই, আমি জ্ঞাত নহয়। সেইখিনি আমাৰ হাইলাকান্দি বা কৰিমগঞ্জ জিলাত উৎপাদিত চুপাৰী নে অন্য ঠাইৰ চুপাৰী?

**শ্ৰী ছিদ্দিক আহমেদ (দক্ষিণ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। এই যিটো কেচা চুপাৰীৰ কথা কোৱা হৈছে, আমি বাৰ্মিজ চুপাৰীৰ কথা কোৱা নাই, আমি থলুৱা চুপাৰীৰ কথা কৈছো। এতিয়া থানাই থানাই বহুত থলুৱা চুপাৰী আছে। এইখিনি যেনেতেনে এৰি দিব লাগে।

-----হুলস্থূল-------

**মাননীয় অধ্যক্ষ ঃ** আপোনালোক বহক। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ক'ব বিচাৰিছে।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী, অসম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সমস্যাটো হ'ল যে দুই ধৰণৰ চুপাৰী বৰাক ভেলী আৰু মিজোৰামৰ পৰা আহে। মিজোৰামৰ হেচেকতো লোকেল চুপাৰী হয় আৰু বৰাক ভেলীতো লোকেল চুপাৰী হয়। সমান্তৰালভাৱে ম্যানমাৰৰ পৰা বাৰ্মিজ চুপাৰী আহে। এতিয়া লোকেল চুপাৰীখিনি খুলি দিয়াত আমাৰ আপত্তি নাই। সমস্যাটো হ'ল লোকেল চুপাৰী আৰু বাৰ্মিজ চুপাৰীটো কোনে distinguish কৰিব? কাৰণ প্ৰত্যেকখন ট্ৰাকতো পুলিচে distinguish কৰিব নোৱাৰে। Agriculture Marketing Board ত যোৱাৰ লগে লগে পাছত Marketing Board ৰ বিপক্ষে পতাকা হাতত তুলি ল'ব যে পইচা লৈ বাৰ্মিজ চুপাৰী এৰি দিলে বুলি। সেইকাৰণে আমি এটা SOP develop কৰিব খুজিছো যে কেনেকৈ আমি বাৰ্মিজ চুপাৰী আৰু লোকেল চুপাৰী distinguish কৰিব পাৰো। দ্বিতীয়তে, যেতিয়া চুপাৰীৰ ট্ৰাক ওলাই অহা দেখিব তেতিয়া আমাৰ সংবাদ মাধ্যমে এইটো কথা ক'ব যে চুপাৰীৰ ছিণ্ডিকেট আৰম্ভ হৈ গ'ল। আজি আপোনালোকে ইয়াত কৈছে, দুদিনমান পিছত আপোনালোকে ইয়াত বিবৃতি দিব যে চুপাৰীৰ ছিণ্ডিকেট আৰম্ভ হৈ গ'ল। ---হুলস্থুল-------GST আমাৰ এটকাও নাহে। আপোনালোকে GST ৰ ওপৰত চালে দেখিব যে আমি destination state লৈকে GST দি দিব লাগে। যিটো বস্তু অসমত consume নহয়, সেইটো আমি ধৰি ৰাখিব নোৱাৰো। যদি মধ্য প্ৰদেশে চুপাৰীটো কিনে, অসমে GST টো collect কৰি মধ্য প্ৰদেশ চৰকাৰক দিব লাগে। গতিকে আজিকালি নিয়মটো হৈছে বিক্ৰী ক'ত হয়? গতিকে GST যি ৰাজ্যই নলওক কিয়, সেই ৰাজ্যলৈকে ঘুৰাই দিব লাগে। যাক IGST transfer বুলি কয়। অৰ্থ্যাৎ আজি যদি আমি লওঁ অহাকালি ৰাতিপুৱাই আমি ঘুৰাই দিব লাগিব। গতিকে অসমৰ উৎপাদিত বস্তু অসমত বিক্ৰী নহ'লে আমাৰ এটকাও লাভ নহয়। সেইটো GDP ত count হ'ব। সেইকাৰণে আমি কাচাৰ, কৰিমগঞ্জ আৰু হাইলাকান্দিৰ উপাযুক্তক মই কৈছো যে লোকেল citizen ৰ লগত আলোচনা কৰি এটা SOP develop কৰিব লাগে যাতে আমাৰ কতো টকা লোৱা বুলি বদনাম নহয়। মই কয়লাৰ ক্ষেত্ৰতো একেটা কথাকে কৈছো। বৰাক ভেলীৰ Brick Industry বিলাকে কয়লা পোৱা নাই বুলি কৈ আছে। বৰাক ভেলীৰ Cement Corporation ও বন্ধ হৈ আছে।

যাতে এই ক্ষেত্রত আমাৰ গাঁত বোকা নপৰে তাৰ বাবে ৩ জন ডি চিয়ে আপোনালোকৰ লগত কথা পাতিব আৰু কথা পাতি এটা ‘ এচ ও পি ’ ডেভল’প কৰিব আৰু জানুৱাৰী, ১০ বা ১২ তাৰিখৰ আগতে আগতে আমি ‘এচ ও পি ’ ৰিলিজ কৰি দিম।

বাদ-বিবাদ

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ৰুল -৫৪- টেৰচ গোৱালা ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিটো ‘এচ ও পি ’ৰ কথা কৈছে তাৰ বাবে ধন্যবাদ জনাইছো। মুখ্যমন্ত্ৰী মহোদয়ে যিটো পজিটিভলী কৈছে এইটো সোনকালে কৰিলে ভাল হয়। কাৰণ এইটো চিজন টাইম।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** মই কৈছোৱে যে জানুৱাৰীৰ ১০-১২ তাৰিখৰ আগতে ‘এচ ও পি’ হ’ব। কিন্তু মই কমলাক্ষ দে ডাঙৰীয়াক আজি এই সদনত অনুৰোধ জনাম যে দুদিন পিছত যেতিয়া পলিটিক্সটো বাঢ়ি গৈ থাকিব তেতিয়া আপুনি নিজেই সাংবাদ মেল কৰিব । যাতে এই কামটো নহয়, মোৰ খোলাৰ কোনো ইন্টাৰেষ্ট নাই। আপোনালোকে মোক ৰিকুৱেষ্ট কৰিছে, আমাৰ দলৰ সন্মানীয় বিধায়ক কৃষ্ণেন্দু পালেও ৰিকুৱেষ্ট কৰি আছে । আপোনালোকৰ লগত আলোচনা কৰিব, কেৰল ম্যানমাৰৰ চুপাৰী যাতে কোনো কাৰনে নোলায় গাড়ীত- আৰু এটা হ’ল বৰাক ভেলীৰ ব্ৰিকচ ইণ্ডাষ্ট্ৰি , চিমেন্ট কৰ্পোৰেশ্যনৰ কাৰণে কিমান ট্ৰাক কয়লা প্ৰয়োজন হ’ব এইখিনি আপোনালোকে হিচাপ কৰি দিলে মই ১২ জানুৱাৰীৰ আগেত বিষয়টো নিস্পত্তি কৰি দিম।

**মাননীয় অধ্যক্ষ ঃ** বিৰোধী দলৰ দলপতি ডাঙৰীয়া।

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি)ঃ** মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো আজি কথাখিনি স্পষ্টভাবে কোৱা বাবে। অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয় সদনত উপস্থিত আছে, মই এটা কথা দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে, মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ে আমাৰ অসমত হৈ থকা অবৈধ চিণ্ডিকেট ইত্যাদি বন্ধ কৰিবলৈ ‘ মাইনচ এণ্ড মিনাৰেলচ টাক্স ফোৰ্চ গঠন কৰিবলৈ ২০১৯ চনতে কৈছিল। যোৱাকালি মোৰ এটা লিখিত প্ৰশ্ন আহিছিল তাত কোৱা হ’ল যে, কনটেম্প কোৰ্ট হৈছে কিন্তু আজি ৩ বছৰে তাৰ ওপৰত কোনো কাৰ্য্যব্যৱস্থা লোৱা হোৱা নাই। সেয়েহে মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো, কয়লাৰো যি অবৈধ চিণ্ডিকেট চলি আছে, মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে পুলিছ নাই, ৰাস্তা-ঘাট বেয়া হ’ব অন্য ষ্টেটৰ গতিকে কি মেকানিজিম কৰিব পাৰে, যাতে যিটো ৰাজহ লোকচান হৈছে অবৈধ কয়লা সৰবৰাহৰ পৰা, সেইটো সোনকালে বন্ধ হয়। কয়লা- কাঠৰ কথা আজিও পেপাৰত ওলাইছে।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, দুটা কথা বিৰোধী দলৰ দলপতি ডাঙৰীয়াই ক’লে- মই ৰেকৰ্ডত থৈছো, প্ৰথম কথা হ’ল, মেঘালয়ৰ পৰা যেতিয়া কয়লা ওলায় তেতিয়া অসম চৰকাৰে না চিণ্ডিকেট কৰিব লাগে না ট্ৰাকবিলাক চাব লাগে। কাৰণ এইখিনি তেওঁলোকৰ ৰাজ্যৰ পৰা আন এখন ৰাজ্যলৈ যাব। কিন্তু যদি কিবা ভুল হৈছে ডেষ্টিনেশ্যন ষ্টেটত চাব নহ’লে অৰিজিন ষ্টেটত চাব। আমি চুঙা পাতি এই ব্যৱসায়টো চোৱা বাবে আমাৰ ওচৰ-চুবুৰীয়া ৰাজ্যবিলাকে আমাক বেয়া পায়। পশ্চিমবঙ্গই নাচায়, ইউ পিয়ে নাচায়, বিহাৰ হাৰিয়ানাই নাচায়, দিল্লীয়ে নাচায় আপোনালোকে কিয় আমাৰ বস্তু চায়। সেই কাৰণে আমি অসম চৰকাৰে এইক্ষেত্ৰত লিগেল ভিউ লৈ আছো। আমাৰ বক্তব্যটো হ’ল - মাৰ্ঘেৰিটা- ওমৰাংচুৰ পৰা কিবা ইল্লিগেল হ’ব আমি চাম। বাকী ষ্টেটত ইল্লিগেল হ’লে সেই ষ্টেটত পুলিছিং কৰাৰ আমাৰ অধিকাৰ আছেনে নাই। সেই ষ্টেটে ট্ৰাকত বস্তুটো ভৰাইছে আৰু অসমত আনলোড কৰা নাই ডাইৰেক্টলী হাৰিয়ানাত নমাইছে।

কিবা ইল্লিগেল হ’লে হাৰিয়ানাই চাব নহ’লে মেঘালয়ে চাব। এই বিষয়টো আমি চাই পুলিছ ডিপাৰ্টমেন্টটোকে বেয়া কৰি পেলাইছো। এচ পি- ও চিসকলে ভাৱে যে কয়লা চোৰাটো আমাৰ দায়িত্ব। যোৱাকালি মিজোৰামৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই মোক ফোন কৰি জনালে যে গাড়ীবিলাক ধৰি পাথাৰকান্দি থানাত লৈ যায় আৰু ৮ হাজাৰ টকা লৈ এৰি দিয়ে। আমি ওচৰ-চুবুৰীয়া ৰাজ্যৰ ওপৰত মৰেল পুলিছ কৰিব নালাগে। আইনৰ দৃষ্টিৰ পৰা মই যিটো বুজিছো - গতিকে এডভোকেট জেনেৰেলৰ লগত কথা পাতি আমি এটা ‘ এচ ও পি ’ উলিয়াব খুজিছো যে, **restricting the role of Assam Police , Transport Department-** ৰাস্তাত কোনো থাকিব নালাগে য’ৰ গাড়ী তাত যাব - **unless it is not Drugs or Cattle-** ড্ৰাগছ আহিছে কেটল আহিছে- যিবিলাক ইল্লিগেল হৈ আছে অসমত সেইটোক বাদ দি।

এতিয়া কয় অসমৰ মাজেদি ১০০০ টন কয়লা গ’ল- কয়লা যাবই, চুপ্ৰিম কোৰ্টে যাব দিছে যেতিয়া যাব আমি কিয় ধৰিব লাগে। আমি হিচাপ কৰো পাৰ ট্ৰাক ১০০০ টকাকৈ ২০ হাজাৰ টকা । এইটো কৰা আমাৰতো উচিত নহয়। তেনেকুৱা কৰিলে আমাৰ চাহৰ ওপৰতো বেংগলে চুঙা পাতি দিব। সেই কাৰণে অসমৰ বাতৰি কাকত, ৰাজনৈতিক কৰ্মী, সমাজ মাধ্যমত কয়লাৰ ওপৰত যি এটা ধাৰণা হৈছে এই ধাৰণাটো আমি বদলাব লাগিব। যে মেঘালয়ৰ বস্তু আন আন ৰাজ্যত গৈছে আমাৰ ক’বলগীয়া নাই।

**বিৰোধী দল ঃ** আমাৰ ৰাস্তা বেয়া হ’ব । প্ৰতিদিন কাকতত তিনিচুকীয়াৰ কথা ওলাইছে।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** আমাৰ ৰাস্তা বেয়া হ’লে নেশ্যনেল হাইৱে দিব।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** বকোৰ ৰাস্তাটো নেশ্যনেল হাইৱে নহয়।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** অখিল গগৈ ডাঙৰীয়া, ওচৰ চুবুৰীয়া ৰাজ্যৰ লগত সম্বন্ধ বেয়া কৰাটোৰো এটা লিমিট আছে।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** কেইদিনমান আগলৈকে আপুনি এইবিলাক বন্ধ ৰাখিছিল। এতিয়া খোলাৰ ব্যৱস্থা কৰিছে।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** নহয়, মাৰ্ঘেৰিটা আৰু ওমৰাংচু বন্ধ থাকিব। বাকী ষ্টেটবিলাকক আমি বাধা দিব পাৰোনে নাই লিগেল অপিনিয়ন আমি ল’ম।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** কাৰ্বি আংলং, উত্তৰ কাছাৰ ইয়াতো চলি আছে।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** নহয়, তাতো এটা কথা মিনাৰেল ডেভল’পমেন্ট কৰ্পোৰেশ্যনৰ নৰ্থ কাছাৰৰ লীজ আছে। ৩৫ হাজাৰ মেট্ৰিকটন কয়লা বিক্ৰি কৰি মিনাৰেল ডেভল’পমেন্ট কৰ্পোৰেশ্যন চলে ডিমা হাচাও বা নৰ্থ কাছাৰ তাৰ ওপৰত দৰমহা পায় আপুনি নন্দিতা গাৰ্লোছাক শুধক।

**মাননীয় অধ্যক্ষ ঃ** অখিল গগৈ ডাঙৰীয়া হ’ব........ আপুনি বহক।

কথাৰ কটা- কটি - বাদ- বিবাদ

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** কাৰ্বি আংলঙত কয়লাৰ কেলেংকাৰী হৈছে।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** গগৈ ডাঙৰীয়া শুনক । কাৰ্বি আংলঙত ৪টা মাইনচ আছে। এইবাৰ মিনাৰেলচ ডেভল’পমেন্ট কৰ্পোৰেশ্যনে আমাৰ কয়লাৰ পোৰ্টেলত টেণ্ডাৰ মাৰিছো। এই কয়লাৰ ৰাজহ অসমে পাব লাগে। হাফলঙৰ দুটা আৰু কাৰ্বি আংলঙৰ চাৰিটা। অসম মিনাৰেল ডেভল’পমেন্ট কৰ্পোৰেশ্যনে অক্‌শ্যনত পাৰ্টিচিপেট কৰিছে। অকশ্যনত জিকাৰ পিচত যি ট্ৰাক যাব - অল পাৰ্টি ডেলিগেশ্যনত আপুনিও লিডাৰশ্বিপ ল’ব পাৰে যদি বিষয়টোত আপোনাৰ ইন্টাৰেষ্ট আছে - প্ৰতিটো টকা মিনাৰেলচ ডিপাৰ্টমেন্টৰ খাতাত আহিব লাগিব আৰু কাৰ্বি আংলঙ আৰু ডিমা হাচাও অটোনোমাচ কাউন্সিলৰ

খাতাত যাব লাগিব। তেওঁলোকৰ সম্পদ, তাৰ পৰা ৰাজহ লোৱাৰ অধিকাৰ তেওঁলোকৰ আছে। that is their property legally.

ভাৰত চৰকাৰৰ কোল মিনিষ্ট্ৰিয়ে তাক পাৰ্মিশ্যন দিব। তাৰ পিচত তেওঁলোকে যি সম্পদ পাব সেই সম্পদেৰে কাৰ্ব্বি আংলঙৰ, ডিমা হাচাওঁৰ ৰাইজৰ স্কুল- কলেজ ৰাস্তা ঘাট বনোৱাৰ অধিকাৰ আছে।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** অটোনোমাচ কাউন্সিলবিলাকৰ যিটো অধিকাৰ তাৰ পক্ষত মই সদায় আছো। কিন্তু কাৰ্বি আংলঙত যিটো কয়লা খনন চলি আছে এইটো চাব লাগে ।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** মই আকৌ বিনম্ৰতাৰে কৈছো যে, তাত আমি এখনো ইল্লিগেল গাড়ী ওলাব দিয়া নাই, কিন্তু বৰ্ত্তমান ডিমা হাচাওত বৰ্ত্তমান ৩৫ হাজাৰ মেট্ৰিকটন কয়লা আছে য'ত কেবিনেটে তেওঁলোকক বিক্ৰী কৰাৰ বাবে অনুমতি দিছে। সেই কয়লাৰ গাড়ীবোৰ এইকেইদিনত ওলাব। আপোনাৰ যদি মনত সন্দেহ আছে আপুনি নিজে চৰকাৰৰ হৈ ওমৰাংচুত গৈ চাই আহিব পাৰে। ইয়াৰে প্ৰতিটো টকা ডিমা হাচাওৰ কাউন্সিলত যাব। তাত তেওঁলোকৰ দৰমহা দিবলৈ টকা নাই, চাকৰিয়ালে দৰমহা পোৱা নাই। ৩৫ হাজাৰ মেট্ৰিক্টন অলৰেডী মাইনিঙ হৈ আছে।

টেণ্ডাৰ মাৰিছো, প্ৰাইভেট কোম্পানীও টেণ্ডাৰ মাৰিছে। আমিও মাৰিছো এ এম ডি চিও মাৰিছে, বিভিন্ন জনে মাৰিছে। আমি যদি হায়েষ্ট বিদত পাওঁ তেতিয়াহলে আমি তাতে কয়লাখনন কৰিম, কৰি তাৰ royality টো ডিমাহাচাওক দিম। সেইটো চৰকাৰৰ পলিচি।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী আবুল কালাম ৰশিদ আলম (পূব গোৱালপাৰা) ঃ** অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** নাই নাই। এইটো প্ৰশ্নকালীন ঘন্টা। এতিয়া তেৰচ গোৱালা।

**শ্ৰী আবুল কালাম ৰশিদ আলম (পূব গোৱালপাৰা) ঃ** অধ্যক্ষ মহোদয়, এক মিনিট দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** নাই, নাই। এতিয়া তেৰচ গোৱালা। হাউচ তেনেকৈ নচলে। সময় নাই।

**শ্ৰী আবুল কালাম ৰশিদ আলম (পূব গোৱালপাৰা) ঃ** অধ্যক্ষ মহোদয়, কয়লাৰ ব্যৱসায়টো চলিব লাগিব। কাৰণ মেঘালয়ে এই চিণ্ডিকেটৰ নাম লৈ লৈ ৫০০০ ট্ৰাকৰ মালিক মোৰ গোৱালপাৰা জিলাত মোৰ সমষ্টিত, গতিকে এই চিণ্ডিকেটৰ নাম লৈ লৈ কয়লাৰ ব্যৱসায় যাতে বন্ধ নহয়, মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছোঁ, কয়লা কঢ়িওৱা যিবিলাক ট্ৰাকৰ মালিক তেখেত সকল আগতে মহাজন আছিল, এতিয়া ভিক্ষাৰী হৈ গৈছে, গোৱালপাৰাত। গতিকে তেনেকুৱায়ে হওঁক।

**মাননীয় অধ্যক্ষ ঃ** কাৰ কাৰণে, কোনটো কি কৰিব লাগে? এতিয়া হ'ব।

**শ্ৰী আবুল কালাম ৰশিদ আলম (পূব গোৱালপাৰা) ঃ** কয়লাৰ ব্যৱসায় চলিব লাগিব, এইটো অনুৰোধ কৰিলোঁ।

(হুলস্থূল)

**মাননীয় মুখ্যমন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, আৰু এটা কথা মই ভাৱো এই বিধান সভাত অহাবাৰ আপোনালোকে অলপ খোলাখুলিকৈ আলোচনাও কৰক, কাৰণ এইটোৰ ওপৰত এটা transparency হ'ব লাগে। এইকেইদিন মই কয়লা বন্ধ কৰি থৈছোঁ, উদ্যোগ বিভাগ আহে চাৰ, আমাৰটো গোটেই চিমেন্ট কাৰখানা বন্ধ হৈ গ'ল, তাৰ পিছত ইটাৰ ভাটাৰ মালি সদায় এজন আহে, আহি কয় যে চাৰ, এতিয়াটো পি এম ৱাইৰ ঘৰ বনাব নোৱাৰো । ইতাৰ দাম বাঢ়ি গ'ল। সেইদিনাখন মোক প্ৰশান্ত ফুকন ডাঙৰীয়াই কৈছে যে চাৰ, কয়লা যদি এৰি নিদিয়ে আমাৰ ইয়াত

ইটাৰ দামটো ৩৪০০ হৈ গ'লনে ৩৫০০ হৈ গ'ল, আমি চলিব নোৱাৰো। গতিকে এফালে হেঁচা পৰে চিণ্ডিকেট, এফালে হেঁচা পৰে মূল্যবৃদ্ধি।

(হুলস্থূল)

**মাননীয় মুখ্যমন্ত্ৰী ঃ** এক মিনিট, শুনক না।

**মাননীয় অধ্যক্ষ ঃ** সকলোৱে শুনকচোন।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** তাৰ ওপৰত, আপোনালোকে হাঁহিছে, মই serious matter কৈছো।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ** হাঁহিছে, এইটো serious matter কৈ আছে হাঁহিছে কেলৈ ?

**মাননীয় মুখ্যমন্ত্ৰী ঃ** এইটো serious matter ধেমালীলৈকে নিনিব না। মই বিৰোধী দলকো কম যে অকনমান আপোনালোক সকলোৱে চিন্তা কৰক, মোৰ তিনিটা বিপদ হৈ আছে। এটা হ'ল ধুবুৰী-গোৱালপাৰাৰ বহুত বিলাক লেবাৰ কাম কৰে মেঘালয়ৰ কয়লাৰিত। আজি যোৱা ৬ মাহ আমি একদম এনেকৈ ধৰি ৰখাৰ কাৰণে তেওঁলোকৰ পৰা মোৰ মূৰৰ ওপৰত এটা pressure আছে, এক নম্বৰ। দ্বিতীয়তে pressure আছে, তাৰে ট্ৰাক আদি যিমানে ব্যৱসায় কৰে এইখিনি অসমৰ মানুহ। তেওঁলোকে pressureত ৰাখিছে। তৃতীয়তে, মোৰ ওপৰত pressure আৰম্ভ হৈছে, উদ্যোগ বিভাগৰ পৰা। উদ্যোগ বিভাগে কৈ আছে যে আমি ঝাৰখাণ্ডৰ পৰা কয়লা আনি অসমত ব্যৱসায় চলাব নোৱাৰোঁ। যোৱা পৰহি, আজি ৭ দিন ধৰি ডি চি কাছাৰে মোক ফোন কৰি আছে চাৰ, Barak Valley Cement Corporation বন্ধ হৈ যাব, limestone আৰু কয়লাটো আপুনি এৰি দিয়ক নহলে আমাৰ ইয়াত এক হাজাৰ মানুহ নিবনুৱা হৈ যাব। So Coal is a industrial input. এতিয়া আৰু নতুনকৈ Rural development departmentয়ে কৈ আছে চাৰ, যদি কয়লা নাহে প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ ঘৰ আমি বনাব নোৱাৰিম। ৭ লাখ ঘৰ আহিছে গতিকে কেনেকৈ বনাম। আৰু চাহ বাগিছা বোৰে মোক pressureত ৰাখিছে যে আমাৰ ইয়াত চাহ ফেক্টৰী আমি চলাব নোৱাৰিম। সেই কাৰণে আপোনালোকে অকমান চিন্তা কৰি, আজিয়ে লগে লগে এইটো কোনো বিষয়টো নাই, মোৰো আইন আছে, পিছত আমি আলোচনা কৰিম আৰু বৰ্তমান বন্ধ থাকিব, যেতিয়ালৈকে আমি এটা সিদ্ধান্তত নাহো। বৰাকভেলীৰ ক্ষেত্ৰতো কৈছো যে আপোনালোকে তিনিজন ডি চি য়ে, মই তিনিজন ডি চি ক কৈ দিম সৰ্বদলীয় বৈঠক পাতি তাৰ local citizenৰ লগত আলোচনা কৰি আপোনালোকে এচ ও পি এটা develop কৰি মোক পঠাই দিয়ক সেই এচ ও পি টো মই approve কৰি দিম। Dima Hasaoৰ ক্ষেত্ৰত মই কথাটো কৈছোঁ যে ভাৰত চৰকাৰে যি অনুমতি দিব সেইটো প্ৰথম extra mining আমি হ'ব নিদিও। কাৰ্বিআংলংৰ ক্ষেত্ৰটো একে। মাৰ্ঘেৰিটাত চুৰি কয়লা হ'ব নোৱাৰে। যদি কোনোবাই মাৰ্ঘেৰিটাত চুৰি কয়লা উঠাই তাৰ বিৰুদ্ধে আমি ব্যৱস্থা ল'ম। বাকী আমি আৰু যি টাইড কৰি ৰাখিছো টাইড হৈ থাকিব কোনো ঢিলা নহয়। অহাবাৰ বিধান সভাত যেতিয়া আমি আহিম অকমান মই এখন সৰ্বদলীয় বৈঠক পাতিম, সকলোৱে নিজৰ নিজৰ input দিব, এই বিষয়টোৰ ওপৰত যাতে কাৰো ব্যক্তিগত বদনাম নহয়। সৰ্বদলীয় বৈঠকত যি সিদ্ধান্ত হয় মই সেইটো কৰিম।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ** অধ্যক্ষ মহোদয়, মই এক মিনিট ল'ম। বৰাকভেলীৰ আমাৰ বিধায়ক সকলৰ প্ৰথমতে কিছু কথা কলে, সেই কথাটোত আমি সন্মতি প্ৰদান কৰিছোঁ।

(হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** Silent please.

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ** অধ্যক্ষ মহোদয়, মূল কথাটো হ'ল যে চিণ্ডিকেট বন্ধ কৰিব লাগে। সেইটো ক্ষেত্ৰত চৰকাৰে কৈছে যে আমি সেইক্ষেত্ৰত সোপাটিলা নহও। যদি আমাৰ উন্নয়নৰ লগত জড়িত থাকে, য'ত উদ্যোগ বিভাগৰ লগত জড়িত বুলি কৈছে, য'ত চাহ বাগিছাৰ লগত জড়িত বুলি কৈছে, য'ত আপোনাৰ দুখীয়া মানুহৰ ঘৰৰ লগত জড়িত বুলি কৈছে, তেনেধৰণৰ উন্নয়ন মূলক কামত যদি বাধা হয় তেতিয়া অকল বৰাকভেলীতো আপুনি কথা পাতি খুলি দিব বাকী বিলাকত খুলি নিদিব সেই কথাটো অকণমান চৰকাৰে চাব লাগে। আমি ওকনিৰ ভয়ত চুলি খুৰাই দিম নেকি? যিখিনি legal সেইখিনি কৰিব দিব লাগে। সেইটোৰ কাৰণে আকৌ অহাবাৰ বিধান সভা থাকিব, অকল বৰাকভেলীত চলি থাকিব, যিখিনিৰ লগত সাধাৰণ মানুহ জড়িত হৈ আছে লিগেলি legaly আমি যিখিনি দিব পাৰো সেইখিনি দিওঁ আৰু যদি তাত কিবা অবৈধভাৱে হৈছে সেইখিনি আমাৰ আইন আছে কানুন আছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ** পুলিচ আছে, সেইখিনিৰ দ্বাৰা আমি কৰো। গতিকে আমি illegalৰ কাৰণে দুখীয়া মানুহৰ লগত জড়িত, উন্নয়ন মূলক কামৰ লগত জড়িত আমাৰ সাধাৰণ এই ধৰণৰ কথাবতৰাৰ কাৰণে এই কথাবতৰা বিলাক অকণমান চাব লাগে, লিগেল যিবিলাক হয়, মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিম সেই কথাখিনি অলপ সহানুভুতিৰে চাব।

**মাননীয় অধ্যক্ষ ঃ** হ'ব।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, আমাৰ বিৰোধী উপদলপতি ডাঙৰীয়াই যি পৰামৰ্শ দিছে, মই বৰাকভেলীৰ পৰা বেছি পাই আছিলো কাৰণে মই বৰাকভেলীৰ কথা কলোঁ, জানুৱাৰী মাহত সৰ্বদলীয় বৈঠক এখন কৰি আমি এটা সিদ্ধান্ত লম। মুঠৰওপৰত কথাটো হ'ল যে কাৰো হাতত illegal টকা আহিব নালাগে। That is the simple thing. যদি illegal টকা নাহে লিগেল কৰি থাকক, চাহ বাগানতটো কয়লা লাগিবই, এই কথাখিনি আমি আলোচনা কৰি লম। আজি আৰু সদনত বহু দূৰলৈকে নাযাওঁ। লগতে মই আৰু এটাৰ কাৰণে সৰ্বদলীয় বৈঠক বহিবই লাগিব। গতিকে জানুৱাৰীত এই বিষয়টো আমি ঠিক কৰি লম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া তেৰচ গোৱালা।

(হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** হৈছে, বহক। ইমান সময় হৈ গ'ল এতিয়া কৰিম উদ্দিন ডাঙৰীয়া বহক। তেৰচ গোৱালাই কৈ থাকক। সময় ৩ মিনিট।

**শ্ৰী তেৰচ গোৱালা (দুলীয়াজান) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ২০২১ চনৰ ২৪ নৱেম্বৰ তাৰিখৰ 'অসমীয়া প্ৰতিদিন' কাকতত প্ৰকাশিত 'দৰমহা-ভৱিষ্যনিধি-বোনাচৰ পৰা বঞ্চিত মদাৰখাত বাগিচাৰ শ্ৰমিক-কৰ্মচাৰীৰ হাহাকাৰ' শীৰ্ষক বাতৰিটোৰ প্ৰতি শ্ৰম কল্যাণ বিভাগৰ মন্ত্ৰীক দৃষ্টি আকৰ্ষণ কৰিব দিয়াৰ কাৰণে ধন্যবাদ জনাইছোঁ।

মাননীয় অধ্যক্ষ মহোদয়, মদাৰখাত চাহবাগিচাত ৪ খন শাখা বাগিচা আছে, লাহোৱাল বিধান সভা সমষ্টিৰ অধীনত ২ খন আছে আৰু দুলীয়াজানত ৩ খন আছে। ১১০০ শ্ৰমিকে আজি ৪ মাহ ধৰি দৰমহা পোৱা নাই, আজি তাত গৈ আমি দেখিছো যে মানুহ সকলে ৰেচন পোৱা নাই, বনাচ পোৱা নাই, এনেকুৱা বিভিন্ন ধাৰ থকাৰ কাৰণে শ্ৰমিকৰ আজি তাত কান্দোনৰ ৰোল উঠিছে। আজি পি এফ ত দিব লগীয়া আছিল প্ৰায় ৫ কোটি, চৰকাৰী টেক্স দিব লগীয়া আছে ১.৪৭ কোটি,

বেংক লোন আছে প্ৰায় ৪ কোটি। এনেকৈ প্ৰায় ৩৮ কোটি টকা ধাৰ দিব লগীয়া আছে।

মাননীয় অধ্যক্ষ মহোদয়, আজি আমি বিধান সভাত যিসকল আছো আমি কলম চলাই চলাই আমাৰ হাত বিলাক কোমল হৈছে। কিন্তু চাহ বাগিচাৰ মহিলা শ্ৰমিক আই সকলৰ হাত বিলাক ৰাতিপুৱা ৫ টা ৬ টা বজাত গৈ কলম কাটি কাটি এই ঠাণ্ডাত তেওঁলোকৰ হাত বিলাক ফাটি গৈছে। আজি তেঁওলোকে ল'ৰা-ছোৱালীক ৰেচন দিব পৰা নাই, খানা দিব পৰা নাই, কলম-কিতাপ দিব পৰা নাই, আজি চাৰিমাহ হৈ গ'ল আমি সেইসকল শ্ৰমিকক দৰমহা দিব পৰা নাই। গতিকে মই ভাৱো ইয়াৰ ওপৰত বিভাগে এটা ব্যৱস্থা লব লাগে। লগতে মই চৰকাৰক এটা অনুৰোধ জনাম, যে এই সকল মালিকৰ বিৰুদ্ধে এনেকুৱা এটা আইন আনিব লাগে যে যদি ১৫ দিনত দৰমহা দিব নোৱাৰে বা ১৫ দিনৰ মূৰে মূৰে যাতে এটা আপডেট দিব পাৰে, যে দৰমহা তেওঁলোকে সম্পূৰ্ণ দিলে নে নাই, যদি নাই দিয়া তেওঁলোকৰ ওপৰত আমি attach কৰি অলপ বাগান খন লব পাৰো নেকি, কাৰণ আজি ৬ মাহ পিছত সেই ৩৮ কোটি ধাৰ লগাৰ পিছত কোন মালিকে কিনিব, কোনে কিনিব? চাৰ, সেই কাৰণে মই অনুৰোধ জনাইছোঁ, যে ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰীৰ নিৰ্দ্দেশত পি এন আৰ ডি ৰ মন্ত্ৰীয়ে এটা অৰ্ডাৰ দিছে যে চাহ বাগিছা বিলাকত জব কাৰ্ড বনাই তেওঁলোকক আমি কাম দিব পাৰো নেকি? এইটো খুব লেহেমীয়া হৈছে। মই ইতিমধ্যে বি ডি অ', চি অ' ক কৈছোঁ, কিন্তু মই আজি খবৰ লৈছো যে আগৰ কামখিনি তাত কৰি আছে এতিয়ালৈকে কিবা টেকনিকেল চেক্চন কি কি দুনীয়াভৰ তাত বেমেজালী আছে তেওঁলোকে কৰিব পৰা নাই, গতিকে মাননীয় পি এন আৰ ডি ৰ মন্ত্ৰীক অনুৰোধ জনাওঁ যে এই বিষয়টো অলপ তেওঁ চাব লাগে । লগতে আজি কৈছো বেনাৰ, ফেষ্টুন আৰু স্মাৰক পত্ৰ লৈ ফুৰিছে কালি কিবা কাৰণত যদি হাতত বেলেগ বস্তু আহি যায় তেতিয়াহ'লে তাত Law and Order হ'ব চাৰ । আজি মাননীয় শক্তি মন্ত্ৰীক অনুৰোধ জনাইছো আৰু কেইদিন মান পিছত বিভাগে কৈ তেওঁলোকৰ ঘৰত লাইন বিলাক কাটি দিব তেতিয়া কিন্তু মানুহ ৰৈ নাথাকে আৰু যি দিনা মানুহ ৰৈ নাথাকিব ৰাস্তাত ওলাব সেইদিনা আমি পুলিচ, চি আৰ পি এ ফ পঠাব লাগিব । তাত এটা হাংগামা হ'ব Law and Order পৰিৱেশ ৰ সৃষ্টি হ'ব আৰু তেতিয়া হয়তো আৰু শ্ৰমিক মৰিব আৰু পিছত দুখ প্ৰকাশ কৰি লাভ নাই । সেই কাৰণে মই অনুৰোধ জনাইছো ইয়াৰ ওপৰত এটা আজিয়েই ব্যৱস্থা ল'বলৈ অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰম মন্ত্ৰী মহোদয়, তিনি মিনিটত শেষ কৰিব ।

**শ্ৰী সঞ্জয় কিষান (মন্ত্ৰী) ঃ** অপাৰগ স্বীকাৰ কৰিছে আৰু বাগানখন চলোৱাৰ ক্ষেত্ৰত তেওঁৰ সক্ষমতা নাই বুলি তেওঁ অৱগত কৰিছে আৰু এই খিনি সমস্যা সমাধান কৰাৰ অৰ্থে শ্ৰম বিভাগে ইতিমধ্যে বহু দিন আলোচনাত মিলিত হৈছে। যোৱা বনাচৰ সময়ত চাহ বাগিচাত এই পৰিস্থিতিৰ সৃষ্টি হওঁতে অসম চাহ মজদুৰ সংঘৰ আবেদন মৰ্মে শ্ৰম বিভাগে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিছিল আৰু ডিব্ৰুগড় জিলাৰ উপায়ুক্তৰ পদক্ষেপৰ দ্বাৰা এই সমস্যাটো সমাধান কৰিবলৈ চেষ্টা কৰিছিল । যোৱা বনাচৰ সময়ত ১১ শতাংশ আৰু ৪ শতাংশ, সৰ্বমুঠ ১৫ শতাংশ বোনাচ প্ৰদান কৰাৰ বাবে চেষ্টা কৰা হৈছিল কিন্তু ইয়াৰ পাছতো উক্ত বাগিছা খনত বিভিন্ন সমস্যাই দেখা দিছে যাৰ বাবে ২০-১০-২০২১, ২-১১-২০২১ আৰু ২২-১১-২০২১ তাৰিখে চালামি বৈঠকৰ জৰিয়তে সমস্যা বিলাক মীমাংসা কৰাৰ বাবে চেষ্টা চলোৱা হৈছিল যদিও মালিক গোষ্ঠীয়ে চাহ বাগিছা খন চলাব নোৱাৰিব বুলি জনোৱাৰ লগতে বাগিছা খন বিক্ৰী কৰাৰ অৰ্থে ইতিমধ্যে অনলাইন যোগে আবেদন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, শ্ৰম বিভাগে শ্ৰমিক সকলক সকাহ দিয়াৰ বাবে ইতিমধ্যে

পদক্ষেপ গ্ৰহণ কৰিছো। মাননীয় সদস্য তেৰছ গোৱালা দেৱে কোৱাৰ দৰে তাত এন ৰেগা আঁচনিৰ অধীনত ১৮২ জন শ্ৰমিকক জব কাৰ্ড প্ৰদান কৰা হৈছে । মই জিলা উপায়ুক্তৰ লগত কথা হওঁতে তেখেতে জনাইছে যে তেখেতে সকলো গোটেই কেইটা মহকুমাৰ অন্তৰ্গত চাহ বাগিছা সমূহত জব কাৰ্ড প্ৰদান কৰিব আৰু সৰ্বমুঠ ১৫৬৪ জন শ্ৰমিকক ১০০ দিনৰ সংস্থাপন কৰাৰ ব্যৱস্থা কৰিব যাৰ ফলত এই শ্ৰমিক সকলে প্ৰতিদিনে ২২৪ টকাকৈ উপাৰ্জন কৰিব সক্ষম হ'ব। আশা ৰাখিছো আমি শ্ৰমিক সকলক এই সুবিধা প্ৰদান কৰিব পাৰিম। মাননীয় অধ্যক্ষ মহোদয়, ATPF ৰ তৰফৰ পৰা এখন চাহ বাগিছা বাজেয়াপ্ত কৰাৰ বাবে আমাৰ বিভাগে পদক্ষেপ গ্ৰহণ কৰিছে কিন্তু মালিক গোষ্ঠীয়ে হাইকৰ্টৰ দ্বাৰস্থ হয়। ইতিমধ্যে হাইক'ৰ্টে ২৫ লাখ টকাকৈ দুটা কিস্তিত ধন জমা দিবলৈ নিৰ্দেশ দিছে। গতিকে মাননীয় অধ্যক্ষ মহোদয়, এই বাগিচা খন পি এফ ৰ পৰা বাজেয়াপ্ত কৰি যাতে শীঘ্ৰে বেলেগ কোনো কোম্পানীক চমজাই দিব পৰা যায়, সেইটো চাই আছো । তাৰোপৰি এইটোও চেষ্টা কৰি আছো যাতে বাগিছা খনABITA ৰ দ্বাৰা ওচৰৰ কোনো বাগিছাৰ সৈতে সংলগ্ন কৰিব পাৰো যিহেতুকে এতিয়া চাহ গছ কলপ দিয়াৰ সময় আৰু সময় মতে কলম দিব নোৱাৰিলে বাগান খনে গোটেই বছৰৰ বাবে বহি যাব । এই ক্ষেত্ৰত মই সন্মানীয় বিধায়ক টেৰাছ গোৱালা দেৱৰ সহযোগীতা কামনা কৰিছো। এই বিধান সভাৰ অধিবেশনৰ পাছত আমি দুয়োজনে তালৈ গৈ এই সমস্যা খিনি সমাধান কৰিবলৈ চেষ্টা কৰিম ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ । এতিয়া সন্মানীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা দেৱে ৰূল ৩০১ ৰওপৰত সদনত বক্তব্য ৰাখিব ।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** অধ্যক্ষ মহোদয়, মই অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত "পানী যোগানত ব্যৰ্থ জনস্বাস্থ্য কাৰিকৰী বিভাগ" এই বিষয়টো মই মাননীয় আমাৰ Urban Housing Affairs Minister ৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো এইটো অৱশ্যে জনস্বাস্থ্য কাৰিকৰী বিভাগ এইটো আমাৰ Urban Housing Affairs ৰ অধীনত পৰে আৰু মই তেনেধৰণে নটিচ কৰিছো । মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটী মহানগৰীত বিশেষভাবে এই পানীৰ সমস্যাটো সমস্যা হৈয়ে থাকিল। এইটো যাতে অতি সোনকালে সমাধান কৰে তাৰ বাবে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰীক অনুৰোধ জনাইছো । মাননীয় অধ্যক্ষ মহোদয়, ২০০৬ চনৰ পিছত কেন্দ্ৰীয় চৰকাৰে জৱাহৰলাল আৰ্বান ৰেনুৱেল মিছনৰ জৰিয়তে প্ৰায় ৩৪৯ কোটি টকাৰ এটা প্ৰকল্প আমাৰ গুৱাহাটীত দিয়া হৈছে আৰু সেই আঁচনিটো হৈছে দক্ষিন-পশ্চিম পানী যোগান আঁচনি। সেই আঁচনি ২০১১ চনত সম্পূৰ্ণ হ'ব লাগিছিল, কিন্তু আজি ২০২১ চন। আজি ১০ বছৰৰ পিছতো কিন্তু এই আঁচনিতো সম্পূৰ্ণ হোৱা নাই আৰু এই প্ৰজেক্টটোৰ ক'ষ্ট আছিল ৩৪৯ কোটি টকা। কিন্তু পৰৱৰ্তী সময়ত ইয়াক বৃদ্ধি কৰি ৩৬৬ কোটি টকালৈ বৃদ্ধি কৰা হ'ল আৰু তাৰ পৰৱৰ্তী সময়ত এতিয়া এইটো ৪০১ কোটিলৈকে বৃদ্ধি কৰা হৈছে। এতিয়া যদি আমি চাবলৈ যাওঁ তেনেহ'লে এই আঁচনিটো সম্পূৰ্ণ হোৱাৰ কাৰণে যথেষ্ট সময়ৰ প্ৰয়োজন হ'ব। আৰু যদি প্ৰয়োজন হয় তেনেহ'লে ৪০১ কোটি টকাতো এই আঁচনিটো সম্পূৰ্ণ নহ'ব । এতিয়া মই বিশেষ ভাবে জানো যে প্ৰায় ৯৫ কোটি টকাৰ প্ৰয়োজন আৰু এই টকা খিনি নোহোৱাৰ কাৰণে আজি গেমনে যথেষ্ট লেহেম গতিত এই পানী যোগান আঁচনিটোৰ কাম কৰি আছে । এতিয়া দেখা গৈছে যে ২০০৯ চনত যিটো আঁচনি আৰম্ভ কৰা হৈছিল এতিয়া আমাৰ যিবিলাক পাইপ আছিল এই পাইপ বিলাক বহুৱাবৰ কাৰণে এতিয়া আমাৰ বহুখিনি ৰাস্তা ইতিমধ্যে নিৰ্মাণ হৈছে। এতিয়া restoration ৰ কাৰণে টকা নাই, এতিয়া মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো এই

আঁচনিটো কেতিয়ালৈ সম্পূৰ্ণ হ'ব।

**মাননীয় অধ্যক্ষ ঃ** হ'ব, এতিয়া মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিব । আপোনাৰ তিনি মিনিট হৈ গ'ল।

**শ্ৰী অশোক সিংঘল (মন্ত্ৰী) ঃ** গুৱাহাটীত জাইকাৰ দুটা প্ৰকল্প JNNURM ৰ অন্তৰ্গত এটা প্ৰকল্প আৰু এছিয়ান ডেভেলপমেণ্ট বেংকৰ অন্তৰ্গত এটা প্ৰকল্প মুঠ চাৰিটা প্ৰকল্প গুৱাহাটীত চলি আছে আৰু এই প্ৰকল্পবোৰ লেহেমীয়া হৈছে। সন্মানীয় বিধায়কে যিখিনি কথা ক'লে তাত মই একমত কিন্তু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই মোক দায়িত্ব দিয়াৰ পিছত প্ৰথম যেতিয়া মই লগ পাব গলো কেইবাটাও কথা তেখেতে কৈছিলে তাৰ ভিতৰত প্ৰধান আছিলে গুৱাহাটী বাসী ৰাইজক খোৱা পানী যোগান ধৰিব লাগে আৰু যোৱা সাত মাহত আমি কামটো কেনেদৰে আগবঢ়াই লৈ যাব পাৰি তাৰবাবে ব্যৱস্থা হাতত লৈছো। আজি যিটো জাইকা প্ৰকল্প চলি আছে তাত অভাৰ অল ফিজিকেল প্ৰগ্ৰেছ প্ৰায় ৭২ শতাংশ হৈছে আৰু JNNURM ৰ প্ৰকল্পটোৰো ফিজিকেল প্ৰগ্ৰেছ প্ৰায় ৯০ শতাংশ হৈছে। এ ডি বি ফাণ্ডেড যিটো প্ৰজেক্ট তাত অলপ প্ৰব্লেমৰ বাবে ইনটেক্ট বেল্ট কৰা নগ'ল। য'ত ওৱাটাৰ ট্ৰিটমেণ্ট প্লাণ্ট কৰিব লগীয়া আছিল তাত ডাঙৰ ডাঙৰ পাথ্বৰ ওলাই গ'ল। সেইকাৰণে এ ডি বি ৰ প্ৰকল্পটো অলপ পিছুৱাই গ'ল। লগতে জাইকাৰ যিটো চেণ্ট্ৰেল গুৱাহাটী প্ৰজেক্ট আছে তাতো আমি ইনটেক্ট কৰিব পৰা নাই। ব্ৰহ্মপুত্ৰৰ পানীত আমি এই কামটো কৰিব পৰা নাই। কিন্তু মই এটা কথা ক'ব বিচাৰিছো যে অহা দিনবোৰত এই কামটো কেনেকৈ ভালদৰে কৰিব পাৰি তাৰবাবে আমি নতুন এটা চিন্তাৰে কাম কৰি আছো আৰু আমাৰ জলবোৰ্ডৰ টীম ইতিমধ্যে ভূৱনেশ্বৰ ভ্ৰমণ কৰি আহিলে। মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিৰ্দ্দেশ দিছিল যে সোনকালে, ভালকৈ হ'ব লাগে, মানুহে পানী পাব লাগে। স্মাৰ্ট মিটাৰ দিয়াৰ এটা পৰিকল্পনা চলি আছে আৰু ৰাস্তা ৰিপেয়াৰিঙৰ যিটো কথা কৈছে যে ৰাস্তাটো নতুনকৈ হৈছে। ৰাস্তাটো খান্দি দিলে, ৰাইজে খান্দিব নিদিয়ে সেইটোও সঁচা। এতিয়া আমি ব্যৱস্থা হাতত লৈছো যে যেতিয়াই পানী যোগান আঁচনিৰ ঠিকা কৰা কোম্পানীয়ে পাইপ দিয়াৰ কাৰণে খান্দিব, খন্দাৰ লগে লগে ৰিপেয়াৰিং কৰাৰ ব্যৱস্থা ও আমি হাতত লৈছো। আপোনাৰ জৰিয়তে সদনক মই জনাবলৈ পাই সুখী হৈছো যে ইতিমধ্যে আমাৰ ৰেব চাইট ৰেডী হৈছে আৰু অহা জানুৱাৰী মাহৰ প্ৰথম বা দ্বিতীয় সপ্তাহত আমি হাউচ হোল্ড ওৱাটাৰ কানেকশ্যন দিয়াৰ কাৰণে গুৱাহাটী বাসী ৰাইজক আমি এটা মোবাইল এপ আগবঢ়াই দিম আৰু ইয়াৰ জৰিয়তে নিজৰ নিজৰ অঞ্চলত তেখেত সকলে দৰ্খাস্ত কৰিব পাৰিব। ইয়াৰ কাৰণে নতুন নতুন ঠিকাদাৰ অনা হৈছে। মই মোৰ হাতত থকা তথ্যৰ ভিত্তিত ক'ব বিচাৰিছো যে নৰ্থ আৰু চাউথ চেণ্ট্ৰেল গুৱাহাটীত জাইকাৰ যিটো প্ৰকল্প আছে তাত ২০২২-২৩ বিত্তীয় বৰ্ষত প্ৰায় ৮৩,০০০ হাউচ হোল্ড ওৱাটাৰ কানেকশ্যন দিব পাৰিম আৰু JNNURM চাউথ-ৱেষ্ট গুৱাহাটী আণ্ডাৰত যিটো প্ৰকল্প চলি আছে তাত প্ৰায় ৩২,০০০ হাউচ হোল্ড কানেকশ্যন আমি দিব পাৰিম। ইয়াৰ অৰ্থ হ'ল ২০২২-২৩ বিত্তীয় বৰ্ষত মুঠ ১,১৬,০০০ সংখ্যাটো মোবাইল এপ দিয়াৰ পিছত ডেৰ লাখলৈ বৃদ্ধি হ'ব পাৰে আৰু বিতং তথ্য অহা মাহৰ প্ৰথম বা দ্বিতীয় সপ্তাহত কোনটো অঞ্চলত কিমান মানুহক পানী দিম আৰু কোনটো এপৰ জৰিয়তে কি এপ্লিকেশ্যন ল'ব লাগিব এই গোটেই বিলাক কথা আমি জনাম। আজি আপোনাৰ জৰিয়তে মই সদনক জনাবলৈ পাই সুখী হৈছো যে প্ৰকল্পৰ কাম বিলাক আগবাঢ়ি আছে আৰু এটা সময়ত আপোনালোকে দেখিব যে বহুত দিন ধৰি লেহেমীয়া গতিত চলা প্ৰকল্প মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নিৰ্দ্দেশত, মাগ-দৰ্শনত অহা বছৰ আমি প্ৰায় ১ লাখৰো অধিক মানুহক গুৱাহাটীত খোৱা পানী দিব পাৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী অজয় কুমাৰ ৰায়।

**শ্ৰী অজয় কুমাৰ ৰায় (বিজনী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি এই গুৰুত্বপূৰ্ণ বিষয়টো সদনত উত্থাপিত কৰিবলৈ দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জনাইছো। আমি সকলোৱে জানো যে কৰ্ম অবিহনে আমাৰ সমাজ বা আমাৰ দেশখন আগবাঢ়ি যাব নোৱাৰে। প্ৰথমে আপোনাৰ জৰিয়তে আমাৰ উদ্যোগ মন্ত্ৰী ডাঙৰীয়াক মই দৃষ্টিগোচৰ কৰিছো যে মোৰ বিজনী সমষ্টিৰ লগতে গোটেই অসমখনত বিভিন্ন কৰ্ম ব্যৱস্থাৰ অবিহনে মানুহ দৰিদ্ৰতাত ভূগিছে বা অসমৰ পৰা গৈ বহিঃ ৰাজ্যত কাম কৰিবলৈ যাব লগীয়া হৈছে আৰু সেই কাম কৰিবলৈ গৈ কোনোবাই হাত-ভৰি হেৰুৱাইছে বা কোনোবাই ঘূৰি অহা নাই। সেইকাৰণে মাননীয় অধ্যক্ষ মহোদয় মই অনুৰোধ জনাম যে আমাৰ বিজনী সমষ্টিৰ লগতে গোটেই অসমত ক্ষুদ্ৰ উদ্যোগৰ লগতে বৃহৎ উদ্যোগ গঢ়ি তোলাৰ কাৰণে যাতে আমাৰ এই সমষ্টি বা আমাৰ গোটেই অসমখন আৰ্থিকভাৱে স্বাৱলম্বী হ'ব পাৰে বা কোনেও বহিঃ ৰাজ্যত যাব নালাগে। আমাৰ ৰাজ্যখন প্ৰধানতে কৃষি প্ৰধান কিন্তু বিজনী সমষ্টিটো একেবাৰে আমাৰ মানস অভয়াৰণ্যৰ লগতে হোৱা বাবে সমষ্টিৰ ৰাইজে কৃষি কাৰ্য্যত জড়িত হ'ব পৰা নাই কাৰণ তাত বন্য হস্তী, বন গাহৰি, বান্দৰ, ভালুক আদিকে ধৰি বিভিন্ন বনৰীয়া জীৱ-জন্তুয়ে কৃষি কাৰ্য্য নষ্ট কৰি আহিছে। সেই কাৰণে তেওঁলোকে নিজৰ মাটি-বাৰী থকাৰ পিছতো নিজৰ সমষ্টি বা অসমক এৰি বহিঃ ৰাজ্যত গৈ নিজৰ কৰ্ম কৰিব লগীয়া হয়। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে এটা কথা মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে যিমান সোনকালে পাৰে আমাৰ বিজনীত ১৯৮০ চনত বন্ধ হৈ যোৱা মেচ ফেক্টৰী টো যদি পুনৰ আৰম্ভ কৰিব পৰা যায় তেতিয়াহ'লে হয়তো আমাৰ নিবনুৱা সমস্যাটোৰ কিছু সমাধান হ'ব বুলি মই আশা ৰাখিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (পৰিবহণ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য শ্ৰীযুত অজয় কুমাৰ ৰায় ডাঙৰীয়াই যিটো কথা সদনত উত্থাপন কৰিছে সেই কথাটো মই সম্পূৰ্ণৰূপে সমৰ্থন কৰো আমাৰ ৰাজ্যখনত এগ্ৰিকালচাৰ আৰু উদ্যোগ চেক্টৰ এই দুয়োটা চেক্টৰ সমানে আগবাঢ়ি গলেহে ৰাজ্যখনৰ নিবনুৱা সমস্যাটোৰ সমাধান হ'ব। আগতে বিভিন্ন কাৰণত উগ্ৰপন্থী সমস্যাই হওঁক বা অন্যান্যই হওঁক আমাৰ ৰাজ্যখনত উদ্যোগ অহা নাছিল। ১৯৯৭ চনত এন ই আই আই পি ৰ যিটো পলিচী আহিলে সেইটো ২০১৭ লৈকে আছিল। যাৰ ফলত আমাৰ ৰাজ্যখনত যথেষ্ট উদ্যোগ গঢ়ি উঠিছিল। তাৰবাবে বিভিন্ন ধৰণৰ কাৰ্য্যসূচী আমি ইতিমধ্যে উদ্যোগ বিভাগৰ পৰা লৈছো। আজি মই বিশেষ নকওঁ পিছত এদিন বিধান সভাত এটা দিন লৈ এই বিষয় দীঘলীয়া বক্তব্য ৰাখিম। অকল বিজনীতে নহয়, অসমৰ সকলোতে কেনেধৰণে উদ্যোগটো আগবঢ়াই লৈ যাব পাৰো তাৰ বাবে বিভিন্ন ধৰণৰ আঁচনি আমি লৈছো। সেই আঁচনিৰ অধীনত ইতিমধ্যে আমি জাগীৰোদত মাইক্ৰ ইণ্ডাষ্ট্ৰিয়েল পাৰ্ক কৰিছো, ভাৰতৰ প্ৰথমটো মাল্টিমডেল লজিষ্টিকচ্ হাব আমি যোগীঘোপাত কৰিছো যাৰ দ্বাৰা ৰায় ডাঙৰীয়াও উপকৃত হ'ব। তাৰোপৰি ইণ্টাৰনেশ্যনেল ট্ৰেড চেণ্টাৰ কৰিছো। সুতৰকান্দি,দৰঙা আৰু গোলকগঞ্জত লেণ্ড কাষ্টম ষ্টেশ্যন কৰা হৈছে। তাৰোপৰি গুৱাহাটীত এয়াৰ কাৰ্গো কৰা হৈছে। যাৰ পৰা ডেইলী অসমৰ শাক-পাঁচলি, ফল-মূল ডুবাই, আবুধাবি, লণ্ডন, হংকং, চিংগাপুৰলৈ এক্সপোৰ্ট হৈ আছে। বেম্বো টেকন'লজিৰ বাবে বেম্বো মিচন কমন ফেচিলিটি চেণ্টাৰ, জুৱেলাৰীৰ বাবে হ'লমাৰ্কৰ কাম যাতে আমাৰ অসমত হ'ব পাৰে তাৰবাবে ষ্টাৰ্টআপ হৈছে। এই ষ্টাৰ্টআপটো ভাৰতবৰ্ষৰ দহটা ষ্টাৰ্ট আপৰ ভিতৰত এটা য'ত ৪৩ হাজাৰ নিবনুৱাক নিযুক্তি দিবলৈ সক্ষম হৈছে। তাৰোপৰি এডভাণ্টেজ আসাম আমি পাতিছিলো।

তাত ৮৯ হাজাৰ কোটি টকা আমাৰ এম ও ইউ হৈছিল আৰু তাৰে ৬৫ হাজাৰ এচুয়ৰ্ড হৈছে আৰু তাৰ কিছু কাম আমাৰ আৰম্ভ হৈছে ক'ভিডৰ কাৰণে হয়তো সকলোখিনি কাম আৰম্ভ হোৱ নাই আৰু চাউথ-ইষ্ট এছিয়াত ৰিলেশ্যনটো ৰক্ষা কৰাৰ কাৰণে ইণ্ডিয়া-বাংলাদেশ ষ্টেক হোল্ডাৰ মিট পাতিছো। তাৰ উপৰিও আমাৰ আঁচনি বহুত আছে। মই এদিন ভালকৈ উদ্যোগ বিভাগৰ বিষয়ে কম। আমি যিটো বেম্বো মিচন লৈছো এই মিচনটো অকল বায়'ৰিফাইনেৰীৰ কাৰণেই নহয় আমি ইয়াৰ জৰিয়তে ভাৰতবৰ্ষত যিমান ধূপ হয়, এই বেম্বো মিচনৰ জৰিয়তে অসমৰ বিভিন্ন অঞ্চলত তেনেকুৰা ধৰণৰ ক্লাষ্টাৰ কৰি ধূপৰ ক্ষেত্ৰত ব্যৱস্থা কৰিবলৈ লোৱা হৈছে যিহেতু ধূপৰ যিডাল ষ্টিক সেই ডালৰ প্ৰায় ৭০ শতাংশ চাইনাৰ পৰা আহে। আপুনি ধুবুৰীৰ যিটো দিয়া চলাই ফেক্টৰীৰ কথা কৈছে সেইটো আই পি চি ক দিয়া হৈছে। তেওঁলোকক ধূপৰ ফেক্টৰী কৰিবলৈ দিয়া হৈছে। আমাৰ মাননীয় মন্ত্ৰী ৰঞ্জিত দাস ডাঙৰীয়াৰ সমষ্টিটো ধূপৰ এটা ভাল ফেক্টৰী হৈছে। ২০১৬ চনৰ পৰা ২০২১ চনলৈকে অসমত ৪৫,১৪৪ টা এম এচ এম ই ৰ ইউনিট স্থাপন হৈছে। ইয়াৰ জৰিয়তে এই প্ৰতিষ্ঠান সমূহত ২,১৫,৮৪১ জন নিযুক্তি দিয়া হৈছে। ইতিমধ্যে মুঠ ১৭,৫৬২.৪ কোটি টকা নিয়োগ সম্পূৰ্ণ হৈছে তথা ৪৮,৬৪৫.০৬ কোটি টকাৰ বিনিয়োগৰ কাম বৰ্তমান পৰ্য্যায়ত চলি আছে। গতিকে ৰাজ্যখনত বিভিন্ন উদ্যোগ সমূহত প্ৰত্যক্ষ আৰু পৰোক্ষভাবে প্ৰায় ২৪ লাখ লোক আজিৰ দিনটোত জড়িত হৈ আছে। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী চৰণ বড়ো।

**শ্ৰী চৰণ বড়ো (মাজবাট)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰুল ৩০১ ৰ যোগেদি দুৰ্ভগীয়া শ্বহীদ পৰিয়ালৰ বিষয়ে দৃষ্টিগোচৰ কৰিবলৈ সুযোগ দিয়াৰ বাবে প্ৰথমে আপোনাক ধন্যবাদ জনাইছো। শ্বহীদ পৰিয়ালটো ১৯৪২ চনৰ ২০ চেপ্তেম্বৰত যি ভাৰত ত্যাগ আন্দোলন হৈছিল তাৰে ভিতৰত এজন আছিল দয়াল দাস পানীকা। তেখেত সকলৰ বৰ্তমান যি সকল পৰিয়াল বৰ্গ আছে, তেখেতৰ নাতি বোৱাৰী আছে, নাম হ'ল মালতী পানীকা। বৰ্তমান তেওঁলোকে মোৰ সমষ্টিৰ ১ নম্বৰ ৰৌতা গাওঁতে থাকে। সকলোৱে কম বেছি পৰিমাণে জানে ১৯৪২ চনত যি ভাৰত ত্যাগ আন্দোলন হৈছিল মহাত্মা গান্ধীৰ নেতৃত্বত সেই সময়টো ঢেকীয়াজলীটো ইয়াৰ আন্দোলনৰ প্ৰভাৱ পৰছিল যাৰ ফলত বহুটো আন্দোলনকাৰীয়ে এই আন্দোলনত ভাগ লৈছিলে। এই আন্দোলনকাৰী সকলে বৃটিছ ইউনিয়নৰ পতাকাটো ঢেকীয়াজলী থানাৰ পৰা উঠাই পেলাই ভাৰতবৰ্ষৰ পতাকা উৰুৱাব চেষ্টা কৰিছিল যাৰ ফলত গুলী বৰ্ষণ কৰাৰ পিছত প্ৰায় ১৩ জন আন্দোলনকাৰীয়ে ইয়াত প্ৰাণ হেৰুৱাব লগীয়া হ'ল। তাৰ মাজত দয়াল দাস পানীকাও আছিলে। দয়াল দাস পানীকা অভিভক্ত দৰং জিলাৰ মিজিকা চাহ বাগিচাত আছিলে। তাৰ পিছত কালু পানীকাৰ পুত্ৰ হয়। তাৰ পিছত বেলেগ ঠাইত থাকিব লৈছিলে। তাৰ পিছত এটা সময়ত মাজবাটত থাকিব লৈছিল আৰু বৰ্তমান তেখেত সকলে ১ নং কচুৰাবাৰীত আছে। দয়াল দাস পানীকাৰ লৰাটোৰ নাম আছিলে সোণাৰাম পানীকা। সোণাৰাম পানীকাৰ দুজন পুত্ৰ আছিল এজন হ'ল বন্ধন পানীকা আৰু চন্দন পানীকা। তেখেত সকল সকলো মৰি গ'ল, এতিয়া আছে নাতি বোৱাৰী। এতিয়া খুব বেয়া অৱস্থাত আছে, থাকিবলৈ মাটি নাই, ঘৰ নাই আৰু শাৰিৰীক অসুস্থতা। দিন হাজিৰা কৰি খায় আৰু মই নিজেও গৈছিলো। ২০১৭ চনত যোৱাবাৰৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইয়াত শ্বহীদ হোৱা ১৭ জনৰ সকলোকে ৫ লাখ টকাকৈ আৰ্থিক অনুদান দিব বুলি ঘোষণা কৰা হৈছিলে। আমি জনাত ১৩ জনে সকলোখিনি পাইছে কিন্তু এই আমাৰ দয়াল দাসৰ পৰিয়ালে পোৱা নাই, তেখেতৰ যি নাতি বোৱাৰী তেখেতেই আচল উত্তৰাধিকাৰী হয়। আমাৰ তেজপুৰ লোক সভাৰ সাংসদো আহিছে, সন্মানীয় পল্লৱ লোচন

দাস ডাঙৰীয়াই এটুকুৰা মাটিও কিনি দিছে, ঘৰটোও বনাই দিছিল, এতিয়াও সম্পূৰ্ণ হোৰা নাই। তাৰ কাৰণে এই ব্যক্তিজনক যাতে ৫ লাখ টকাটো দিয়ে। শ্বহীদজনক আমি সদায় শ্ৰদ্ধা কৰিব পাৰো, তাত যদি এটা প্ৰেক্ষাগৃহ বনাই দিয়ে, তাৰ বাবে মই অনুৰোধ জনাইছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**ড° হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, দয়াল দাস পানীকাৰ ভাৰতৰ স্বাধীনতাৰ সংগ্ৰামৰ এগৰাকী শ্বহীদ। ভাৰতৰ স্বাধীনতা সংগ্ৰামত বিশেষকৈ ১৯৪২ চনত ২৯ জন বীৰ মুক্তি যোদ্ধাই বা বীৰ সন্তান স্বাধীনতা সংগ্ৰামত দেশৰ কাৰণে জীৱন বলীদান কৰিছিল। ১৯৪২ চনত এনে বীৰ সন্তানৰ সংখ্যাও ২৭ জন আছিল। বিগত সময়ছোৱাত আমাৰ চৰকাৰে ঢেকীয়াজুলীত প্ৰাণ আহুতি দিয়া ৯ গৰাকী শ্বহীদৰ পৰিয়ালক এককালীন ৫ লাখকৈ টকা দিয়া হৈছিল। সেই সময়ত দয়াল দাস পানীকাৰৰ বাস ভৱন ওদালগুৰি জিলাত থকা বাবে শোণিতপুৰ জিলাৰ উপায়ুক্তই তেখেত সকলৰ নাম নিদিলে তাৰ ফলত এই ৫ লাখ টকা তেখেতৰ পৰিয়ালে নাপালে। এইবাৰ আমি Supplementary Budget ত এটা Provision আনিছো যে ২৯ গৰাকীৰ ৯ গৰাকী লোকে পালে বাকী কেইগৰাকীয়ে যিহেতু পোৱা নাই। গতিকে আমি বাকী থকা গোটেই কেইগৰাকীকে এই ৫ লাখ টকা যি আৰ্থিক সাহাৰ্য্য ৩১ মাৰ্চৰ আগতে আগবঢ়াম। যাতে সকলোৱে একেলগে পাই যায়। দয়াল দাস পানীকাৰৰ নামত যিটো Auditorium খুলিব বিচৰা হৈছে, সেই বিষয়ে মাজবাট সমষ্টিৰ সন্মানীয় বিধায়ক গৰাকীৰ লগত আলাপ আলোচনা কৰি আমি নিশ্চয় এটা উপযুক্ত স্থানত এই Auditorium টো বনোৱাৰ ব্যৱস্থা লম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী আমিনুল ইছলাম (কনিষ্ঠ)

**মোঃ আমিনুল ইছলাম (কনিষ্ঠ)(মানকাছাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি মই প্ৰথমে অসম চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো যে, আমাৰ দক্ষিণ শালমৰা মানকাছাৰ জিলাখন ২০১৫ চনতে আৰম্ভ কৰিলে। কিন্তু এতিয়া আমি দেখিছো যে আমাৰ দক্ষিণ শালমৰা, মানকাছাৰ জিলাত ৫ টা আইনৰ Court সলোৱা হৈছে। District and Session Court, CJM Court, SDJM Court, Judicial Magistrate Court, Additional Session Judge Court. এই ৫ টাকৈ Court ৰ পৰিসীমাটো কিমান দূৰ হ'ব। ইয়াৰ সীমাটো ক'ত মিলিত হ'ব। এইখিনিৰ এতিয়ালৈকে স্পষ্ট হোৱা নাই। এইখিনি কথাকলৈ কেইটামান গুৰুত্বপূৰ্ণ কথা উল্লেখ কৰিব লাগিব যে যেতিয়া আমাৰ জিলাখন হ'ল কিন্তু ইয়াৰ আগতে আমাৰ দক্ষিণ শালমৰা, মানকাছাৰ Sub-Division ত দুটা Constituency আছিল আৰু এটা ZPC আছিল আৰু ৫ টা Developmet Block আছিল, দুটা চাৰ্কোল অফিচ আছিল আৰু ৬৬ টা GPC আছিল, ৯ টা ZPC Area আছিল আৰু ৪ টা থানা আছিল। সেই Sub-division টো কাতি যেতিয়া জিলা হ'ল, জিলাটো হোৱাৰ পিছত এতিয়া জিলাৰ পৰিসীমাটো হ'ল এটা Constituency আৰু ১/৪ Constituency মানে Sub-division টোত কৈ জিলাখন সৰু হ'ল। মাত্ৰ আঢ়ৈ টা ব্লক আৰু ১.১৪ চাৰ্কোল অফিচ আৰু ৬৬ GP ৰ ঠাইত ৩৫ GP আৰু ৯ টা ZPC ৰ ঠাইত ৫ টা ZPC আৰু ৫ টা থানাৰ পৰা এতিয়া ২.১২ টা থানা হ'ল। Sub-division তকৈ জিলাটো সৰু হ'ল। এতিয়া আমি দেখিছো আমাৰ কিছু অংশ আছে যে ধুবুৰীৰ Police District বেলেগ আৰু Police District টো আগৰ Sub-Divisional টো Juris District আছিল সেইটো আজি Police District হ'ল আৰু দেখিছো যে, Administrative District ত অকল ৩৫ টা GP ৰ মাজত সীমাবদ্ধ। আমাৰ Circle District টো যিটো

আমাৰ revenue district, সেইটোৰ কিছু অংশ ধুবুৰীৰ মাজত আৰু নতুনকৈ আমি দেখিছো যে যোৱা ১৭ ডিচেম্বৰ ২০২১. Notice No. HMA254/2017/325 আমাৰ Nirush Barma Principal Secretary, Govt. of Assam এ এটা Notification মতে আমাৰ যিটো Police District আছিল, সেই Police District ৰ পৰা আমি দেখিছো যে আমাৰ এতিয়ালৈকে দক্ষিণ শালমৰাত Police station ৰ ১৩ টা revenue village আমাৰ এতিয়া ধুবুৰী Police District ত অন্তৰ্ভূক্ত কৰা হৈছে। আমাৰ দক্ষিণ শালমৰা Police District ৰ অন্তৰ্গত কিছু অংশ বিলাসীপাৰাত অন্তৰ্ভুক্ত কৰা হৈছে আৰু কিছু অংশ গৌৰীপুৰত কৰা হৈছে। দেখা যায় যিটো police district আছে, সেই police district ত ধুবুৰী জিলাৰ ২১৫ খন গাওঁ এতিয়া ক'ৰবাত বিলাসীপাৰা police station, গৌৰীপুৰ police station আৰু ধূবুৰী police station সংলগ্ন হৈ আছে। আচলতে আমাৰ যিখিনি পাচঁটা কোৰ্টৰ সীমা, এই সীমাখিনি মাত্ৰ্ প্ত টা জি পিৰ মাজত সীমাবদ্ধ থাকিব নে আগৰ যিটো Sub-division সেইটোৰ মাজত সীমাবদ্ধ থাকিব। মই আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছো যে এইবিলাকৰ মাজত যদি এটা ৰাস্তা আৰু এখন দলং সংযোজন কৰিব পাৰে, তেতিয়া হলে ইয়াৰ লগতে আৰু তিনিটা ZPC কৰিব পাৰি, এইটো অত্যন্ত গুৰুত্বপূৰ্ণ বিষয়, ইয়াৰ কোৰ্টৰ সীমাটো নিৰ্ধাৰণ কৰিলে ভাল হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মুখ্যমন্ত্ৰী মহোদয়।

**ড° হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, দক্ষিণ শালমাৰা জিলাখন অভিক্ত ধুবুৰী আৰু বঙাইগাওঁ জিলা বা অবিভক্ত ধুবুৰী জিলাৰ পৰা কাটি বনোৱা হৈছে। ২০১৫ চনত মানিকপুৰ পুলিচ ষ্টেচনৰ অধীনত যি ৭৭ খন গাঁও আছে, সেই ৭৭ খন গাঁৱত গুৱাহাটী হাই কোৰ্টে এটা অৰ্ডাৰ ডি বঙাইগাওঁ কোৰ্টৰ লগত সংলগ্ন কৰি দিছিল। বৰ্তমান হাতশিঙিমাৰী বাৰ এচোচিয়েচনে গুৱাহাটী হাই কোৰ্টক এই বিষয়ে জনালে আৰু হাই কোৰ্টে অসম চৰকাৰক সিদ্ধান্ত ল'বৰ বাবে নিৰ্দেশ দিয়ে। ইয়াৰ ফলত বৰ্তমান চাৰিটা পুলিচ ষ্টেচনৰ সম্পূৰ্ণ এৰিয়া মানকাছাৰ, চুকচৰ, দক্ষিণ শালমাৰা আৰু ফকিৰগঞ্জ except বুনিৰধাৰা পুলিচ আউত পোষ্ট, এই গোটেই এৰিয়াটো দক্ষিণ শালমাৰাত দিয়াৰ বাবে সিদ্ধান্ত লৈছো। কিন্তু সমস্যাটো হ'ল নদীয়ে ভাগ কৰাৰ কাৰণে কিছুমান পুলিছে কিছুমান ক্ষেত্ৰত দক্ষিণ শালমাৰাৰ পৰা গৈ সেইটো ফালে নাপায়, ফলত অপৰাধীজনক ধৰিবৰ কাৰণে সমস্যা হয়। সেই কাৰণে convinience ৰ ফালৰ পৰা কিছুমান পুলিছ ষ্টেচন পুৰণা ধুবুৰীৰ লগত এৰিয়া ৰখা হৈছিল। মই ধুবুৰী জিলাৰ উপায়ুক্ত, এছ পি, দক্ষিণ শালমাৰা জিলাৰ উপায়ুক্ত, এছ পি চাৰিজনৰে সৈতে বহি সন্মানীয় বিধায়ক শ্ৰী ওয়াজেদ চৌধুৰী আৰু শ্ৰী আমিনুল ইছলাম ডাঙৰীয়াক লগত লৈ জানুৱাৰী মাহৰ ভিতৰতে সভা কৰিব কম, আপোনালোকে police district, civil district গোটেইখিনি সা-সুবিধাৰ ফালৰ পৰা বনাই দিব আৰু পৰ্য্যায়ক্ৰমে আপোনালোকৰ অনুমোদন ক্ৰমে notification issue কৰাৰ কাৰণে চেষ্টা কৰিম যাতে সমস্যাটো সদায়ৰ কাৰণে এইটো নোহোৱা হৈ যায়। খালী কামটো কৰোতে আপোনালোকে মনত ৰাখিব যে পুলিছে কৰপৰা আহি সোনকালে responds কৰিব পাৰে। কৰবাত মাৰ্ডাৰ হ'ল, কৰবাত কিবা clash হ'ল, যদি দক্ষিণ শালমাৰাত থাকিলেও ঠাইডোখৰ ধুবুৰীৰ ওচৰ হয়, যদিও ৰাইজে ক'ব যে আমিটো উপায়ুক্তৰ কাৰণে দক্ষিণ শালমাৰাত যাব লাগে। সেই এৰিয়াটো পুলিছ আৰু চিভিল দুয়োটা ধুবুৰীত দি দিয়ক, যদি ধুবুৰীৰ পৰা ওচৰ হয়, সমষ্টি থাকিব।

আজি কেইদিনমান আগতে লক্ষ্মীপুৰৰ গাওঁ এখন মাজুলীত দি দিছো। সমষ্টিটো কিন্তু

লক্ষ্মীপুৰ। তেনেকৈ আপোনালোকে এবাৰ চাই চিন্তি গোটেই বস্তুখিনি জানুৱাৰী মাহত ঠিক কৰি দিয়ক, যাতে ফেব্ৰুৱাৰী মাহত fresh notification এখন issue কৰি দিব পাৰো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰী ওয়াজেদ আলি চৌধুৰী (দক্ষিণ শালমাৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা পাচঁ বছৰ ধৰি বিধান সভাত প্ৰশ্ন দি দি এতিয়া ধুবুৰী Civil district & police district একেটা এৰিয়া যোৱা ১৭ তাৰিখে notification হ'ল। গতিকে ইয়াত কবলগীয়া কি আছে। তেওঁলোকৰ জিলা সৰু হ'ব বুলি আমাৰ মানুহখিনিক জোৰ জবৰদস্তি বিলাসীপাৰা মহকুমাত হাতশিঙিমাৰী পুলিছ ষ্টেচন যাব লাগিব, সেইটো হ'ব নোৱাৰে। জিলা নতুন হৈছে (..হুলস্থুল..)

**ড° হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱাবাৰ বিধান সভাত মই কৈছিলো এইটো কৰি দিম বুলি, কৰি দিলো। কিন্তু ২০১৫ চনৰ এটা হাই কোৰ্টৰ অৰ্ডাৰ আছে, তাৰ ওপৰত এইবাৰ আমাক হাই কোৰ্টে ক'লে যে আপোনালোকে এটা OP দিব নোৱাৰে যে OP area বঙাইগাঁৱতে থাকিব। বাকী গুছি যাব। সেই কাৰণে হাইকোৰ্টৰ অৰ্ডাৰটো আপোনালোকে চাব। হাতশিঙিমাৰী বাৰ এচোচিয়েচন কৰি পেলাই ঠিক কৰিছিলে, তেওঁলোকে petition দিছিল, মই Home Secretary ক গোটেই খিনি কৈ দিম, এবাৰ আপোনালোকে ১৫ মিনিট বহিলে ৰাইজৰ সুবিধা অনুসৰি আমি গোটেই কামখিনি কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে।

এতিয়া আমাৰ Member's hour ৰ এটা reply মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিশেষ কাৰ্য্যসূচী লৈ বাহিৰত থকাৰ কাৰণে উত্তৰ দিয়া হোৱা নাছিল। সদনত কৈ থৈছিল পিছত দিব। এতিয়া মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক সন্মানীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়াৰ লোক নিৰ্মাণৰ ওপৰত যিটো বক্তব্য ৰাখিছিলে, তাৰে উত্তৰ দিবলৈ অনুৰোধ জনাইছোঁ।

**ড° হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই কথাটো আছিল যে ইয়াত এটা নতুন পথ নিৰ্মাণ কৰিব লাগে। যিহেতু হাতশিঙি মাৰীৰ পৰা দক্ষিণ শালমাৰা বা ফকিৰগঞ্জৰ এটা অতিৰিক্ত বা বৰ্তমান যিটো মেঘালয়ৰ মাজেৰে যাওঁ তাৰ এটা বিকল্প বা অসমৰ মাজেৰে পথ এটা হব পাৰে আৰু ইয়াৰ গোটেই drawing আদি খিনি আমিনুল ইছলাম  ডাঙৰিয়াই আমাক দিছিল। প্ৰস্তুৱটোত নীতিগতভাৱে আমাৰ কোনো কথা নাই। খালী ইমান ডাঙৰ প্ৰকল্প এটা ৰূপায়নৰ বাবে ক'ৰবাত নহয় ক'ৰবাত আমাক পুঁজি লাগিব। হয়তো আকৌ কৰবাত লোন ল'ব লাগিব। সমস্যাটো আছে, কাৰণ ইমান ডাঙৰ পুঁজি চৰকাৰৰ পৰা নাহে। এই বিষয়টো মই লোক নিৰ্মাণ বিভাগক কৈছো, বিষয়টো হৈ গ'লে through Assam এইটো connected হৈ থাকিব পাৰিম। পুঁজি সাপেক্ষে বিষয়টো আমি বিবেচনা কৰিম।

**শ্ৰী আমিনুল ইছলাম (কনিষ্ঠ) (মানকাছাৰ)** ঃ মানকাছাৰৰ HM road & SI

road সেইটো মানকাছাৰ life line road। সেইটো double lane কৰাৰ কাৰণে proposal দিয়া হৈছিল। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই লিখিও দিছিল, সেই অতি গুৰুত্বপূৰ্ণ ৰাস্তা, সেইটো হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** সেইটো হৈ যাব।

এতিয়া আছে "The Assam Cattle Preservation (Amendment) Bill, 2020-21" মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক "The Assam Cattle Preservation (Amendment) Bill, 2020-21" বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ অনুৰোধ জনাইছোঁ।

**ড° হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Cattle Preservation (Amendment) Bill, 2020-21" দফাই দফাই বিবেচনাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত দাঙি ধৰিলো।

প্ৰস্তাৱটো হ'ল - "The Assam Cattle Preservation (Amendment) Bill, 2020-21" বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল মাননীয় সদস্য/সদস্যাই প্ৰস্তাৱটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়',

যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়'।

মই ভাৱো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে

প্ৰস্তাৱটো গৃহিত হ'ল।

বিধেয়কখনৰ ২ নং দফাত মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া, শ্ৰীৰকিবুল হুছেইন, শ্ৰীভৰত চন্দ্ৰ নৰহ, শ্ৰী ওয়াজেদ আলি চৌধুৰী, শ্ৰী শ্বেৰমান আলি আহমেদ, শ্ৰী চিদ্দিক আহমেদ, শ্ৰীআব্দুল ৰচিদ মণ্ডল, শ্ৰীমতী নন্দিতা দাস, শ্ৰী নুৰুল হুদা, শ্ৰী আবুল কালাম ৰচিদ, শ্ৰী আফতাব উদ্দিন মোল্লা, শ্ৰী বসন্ত দাস, শ্ৰী আব্দুছ সুজান আলি চৰকাৰ, শ্ৰীমতী শিৱামণি বৰা, শ্ৰী প্ৰদীপ সৰকাৰ, শ্ৰী যাদৱ স্বৰ্গীয়াৰী, শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, শ্ৰী ৰেকিবুদ্দিন আহমেদ, শ্ৰী জাকিৰ হুছেইন সিকদাৰ, শ্ৰী ভাস্কৰ জ্যোতি বৰুৱা, শ্ৰী মিচবাহুল ইছলাম লস্কৰ, শ্ৰী আব্দুল বাটিন খণ্ডকাৰ, ডাঃ আচিফ মহম্মদ নজৰ, শ্ৰী খলিল উদ্দিন মজুমদাৰ ৰ নামত ১টা আৰু হাফিজ বচিৰ আহমেদ, শ্ৰী চিৰাজুদ্দিন আজমল, শ্ৰী আমিনুল ইছলাম, শ্ৰী ৰফিকুল ইছলাম, শ্ৰী নজৰুল হক, শ্ৰী নিজানুৰ ৰহমান, শ্ৰী নিজামুদ্দিন চৌধুৰী, শ্ৰী চুজান উদ্দিন লস্কৰ, শ্ৰী আমিনুল ইছলাম(কনিষ্ঠ্য), শ্ৰী মজিবুল ৰহমান, শ্ৰীকৰিম উদ্দিন বৰভূঞা, শ্ৰী চামচুল হুদা, শ্ৰী আশ্ৰাফুল হুছেইন, শ্ৰী জাকিৰ হুছেইন লস্কৰ, শ্ৰী আব্দুল আজিজ ৰ নামত এটা, মুঠ দুটা সংশোধনী আছে। এতিয়া মই তেখেতসকলক সংশোধনী প্ৰস্তাৱৰ লগতে বক্তব্য আগবঢ়াবলৈ অনুৰোধ জনালো, এজন এজনকৈ কওঁক।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)** - The Assam cattle presevation Amendment Bill 2020-21.

মাননীয় অধ্যক্ষ মহোদয়,"ওঁ সৰ্বে ভবন্তু সুখিন, সৰ্বে সন্তু নিৰাময়, সৰ্বে ভদ্ৰানি পশ্যন্তু মা কশ্চিহু খভাগভবেত।" বলবেন যে গীতাৰ শ্লোক দিয়ে গৰু কাটা বা গৰু খাওয়া এইগুলো কথা বলছি। অধ্যক্ষ মহোদয়, গৰু কাটা বা গৰু খাওয়া নিয়ে আমাৰ কোন সম্পৰ্ক নেই। যদি কাটাৰ

ব্যপার হয় তাহলে দেখা যাবে বিশেষ করে মোদী সরকার অর্থাৎ কেন্দ্র সরকারের তরফ থেকে বৃহৎ সংখ্যক টাকা আর্ণ করা হয়, বিফ এক্সপোর্ট করে। আমি বরাক ভেলির মানুষ । আমরা যখনমেঘালয়ের উপর দিয়ে গুয়াহাটী আসি তখন মেঘালয়ের আশে-পাশে অনেক গো মাতা কাটা থাকে। আমি যেহেতু সনাতন ধর্মাবলম্বী, এবং সনাতন ধর্মে গো মাতাকে সন্মান করা হয়। সেজন্য এই গো হত্যা দেখে আমার মনটা ব্যথিত হয়। বিশেষ করে আমি যে সংশোধনীর কথা বলছি সেখানে এই বিলটি তিন মাস আগে যখন বিধান সভায় এসেছিল তখন আমরা মুখ্যমন্ত্রী মহোদয়কে বলছিলাম যে সিলেক্ট কমিটিতে পাঠানো হোক। মুখ্যমন্ত্রী বললেন যে বিলটা খুব গুরুত্বপূর্ণ। সেজন্য বিল পাশ করতে লাগবে। কিন্তু দেখা গেল যে তিন মাস পর এই বিলে আবার অ্যামেণ্ডমেন্ট আনা হচ্ছে। কারণ টা কি ?আমরা ধরতে পারছি না। তখনবলছিলাম বিল কেন আনা হয়? স্রকার একটা বিল আনে যারা এডমিনেস্ট্রেটর তাদের উপর কন্ট্রোল আনার জন্য। আর মানুষের উপকারের জন্য। অর্থাৎ বিলের মাধ্যমে মানুষের উপকার আর এডমিনেস্ট্রেটরের উপর কন্ট্রোল করার জন্য। এই বিলের মাধ্যমে আমরা গো-মাতার সুরক্ষা দিতে পারছি না। আগে বলা হয়েছিল, এক্সেমপ্ট সার্টেইন প্লেসেস অফ ওয়ারশিপ এক্সেমপ্ট করা হয়েছিল। এখন বলা হচ্ছে নো ক্যাটেল। এখন বলা হচ্ছে যে কোন গরু জাতীয় জীবজন্তু আর কাটা হবে না। আমার কথা হচ্ছে যে আমি বৈষ্ণব ধর্মাবলম্বী, আমার বন্ধু-বান্ধব আছেন শাক্ত ধর্মাবলম্বীর। মাননীয় মুখ্যমন্ত্রী জানেন, শাক্ত ধর্ম অনুযায়ী আমাদের মনসা পূজা, কালী পূজা হয়। আমাদের বিশেষ করে কামাখ্যা মন্দিরে অনেক সময় বলি দেওয়া হয়। বলি প্রথা আমাদের আছে। এই বিলে যদি আপনারা বলেন যে বলি প্রথা বন্ধ করে দেওয়া হল। ওয়ারশিপে বলি প্রথা হবে না তাহলে আমরা কোথায় যাব?

**শ্রীবিজয় মালাকার (রাতাবারী) ঃ** এটা তো গরুর কথা লিখা হয়েছে। ছাগল ও পাঠা বলি দিতে পারবেন।

**মাননীয় অধ্যক্ষ ঃ** আপনি কনটিনিউ করক।

**শ্রীকমলাক্ষ দে পুরকায়স্থ (উত্তর করিমগঞ্জ) ঃ** যেহেতু নো ক্যাটল বলা হচ্ছে সেহেতু স্পেসিফাই করা হোক। ওয়ারশিপে রিলিজিয়াস পারপাসে হয়ত বা আগের মতই থাকে যদি তাহলে আমি মনে করি ভলোই হবে। না হলে আবার কিন্তু অ্যামেণ্ডমেন্ট করতে হবে। এখন সংশোধন করা না হলে আমার মনে হচ্ছে তিন মাসের মধ্যে আবার সংশোধন কবতে হবে। বিল যখন আনা হয়েছে তাই এই বিল টি প্রকৃত অর্থে মানুষের সুবিধার্থে কাজে লাগুক। অধ্যক্ষ মহোদয়, এখানে ট্রেন্সপোর্টেশনের কথা বলা হয়েছে। অর্থাৎ বর্ডারের অঞ্চল যেগুলো আছে সেগুলো ট্রেন্সপোর্টেশন করা যাবে না। আমার জাস্টিফিকেশন হচ্ছে অধ্যক্ষ মহোদয় , ধরুণ আমাদের মুখ্যমন্ত্রীর কয়েকটা গরু আছে, আমার গরু আছে, আমার গৰু অসুস্থ বা মুখ্যমন্ত্রীর গরু অসুস্থ। সে গরু ভ্যাটেনারী হাসপাতালে নিয়ে যাই যদি তাহলে আমাদের ক্যারিং করতে হবে। গরু ট্রেন্সপোর্টেশনের সঙ্গে সঙ্গে আমাদের উপর যদি বিধি নিষেধ আরোপ করা হয় তাহলে সেই গো-মাতাকে আমরা কিন্তু মরতে দেব না। আমার সামনে যদি গো মাতা মারা যায় আমি চোখের সামনে তা কি করে দেখব? তাই আমি মনে করি এই বিলের মধ্যে কিছু একটা সমস্যা আছে। সেটার রেকটিফাই করতে হবে। দ্বিতীয়ত, এখানে বলা হয়েছে যদি কেউ গরুর ব্যবসা করে তাহলে তার গাড়ি সিস করা হবে। এনকোয়ারি স্টেজে অকশন করতে পারবে। আমার বা আমার স্ত্রীর একটা গাড়ী বা মুখ্যমন্ত্রী বা মুখ্যমন্ত্রীর স্ত্রীর একটা গাড়ি নিয়ে কেউ গরু ব্যবসা করল বা গরু ট্রেন্সপোর্টেশন করল, সেই গরু যখন ধরা পড়বে বা সেই গাড়ীটা যখন ধরা পড়বে তখন কি আমাদের গাড়ীকে সিস করা হবে?

**শ্রীবিজয় মালাকার (রাতাবারী)ঃ** গাড়ির মালিক জানতে হবে তার গাড়িতে কি যাচ্ছে।

**শ্রীকমলাক্ষ দে পুরকায়স্থ (উত্তর করিমগঞ্জ) ঃ** তাই আমি মনে করি, এই আইনে আফটার এনকুয়ারি স্টেজ কোর্টের থেকে যখন ভার্ডিক্ট বের হবে তখন যাতে সিজ করা হয় তার আগে সিজ করলে আমি মনে করি সেই ব্যপারে আমরা যে আইন বানাই সেই আইনটি থাকে মানুষের জন্য, অর্থাৎ আমরা আইন বানালাম পরবর্তী সময়ে যদি সেই আইন আমাদেরকে চেলেঞ্জ করে। কারণ মুখ্যমন্ত্রী মহোদয় বলেছেন বিধায়ক হিসাবে আমাদের দায়িত্ব কি ? বিধায়ক হিসাবে আমাদের দায়িত্ব বিল বানাব , আইন প্রনোয়ন করব। আমার সামনে এই ভূল আইন যদি প্রনোয়ন হয়, তাহলে সেটাকে এমেণ্ডমেন্ট আনা, সেটাকে সরকারের দৃষ্টিগোচরে আনা আমাদের দায়িত্ব কর্তব্য। অধ্যক্ষ মহোদয়, ইনভেস্টিগেশন অফিসার যদি এই ব্যবসায় জড়িত থাকে তাহলে তার স্থায়ী বা অস্থায়ী সম্পত্তিগুলো সিজ করতে হবে। তাই আমি বলছি এই বিলে যেগুলো অ্যামেণ্ডমেন্ট আনা হয়েছে , এই অ্যামেণ্ডমেন্টগুলো সরকারের তরফ থেকে মানা হয় না আমি পবিত্র বিধানসভায় আবার বলছি যে এই বিলটি আবার তিনমাস পরে দেখা যাবে অ্যামেণ্ডমেন্টের জন্য আনা হয়েছে। তাই বার বার একটি বিল আনা হবে আর তিন মাস পর আবার এমেণ্ডমেন্ট আবার কিছু ইসু আসল সেইভাবে হতে পারে না । তাই স্থায়ীভাবে যাতে অ্যামেণ্ডমেন্ট আনা হয়। আমাদের মুখ্যমন্ত্রী সবসময় বলে থাকেন বাসুদেব কুটুম্বকম, হোল ওয়র্ল্ড ইজ ওয়ান ফেমিলি ,আমরা সব একই পরিবারের মানুষ। ডেইলি হাজার হাজার গরু কাটা হচ্ছে ,ডেইলি এক্সপোর্ট করা হচ্ছে। তাই আমি মনে করি অসমের ক্ষেত্রে স্থায়ীভাবে সমাধানের জন্য সেই আইন প্রনোয়ন করা হোক। এবং আমি যেগুলো অ্যামেণ্ডমেন্ট আনলাম সেই এমেণ্ডমেন্টগুলো লক্ষ্য রাখা হোক যাতে ভবিষ্যতে আমাদের কোন প্রবলেম হয়না। মানুষের যাতে সুষ্ঠ এবং সুন্দর পরিবেশ থাকে সেদিকে লক্ষ্য রেখে আইন আনা হয় সেদিকে আমি মন্ত্রী মহোদয়ের দৃষ্টি আকর্ষন করছি।

**माननीय অধ্যক্ষঃ** ধন্যবাদ। আপোনালোকৰ কোনে ক'ব। এজনে ক'লেই হ'ল। শ্রী আমিনুল ইছলাম গোটেই যিমান বিলাক Amendment দিছে, সেইটো point out কৰি একেবাৰতে শেষ কৰি দিয়ক। আমি মাত্র পাছত move কৰিম Amendment টো। সেইটো হ'লে বহুত দীঘলীয়া হ'ব।

**শ্রীআমিনুল ইছলাম (মানকাছাৰ) ঃ** আমি prepare টো এনেকৈ হৈছিলো। যিহেতু আমি বহুত বিধায়ক।

**মাননীয় অধ্যক্ষ ঃ** লাগিলে অলপ অলপ ক'ব। তথাপিও একেবাৰতে আমি সকলো Amendment ৰ বিষয়ে কথা পাতি লওঁ।

**শ্রীআমিনুল ইছলাম (মানকাছাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Amendment of Clause (2) the Sub clause (3) of the Clause (2) of the propose Bill shall be deleted. আমি এইটোত যদি আহো, ইয়াত স্পষ্টভাৱে দেখা যায় যে, Amendment of section 6 Sub clause (3) the provision shall be omitted আৰু এইটো যদি চাওঁ, আমি স্পষ্টভাৱে দেখা পাম যে section 6 ত এটা কথা স্পষ্টভাৱে ইয়াত লিখিছে যে provided that the State Goverment may exempt certain place of worship, certain occassions for the slaughter of the Cattle other then the calf, heifer and cow for religious purpose এই কথাটো যিটো আগৰ Act ত আছিল, সেইখিনি কথা omit কৰিব দিয়া হৈছে। এতিয়া religious purpose ত যদি

কৰোবাত কাটিব লগা হয় বা worship ৰ ওচৰে পাজৰে কাটিব লগা হয় এনেকুৱা যিবিলাক কথা আছিল সেই কথাখিনি omit কৰিব বিচৰা হৈছে। আমি বিচাৰিছো যে এইখিনিৰ যিখিনি omit কৰা যিখিনি কথা, omit নকৰাকে আগৰ বিলখনত যিখিনি কথা আছিল আজিৰ পৰা পাঁচ মাহমান আগত যিখন Cattle Preservation Bill 2021 not in Amendment this Sub-Clause should not be Amendment. Exactly এইখিনি থাকিব লাগে আৰু যিখিনি exemption আছে, সেই exemption খিনি থাকিব লাগে। এইটোৱেই হ'ল আজি আমাৰ প্ৰথম কথা। তাৰ পাছত আমি দেখিছো International Boarder ৰ কথাটো কোৱা হৈছে International Boarder ৰ ওচৰত যিখিনি জিলা থাকিব, সেইখিনি ঠাইত মই Rules ত যাব খোজা নাই বহুত সময় লাগিব। ইতিমধ্যে সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই জনাইছে যে, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া দিল্লীলৈ যাব, সোনকালে শেষ কৰিব লাগে। এই কথাটো মই ক'ব বিচাৰিছো যে, আজি International Boarder Area ত যিটো transportation ৰ কথা আছে এই কথাটোত মোৰ অলপ আপত্তি আছে এই কাৰণেই যে আজি মই এজন international boarder area ৰ মানুহ মোৰ বাংলাদেশৰ exestion তাৰ মানুহখিনি আমাৰ যিখিনি কৃষিকৰ্মৰ লগত যিখিনি গৰু জৰিত তাৰ বজাৰত লৈ যাব পাৰিব নে নাই? তাৰ গৰু বিলাক অকল তাতে production হ'ব নেকি? আমাৰ দক্ষিণশালমৰা মানকাচাৰ জিলাত বা ধুবুৰী জিলাত বা কৰিমগঞ্জ জিলাত বা অন্য যিখিনি পাৰ্ট আছে, basically other part Bhutan Nepal ৰ কথাতো ইয়াত অহা নাই? Basically বাংলাদেশৰ কথাটো ইয়াত আহিব আৰু বাংলাদেশৰ লগত সৰ্ম্পক থকা জিলা আছে, সেইখিনি জিলাত যদি ভাল হাইব্ৰিড জাতীয় গৰু কিছুদিন আগতে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই গীৰ প্ৰজাতিৰ গাই আনিছে। মই যদি গীৰ গাই গৰু আনিব খোজো তাৰ কাৰণে মোৰ ক্ষেত্ৰত কি হ'ব। মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই সুবিধা দিছে যে হাইব্ৰিড আনি আমাৰ ইয়াত production বঢ়াব লাগে গাখীৰৰ যিটো চাহিদা, সেইটো fulfill কৰিব লাগে। বাৰাউনিৰ পৰা গাখীৰ আহি আছে বেলেগ ৰাজ্যৰ পৰা গাখীৰ আহিছে, এই গাখীৰ production কৰিবৰ কাৰণে যিখিনি সীমামূৰীয়া জিলা, এই জিলাবাসী বিলাকৰ কি প্ৰব্লেম যে, তেখেত সকলে কৰিব নোৱাৰিব। তাত যেতিয়া ডেভলপমেণ্ট প্ৰজাতিৰ যিখিনি গাইগৰু কিয় আনিব নোৱাৰিব। তাত transportation টো কি হ'ব। তাত transportation হ'ব যোৱা গাড়ীবিলাক কিয় চিজ কৰা হ'ব। আজি লোন দিছে কিহৰ কাৰণে। আপোনালোকে transport কৰক। আপোনালোকে livilihood চলাওক। একে সময়তে আমি যদি এইটো নাইকিয়া কৰি দিও you cannot carry, you cannot carry that. ঠিক আছে কিছুমান অবৈধ বস্তু আছে, সেইটো নোৱৰিব। কিন্তু তেখেতসকলে দিনটো ভাড়াৰ কাৰণে বহি থাকে আবেলি এজনী গাইগৰু পালে গাইজনীক বেলেগ এটা জাগাত লৈ যাব লাগিব, যিহেতু বজাৰৰ পৰা কিনিছে। আমাৰ দক্ষিণশালমাৰা মানকাছাৰ জিলাৰ দুখন ডাঙৰ বজাৰ খাৰুবন্ধা বজাৰ আৰু এখন পিপুলবাৰী বজাৰ। সেই দুখন গৰুৰ বজাৰ আছিল। কিন্তু সেই গৰু বজাৰ দুখন শ্ৰীউপমান্য হাজৰিকাৰ চুপ্ৰিম কোৰ্টত যিটো ৰিপোৰ্ট চাবমিট কৰিলে, As per that report সেই ৰিপোৰ্ট দুখন আজিৰ দিনটোত chalange হৈ আছে। As per that report তেখেতসকল ক'লে ২০ কিলোমিটাৰৰ ভিতৰত কোনোধৰণৰ গৰু বজাৰ হ'ব নোৱৰিব। এতিয়া গৰু বজাৰখন কি হ'ল যে, পাঁচ শ কিলোমিটাৰ দূৰত্বত মেঘালয়ৰ মাটিত চলি আছে গোটেই অসমৰ মানুহে কৈ আছে, কিন্তু ৰেভিনিউটো মেঘালয় চৰকাৰে পাই আছে। এতিয়া তাত বজাৰ হ'ব। বজাৰত আমি দেখিছো, appropriate

authority ৰ permission ল'ব লাগিব। ঠিক আছে, মই বজাৰত গৰুটো কিনি যেতিয়া আনিম তেতিয়া মই সেই বজাৰৰ এখন চালান থাকিব যে, গৰুটো মই perchase কৰিছো। কৃষিৰ কাৰণে হওঁক বা গাখীৰৰ কাৰণে হওঁক perchase কৰিছো। যেতিয়া মই লৈ আনিম, তেতিয়া মোৰ হাতত চালানখন থাকিব। কিন্তু মই যদি বেছিবলৈ যাওঁ, মোৰ যেতিয়া ছোৱালীৰ বিয়া হ'ব, মোৰ যেতিয়া বেমাৰ হ'ব তেতিয়া গৰুটো বেছিবলৈ যাওঁ, বেছিবলৈ যাওঁতে সেই permission কাৰ পৰা ল'ম। Who is that authority. সেই authority টো কোনে দিব? গোটেই জিলাত মোৰ এজন ভেটেৰিনেৰী ডাক্তৰ আছে এতিয়া বাকী কোনো ভেটেৰিনেৰী ডাক্তৰ নাই। সকলো ভেটেৰিনেৰী এতিয়া অৱসৰ ললে। যোৱা কেইবাবছৰো ভেটেৰিনেৰী ডাক্তৰৰ নিযুক্তি নাই। তেতিয়া ভেটেৰীনেৰী ডাক্তৰ ক'ত পাম। আমাৰ গাইজনী বিক্ৰী কৰিবৰ কাৰণে আমি ভেটেৰীনেৰী ডাক্তৰৰ কাৰণে ঘুৰি ফুৰিম নেকি? বা আমাৰ কোনটো অফিচে চাৰ্টিফিকেট দিব যে তুমি বিক্ৰী কৰা। এনেকুৱা বহু ধৰণৰ সমস্যা হ'ব। মই সেই কাৰণে ক'ব বিচাৰিছো যে, আমাৰ সীমামূৰীয়া অঞ্চল আজি কৰিমগঞ্জ হওক, দক্ষিণশালমাৰা, মানকাছাৰ হওক, এইবিলাক অঞ্চলৰ দোষ নাই। আপোনালোকৰ যদি আজি সেই গৰুবিলাক export হয় ক'ৰবাত, বাংলা দেশত যায় সেইবিলাক আপোনালোকে protection কৰক আমাৰ ক'ব লগা নাই। আপোনালোকে যিখিনি কৈছিল যে, পাঁচকিলোমিটাৰৰ ভিতৰত কোনোবা ধৰ্মীয় স্থলী বা মন্দিৰ বা তাৰ পাঁচ কিলোমিটাৰৰ ভিতৰত হ'ব নালাগে। সেইটো আমি amendment দিছিলো, amendment টো পাচ হোৱা নাই। সেই মূৰ্হূতত যি হৈছে হৈছে। কিন্তু আজি আমি দেখিছো, যে এই বিল অনাৰ ক্ষেত্ৰত সীমামূৰীয়া অঞ্চলবিলাকৰ ক্ষেত্ৰত যাতে বহল দৃষ্টিৰে চাই তাৰ কৃষকসকলে কি suffer কৰিব আমাৰ যদিও Revenue act নাথাকে, tractor ৰ দিয়া হৈছে কিন্তু এখন tractor সেই কৃষি অঞ্চলৰ সকলো সমস্যা সমাধান কবি পৰা নাই। সমাধান কৰিব নোৱাৰাৰ কাৰণে ultimately যদিও আমি moderation ত যাব খুজিছো। আজিৰ দিনতো খেতি-বাতি সমূহ বেছিভাগ আমি গৰু বা গাইৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। এইবিলাক ক্ষেত্ৰত যথেষ্টখিনি বহুল দৃষ্টিৰে চিন্তা-চৰ্চা কৰি সংশোধনী আনিব আৰু পৰৱৰ্তী যিহেতু এজন participant আছে। মই বিচাৰিছো এইবিলাক সংশোধন অত্যন্ত ভালকৈ emotionally, religiously নহয় আমি কেনেকৈ সমস্যা সমাধান কৰি অসমত এটা শান্তিৰ পৰিৱেশ এটা সৌহাৰ্দ্যপূৰ্ণ পৰিৱেশ brotherhood আন্তঃ সম্প্ৰদায়ৰ মাজত সংঘাত সৃষ্টি হ'ব নোৱাৰে এনেকুৱা কিছুমান সিদ্ধান্ত হ'ব লাগে, যিবিলাক সিদ্ধান্ত কাৰ্য্যকাৰী হ'লে ৰাজনৈতিক ভাৱে কৃষক সকলক যাতে আঘাত দিয়া নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ অনুৰোধ জনালো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** শ্ৰী আব্দুৰ ৰচিদ মণ্ডল।

**শ্ৰী আব্দুৰ ৰচিদ মণ্ডল (পশ্চিম গোৱালপাৰা) ঃ** ধন্যবাদ, মাননীয় অধ্যক্ষ মহোদয়। চৰকাৰী পক্ষৰ পৰা "The Assam Cattle Preservation Bill, যিটো Amendment আনিব বিচৰা হৈছে section 7 ৰ কেবাটাও দফা যি Amendment বিচাৰিছে মই লক্ষ্য কৰিছো চৰকাৰে সদায় কৈ অহা মতে কিবা পক্ষপাতিত্ব মূলকভাৱে এই Amendment বিলাকো আমি আৰম্ভণিৰ পৰাই এই বিলৰ বিৰোধিতা কৰি আহিছো কোনো religious purpose ত নহয়। আমাৰ অসম এখন কৃষি প্ৰধান ৰাজ্য আৰু কৃষিৰ ওপৰত আমাৰ দেশখন নিৰ্ভৰশীল অধিকাংশ মানুহ কৃষিৰ ইনকামৰ ওপৰত নিৰ্ভৰশীল। দেখা গৈছে যে কৃষকৰ লগত জৰিত গৰু সৰবৰাহ, গৰু পালন পালনত বহু বাধা নিষেধ আহিছে আৰু বিশেষকৈ আন্তঃৰাষ্ট্ৰীয় সীমামূৰীয়া জিলাসমূহৰ

ক্ষেত্ৰত ইয়াত বেছিকৈ প্ৰতিবন্ধকতা লগোৱা হৈছে যাৰ পৰা মই ভাৱো যে, চৰকাৰ কিছুমান পক্ষপাতিত্বমূলক নীতি দেখা গৈছে যাৰ দ্বাৰা আন্তঃৰাষ্ট্ৰীয় সীমাত থকা জিলাসমূহৰ কৃষকসকল ক্ষতিগ্ৰস্ত হ'ব। যিখিনি কথা ইতিমধ্যে শ্ৰীআমিনুল ইছলাম ডাঙৰীয়াই উল্লেখ কৰিছে। ধুবুৰী জিলায়েই হওক, মানকাছাৰ জিলায়েই হওক বা বি টি আৰ অঞ্চলৰ। বি টি আৰ অঞ্চলৰ এই কৃষকসকল ক্ষতিগ্ৰস্ত হ'ব তাৰোপৰি ইয়াত দেখা গৈছে গৰু transportation ৰ ক্ষেত্ৰত যিটো লাইচেঞ্চ দিয়াৰ কথা কোৱা হৈছে ৭ নম্বৰ section ৰে কেৱল কিছুমান ফাৰ্মক দিয়া হৈছে। কিন্তু individual ক লাইচেঞ্চ দিয়াৰ কথা হোৱা নাই। কিন্তু বহু ব্যক্তিয়ে নিজৰ গৰু transport কৰিব, কিন্তু transport ৰ যিখন লাইচেঞ্চ কেৱল ফাৰ্ম বা society ক দিয়াৰ provision আছে। কিন্তু কোনো ব্যক্তিক দিয়াৰ কথা ইয়াত উল্লেখ নাই। কেৱল কিছুমান ফাৰ্মক দিয়া হৈছে। কিন্তু ব্যক্তিগত ভাৱে লাইচেঞ্চ দিয়া হোৱা নাই। কিন্তু বহু ব্যক্তিয়ে নিজে গৰু ট্ৰান্সপোৰ্ট কৰিব। ট্ৰান্সপোৰ্টেশ্যন লাইচেঞ্চচ কেৱল ফাৰ্ম বা ছ'ছাইটিকহে দিয়াৰ প্ৰভিজন আছে। কোনো ব্যক্তিক দিয়াৰ পৰিভিজন নাই। গতিকে ইয়াৰ দ্বাৰা কোনো ব্যক্তি বিশেষে যদি গৰু ট্ৰান্সপোৰ্ট ও কৰিব বিচাৰে কৰিব নোৱাৰিব এমেণ্ডমেণ্টৰ দ্বাৰা। আকৌ চাব-চেকশ্যন ১১ত দেখা গৈছে যে পুলিচক ইমান বেছি ক্ষমতা দিয়া গৈছে আৰু অন্যায়ক লিগেলাইজ কৰা হৈছে। অৰ্থাৎ চৰকাৰৰ অন্যায় কমাটোক লিগেলাইজ কৰাৰ বাবে আইন প্ৰণয়ন কৰি থকা হৈছে। চেকশ্যন ১১ৰ চাব-চেকশ্যন ১০ ত By approve court being approach having the police officer having the Authourity under sub-section of the section make order for sale of such seized vehicle conveyance for including both. যিখিনি কথা ইতিমধ্যে মাননীয় সদস্য কমলাক্ষ্য দে ডাঙৰীয়াই কৈ গৈছে। vehicle seized হোৱাৰ লগে লগে সেইখন বিক্ৰী কৰিব, সেইটো কেনেকুৱা কথা হ'ব ? যিজন আচামী তেওঁ convicted হৈ যাওঁক। কিন্তু কোনোবা মানুহে ব্যৱসায়ী স্বাৰ্থত গাড়ী ব্যৱহাৰ কৰি আছে, ভাড়া দি আছে সেই গাড়ীটো বিক্ৰী হ'ব নোৱাৰে। কিন্তু ইয়াত সেই গাড়ী বিক্ৰী কৰাৰ ক্ষমতা দিয়া হৈছে। যাৰ দ্বাৰা গাড়ী ব্যৱসায় কৰা মানুহ ক্ষতিগ্ৰস্ত হ'ব আৰু নতুন নতুন সমস্যাৰ সৃষ্টি হ'ব। ইয়াত আৰু এটা কথা কোৱা হৈছে No person or his or her family member against whom it has been registered under the provision of this Act shall alienate their movable or immovable property. ইয়াত যিটো কথা কোৱা হৈছে যে কোনোবা Victim বা convicted মানুহ বা তেওঁৰ relative এ movable বা immovable property separate কৰিব নোৱাৰে। মোৰ কথা হৈছে যে মই convicted হ'লো বা দোষী হ'লো তাৰ কাৰণে মোক যি শাস্তি দিয়ে দিয়ক। কিন্তু তাৰ কাৰণে মোৰ পৰিয়ালৰ সদস্য বা মোৰ সম্পৰ্কীয়ৰ সকলো সম্পত্তি এটাচ্চ্‌মেণ্ট কৰিব তেতিয়া সেই পৰিয়াল সমূহে কেনেকৈ চলিব। তাৰোপৰি, সেই সম্পত্তিখিনি এটাচ্চ কৰাৰ পিছত মোৰ ওপৰত মোৰ পৰিয়ালৰ ওপৰত যিটো দায়িত্ব থাকিব, সেইখিনি তেওঁলোকে যে মোৰ ইলিগেল আৰ্নিঙৰ পৰা সেইবোৰ সম্পত্তি কৰা নাই। এইটো প্ৰমাণকৰ দায়িত্ব মোৰ থাকিব। কিন্তু আমি ডি-ভোটাৰৰ ক্ষেত্ৰত দেখা পাইছো যে বোৰ্ডাৰ পুলিচে জধে-মধে তেওঁলোকৰ ওপৰত কেচ দিয়ে আৰু তাৰ পিছত ডি-ভোটাৰৰ দায়িত্ব আহি পৰে তেওঁৰ নাগৰিকত্ব প্ৰমাণ কৰাৰ। যিটো নেকি আমি দেখি আহিছো যে বহু বছৰ ধৰি সেইটো সমাধান হোৱা নাই। সেইটো এইক্ষেত্ৰতো হ'ব যে এটাচ্চমেণ্টৰ সম্পত্তি ইমান হ'ব যে মাটিৰ মালিকে এই কথাটো প্ৰমাণ কৰাৰ বাবে বছৰ বছৰ ধৰি কোৰ্টত দৌৰি থাকিব লাগিব।

গতিকে এই যিটো প্ৰভিজন সেইটো এমেণ্ডমেণ্ট কৰাৰ বাবে অনুৰোধ কৰিলো আৰু দেখা গৈছে যে কিছুমান ৰেষ্ট্ৰিকশ্যন, চেকশ্যন ২২ ত সেইটো আঁতৰাই দিব বিচাৰিছে। সেইটো ৰখাটো মই বিচাৰিছো। কাৰণ ইয়াৰ দ্বাৰা clash হ'ব পাৰে। আঁতৰাই দিয়াৰ লগে লগে য'তে ততে cow slaughtering কৰিব। তাৰ দ্বাৰা গ্ৰুপ clash হোৱাৰ সম্ভাৱনা বাঢ়িব। যিটো আঁতৰাব বিচাৰিছিলে সেইটো আঁতৰাব নালাগে, প্ৰিন্সিপাল Actত যিটো আছিল সেইটো ৰাখিব লাগে।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া আমিনুল ইছলাম (জ্যেষ্ঠ) ডাঙৰীয়াই কওঁক।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি যি কেইটা এমেণ্ডমেণ্ট আনিছিলো, তাৰে যিখিনি আলোচনা হৈ গ'ল মই তাৰ পুনৰাবৃত্তি নকৰো। যিখিনি কথা থাকি গ'ল মই তাৰ দুই-তিনিটা পইণ্ট ক'ব বিচাৰিছো। আমি দেখিছিলো যে The Assam Cattle Preservation Act, 2021 পাৰিত কৰা হ'ল তেতিয়া আমি বিৰোধীয়ে সদন ত্যাগ কৰিছিলো। তেতিয়া আমাৰ চৰকাৰে একপক্ষীয়ভাৱে এই Act খন পাৰিত কৰিছিল। হয়তো চাগে অসম বিধান সভাৰ ইতিহাসত এইটো প্ৰথম ঘটনা হ'ব যে একেটা বছৰত এখন আইন পাছ কৰি সেই একে বছৰতে সেই আইনৰ ওপৰত এমেণ্ডমেণ্ট আনিছে। তেতিয়া আমি যি বিলাক এমেণ্ডমেণ্ট আনিছিলো সেইবোৰৰ যদি কিছুমান গ্ৰহণ কৰা হ'লহেঁতেন তেতিয়া হয়তো এমেণ্ডমেণ্ট আনিবলগীয়া নহ'লহেঁতেন আৰু ইতিহাস সৃষ্টি কৰিবলগীয়াও নহ'লহেঁতেন। মুখ্যমন্ত্ৰী মহোদয়েও এই বিলখন পাৰিত কৰাৰ দিনা কিছু কথা কৈছিল যে আমি কিছুমান মানুহৰ আৱেগক প্ৰতিনিধিত্ব কৰিব পৰাকৈ এই আইনখন আনিছে। বহু ক্ষেত্ৰত এনেকুৱা হয় যে বহু লোকে গৰুবোৰ বিক্ৰী কৰাৰ পিছত তেওঁলোকে ৰাতিলৈ খবৰ ৰাখে আৰু পৰৱৰ্তী দিনত ক'ত গৈ আছে তাৰ খবৰ পাই তেওঁলোকে কেইবা ৰাতিও শুব নোৱাৰে, ছট্‌ফটাই থাকে। সেইবোৰৰ প্ৰতি লক্ষ্য ৰাখি এই বিলখন অনা হ'ল। কিন্তু, আমি কৈছিলো যে এই আইনখন অসমৰ গো-পালকসকলক বাৰুকৈয়ে ক্ষতিগ্ৰস্ত কৰিব আৰু তেওঁলোকে react কৰিব। মুখ্যমন্ত্ৰী মহোদয়ে যিটো আশ্বাস দিছিল, সেইটো নহৈ আমি যিটো আশংকা কৰিছিলো সেইটোহে হৈছে। উজনি অসমৰ কেইখনমান জিলাৰ বৰকৈ বিদ্ৰোহ হৈছিল। তেওঁলোকে সাংঘাটিকভাৱে প্ৰতিবাদ সাব্যস্ত কৰিলে যে তেওঁলোকে বহুত ক্ষতিৰ সন্মুখীন হৈছে। যিহেতু আমি গো-ধন বিক্ৰী কৰি ল'ৰা-ছোৱালীৰ পঢ়া-শুনা, বিয়া-বাৰু, বেমাৰ-আজাৰৰ চিকিৎসা আদি কৰো, এতিয়া আমি বিপদত পৰি গ'লো। গতিকে, আমি ৰাইজে কি বিচাৰে, তেওঁলোকৰ কি চাহিদা সেই কথাবোৰ গুৰুত্ব দি এমেণ্ডমেণ্টবোৰ আনিব লাগে। লগতে, আমি দেখিছো যে দুই-এটা ক্ষেত্ৰত যদিও exemption দিয়া হ'ল, কিন্তু, কিছুমান ক্ষেত্ৰত আইনখন আৰু বেছি কঠোৰ কৰা হ'ল।

**শ্ৰী প্ৰদীপ হাজৰিকা (আমগুৰি) ঃ** আপুনি কিয় বাৰে বাৰে উজনি অসম বুলি উল্লেখ কৰিছে? হয়তো কোনোবা প্ৰতিক্ৰিয়াশীল দুই-তিনিজন মান লোকে কৰিব পাৰে। আপুনি উজনি অসম বুলি উল্লেখ কৰি নাথাকিব।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বাতৰি কাকতত পোৱা তথ্যৰ ভিত্তিতহে কৈছো। মই ক'ব বিচাৰিছো যে ধেমাজি, লখিমপুৰ আদি জিলাত আটাইতকৈ বেছি গো পালন কৰা হয় আৰু তাতেই আটাইতকৈ বেছি প্ৰতিক্ৰিয়া হৈছে। যোৱা বিধান সভাত মই এই তথ্যটো দিছিলো যে লখিম্পুৰ, ধেমাজি জিলাত আটাইতকৈ বেছি গো পালন হয়। কথাটো এনেকুৱা যে যাৰ গৰুৰ সংখ্যা বেছি তেওঁৰ সম্পত্তিও বেছি হ'ব আৰু এনে লোকৰ চিন্তাও বেছি হ'ব। আমি এই বিষয়টো লৈ কোনো বিভাজন বা মেৰুকৰণ নিবিচাৰো আৰু ইয়াৰ উদ্দেশ্যটো এইটো হ'ব নালাগে যে এই আইনখনৰ জৰিয়তে আমি কোনো বিভাজন বা মেৰুকৰণ কৰো। আমাৰ উদ্দেশ্যটো এইটো হ'ব

লাগে যে সাধাৰণ জনসাধাৰণে কি বিচাৰে আৰু তেওঁলোক কেনেকৈ উপকৃত হ'ব। এই ক্ষেত্ৰত দেখা গ'ল যে ইয়াত প্ৰথম এটা এমেণ্ডমেণ্ট অনা হৈছে যিটো আগৰ বিলত certain occasion, religious worshipৰ কাৰণে কিছুমান exemption দিয়া হৈছিল । এতিয়া সেই exemption টো উঠাই দিব বিচৰা হৈছে। কেৱল এটা ধৰ্মৰ নহয়, সকলো ধৰ্মৰে কিছুমান এনেকুৱা religious occasion থাকে। গতিকে, আমি ভাৰো যে আগতে যিটো exemption আছিল, সেইটো বাহাল থাকিব লাগে আৰু যিটো এতিয়া উঠাই দিব বিচৰা হৈছে সেইটো delete কৰিব লাগে। আগতে, inter-district transportation ৰ কাৰণে কোনো অনুমতিৰ প্ৰয়োজন নাছিল, কিন্তু, এতিয়া দেখা গ'ল যে ইয়াতো কিছুমান চৰ্ত আৰোপ কৰা হৈছে। আন্তঃজিলা transportation ৰ কাৰণে কোনো চৰ্ত থাকিব নালাগে। সেইটো আগৰ নিচিনাকৈ ৰখাটোৱেই আমাৰ দাবী। আন এটা কথা কেইবাগৰাকীও সদস্যই সীমান্তৱৰ্তী জিলাৰ কথা কৈছে। অধ্যক্ষ মহোদয়, আমাৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তৱৰ্তী দেশ কেৱল বাংলাদেশেই নহয়, ভূটান, নেপাল, তীব্বত আদিও আছে। গতিকে, আন্তঃৰাষ্ট্ৰীয় সীমান্তৱৰ্তী জিলা সমূহত যাতে গো supply নোহোৱাৰ বাবে ব্যৱস্থা কৰিব লাগে নহ'লে আমাৰ গো-পালক সকল সমস্যাত পৰিব আৰু সেয়েহে এই বিষয়টো বিবেচনা কৰিব লাগে। তাৰোপৰি, আগতে যি provision আছিল যে 'competent authority may issue permit for transport of cattle for bonafide agricultural and animal husbandry purposes', সেইটোৰ ক্ষেত্ৰত এতিয়া change আনিব বিচাৰিছে যে 'competent authority may issue permit to any agency or firm registered under the animal husbandry.' এতিয়া কথা হ'ল কৃষি বা গাখীৰ উৎপাদনৰ উদ্দেশ্যেৰে তেওঁলোকে animal husbandry ৰ পৰা অনুমতি লৈ carry কৰিব। এতিয়া, কোনো individual কৃষকে carry কৰিব নোৱাৰে। বৰঞ্চ এজেন্সি বা ফাৰ্মে এই অনুমতি পাব। অৰ্থাৎ ইয়াত এটা মধ্যভোগীৰ সৃষ্টি কৰা হ'ল। গতিকে, আমি ভাৰো যে এই permission টো কোনো এজেন্সি বা ফাৰ্মৰ নামত restrict কৰিব নালাগে, আগত যেনেকুৱা আছিল যে individual কৃষকেও অনুমতি পায়, সেইটো বাহাল থাকিব লাগে। অধ্যক্ষ মহোদয়, exemption ৰ বাবে আৰু কেইটামান দফা যেনে- নং ১৯, ২২ আদি আছিল, তাৰে (c) নং ত আছিল যে - 'provided that, in case of a cattle belonging to the Central Govt. in the Ministry of Defence, certificate may be issued by a Veterinary Officer of the Indian Army. ' তাৰ আগত যিখিনি কথা আছিল যে- slaughter of a cattle not being cow or calf on such certain occasion may be prescribed-সেইখিনি উঠাই দিব বিচৰা হৈছে । কিন্তু, আমি ভাৰো যে এইটো বাহাল থাকিব লাগে, occasion ত থাকিব লাগে আৰু Defence ৰ কাৰণে যিটো অনুমতি দিয়া হৈছে তাত আমাৰ আপত্তি নাই। ইয়াৰোপৰি, আগতে মূল আইনখনত vehicle বিক্ৰীৰ ক্ষেত্ৰত strict provision আছিল যে যি vehicleএ carry কৰিব, যদি তেওঁলোকে অনুমতি অবিহনে illegally carry কৰে, তেনেহ'লে সেইটো seize কৰিব আৰু valuation কৰি তাৰ সমান সংখ্যক আৰু তাৰ লগে লগে আৰু এটা কথা ইয়াত কোৱা হৈছে এই vehicle যে বিক্ৰী কৰি দিয়া হ'ব, আগতেও এই মূল আইনখনতো কিন্তু strict provision আছিলে। যদি vehicle সমূহে illegally carry কৰে তেনেহ'লে সেইটো cease কৰিব আৰু তাৰ সমান মূল্যায়ণ কৰি তাত নিব পাৰিব। যদি প্ৰমান হয় যে illegally carry কৰা নাই তেনেহ'লে ঘুৰাই পাব

নহ'লে পইচাটো মাৰ যাব। এইটো ঠিকেই আছিলে। এতিয়া যিটো কোৱা হৈছে যে এইটো cease কৰি বিক্ৰী কৰি দিব পাৰিব, তাত অসুবিধাটো ক'ত হৈছে যে কিছুমান গাড়ী driver বিলাকে চলায়, মালিক পক্ষই তেওঁলোকৰ ওপৰত গাড়ী এৰি দিয়ে। এই driver বিলাকে হয়তো permission ৰ কপিৰ কথা বুজিয়ে নাপায়। গতিকে মই ভাৱো এইটো বেছি কাঢ়া হৈ গ'ল। গতিকে এইখিনি কথা মই সদনত উপস্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** আমাৰ তিনি নং ত দফা আছিলে, কিন্তু মই একেবাৰতে শেষ কৰি ল'ব বিচাৰিছো। এতিয়া মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়া।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তিনি মাহতে এই বিল খনৰ ওপৰত সংশোধন আনিবলগীয়া হৈছে। মোৰ আবেদনটো হৈছে এইখন repeal কৰিব লাগে। যোৱাবাৰো এইখনৰ ওপৰত যেতিয়া আমি আলোচনা কৰিছিলো তেতিয়া বহুত amendment দিছিল আৰু মই এতিয়াও তাৰ ওপৰত strice আছো। কাৰণ মই দেখিছো এইখন আইনৰ জৰিয়তে আমাৰ গ্ৰাম্য অৰ্থনীতিত ইয়াৰ এক ব্যাপক প্ৰতিক্ৰিয়া হৈছে। গ্ৰাম্য অৰ্থনীতিত ক্ষতিৰ সন্মুখীন হ'ব। মাজতে গৰুৰ বজাৰবিলাক সব বন্ধ হৈ গ'ল এই আইন গ্ৰহন কৰাৰ পিছত। গৰু ইফাল সিফাল নিব নোৱাৰা হ'ল আৰু গৰুৰ বজাৰ বন্ধ হৈ যোৱাৰ পিছত যিসকল গোপালক আছিল, যিসকলে শ শ, হাজাৰ হাজাৰ গৰু পোহে, এই গো-পালক সকল স্বাভাৱিকতে অসুবিধাত পৰিছে আৰু অসুবিধাত পৰাত এতিয়া আৰু কিছু amendment আনিব খোজা হৈছে। এই amendment ৰ জৰিয়তেও আমাৰ গ্ৰাম্য অৰ্থনীতিত যিসকল গো-পালক আছে, তেখেত সকলক সকাহ দিয়াৰ কোনো সুযোগ নাই। কাৰণ গাই হ'লে বিক্ৰীও কৰিব নোৱাৰি। গাই যদি বিক্ৰী কৰিব নোৱাৰে তেনেহ'লে ১০ বছৰ পিছত যেতিয়া গাই জনীয়ে পোৱালী দিয়া বন্ধ কৰিব, তেতিয়া গাইজনী কি কৰিব? এতিয়া দমৰা ১৪ বছৰ বয়সলৈকে বিক্ৰী কৰিব নোৱাৰা provision টো আছে। ১৪ বছৰ পিছত দমৰাটো বিক্ৰী কৰিব গ'লে তাৰ দাঁত এটাও নাথাকিব। আমাৰ ভাষাত আৰিখোৱা বুলি কয়। সেই দমৰা কোনেও নিকিনে। এই ধৰণে সমগ্ৰ গো-পালক সকলৰ ওপৰত যিটো হেচা সৃষ্টি হৈছে আৰু বিভিন্ন সময়ত তেওঁলোকৰ প্ৰতিক্ৰিয়াও প্ৰকাশ পাইছে, সেই প্ৰতিক্ৰিয়াৰ প্ৰতি লক্ষ্য ৰাখি মই আজিও বহু কেইটা amendment লৈ আহিছো। 3(d)replace the person to person in the first line by Government Official and Officials. Prohibition of slauter of cattle without certificate from the competent authority. এই ক্ষেত্ৰত মোৰ amendment টো হৈছে 5(2) ত -without replace the cattle not being a cow over fourteen years of age or cattle is over 10 years of age. এইটো মোৰ suggestion.

(b) ত আমি replace the cattle not being a cow or heifer or calf has become permanently incapaciated from work or breeding due to accidental injury or deformity. এই ক্ষেত্ৰত মই ক'ব বিচাৰিছো The cattle has become permanently incapaciated from work or breeding due to accidental injury or deformity or has become unproductive.এই বাক্যটো সুমোৱাব লাগে।

৫(vii) টো মই delete কৰাৰ কাৰণে suggest কৰিছো আৰু prohibition of transport of cattle যদিও তাৰ ওপৰত ইয়াতে কিছু amendment মই ভাৱো ৭(১)

(i) delete হ'ব লাগে, ৭(iii) delete হ'ব লাগে, ৭(xii) delete হ'ব লাগে, 11(v) delete or intended to be committed in the fourth and fifth line delete except cattle in the sixth line. 11(vi) টো delete হ'ব লাগে,11(vii) টো delete হ'ব লাগে আৰু 11(ix) টো delete হ'ব লাগে । মই এই কেইটা amendment আনিছো আৰু মই আশা ৰাখিছো এতিয়া মুখ্যমন্ত্ৰী মহোদয়ে নিজে কৈছে যে এটা নতুন পৰিস্থিতিয়ে এইখন আইন গ্ৰহন কৰাৰ পাছত তেওঁ সন্মুখীন হৈছে আৰু আমিও সন্মুখীন হৈছো। এই বিষয়টো যদি গভীৰভাৱে চিন্তা- চৰ্চা কৰি amendment আনিলেহেঁতেন তেতিয়াহলে আমি নিশ্চয় লাভান্বিত হ'লোহেঁতেন। এই amendment য়ে এই Act খনক বৰ বেছি সমৃদ্ধ নকৰে। পূৰ্বৰ কোৱাৰ দৰে এই Act খনক Select Committee ত গৈ আলোচনা কৰাৰ সুযোগ এতিয়াও আছে আৰু আমি এই সুযোগটো ল'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথম কথা মই ভাৱো যে ভাৰতবৰ্ষৰ সংবিধানক অবজ্ঞা কৰি এই আইনখন অনা হৈছে। সেইকাৰণে মই ভাৰতবৰ্ষৰ সংবিধানৰ Article-304, Restriction on trade, commerce and intercource amongst state Article টো আইন প্ৰনয়ণ কৰা সকলক পঢ়ি চাবলৈ অনুৰোধ কৰিলো। তাৰ sub section -B ত কোৱা হৈছে impose such resonable restriction on the freedom of trade, commerce and intercource amongst with or within the state as may be required in the public interest provided that no Bill or amendment for the purpose of Clause-B shall be introduced or moved in the legislature of state without the previous sanction of the President.ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতিৰ অনুমোদন নোলোৱাকৈ এই আইন আমাৰ বিধান সভাত আনিব নোৱাৰে। এই কথাটো ইয়াত clearly লিখা আছে। সেইকাৰণে মই ভাৱো যে এই বিলখন immediatly repeal কৰিব লাগে। একে ৰাতিৰ ভিতৰতে এখন আইন বনোৱা এইটো ইতিহাসত এটা সাংঘাতিক ধৰণৰ ঘটনা ঘটিছে। মাত্ৰ চাৰি মাহ আগতে আইনখন উত্থাপন কৰিছিলে। ৯ চেপ্তেম্বৰৰ দিনা এইখন notification হৈছিলে আৰু তাৰ পাছতেই Rules নোলাওঁতেই এইখনত amendment আনিবলগীয়া হ'ল। একে ৰাতিৰ ভিতৰে বিল এখন কেতিয়াও এনেকৈ উত্থাপন কৰা বিষয় নহয়। গতিকে মই ভাৱো যে যিসকলে বিলখন উত্থাপন কৰিছে, সেই আমোলা সকলৰ ওপৰত শাস্তি হ'ব লাগে। নজনাকৈ কেনেকৈ তেওঁলোকে বিলখন drafting কৰিলে। দ্বিতীয়তে, যিসকল উকীলে Article-304 এইটো নোচোৱাকৈ এইখন বিল অনাৰ বাবে advice দিছে আৰু বনাইছে, তেওঁলোকৰ ওপৰত action হ'ব লাগে। যিদিনাখন Article-304 টো অৱমাননা কৰি এই আইনখন প্ৰস্তুত কৰা হৈছে বুলি কোৰ্টলৈ যাব, লগে লগে এই আইনখন বাঞ্চাল হ'ব। এতিয়া মই আপোনালোকক যিখিনি amendment দিছিলো সেইখিনিৰ কথা ক'ব খুজিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আপোনাৰ সময় প্ৰায় শেষ হৈছে। আপোনাৰ সময়ত আপুনি amendment ৰ কথা নকৈ বেলেগ কথা কৈ দিলে। আপোনাক ১মিনিটৰ সময় দিছো।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, amendment ৰ কাৰণে সময় নাই।

**মাননীয় অধ্যক্ষ ঃ** আপুনি যি কথাই নকওক কিয় আপোনাৰ alotted সময়টোহে আপুনি পাব।

এতিয়া আপুনি চমুকৈ আপোনাৰ amendment টো কৈ দিয়ক।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** যিকেইটা amendment আনিছে তাৰ ওপৰত মোৰ যিকেইটা কথা ক'ব লগীয়া আছে Section-3 Sub Saction-4, এইটো delete কৰিব লাগে। Section-3 Sub Saction-5, এইটো delete কৰিব লাগে। amendment of section-11 ইয়াত amendment টো আনিছে 4 section, তাত এটা সাংঘাতিক কথা আনিছে। Sub Saction-2(x) ইয়াত কোৱা হৈছে যে appropriate court being approched by the Police Officer having the authority of seizure under Sub Saction-3 of this Act may made such order for sale of the ceased vehicle conveyant including board, vessel exchequer.

**ড° হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী, অসম) ঃ** আজি ৩.৫ পাৰ্চেন্ট এনুৱেলী যিটো লোন মই ল'ব পাৰো, যিটো লোনৰ পৰিমান তৰুণ গগৈ ডাঙৰীয়াৰ দিনত ৬ হাজাৰ কোটি টকা আছিল। আজি আমি ১৪ হাজাৰ কোটি টকা পালোঁগৈ। This is a development index. আমি গ্ৰো কৰি আছো কাৰণ We have not breach 3.5 per cent. ৩.৫ পাৰ্চেন্টৰ ভেলু তৰুণ গগৈ ডাঙৰীয়াৰ দিনত ৬ হাজাৰ কোটি টকা আছিল আজি ৩.৫ পাৰ্চেন্টৰ ভেল্যু ১৪ হাজাৰ কোটি টকা হ'ল। We should be feel previlage যে আমাৰ অসমৰ ইক'ন'মি আজি এনেকৈ গ্ৰো কৰিছে। এতিয়া মই লোন লোৱা তিনিটা- চাৰিটা কথা কৈ আছো। আমি আৰু কেইটামান লোন ল'ব খুজিছো। আমি এটা লোন ল'ব খুজিছো Bridge project ৰ ওপৰত । " যাক যাক নালাগে কৈ দিব যে মোক লোনৰ আঁচনি নালাগে। কাক কাক লাগে হাউচত ক'ব। আৰু এটা কথা লোনৰ বিষয়ে গৌৰৱেৰে মই এটা কথা হাউচত ঘোষণা কৰিব খুজিছো। পৰহি দিনা আমি আমি কথা পাতিছো । চিঠিখন আহি আছে মই ৱেবচাইটৰ পৰা উলিয়াই দিছো। প্ৰথমে, আমি এটা লোন নিগোচিয়েট কৰিছো -- সেইটো ৫ হাজাৰ কোটি টকাৰ লোন হ'ব। সেই টকাৰে আমি অসমৰ নদীবিলাকত আমি ১৯০০ খন ব্ৰীজ নিৰ্মাণ কৰিম। চেকেণ্ড লোনটো আমি ল'ব খুজিছো যে অসমৰ গোটেইকেইখন মেডিকেল কলেজত চুপাৰ স্পেচিয়েলিষ্ট ব্ল'ক লগাম । তাৰ বাবে 'জাইকা' ই এপ্ৰোভ কৰিছে ৩ হাজাৰ কোটি টকাৰ লোন । দুয়োটা মিলি মুঠ ৮ হাজাৰ কোটি টকাৰ লোন হ'ব । ৫ হাজাৰ কোটি টকা ল'ম ব্ৰীজৰ কাৰণে আৰু ৩ হাজাৰ কোটি ল'ম শিলচৰ মেডিকেল কলেজ, ডিব্ৰুগড় মেডিকেল কলেজ, গুৱাহাটী মেডিকেল কলেজ আৰু বৰপেটা মেডিকেল কলেজত চুপাৰ স্পিচিয়েলিটি ব্ল'ক লগাবৰ কাৰনে। থাৰ্ড লোন এটা ল'ব খুজিছো এই কেইদিনতে সেইটো হ'ব ২৫শ কোটি টকাৰ লোন। যিবিলাক ঠাইত মেডিকেল কলেজ নহয় সেইবিলাক ঠাইত আমি ডিষ্ট্ৰিক্ট হস্পিটেল বনাম which can be converted into a medical College in due course of time. ফোৰ্থ আমি এটা লোন ল'বলৈ গৈ আছো 'আই' নদী আৰু ডিব্ৰুগড় জিলাত মথাউৰি নিৰ্মাণৰ বাবে, চেকেণ্ড আমি আৰু ৩ টা মথাউৰী নিৰ্মাণৰ বাবে লোনৰ বাবে এচিয়ান ডেভল'পমেন্ট বেংকৰ লগত কথা পাতিছো। গতিকে মই গৌৰৱবোধ কৰিছো মইতো এতিয়া মানুহৰ মাজত যাম যে এইখিনি কাম মই কৰিছো আৰু লোনৰ ৰিটাৰ্ণ উইথ ইন্টাৰেষ্ট এদিনো লেপ্চ নোহোৱাকৈ ঘুৰাই দিম। যদি ৩০ তাৰিখে ঘুৰাব লাগে আমি ২৮ তাৰিখে ঘুৰাই দিম।

**বিৰোধী উক্তি ঃ** কেৱল ইন্টাৰেষ্টটোহে ঘুৰাই দিব নেকি ?

**মাননীয় মুখ্যমন্ত্ৰী ঃ** আপোনালোকে সৰু ল'ৰাৰ দৰে কথা কৈছে । Interest ৰ লগত Prin-

ciple নিদিলে বেংকে মানিব নেকি? মই মুখ্যমন্ত্ৰী থকা লৈকে আৰু মোৰ পিছৰ মুখ্যমন্ত্ৰীসকলেও প্ৰাউডলী লোন ল'ব আৰু প্ৰাউডলী ঘূৰাইও দিব। এতিয়া আমি এটা লোন লৈছো, অখিল গগৈ ডাঙৰীয়াই বেয়া পালেও ক'ব পাৰিব যে শিৱসাগৰৰ পৰা চৰাইদেওলৈকে যোৱা ৰাস্তাটোৰ বাবে ২৫০ কোটি টকা লোন লৈছো। লোনতো ল'ব লাগিব-

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** সকলোখিনি আপোনাৰ লোনেই নেকি? ৰেভিনিউ একো নাই নেকি? ইমানখিনি কথা ক'লে সকলোখিনি লোনেই।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** ঠিক আছে- নন লোনৰ কথাও শুনক। 'অৰুণোদয়' আঁচনিৰ যিটো টকা দিছো সেইটো নন লোন। মাইক্ৰ'ফাইনেন্সৰ যিটো টকা ঘূৰাই দিছো সেইটোও নন লোন। লক্ষীমপুৰত যিটো মেডিকেল কলেজ বনাইছো সেইটো নন লোন। গুৱাহাটীত দ্বিতীয়খন মেডিকেল কলেজ হ'বলৈ গৈ আছে সেইখন নন লোন। বৰপেটাত, তেজপুৰত মেডিকেল কলেজ হৈছে এইবিলাক নন লোন। গতিকে নন লোনৰ লিষ্টখন হ'ল ৫৫ হাজাৰ কোটি টকা আৰু লোনৰ লিষ্টখন হ'ল ১৪ হাজাৰ কোটি টকা। গতিকে মাননীয় অধ্যক্ষ মহোদয়, চেকেণ্ড কথাটো হ'ল- যে মই এটা ৰিকোৱেষ্ট কৰিম যে যিসকলে অন প্ৰিঞ্চিপুল লোন অপোছড কৰে তেওঁলোকে নিজৰ ফালৰ পৰা নিজৰ সমষ্টিত কৈ দিয়ক যে, লোনৰ আঁচনি নালাগে বুলি। I will be happy শিৱসাগৰ মেডিকেল কলেজৰ বাবে মই নাবাৰ্ডৰ লগত কথা পাতি আছো লোনৰ কাৰনে, নালাগে যদি কৈ দিয়ক।
মাননীয় অধ্যক্ষ মহোদয়, চেকেণ্ড কথাটো আহিলে এম এল এ ফাণ্ডৰ , মোৰ ইয়াত থকা ৰেকৰ্ডমতে কৈছো যে, এম এল এ ফাণ্ডত আগতে দিয়ে ৫০ লাখ - ৬০ লাখ। এইবাৰ আমি দিছো ৮০ লাখ আৰু ২০ লাখ। এইটোত আমাক কিয় বেয়া পাই আছে সেইটো মই বুজি পোৱা নাই।

**বিৰোধীৰ উক্তি ঃ** আমি ৫৬ লাখ পাইছো।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** যদি ৫৬ লাখ পাইছে তথাপিও ৫০ঃ৫০, ৩১ মাৰ্চৰ আগত ১ কোটি সদায় পায় - এইবাৰো পাবই। তাততো কোনো নতুন কথা হোৱা নাই। 'সুহৃদ' আঁচনিখন আমি বন্ধ কৰিছো কাৰণ এম এল এ টকা দিব নালাগে।

- সদনত হুলস্থুল-

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** মুখ্যমন্ত্ৰী মহোদয় আমাক 'সুহৃদ' আঁচনি লাগে। বন্ধ কৰা বাবে অসুবিধা হৈছে।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** শিৱসাগৰৰ সন্মানীয় বিধায়কে কৈছে 'সুহৃদ' আঁচনি লাগে । মই শুনিছো , ঠিক আছে সেইটো বেলেগ কথা, যেতিয়া উত্তৰ দিয়াৰ সময় হ'ব তেতিয়া ক'ম। আমাৰ যেতিয়া বাজেট দিয়ে তেতিয়া আপোনালোকে বাজেট ডিচকাশ্যনৰ সময়ত চাব যে কোনটো টকা ক'ৰ পৰা আহে। অসমৰ এই বছৰৰ বাজেটত ১ লাখ ২৭ হাজাৰ কোটি টকা ধৰা হৈছে। ১ লাখ ২৭ হাজাৰ কোটি টকা আমাৰ ডিপাৰ্টমেণ্টে খৰছ কৰিব নোৱাৰে । We will go near 96 Thousand Crore, componant of Loan is just Fourteen Thousand Crore. আৰু কেৰেলা বা আন ৰাজ্যতকৈ বহুত ক'ম। সেই কাৰণে মই হাউচক এটা প্ৰ'পোছ কৰিব খোজো Let There be a Five Members Committee of House এটা টীম হৈ আপোনালোকে কৰ্ণাটকত যাওঁক , অন্ধ্ৰপ্ৰদেশত যাওঁক , কেৰেলাত যাওঁক, কাৰণ এই ডিবেটটো শেষ হ'ব লাগে। তাৰে বিত্ত মন্ত্ৰীসকলৰ লগত কথা পাতক যে আপোনালোকে কিয় এনেকৈ লোন লৈছে। মই ভাবো তেতিয়া আপোনালোকৰ মাইণ্ড ক্লিয়েৰ হৈ যাব। আমাতকৈ বহু বেছি লোন লোৱা ৰাজ্যৰ লিষ্ট আমি আপোনালোকক দিম। অৰুণাচল গৰ্ভমেন্টৰ আজি লোন হৈছে - ফোৰ্টি এইট পাৰ্চেন্ট অৱ জি ডি

পি । আপোনালোকৰ মাইণ্ডটো ক্লিয়েৰ হৈ যাব যে, কেপিটেল প্ৰজেক্টৰ বাবে কোনোৱাই যদি লোন নলয়- মেঘালয়ৰ হাতত যদি আজি ১৫ হাজাৰ কোটি টকা বেছি পৰি যায়, বেংগলৰ হাতত যদি ৩০ হাজাৰ কোটি টকা বেছি পৰি যায় আৰু অসমৰ হাতত যদি ১৪ হাজাৰ কোটি টকা নপৰে - কোনেও তো ঘুৰাই দিব নালাগে- চেন্ট্ৰেল গৰ্ভমেন্টে এইড কৰি দিয়ে যেতিয়া দৰকাৰ হয়। স্মল চেভিংছৰ ওপৰত বেংগলৰ লোন আছিল ১০ হাজাৰ কোটি টকা । বিধায়কসকলে প্ৰশ্ন সোঁধে মূৰৰ ওপৰত ধাৰ, মূৰৰ ওপৰত ধাৰ - টেন্ট্ৰেল গৰ্ভমেন্টৰ এইড যে ঘুৰাই দিব নালাগে। পাৱলিকৰ পৰাতো টকা তোলা নাই যে ঘুৰাই দিব লাগিব। এতিয়া আপোনালোকে এটা আচৰিত কথা আনি আছে যে, ৰেভিনিউ বঢ়াব লাগে। এতিয়া আমি ক'ৰ পৰা ৰেভিনিউ বঢ়াম। আপোনালোকে যদি ৰেভিনিউ বঢ়াব লাগে বুলি কয় , যদি কয় যে দুখীয়া মানুহখিনিৰ ওপৰত টেক্সেশ্যন বঢ়াই দিয়ক তাতকৈ দুখৰ কথা কি হ'ব পাৰে? মই এই কথাটো বুজি পোৱা নাই , আপোনালোকে মোক চেলেঞ্জ কৰি আছে যে ৰেভিনিউ কিয় নাবাঢ়ে। ৰেভিনিউ বাঢ়িব- যদি আমি মাটিৰ ওপৰত খাজনা লওঁ । আমিতো মাটিৰ ওপৰত খাজনা লোৱা নাই। ভাৰতৰ ভিতৰত অসমত পেট্ৰ'লৰ টেক্সৰ ৰেট আটাইতকৈ ক'ম। আমি তেন্তে বঢ়াব লাগিব। অপোজেশ্যনে কিয় আমাক টেক্স বঢ়াবলৈ প্ৰভোক কৰে। অসম চৰকাৰৰ ৩ ৰেভিনিউ- এটা হ'ল লেণ্ড, এটা হ'ল - পেট্ৰ'ল, ডিজেল আৰু এটা মদ । এই কেইটাত আমি ৰেভিনিউ লগাব পাৰো, বাকীতো একোতে লগাব নোৱাৰো। আমাৰ হাতত মাত্ৰ ৫ টা ৰেভিনিউ পাৱাৰ- মাটিৰ খাজনা, ষ্টাম্প আৰু ৰেজিষ্ট্ৰেশ্যন, আনটো ব্ল'ক- হ'ল এক্সাইজ, আনটো ব্ল'ক হ'ল- পেট্ৰ'ল- ডিজেল। নহ'লে আমি এ এচ টি চিৰ টিকেটৰ দাম বঢ়াব লাগিব। এতিয়া এ এচ ই বিয়ে প্ৰতিবছৰে আমাৰ পৰা ২০০০ কোটি টকা লয়। আমি দিওঁ , নিদিলে টেৰিফ বঢ়াব লাগিব। পাৱলিকে দিব লাগিব। মই আজি মিলাই আছো উইদাউট টেক্সেশ্যন । আপোনালোকে যদি কয় টেক্স লগাওক সেইটো কেনেকৈ হ'ব?

**শ্ৰীভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা) ঃ** টেক্স বঢ়াবলৈ আমি কোৱা নাই।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** যদি ৰেভিনিউ এক্সপেণ্ডিচাৰ ক'মাব লাগে মই ত্ৰিপুৰাৰ দৰে কৰিব লাগিব ডি এ চেন্ট্ৰেলৰ সমান দিব নালাগিব। লোনটো আপোনাৰ কাৰনে লৈ আছো। আপুনি আৰ আই ডি এফৰ স্কীম পাই আছে।

পুলিছে যাতে excessive power নাপাই, তাৰ কাৰণে আমি এইটো কৰিছোঁ। লগত এই পাৱাৰটোৰ যাতে misuse হৈ বাংলাদেশলৈ যাতে গৰু নাযায় তাৰ কাৰণে আমি সীমামূৰীয়া জিলা কেইখনত আমি প্ৰতিবন্ধকতাটো মেইনটেইন কৰিছোঁ যে, কৰিমগঞ্জ, হাইলাকান্দি, শিলচৰ, মানকাচাৰ, ধুবুৰী, এই কেইখন জিলালৈকে বাহিৰা জিলাৰ পৰা বস্তু আহিব নালাগে। অৰ্থাৎ শিৱসাগৰৰ পৰা। আজি থাওৱাতো আমি ইলেক্চন খেলিছোঁ, কিন্তু থাওৱাৰ বস্তুটো ধুবুৰীত আহিব নালাগে। শিৱসাগৰত যাওঁক, ডিব্ৰুগড়ত যাওঁক, যোৰহাটত আহক, গুৱাহাটীত আহক কিন্তু বাংলাদেশলৈকে গৈ পাব নালাগে এইটো কাৰণে আমি এইটো amendment আনিছোঁ। যাতে পুলিছে excessive power নাপায়।

দ্বিতীয়তে, এটা কোৱা হৈছিল, আপোনালোকে হাউচত মনত ৰাখিব, আপোনালোকৰ কথা যেতিয়া মই শুনিব যাওঁ তাত কিছুমান implication থাকে। যোৱাবাৰ আপোনালোকে হাউচত কলে যে মহটো বাদ দি দিয়ক, মই মহটো বাদ দিলোঁ। যেতিয়া মহটো বাদ দিলো তাত এনেকুৱা এটা চেক্চন আছিল যে গৰুক বাদ দি মহটোক আমি কিছুমান উপাসনা ঠাইত ব্যৱহাৰ কৰিব পাৰোঁ। গৰুটোৰ কাৰণে restriction নাছিল, মহটোৰ কাৰণেহে আছিল। কাৰণ বিল্লেশ্বৰ

মন্দিৰত মহৰ বলি হয় বা বিভিন্ন Hindu temple ত মহৰ বলি হয়। কিন্তু যোৱাবাৰ আপোনালোকে যেতিয়া মোক কলে যে মহটোৰ ওপৰত কোনো restrictionয়ে থাকিব নালাগে আৰু মই মানি ললোঁ। গতিকে this amendment is necessary to that , সেইদিনাখন মই যিহেতুকে হাউচতে agree কৰি ললোঁ। যে ঠিক আছে মহটো কাটি দিয়ক। যেতিয়া মহটো আপোনালোকৰ কথা শুনি কাটিলো, এতিয়াতো next provision টো আনিব লাগিব। তাৰমানে মন্দিৰত মহ বলি দিয়াৰ যি অনুমতি দিয়া হৈছিল সেই clauseটো আমাক আৰু দৰকাৰ নাই। যিহেতুকে মহটোৰ ওপৰতে restriction নাই, গতিকে বলি দিয়াৰ ক্ষেত্ৰত restriction বা permission ৰাখি কি লাভ হ'বঙ্গ আপোনালোকৰ কথা শুনাৰ কাৰণেহে এইটো amendment আহিলে। এতিয়া আপোনালোকে কৈছে সপোন দেখো ৰাতি, আপোনালোকৰ সপোন দেখাবিলাক হে মই ইয়াত ৰূপায়ণ কৰি আছোঁ। আপোনালোকে যোৱাবাৰ সপোন বোৰ দেখি মোক কলে যে মহটো বাদ দিব লাগে, মই মহটো বাদ দিলোঁ। তাৰমানে এতিয়া বিল্লেশ্বৰ মন্দিৰতে হওঁক, কামাখ্যাতে হওঁক anytime মহ বলি দিব পাৰে that restriction has been withdrawn in the last Assembly. কিন্তু তথাপিতো তাত এটা শব্দ লিখা থাকিল যে permission ল 'ব লাগিব, তাৰমানে আকৌ কোনোবা ভেটেৰিনাৰীৰ তাত কামাখ্যা মন্দিৰৰ মানুহ যাব লাগিব, বিল্লেশ্বৰ মন্দিৰৰ মানুহ যাব লাগিব। গতিকে আমি সেই provisionটো withdraw কৰি দিলোঁ যে ঠিক আছে মহটো যিহেতু আইনৰ আওতাৰ বাহিৰতে আছে। আকৌ মহটো বলি দিবৰ কাৰণে মন্দিৰ বিলাক কিয় যাব লাগে পুলিচৰ ও চৰত ? গতিকে this is a positive amendment. গৰু যিকোনো religious কামত ব্যৱহাৰ কৰিব নোৱাৰে বুলি সেইটোতো আগৰ amendmentতে ক্লিয়াৰ হৈ আছে। আমিতো ইয়াত নতুন কোনো অনা নাই। গৰুৰ পোৱালী বা গৰু আপোনালোকে যিকোনো কাৰণতে কাটিব নোৱাৰে। Within the 5 km radius of a temple and where Hindu people is there. বাকী ঠাইত মই যোৱা বাৰে কৈছিলো যে বাধা একো নাছিল। দক্ষিন শালমাৰাতটো কোনোৰে বাধা নাই। গৰৈমাৰীতো কোনো বাধা নাই। It is exactly not a prohibitory act it is a regulatory act. দ্বিতীয় কথাটো হ'ল, যে যোৱা কেইটা মান দিনত আমি কি কৰিছোঁ, যে আমি গৰুৰ case registered কৰিছো ৪০৬ টা, cattle ceased কৰিছো 2808, person arrest কৰিছো 240, কোনোবা মৰি গৈছে সেইটো মই ইয়াত ৰখা নাই। Vehicle ceased 68, person killed in police action 1, person injured in police action 5, total no. of cattle preservation 46. এতিয়া হৈছে কি যেতিয়া আমি গাড়ী বোৰ ধৰো শ্ৰীৰামপুৰ বক্সিৰহাট গেটত, যোৱা কিছু দিনৰ পৰা কিছুমান মানুহ আহি গাড়ীবোৰ লগে লগে জ্বলাই দিয়ে। তেওঁলোকে ভাৱে যে গাড়ী জ্বলাই দিলে লেঠাটো মৰি গ'ল। যোৱা কেইদিন মানত অনগল গাড়ী জ্বলি আছে শ্ৰীৰামপুৰ বক্সিৰহাটত। তেতিয়া আমি কৈছো যে গাড়ী জ্বলোৱাতকৈ গাড়ীখন আমি বিক্ৰী কৰি দি revenue লম। কোৰ্টৰ অনুমতি লওঁ, proper channelদি কৰো আৰু গাড়ী য'ত জ্বলে সেইবোৰ অসমৰ বাউণ্ডাৰীও নহয়, outside the Assam jurisdiction বা অলপ no mans land টাইপতে হৈ আছে। সেই কাৰণে আমি এটা clause আনিছো যে যদি গৰুৰ কাৰবাৰটো বন্ধ হ'ব লাগে গাড়ীৰ মালিক বিলাকে বুজিব লাগিব যে এইটো illegal transportation, সেই কাৰণে আপোনালোকে এইটো সদায় positiveহৈ থাকক যে Bonafideদি গৰুতো কোনো আপত্তি নাই। কিন্তু বিহাৰ ইউ পি ৰ পৰা যদি জাকে জাকে গৰু লৈ আহে আৰু আমি গৰুবোৰ কেৱল নমাই থাকিম আৰু

আমাৰ গোশালাত খুৱাই থাকিম আৰু যদি গাড়ীৰ মালিকৰ ওপৰত action নলয় এইটোত এসময়ত পুলিচে frustrated হৈ যাব যে কিমান থানাত গৰু আনিম। গতিকে অসম যে tough state , তাৰ বাৰ্তা এটা বাহিৰা ঠাইত যাব লাগিব যে Assam is a tough state. গাড়ী আনিলে গাড়ীকে বিক্ৰী কৰি দিম। নহলে এতিয়া মানুহে ৰং চায়। গৰুটোৰ কোনো কথা নাই এইবিলাক ৰাস্তাত ঘুৰি আছে গৰু আনিছে, আনি ধুবুৰীৰ থানাৰ সন্মূখত পেলাই দিলে, অ চি য়ে গাড়ী চিজ কৰিলে, গৰু ললে লৈ চিন্তা কৰি থাকে এতিয়া আমি গৰু কেইটা লৈ কি কৰিম। লাহে লাহে ওচৰৰ মানুহে এটা দুটাকৈ গৰু লৈ লৈ এসময়ত নোহোৱা হৈ যায়। সেই কাৰণে আমি কৈছো যে গৰুৰ আগতকৈ গাড়ীক ধৰক। গাড়ী খন যেতিয়া বিক্ৰী কৰি দিম লেঠা সমাপ্ত। সেই কাৰণে আপোনালোকে এটা কথা বুজিব যে আমি সম্পূৰ্ণ গৰুৰ বিৰুদ্ধে আছো। আৰু এইটো strict হৈ গৈ থাকিব per amendment. ইয়াত কোনো compromiseৰ কথা অহাই নাই আৰু compromiseৰ কথা নাহে।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** গৰুৰ বিৰুদ্ধে মানে খেতিয়কৰ বিৰুদ্ধে।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** নহয়, সেইটো ভুল আছে। আমি এতিয়া কৰিছো কি আপোনালোকৰ।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** আপুনি গৰুৰ বিৰুদ্ধে বুলি কৈছে। গৰুৰ বিৰুদ্ধে নেকি আপুনি।

**শ্ৰীৰূপজ্যোতি কুৰ্মী (মৰিয়নী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ে কৈ আছে মাজতে কিয় কয়?

**মাননীয় মুখ্যমন্ত্ৰী ঃ** এটা কথা, যিটো Contextত কথা কওঁ সেইটো Contextতে মানুহে বুজে। বৰ্তমান আমি কোন গৰুৰ কথা কৈ আছো, যিয়ে চোৰাং গৰু লৈ আহে বা চোৰাং গৰুৰ ব্যৱসায়ৰ কথা কৈ আছো, Contextটো জানিব লাগে। শ্ৰেণীত পঢ়া-শুনা হলেতো reference, contexts এইবিলাক শিকাই, কোনোবাই শ্ৰেণীত গৈছিলনে আমি কি জানো? গতিকে যি নহওঁক এতিয়াৰ কথাটো হ'ল যে আমি অসমৰ এই চৰকাৰখনে cow, cattle যিটো Smuggling তাৰ আমি বিৰুদ্ধে আছোঁ। গতিকে প্ৰত্যেকটো amendment আপোনালোকে সেই directionত দেখা পাব, converse directionৰ কথাটো মই চিন্তা কৰা নাই আৰু আপোনালোকে মোক এইটোত বেয়াও পাব নালাগে I am implementing election manifesto of my party, the way people has given us mandate. আৰু এইটো কাম আমি কৰিমেই। আপোনালোকে আপোনালোকৰ বিৰোধীতা আগৰ বা পঞ্জীয়ন কৰিছে, it is on record যে আপোনালোকে এইটোক support কৰা নাই আমি এইটোক push কৰিছোঁ।

**শ্ৰীআব্দুল বাতিন খণ্ডকাৰ (উত্তৰ অভয়াপুৰী) ঃ** চাৰ, এটা মই প্ৰশ্ন সুধিছো শ্ৰীৰামপুৰ গেটত মোৰ সমষ্টিৰ পৰা ভালেকেইজন মানুহ বিহাৰৰ পৰা মোৰ তাত আহিছে তেওঁলোকক আজি এক মাহ মান হ'ল আটকাই থৈছে।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** চাওঁক, এইটো ৪ তাৰিখে আমাৰ SP conference আছে তাতে মই clear বুজাই দিম। কাৰণ বহুত পুলিচৰ হাতত Original act খন আছে। মহটো যে আমি withdraw কৰিছো পুলিচ বিলাকলৈকে dissimilation হোৱা নাই, তিনি চাৰি তাৰিখে SP conference আছে আমি কৈ দিম মহ আনিব পাৰে মহত কোনো আপত্তি নাই। কাৰণ directive principle article 48 ত মহটো কভাৰ নকৰে। আৰু আপোনালোকে মোক suggestion দিছিল মই মানি লৈছিলোঁ। য'ত য'ত আমি মিলিব পাৰো।

**শ্ৰী আমিনুল ইছলাম (কনিষ্ঠ) (মানকাছাৰ) ঃ** অধ্যক্ষ মহোদয়, মোৰ কেৱল এটা প্ৰশ্ন আছে

এইখিনিতে related. গৰুটো আমাৰ যদি transportationটো একেইবাৰে নহয়, যেনেকৈ জিলা বিলাকৰ কথা কৈছে।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** নাই, নাই, Milking cow allowed.

**শ্ৰী আমিনুল ইছলাম (কনিষ্ঠ) (মানকাছাৰ) ঃ** 69 % of total population based on agriculture, as and to as of now আমি কিমান শতাংশ মানুহক টেক্টৰ আৰু পাৱাৰটিলাৰ দিব পাৰিছোঁ? আৰু কথা হ'ল যে গৰু যদি নহয় আমাৰ নিচিনা দুখীয়া ঠাই চৰ অঞ্চলত যাতে কৃষি নহয়।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াই কৈ আছে।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** আপোনালোকক কথা কওঁতে মই সকলো বিধায়কসকলকে কৈছিলো যে মনে মনে থাকক। So thatক'ব পাৰে। প্ৰশ্নটো হ'ল আপোনালোকৰ livelihood ৰ কাৰণে মই concern. ৰাতিপুৱাটো মই নিজেই কৈছো যে কয়লা কামৰ বাবে আপোনালোকৰ সমষ্টিৰ লেবাৰ বিলাক মেঘালয়ত যায়। এতিয়া কথাটো হ'ল যে গৰুৰ মাংসতকৈ alternative বস্তুটোৰ ওপৰত আমি যাব লাগিব। আজি গুজৰাটত ডেৰ কোটি লিটাৰ গাখীৰ প্ৰতিদিনে উৎপাদন হয়। কৰ্ণাটকত ৬০ লাখ লিটাৰ গাখীৰ উৎপাদন হয় we are abusing actually, প্ৰকৃতকে আমাৰ মনত এটা ধাৰণা হৈ গ'ল যে গৰু মাৰি গৰুৰ মাংসটোৰে আমি ব্যৱসায় কৰো। কিন্তু এই ধাৰণাটোৰ পৰা ওলাব any hinga is bad. গৰুৰ বাদ দিয়ক, মানুহ মাৰা, জন্তু মাৰা এইটোৰ ওপৰত ঠিক আছে আজি কিবা কাৰণত আমি traditionally গাহৰি কৰিছো কিবা কৰিছো, ঠিক আছে। কিন্তু সভ্য সমাজত এটা সময় আহিব after 100 years, 150 year that everybody will say that why we search for a alternative business. এতিয়া আমি কি কৰিব খুজিছো National Dairy Development Board ৰ লগত আমি আলোচনা কৰিছোঁ, অসমত প্ৰতিদিনে ১০ লাখ লিটাৰ গাখীৰ productionৰ কাৰণে আৰু ১৪০০ কোটি টকাৰ আমি এটা প্ৰজেক্ট ৰেডি কৰিছোঁ। ৫০-৫০ মালিকীস্বত্ত থাকিব আৰু I am taking stepযাতে কোনো গৰুৰ লগত জড়িত খেতিয়কৰ আৰ্থিক দিশত প্ৰভাৱ নপৰে আৰু অহাবাৰ বাজেট অধিবেশনত আপোনালোকে দেখিব যে mindset টো নেতিবাচকৰ পৰা ইতিবাচক কৰিব বিচৰা হৈছে।

Beaf ৰ বহুত ডাঙৰ ইকোনোমি থাকিব পাৰে is it good? মহামানৱ মহাত্মা গান্ধীয়েও কৈ গৈছিল, do not do this without effecting the livelyhood of the people সেই কাৰণে আমি এটা alternative economy এটা আনিব বিচাৰিছো, ইয়াৰ প্ৰতিফলন আপোনালোকে ২০২২ চনৰ এপ্ৰিল মাহৰ বাজেটত দেখা পাব আৰু সন্মানীয় আমিনুল ইছলাম ডাঙৰীয়াই যি গিৰ গাইৰ কথা ক'লে মই সেই সংক্ৰান্তত জনাব বিচাৰো যে খীৰতী গাইৰ ওপৰত কোনো ধৰণৰ restriction নাই। What we are trying to stop is cruality to the animal আৰু এই ক্ষেত্ৰত অসম বিধান সভায়ে ভাৰতবৰ্ষত এটা মানদণ্ড দেখুৱাব পাৰে। আজি মই এখন দেশী মুছলমান সম্প্ৰদায়ৰ গামোছা লৈ আছো, We are not communal আৰু এইটো যি ৰাজনৈতিক শান্তিৰ কথা কৈছে মই ভগৱান নে আল্লা যে মই কাৰোবাক ৰাজনৈতিক শাস্তি দিব পাৰো। but this is my philosophy যে ৫ হাজাৰ বছৰৰ আগৰ দৰ্শনটো মই পুনৰ প্ৰতিষ্ঠা কৰিব বিচাৰিছো। যিমানলৈ সম্ভৱ মই কৰিব চেষ্টা কৰিম। যেতিয়া নোৱাৰিম মই হাত দাঙি দিম। এতিয়া যিহেতুকে মই সুযোগ পাইছো সেইটো মই ব্যৱহাৰ কৰিব বিচাৰিছো। গতিকে আপোনালোক নিশ্চিত থাকক,কাৰো আয় বা উপাৰ্জনৰ পথ বন্ধ নহয়, মাত্ৰ জীৱৰ ওপৰত চলা

হিংসাটো বন্ধ বিষয়টো বাদ দি বাকী যি সংশোধনী থাকে আপোনালোকে আনিব মই নিশ্চয় কৰি দিম ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** চাৰ, এটা clearification বিচাৰিছো ৰাজ্যৰ মাজত থকা বাধা নিষেধটো।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** হয় মই সেইটোও কৈ আছো। মই সকলো লিখি আনিছো ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** ঠিক আছে।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** এতিয়া কমলাক্ষ দে পুৰকায়স্থ দেৱে এটা কথা কৈছে যে এখন জিলাত কোনো গৰুৰ বেমাৰ হ'লে তাত যদি পশু চিকিৎসালয় নাথাকে তেতিয়াহ'লে কাষৰ জিলাৰ পশু চিকিৎসালয়লৈ নিব লগা হ'লে কি কৰিব ? তালৈ যাব নে নাযাব ? definitly this is a food for thought. এতিয়া মই এই বিষয়টোৰ ওপৰত আকৌ ভাবিম আৰু প্ৰয়োজন সাপেক্ষে সংশোধনী আনিম, তেতিয়া আপোনালোকে অভিযোগ নকৰিব যে আপোনালোকে কিয় বাবে বাৰে সংশোধনী আনে। Because you have given a suggestion and I will definitly consider the suggestion, এতিয়া উদাহৰণ স্বৰূপে কওঁ যে গোৱালপাৰা জিলাত যদি কোনো গৰু বেমাৰত পৰে আৰু তাত পশু চিকিৎসালয় নাথাকে, তেতিয়া উক্ত গৰুটো চিকিৎসাৰ বাবে মানকাছাৰলৈ আনিব পাৰিব নে নোৱাৰে । So you have put a relevent question আৰু মই অহাবাৰৰ অধিবেশনত মই ইয়াৰ উত্তৰ দিম তেতিয়া আপোনালোকে সংশোধনী আনিলে বেয়া নাপাব ।

আজিৰ দিনতো যি খিনি গৰুৰ ব্যৱসায় চলি আছে সেইখিনি বন্ধ কৰাৰ কাৰণে আমি গৰু সৰবৰাহ কৰা গাড়ী খনকেই বিক্ৰী কৰি দিয়াৰ দৰে ব্যৱস্থা হাতত লৈছো, so that it comes down. এতিয়া ২০, ৩০ শতাংশ ব্যৱসায় চলিয়েই আছে আৰু সেই খিনি নোহোৱা কৰাৰ কাৰণে আমি পৰ্য্যায়ক্ৰমে এনে ধৰণৰ কাম বিলাক কৰি থাকিম। শেষত যিটো constitutional point উত্থাপন কৰিছে Article-304 ৰ আধাৰত, মই এটা কথা জনাব বিচাৰো যে ৰাজনীতি বিজ্ঞান ময়ো পঢ়িছো । আৰু হাইকৰ্টত ময়ো উকালতি কৰিছিলো । গতিকে, According to article-304 imposed restriction on inter state, this section is about the Border District within Assam যাব নোৱাৰিব । According to intra-state article 304- reveals the judgment of Supreme Court of India constitutional bench that Directive Principle of State Policy overtake everything. I am going to the judgement with authority...

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Fundamental Rights ৰ ওপৰত অলপ ক'লে ভাল হয়। বিষয়টো কোনটোৰ ওপৰত পৰে Directive Principle নে Fundamental Rights ৰ ওপৰত পৰে সেইটো উল্লেখ কৰি দিব ।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** হ'ব। Amongst Fundamental Rights and Directive Principle, Directive Principle has a superior state in our Constitution. যিটো আমি বহুতেই নাজানো। According to the verdict of the Hon'ble Supreme Court of India, whenever there is a conflict between the Directive Principle of State Policy and fundamental rights it is the directive principle of state policy which will prevail. বিৰোধী দলপতিক

উদ্দেশ্য কৰি কয় "মই আপোনাক ব্যক্তিগতভাবে এখন চিঠি লিখি জনাই দিম।" There is catena of decision of the Hon'ble Supreme Court that Directive Principle of State Policy will prevail over the fundamental rights. যেনেকৈ এটা prohibition, মদ খোৱাটো মোৰ এটা অধিকাৰ যদি মোৰ পইছা আছে, If I have a licence. কিন্তু Directive Principle ত কৈছে যে state can impose prohibition. হাৰিয়ানাত যিটো কৰ্ট কেছ হৈছিল মোক সোধা কাৰণে মই কৈছো- হাৰিয়াণাত যেতিয়া prohibition ৰ ওপৰত কেছ হৈছিল তেতিয়া Constitutional bench য়ে কৈছিল যে- Prohibition is a part of Directive Principle, so it will always over rights, the rights given under the Fundamental Rights. গতিকে এই কেছটো পঢ়ি ল'ব পাৰে আৰু আপোনালোকে চাই ল'ব পাৰে।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** কেচটোৰ নামটো অকমান কৈ দিলে ভাল হ'ব ।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** মই এতিয়াই চাই কৈ দি আছো।

**মাননীয় অধ্যক্ষ ঃ** অখিল গগৈ ডাঙৰীয়া মনে মনে থাকিব।

-সদনত হুলস্থুল-

**মাননীয় মুখ্যমন্ত্ৰী ঃ** মইতো responsibility লৈ কৈ আছো ।নহ'লেতো বিহাৰৰ prohibition case কিয় জিকিলে বিহাৰ চৰকাৰে। হাৰিয়ানাৰ prohibition case কিয় জিকিলে হাৰিয়ানা চৰকাৰে। মদ খোৱাতোটো আমাৰ অধিকাৰ, মই যি ইচ্ছা তাকেই খাব পাৰো। কিন্তু prohibition টো যিহেতু ইয়াত Directive Principle ত আছো আৰু আপোনালোকে ইয়াতো চাব পাৰে Jindar steel-vs- State of Hariyana, Supreme Court 2006 তাতে order আছে যে Article 301, provides freedom, not from all laws that freedom which is restirct into the affect activities এইটো এটা বেলেগ কথা ।আপোনালোকে Article 304 টো যে ৰাজ্যই restricted imposed কৰিব পাৰে এইটো Jindar steel-vs- State of Hariyana কেচত কৈছে যে inter state restriction ও state য়ে দিব পাৰে ।আটাইতকৈ ডাঙৰ কথা আপোনালোকে বুজি ল'ব, এই গৰুবোৰ কিয় restrict কৰিব পাৰো because these are procured from illegal source. ইয়াৰ কোনো মালিক নাই ক'ৰ পৰা কিনি আনিছে। আজি যে আমি বাৰ্মিজ চুপাৰী ধৰিছো সেইটোও ধৰিব নালাগে। অলপ আগতে কৈছো কয়লাৰ চিণ্ডিকেট, আমিতো কয়লাও ধৰিব নালাগে, আমি কিয় ধৰো Whenever it is procured from illegal source, any state can stop it. আমাৰ আইন খন কোৱা হৈছে ফাৰ্মৰ পৰা কিনি আনিলে, মিল্কিং ৰ কাৰণে কিনি আনিলে আমিটো allow কৰিম with the transit pass. সেই কাৰণে Directive Principle, article 48 is a much higher pedestral that any other contitutional rights. এই কথাটো আৰু আমি আলোচনা কৰিম। মইটো ভালেই পাম এনেকুৱা এডুকেটিভ কথা কেতিয়াবা আমাৰ সদনত আলোচনা হয় Who is superior in between directive principle and state fundamental rights. এই বিলাকটো হ'লে আমাৰ হাউচৰ standard elevate হৈ যাব। কিন্তু মই জানো যে হাৰিয়ানা prohibition case, Bihar Prohibition case দুয়োটাতে চুপ্ৰিম ক'ৰ্টে কৈছে যে directive principle of state policy occupies higher field. এইটো আপোনালোকে চাই

ল'ব পৰৱৰ্তী সময়তো বিতৰ্ক কৰিব পাৰিম । আৰু যদি মই মিছা প্ৰমাণিত হওঁ মই ভালেই পাম । এটা কথা আপোনালোকে মনত ৰাখিব এই হাউচত যে আমি আছো entire state ত responsibility হৈছে যে to implement the directive princle. আমাৰ গোটেই, আমি হাউচতে আহো যাতে directive principle of state policies বিলাক আমি ৰূপায়ণ কৰিব পাৰো। আৰু .constituent Assembly ৰ প্ৰতিটো debate চাব, প্ৰতিটো debate ত কৈছে যে ৰাজ্যই Directive principle খিনি implement কৰিব লাগে। মই আহ্বান জনাম অসমৰ যি সকল ব্যক্তিয়ে পৰামৰ্শ দিছে you challange the law. আমিতো ultra virous হ'লেই হ'ব, তাত আমাৰ কি আপত্তি আছে। Tomorrow, Supreme Court decided to strike down our Act, fine তেতিয়া মই অসমৰ মানুহক ক'ম যে, আমি চেষ্টা কৰিছিলো, Supreme Court য়ে দিয়া নাই, fine. সেইটোৰ ভয়তে আমি আইন নকৰিম নেকি ? কোনোবা Judiciary,কোনোবা দুজন Judge য়ে আমাৰ আইন খন strike down কৰিব তাৰ কাৰণে আমি আইন নবনাম, এনেকুৱা কথাটো নহয়। আমি আইন বনাম than, late court do their duty ,আমি আমাৰ কাম কৰিম। গতিকে with lot of sence of conviction আমি এইটো কাম কৰিছো। অৱশেষত মই এটা কথা কৈছো মাননীয় অধ্যক্ষ ডাঙৰীয়া, **'মই দেখা সপোন বিলাক বাস্তৱত ৰূপায়িত কৰিবৰ কাৰণে মই মুখ্যমন্ত্ৰী'**। গতিকে বেয়া পাই লাভ নাই। ৰাতি সপোন দেখিম, ৰাতিপুৱা implement কৰিম আৰু সপোনটো হ'ল **'অসমে আকাশ চুব'** আৰু সেই কাৰণে সপোন বিলাক implement কৰিমেই, এটা এটাকৈ কৰিম আৰু অফিচাৰ সকলৰ ক্ষেত্ৰতো কৈছো যে কোনো অফিচাৰৰ ইয়াত সাহস নাই আমাক শিকাবৰ কাৰণে, আমি শিকাম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মই শ্ৰী দেৱব্ৰত শইকীয়া আৰু সহযোগী সকলক ক'ব বিচাৰো, আপোনালোকে আপোনালোকৰ প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিবনে?

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে select committee ত গ'লহেতেন আৰু বহু খিনি আছে, যদি মন্ত্ৰী মহোদয়ে নিবিচাৰে, তেখেতে প্ৰয়োজন হ'লে ভৱিষ্যতে আনিম বুলি কৈছে, সেয়ে আমি প্ৰত্যাশাৰ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী হাফিজ বচিৰ আহমেদ , আপোনালোকে উঠাই লবনে?

**শ্ৰী হাফিজ বচিৰ আহমেদ (পূৱ বিলাসীপাৰা) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিখিনি স্পষ্টীকৰণ দিলে আৰু further কোনো complecation যদি আহে আইনৰ ক্ষেত্ৰত, সেইটো সংশোধন কৰাৰ আশ্বাস দিছে আমাক, সেইকাৰণে আমি আমাৰ সংশোধনী পস্তাৱটো উঠাই লৈছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। সংশোধনী প্ৰস্তাৱটো উঠাই লোৱা হ'ল। দফা নং ২ বিধেয়কখনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য/সদস্যা দফাটোৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', আৰু যি সকল মাননীয় সদস্য/সদস্যা দফাটোৰ বিপক্ষে আছে তেওঁলোকে কওঁক 'নহয়', মই ভাবো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে', ২নং দফাটো বিধেয়ক খনৰ অংশ হ'ল।

বিধেয়ক খনৰ ৩ নং দফাত মাননীয় সদস্য শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ আৰু শ্ৰী বচিৰ আহমেদ ডাঙৰীয়া তেখেত সকলৰ সহযোগী শ্ৰী অখিল গগৈ, শ্ৰী মনোৰঞ্জন তালুকদাৰ তেখেত সকলৰ নামত সংশোধনী প্ৰস্তাৱ আছে। আপোনালোকে আপোনালোকৰ সংশোধনী প্ৰস্তাৱটো উঠাই লবনে?

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে যিহেতু assurance দিছে যে further amendment হ'ব পাৰে, নিশ্চিত ভাৱে further amendment ৰ better sence যদি সেইটো হয়, মই উঠাই লৈছো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে ইতিমধ্যে assurance দিছে যে পিচত লাগিলে amendment টো আনিব। এইটো আমি ভাল পাইছো। এই ক্ষেত্ৰত আমি উঠাই ল'ম আৰু তাৰ লগে লগে এটা কথা কব বিচাৰিছো যে select committee ত পঠিয়ালে হয়তো আজি এনেকুৱা ন'হল হেতেন। মুখ্য মন্ত্ৰী মহোদয়ে যিহেতু assurance দিছে যে পিচত amendment টো হ'ব। সেই কথাৰ ওপৰত বিশ্বাস কৰি . আমি উঠাই লৈছো।

**মাননীয় অধ্যক্ষ ঃ** Next, শ্ৰী হাফিজ বচিৰ আহমেদ।

**শ্ৰী হাফিজ বচিৰ আহমেদ (পশ্চিম বিলাসীপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উঠাই লৈছো চৰ্ত সাপেক্ষত।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ । শ্ৰী অখিল গগৈ, আপুনি উঠাই লবনে ?

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উঠাই ন'লও। এইটো Note of decent হিচাপে থাকি যাব।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া সংশোধনী কেইটা সদনত দাঙি ধৰিলো। যিটো প্ৰস্তাৱ আহিছিলে,

After proposed sub-clause (ii) (3) of the proposed Bill, a new proviso shall be added as follows:

" Provided cattle transportation may be allowed in for medical & treatment purposes of the cattle from house to Veterinary clinic or Department."

The Sub clause (i) of Clause 3 of the proposed Bill shall be deleted.

The proposed sub clause (3) of Clause 3 (ii) of the proposed Bill shall be deleted.

In proposed sub clause (4) of Clause 3(iii) of the proposed Bill, the words 'to any agency or farm,registered under the Animal Husbandary and Veterinary Department,Asssam' appearing in lines 3,4,5 shall be deleted.

The sub clause (iv) & (v) of Clause 3 of the proposed Bill shall be deleted.

The sub clause (ii) of Clause 3 of the proposed Bill shall be deleted.

The sub clause (ii), (iv) & (v) of Clause 3 of the proposed Bill shall be deleted.

এতিয়া মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ যিখিনি সংশোধনী আছে সেইখিনি মই সদনত উত্থাপন কৰিব বচাৰিছো। যি সকল মাননীয় সদস্য/সদস্যা সংশোধনী কেইটাৰ সপক্ষে আছে, তেখেত সকলে কওঁক 'হয়', আৰু যি সকল মাননীয় সদস্য/সদস্যা  বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়', মই ভাবো 'নহয়ৰ সপক্ষে, 'নহয়ৰ' সপক্ষে,  'নহয়ৰ' সপক্ষে' সংশোধনী প্ৰস্তাৱ কেইটা নাকচ হ'ল। দফা নং ৩ বিধেয়ক খনৰ অংশ হ'ব।  যি সকল মাননীয় সদস্য/সদস্যা দফাটোৰ সপক্ষে আছে, তেখেত সকলে কওঁক 'হয়',আৰু যি সকল মাননীয় সদস্য/সদস্যা দফাটোৰ বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়', মই ভাবো 'হয়ৰ সপক্ষে, 'হয়ৰ' সপক্ষে,  'হয়ৰ' সপক্ষে', ৩ নং দফাটো বিধেয়ক খনৰ অংশ হ'ল।

বিধেয়কখনৰ ৪ নং দফাত মাননীয় সদস্য শ্ৰী অখিল গগৈ, শ্ৰী কমলাক্ষ দে পুৰকায়স্থ,  শ্ৰী হাফিজ বচিৰ আহমেদ আৰু সহযোগী সদস্য ১৪ জনে  ইয়াত সংশোধনী প্ৰস্তাৱ দিছে। আপোনালোকে সংশোধনী প্ৰস্তাৱ কেইটা প্ৰত্যাহাৰ কৰিব নে ?

(সংশোধনী প্ৰস্তাৱ কেইটা উঠাই লয়)

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইখন এখন ঐতিহাসিক সাম্প্ৰদায়িক আইন,মই in principle উঠাই লোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে,  শ্ৰী অখিল গগৈ ডাঙৰীয়াই যি সংশোধনী প্ৰস্তাৱ আনিছিল তাৰ সপক্ষে যি সকল মাননীয় সদস্য/সদস্যা আছে কওঁক 'হয়',আৰু যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়', মই ভাবো 'নহয়ৰ' সপক্ষে 'নহয়ৰ' সপক্ষে,  'নহয'ৰ সপক্ষে' সংশোধনী প্ৰস্তাৱ কেইটা নাকচ হ'ল।

দফা নং ৪বিধেয়ক খনৰ অংশ হ'ব।  যি সকল মাননীয় সদস্য/সদস্যা দফাটোৰ সপক্ষে আছে তেখেতসকলে কওঁক 'হয়',আৰু যি সকল মাননীয় সদস্য/সদস্যা দফাটোৰ বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়', মই ভাবো 'হয'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয'ৰ সপক্ষে ৪ নং দফাটো বিধেয়ক খনৰ অংশ হ'ল।

বিধেয়কখনৰ ৫ নং দফাত মাননীয় সদস্য শ্ৰী হাফিজ বচিৰ আহমেদ আৰু সহযোগী সদস্য ১৪ জনৰ সংশোধনীয় প্ৰস্তাৱ আছিল, আপোনালোকে  ইতিমধ্যে সংশোধনীয় প্ৰস্তাৱটো উঠাই লৈছে।

গতিকে দফা নং ৫ বিধেয়কখনৰ অংশ হব। যি সকল মাননীয় সদস্য/সদস্যা দফাটোৰ সপক্ষে আছে তেখেতসকলে কওঁক 'হয়',আৰু যি সকল মাননীয় সদস্য/সদস্যা দফাটোৰ বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়', মই ভাবো 'হয়'ৰ সপক্ষে, 'হয'ৰ সপক্ষে, 'হয'ৰ সপক্ষে' ৫ নং দফাটো বিধেয়ক খনৰ অংশ হ'ল।

বিধেয়কখনৰ ৬ নং দফাত মাননীয় সদস্য শ্ৰী হাফিজ বচিৰ আহমেদ আৰু সহযোগী সদস্য ১৪ জনৰ সংশোধনী প্ৰস্তাৱ আছিল, আপোনালোকে ইতিমধ্যে এই সংশোধনী প্ৰস্তাৱ উঠাই লৈছে। সেইকাৰণে দফা নং ৬ বিধেয়ক খনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য/সদস্যা দফাটোৰ সপক্ষে আছে তেখেতসকলে কওঁক 'হয়',আৰু যি সকল মাননীয় সদস্য/সদস্যা দফাটোৰ বিপক্ষে

আছে তেখেত সকলে কওঁক 'নহয়', মই ভাবো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে', ৬নং দফাটো বিধেয়ক খনৰ অংশ হ'ল।

বিধেয়কখনৰ ১নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনী প্রস্তাৱ নাই।এতিয়া মই বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনত দাঙি ধৰিলো। প্রশ্নটো হ'ল - বিধেয়কখনৰ ১নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য/সদস্যা দফাটোৰ সপক্ষে আছে তেখেতসকলে কওঁক 'হয়',আৰু যি সকল মাননীয় সদস্য/সদস্যা দফাটোৰ বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়', মই ভাবো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে' বিধেয়কখনৰ ১নং দফা, সংক্ষিপ্ত নাম ,পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মই মাননীয় মুখমন্ত্রী ডাঙৰীয়াক বিধেয়কখন পাৰিত কৰাৰ বাবে প্রস্তাৱ কৰিবলৈ অনুৰোধ জনালো।

**মাননীয় মুখ্যমন্ত্রী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আগতে কৈ যোৱাৰ দৰে যে শ্রী কমলাক্ষ দে পুৰকায়স্থই যিটো সংশোধনী দিছে সেইটো আমি due consideration কৰিম next বিধানসভাত আৰু মাননীয় অধ্যক্ষ মহোদয়, "The Assam Cattle Preservation (Amendment) Bill, 2021 পাৰিত কৰাৰ বাবে মই সদনত প্রস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্রস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্রস্তাৱটো হ'ল, "The Assam Cattle Preservation (Amendment) Bill, 2021 পাৰিত কৰা হওঁক। যি সকল মাননীয় সদস্য/সদস্যা প্রস্তাৱটোৰ সপক্ষে আছে, তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেতসকলে কওঁক, 'ন'হয়, মই ভাবো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে',। প্রস্তাৱটো পাৰিত কৰা হ'ল। বিধেয়কখনো পাৰিত কৰা হ'ল।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আছে "The Assam Police (Amendment) Bill, 2021"

মাননীয় মুখ্যমন্ত্রী মহোদয়ক মই সদনত "The Assam Police (Amendment) Bill, 2021" বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**ড° হিমন্ত বিশ্ব শর্মা (মাননীয় মুখ্যমন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Police (Amendment) Bill, 2021" দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্রস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্রস্তাৱটো সদনত দাঙি ধৰিলো। প্রস্তাৱটো হ'ল -

"The Assam Police (Amendment) Bill, 2021" বিবেচনাৰ বাবে লোৱা হওঁক।
যিসকল মাননীয় সদস্য/ সদস্যা প্রস্তাৱটোৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়',
যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়',
মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে
প্রস্তাৱটো গৃহীত হ'ল।

এতিয়া বিধেয়কখনৰ ২ নং দফাত মাননীয় সদস্য শ্রী অখিল গগৈৰ নামত ২ টা আৰু শ্রী মনোৰঞ্জন তালুকদাৰৰ নামত ২ টা মুঠ চাৰিটা সংশোধনী আছে। এতিয়া তেখেত সকলক তেখেত সকলৰ বক্তব্য দাঙি ধৰিবলৈ অনুৰোধ জনালো আৰু যদি ইয়াৰ বাহিৰেও সংশোধনী আনিছে সেইখিনি ও আপুনি পইণ্ট আউট কৰি দিয়ক।

**শ্রী মনোৰঞ্জন তালুকদাৰ (সৰভোগ) ঃ** "The Assam Police (Amendment) Bill,

2021" ৰ ওপৰত Amendment ৰ কথা কোৱাৰ আগতে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক এটা অনুৰোধ জনাব বিচাৰিছো। আমাৰ বোকাখাতৰপুলিচৰ ৰিৰ্পোটৰ ভিত্তিত প্ৰণৱ দলেৰ নাগৰিকত্ব চেলেঞ্জ হৈছে। প্ৰণৱ গগৈ য়ে পাচপৰ্টৰ কাৰণে এপ্লাই কৰোতে তেওঁৰ নাগৰিকত্বৰ ওপৰত সন্দেহ কৰি তেওঁক পাচপৰ্ট দিয়া নাই। মই চৰকাৰৰ আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো যে যিসকল পুলিচ বিষয়াৰ এনে ধৰণৰ প্ৰতিবেদনৰ ফলত প্ৰণৱ দলেৰ নাগৰিকত্বক সন্দেহযুক্ত কৰা হৈছে, সেই পুলিচ বিষয়া সকলৰ ওপৰত যাতে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰে। আমি ইয়াত বহুতো খিলঞ্জীয়াৰ কথা কৈ বিভিন্ন সময়ত বিতৰ্ক কৰি আহিছো। Police (Amendment) Bill খনৰ ক্ষেত্ৰত এমেণ্ডমেণ্ড অনা হৈছে। তেওঁলোকৰ কৰ্ম কাণ্ডক লৈ ভাল বেয়া বহুত কথাই ক'ব পৰা যায়। ভালখিনিক লৈ আমি গ্লৰিফাই কৰাত আপত্তি নাই। মুখ্যমন্ত্ৰী মহোদয়ে গ্লৰিফাই কৰিছে আমিও গ্লৰিফাই কৰিম। মাননীয় অধ্যক্ষ মহোদয় পূৰ্ব্বতে The function of the commission আছিল - The commission shall enquiry to allegation of serious miss conduct against police personal as detailed bellow either so moto or on a complain received from any of the following আৰু Amendment কৰিবলৈ বিচৰা হৈছে যে- A victim or any person of his behalf the National or State Human Right Commission the Police or any other sources. এই "any other sources" টো উঠাই দিব বিচৰা হৈছে। কিন্তু এই "any other sources" টো উঠাই দিলে স্বাভাৱিকতে miss conduct ৰ ক্ষেত্ৰত যিটো ব্যৱস্থা, সেই গোটেই ব্যৱস্থাটোৱে ক্ষতিগ্ৰস্ত হ'ব। মই "any other sources" এই শব্দটো অ'মিট কৰাৰ বাবে suggest কৰাটো মই বিৰোধিতা কৰিছো। তাতকৈ ডাঙৰ কথাটো হৈছে -D ৰ পৰা G লৈকে, the arrest or a detention without due process of law forcefull deprivation of a person of his rightfull ownership or possession of property, blackmail or extortion, non-registration of first information report এইকেইটা ডিলিট কৰিবলৈ বিচৰা হৈছে। এই কেইটা অ'মিট কৰিলে miss conduct ৰ গোটেই বিষয় টো পুলিচৰ একেবাৰে আপাৰ হেণ্ড পাই যাব আৰু এইকেইটা যদি ডিলিট কৰি দিয়ে তেতিয়াহ'লে আমাৰ চীষ্টেমটোৱে কলাপচ্ হৈ যাব। সেই কাৰণে এই ক্ষেত্ৰত মোৰ তীব্ৰ আপত্তি আছে। কাৰণ পুলিচৰ একচেচ লৈ এতিয়া বহু কথা, বহু ঘটনাই পোহৰলৈ আহিছে। আমি জনসাধাৰণেও পুলিচৰ এই ধৰণৰ ব্যৱস্থাৰ মোকাবিলা কৰিব লগীয়া হৈছে, মুখামুখি হ'ব লগীয়া হৈছে, অত্যাচাৰিত হ'ব লগীয়া হৈছে। বিগত দিনবোৰত আমাৰ ৰাজ্যখনত পুলিচৰ দ্বাৰা বহু encounter হৈছে, ফলত বহু মানুহ মৰিছে। আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে দোষীক মৰাৰ বাবে অৰ্ডাৰ দিছে। গতিকে এইখিনিও যদি উঠাই দিয়া হয়, তেনেহ'লে পুলিচে এনেধৰণৰ অধিকাৰ পাব, যি অধিকাৰৰ ফলত জনসাধাৰণৰ মানৱ অধিকাৰ সাংঘাটিক ভাৱে খৰ্ব হ'ব। সেয়েহে মই এই সংশোধনী উত্থাপন কৰিছো। লগতে মোৰ আৰু এটা সংশোধনী আছে- যেতিয়া চৰকাৰে police commission গঠন কৰিব, সেইটো consultation with the commission ৰ সলনি selected by the commission দি পুলিচে কমিশ্যন গঠন কৰিব লাগে। নহ'লে স্বাভাৱিকতে চৰকাৰৰ পক্ষৰ পৰা হস্তক্ষেপ কৰাত সুযোগ থাকি যায়।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** যিটো judgement ৰ উদ্ধৃতিৰে এই সংশোধনীটো অনা হৈছে,

সেই judgement টো মই পঢ়ি চাইছিলো আৰু মাননীয় সদস্য শ্ৰী ভৰত নৰহ ডাঙৰীয়াই ও পঢ়ি চাইছিল। এই judgement অনুসৰি ভালদৰে কমিশ্যন বনোৱা আৰু পুলিচে কৰা দুস্কাৰ্য্যবোৰৰ ভালদৰে মীমাংসা কৰাৰ বাবে দিছে। এই judgement টো ২২ চেপ্তেম্বৰ, ২০০৬ চনৰ আছিল আৰু ইয়াৰ সংশোধনী এতিয়া ২০২১ চনত অনা হৈছে। ইয়াত পুলিচৰ শক্তি বৃদ্ধি কৰি মানৱ অধিকাৰৰ ক্ষমতা কমাবলৈ কোৱা কতো দেখা নাই। বৰঞ্চ ইয়াৰ বিপৰীত কথা ইয়াত লিখা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, ষ্টাফ চিলেকশ্যনৰ ক্ষেত্ৰত পোনপটীয়াকৈ আমাৰ প্ৰস্তাৱটো হ'ল - I proposed that the words in consultation with in line-3 be deleted and it be replaced by "selected by" to be incorporated before the commission and intransparent process be added after the commission . কিন্তু আমি বাক্যটো এনেধৰণে কৰিব বিচাৰিছো - Sub-section 3 of section 76- The staff of the commission shall be placed by the state Government on deputation basis selected by the commission in a transparent process. মই ভাৱো যে মুখ্যমন্ত্ৰী মহোদয়ে এই কথাটো নিশ্চয় বিবেচনা কৰিব। ষ্টাফক যদি বেলেগৰ পৰা বেলেগে নিৰ্ব্বাচন কৰি দিয়ে তেন্তে গণ্ডগোল আহিব পাৰে। দ্বিতীয়তে, section 78 ত functions of the commission ত কোৱা হৈব্দছ যে- The Commission shall enquiry to allegation of serious mis conduct, আৰু এই serious mis conduct ৰ পৰা চাৰিটা অলপ নাইকিয়া কৰি দিব বিচৰা হৈছে। Serious mis conduct যেনে - Death in police custody, grienous hurt as defined in section 320 of the Indian Panel Court, 1860, molestration, rape এইকেইটা মানি লোৱা হৈছে। কিন্তু তাৰ পিছৰ কেইটা এতিয়া আঁতৰ কৰিব খোজা হৈছে। Arrest or detention without process of Law টো উঠাই দিব বিচৰা হৈছে কিন্তু আমি থকাটো বিচাৰিছো। Forcefull deprivation of person of its rightful ownership or possession of property, blackmail or extoration, Non-registered of FRI serious mis conduct হিচাপে ধৰিব লাগে। বহু ক্ষেত্ৰত দেখা গৈছে যে, পুলিচে FRI কৰিব নিবিচাৰে। বহুত জোৰ দিলেও ৰেজিষ্টাৰ নকৰে। ইয়াক লৈ বহুত কাহিনী ইতিমধ্যে হৈছে। কিন্তু এতিয়া এই mis conduct খিনি উঠাই ল'ব বিচৰা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, মই চৰকাৰক অনুৰোধ জনাব বিচাৰিছো যে এইটো এক অত্যন্ত বেয়া কথা। যি সময়ত গোটেই পৃথিবীত মানৱ অধিকাৰ ৰক্ষা কৰিবৰ কাৰণে নতুন নতুন আইন আহিছে আৰু এই কেইটাৰ যিটো Verdict আছিল সেই Order টোৰ মূল Speed টো সেইটোৱে আছিল। সেই সময়ত এই কথাটো কওঁতে খুব গণ্ডোগ'ল হৈছিল। Serious miss conduct ৰ পিছত আৰু এটা কথা কোৱা হৈছিল miss conduct কৰিলে police ৰ ওপৰত কি এক্সন হ'ব। এতিয়া এই miss conduct শব্দটো উঠাই দিব খোজা নাই। অৰ্থাৎ Serious miss conduct কৰিলে Police ৰ ওপৰত ৩ টা কাম কৰিলে ৩ টা এক্সন হ'ব। সেই কেইটা হ'ল (১) Police Custody ত যদি মানুহ মৰে। (২) বেছিকৈ যদি মাৰ পিত কৰে (৩) Molestation বা Rape কৰে তেতিয়া হ'লে action হ'ব। কিন্তু বাকীবোৰৰ ক্ষেত্ৰত এক্সন নহ'ব। এইটো কৰিব খুজিছিল আগতে। Serious miss conduct ত অন্তত কিছুমান বস্তু সোমাইছিল। এতিয়া সেই miss conduct আঁতৰাই দিব খোজা হৈছে। গতিকে miss conduct টো

উঠাই দিব দিয়ে তেতিয়া হ'লে পুলিচক বেয়া কামবোৰ কৰিবৰ কাৰণে এটা Licence দিয়া হ'ব।

**মাননীয় অধ্যক্ষঃ** বহুতৰে ক'বলগীয়া আছে। আপোনাৰ ৫ মিনিট হৈ গ'ল। ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী ৰকিবুল হুছেইন।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Assam Police (Amendment) Bill, 2021, I beg to move in sub-clause –(A) and (B) and clause (C) one of the proposed Bill, The word omitted appearing in lines 1 and 2 shall be substituted by word. মাননীয় অধ্যক্ষ মহোদয়, মোটা মোটি কথাখিনি একেই। কিন্তু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই Home Minister হিচাবে যিখিনি Statement of object and reason দিছে, তাত লিখিছে The proposed Assam Police (Amendment) Bill, 2021, 6th to amend the relevant section of Assam police Act, 2007. The 2007 the Assanm Police Act, আমি কৰিছিলো। আৰু সেই সময়ত উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ মৰ্মে গোটেই ভাৰতবৰ্ষতে State Level Police Accountability commission এখন কৰিব দিছিল। মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিটো statement of object action, and reason দিছে। তাতে উল্লেখ কৰিছে যে ২০০৬ চনৰ চেপ্তেম্বৰ মাহৰ ২২ তাৰিখে উচ্চতম ন্যায়ালয়ৰ প্ৰকাশ সিং আৰু অন্যান্য সকলৰ এটা judgement ৰ ভিত্তিত যি Police Accountability commission ৰ কথা কৈছিল য'ত অসমৰ Police Act, 2007 আমি কৰিছিলো, তাৰ ভিত্তিত এই Amendment খিনি চালো অধ্যক্ষ মহোদয়, ২০০৬ ত যিখন 7th Amendment ত যিখন আমি আনিছিলো, তাত কিন্তু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিটো উল্লেখ কৰিছে ক'তো এই Serious miss conduct কথাৰ উল্লেখ নাই। এই Accountability commission টো কিয় কৰা হৈছিল ভাৰতবৰ্ষত। এই কাৰণেই কৰা হৈছিল যে ভাৰতবৰ্ষত বিভিন্ন ক্ষেত্ৰত এনেকুৱা এটা পৰিবেশ হৈছিল যে ভাল মানুহবোৰে থানাত যাব পৰা নোৱাৰা অৱস্থা হৈছিল। মাহিলা বোৰেও থানাত গৈ এজাহাৰখন দিব পৰা অৱস্থা নোহোৱা হৈছিল। গোটেই কথা বিলাক উচ্চতম ন্যায়ালয়ে চাৰি জাৰি চায় দেখা পালে যে, Police ক Accontable কৰিবৰ কাৰণে এখন Accountability commission কৰিব লাগে বুলি উচ্চতম ন্যায়ালয়ে ৰায় দিছিল। আমি অসমে দেৰিকৈ কৰিছিলো কাৰণে আমাৰ অসমৰ পুলিচৰ এটা সুনাম আছে, ঐতিহ্য আছে আৰু অসম পুলিচৰ ৯৯.৯৯ শতাংশ সৎ আৰু নিষ্ঠাৱান। ০.১ শতাংশৰ কাৰণে গোটেই বিভাগটো বদনামী হ'ব বুলি ভাবি আমি এইখন Accountability commission কৰোঁতে বহুত দেৰি হৈছিল। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশ মৰ্মে আৰু উচ্চতম ন্যায়ালয়ৰ ৰায়ৰ ভিত্তিত আমি এইখন কৰিবলৈ বাধ্য হৈছিলো। এইখন কৰাৰ কিয় প্ৰয়োজন হৈছিল তেতিয়া আৰু কাৰ দ্বাৰা কৰোৱা হৈছিল। আমাৰ আৰক্ষী বিভাগত বহুত সৎ আৰু অভিজ্ঞ বিষয়া আছে। আমাৰ সমাজ জীৱনত বিভিন্ন ক্ষেত্ৰত অৱিহণা থকা বহু লোক আছে। সেইলোক সকলৰ নিজৰ image আছে। opinion সৃষ্টি কৰিব পৰা লোক আছে আৰু তেনেকুৱা লোক সকলৰ দ্বাৰা এই Act খন commission কৰায়। এই লোক সকলক ৰাজ্য চৰকাৰে নিৰ্বাচন কৰে। যেতিয়া Police ক এখন এজাহাৰ দিব নোৱাৰে আৰু পুলিচক কোনোৱাই কিবা এটা ক'লে গেণ্ডেৰামাৰি উঠে। কোনোবাই কাৰোৱাক detained কৰি ৰাখে। কেতিয়াবা কিছুমান মানুহক জোৰ কৰি অসুবিধা কৰে। ভাল মানুহবোৰ যাব নোৱাৰা এটা পৰিবেশৰ সৃষ্টি কৰে। এইবোৰ অসুবিধাৰ বাবে যদি আমি

যাব নোৱাৰো তেতিয়া সমস্যাবোৰৰ সমাধান নাপায় আৰু ন্যায়ৰ পৰা বঞ্চিত হৈ পৰিম। মই যদি অ'চিৰ তাত যাওঁ যদি SP ৰ তাত যাওঁ, মই ন্যায় নাপাও, তেতিয়া হ'লে ন্যায় ক'ত পাম। সেই SP জনৰ শীৰ্ষ বিষয়া সাধাৰণতে DGP বা retired DGP তেনেকুৱা লোকক দিয়ে। সেই লোকক যেতিয়াই Accountability দিয়ে আৰু এই ধৰণৰ নীতি নিয়ম থাকে, তেতিয়া পুলিচে এটা বাধ্যবাধকতাত আনে। মূল Speed টো এইটোৱে আছিল। সেই কাৰণে এই Accountability commission খন কৰাৰ পিছৰ পৰা এতিয়া সাধাৰণ মানুহে বিশ্বাস কৰে। গোটেই ভাৰতবৰ্ষত পুলিচৰ ব্যৱস্থাটো আগতকৈ বহু ভাল হৈছে সেইটো মই স্বীকাৰ কৰিলো। ইয়াত কোৱা হৈছে যে, আগতে কোন Accountability commission ৰ কোনখিনি দায়িত্বত আছিল যে, কিছুমান Serious base conduct আৰু misconduct. কোন বিলাক misconduct ইয়াত তাৰ definition আছে। এতিয়া যিটো Omit কৰিবলৈ লৈছে সেইটো হ'ল যে Section 78 ৰ যি any other source. আগতে এই victin ৰ In any person of his behalf, the National or the State Human Right Commission that Police and any other source. গতিকে any other source টো যদি আজি Accountability commission বিচাৰে আৰু তাত দিয়ে। তেতিয়া হ'লে সেইটো এতিয়া কাৰ্য্যকাৰী নহ'ব। এতিয়া উচ্চ ন্যায়ালয় আৰু উচ্চতম ন্যায়ালয়তে any other source ৰ এটা কেচ লব পাৰে। any other source হ'ব পাৰে যেনে বিভিন্ন পেপাৰ কাটিং থাকিব পাৰে, টিভিত বিভিন্ন নিউজ ওলাব পাৰে, মানুহে নিজে গৈয়ো তেওঁলোকক ক'ব পাৰে। থাৰ্ড পাৰ্টি যিটো source of information to ইয়াৰ পৰা উঠাই দিব বিচাৰিছে। মূল যিটো Speed, যিটো Accountability, উচ্চতম ন্যায়ালয়ৰ মূল যিটো Speed আছিল সেই Speed টো ইয়াৰ পৰা নাইকিয়া হৈ যাব। এতিয়া Misconduct টো সম্পূৰ্ণ ভাবে উঠাই দিব বিচাৰিছে। Misconduct টো সম্পূৰ্ণ ভাবে উঠাই দি Serious Misconduct টো ৰাখিছে আৰু Serious Misconduct টোৰ কেইবাটাৰো Arrest of detention without the process of Law যিটো আগতে Accountability য়ে চাব পাৰিছিল সেইটো চাব নোৱাৰা হ'ব। Forcefull deportion of a person from his rightful ownership of possession of property. non registration of first information report। Supreme Court ৰ এটা ৰায় আছে যে আজি কালি যদি কোনোবাই ইমান সময়ৰ ভিতৰত যদি কেছটো registration নকৰে, সেই অফিচাৰৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ নতুন ৰায় Supreme Court তে দিছে। গতিকে মই এইটো self contradictory আৰু যিটো মুল spirit, সেই spirit তোত যথেষ্ট ব্যাঘাত হ'ব। আমাৰ গৃহবিভাগৰ দায়িত্ব থকা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই অনুৰোধ কৰিম যে .1 % ৰ কাৰণে গোটেই পুলিছ বিভাগটোক কোনোবাই আঙুলিয়াব, আমাৰ সৎ, নিষ্ঠাৱান, গোটেই অসম ভাৰতবৰ্ষত নাম থকা পুলিছৰ এই কথাটো যাতে নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি এই কেইটা সংশোধন নানি, লাগিলে এখন কমিটি কৰি দিয়ক, এইখিনি অলপ চালি জাৰি চাই ,তেওঁবোধয় ভাল ভাৱতে আহিছে, সেইখিনি যদি আকৌ আহে, আজি যদি নানে, মই ভাৱো এটা ভাল বাৰ্তা যাব, এই কথাখিনি মই উপস্থাপন কৰিলো মাননীয় অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰীআমিনুল ইছলাম (ধিং)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিষয়টোৰ সম্পৰ্কত আটাইকেইটা দলৰে সংশোধনীৰ spirit তো একে। এতিয়া কথাটো হ'ল যিখন সংশোধনী বিল সদনত অনা হৈছে,

সংশোধনী বিলখন যিটো দিছে Police Accountability Commission ৰ তেওঁলোকৰ service ৰ সম্পৰ্কৰ ক্ষেত্ৰত এইটো অনা হৈছে। আমি দেখিটো যে Police Accountability Commission ৰ power কৰ্তন কৰি পুলিচক over ক্ষমতা দিয়াৰ কাৰণে বিলখন অনা হৈছে। ইয়াত দিয়া হৈছে যে serious miscoduct হে Police Accountability Commission য়ে চাব। miscoduct শব্দটো উঠাই দিব বিচৰা হৈছে। যদিহে এজন মানুহক without due process of law, বে-আইনীভাৱে কোনো মানুহক ধৰি আনি আবদ্ধ কৰি ৰাখিব পাৰিব, বে-আইনীভাৱে কোনো মানুহক arrest কৰিব পাৰিব। Police Accountability Commission য়ে আৰক্ষীক জবাৱবিহিন কৰিব নোৱাৰে। তাৰ পিছত কোৱা হৈছে কাৰোবাক যদি নিজৰ সম্পত্তিৰ পৰা শক্তিদায়ক ভাৱে পুলিছে তাৰ পৰা আতঁৰাই দিয়ে আৰু পুলিছে সেই সম্পত্তি দখল কৰে, এইটো Police Accountability Commission জবাৱ দিব নোৱাৰিব। কাৰোবাৰ নিজৰ সম্পত্তিৰ পৰা আতঁৰাই দিলেও এইটো misconduct নহ'ব।

Blackmail কৰাৰ কাহিনী, আজিৰ সদনত মাননীয় মন্ত্ৰী পৰিমল শুক্লবৈদ্য ডাঙৰীয়া উপস্থিত আছে, চাৰি বছৰমান আগতে আমাৰ সমষ্টি ঢোলাত এনেকুৱা হৈছিল, এগৰাকী পুলিচ অফিচাৰ আছিলে, তাত কোনো মানুহে মাছ বিক্ৰী (এক ডেৰ লাখ টকাত) কৰিলেও, তেওঁক ৰাতি গৈ উঠাই আনে। তাৰ পিছত তেওঁক এটা শকত অংক দি যাব লাগে। এজন মানুহে পাচঁ বছৰ কেৰেলাত কাম কৰি তিনিলাখ টকা লৈ তেওঁৰ ঘৰত এটা সৰু ঘৰ বনাব বুলি। কোনোবাই জনাই দিলে তেওঁক, ৰাতিপুৱাই মানুহজনক ধৰি লৈ গ'ল আৰু ৰাতি পুলিছৰ কোৱাত পুলিচৰ কাষ্টদিত থাকোতে মানুহজনৰ মৃত্যু হ'ল। সেই মানুহজনৰ কাৰণে গোটেই ৰাইজে ৰাজপথ অৱৰোধ কৰিলে, পিছদিনা সেই পথ অৱৰোধ কৰা এজনক গুলিয়াই হত্যা কৰিলে। তাত মই, মাননীয় মন্ত্ৰী পৰিমল শুক্লবৈদ্য ডাঙৰীয়া আৰু প্ৰাক্তন মন্ত্ৰী ৰিহণ দৈমাৰী তেখেতসকলেও গৈছিল, পিছদিনা আমি একেলগে গৈ পাইছিলো। আৰক্ষী বিষয়াজনক গ্ৰেপ্তাৰ কৰা হৈছিল। সেই ধৰণৰ blackmail কৰি কিছু আৰক্ষী বিষয়াই লুণ্ঠন কৰি আছে। Police Accountability Commission তে তেওঁক জবাব দিহি কৰিব নোৱাৰে। গতিকে এইটো politically misuse হ'ব। মাননীয় অধ্যক্ষ মহোদয়, এই সংশোধনী বিলখন যদি পাছ হয়, বাক স্বাধীনতা খৰ্ব হ'ব আৰু এইটোক ৰাজনৈতিক উদ্দেশ্যত ব্যৱহাৰ কৰা হব। কোনোবাই যদি চৰকাৰৰ বিৰুদ্ধে কথা কয় লগে লগে unlawful arrest কৰিব পাৰিব। order এটা গলে হ'ল, blackmail কৰিব পাৰিব। সম্পত্তিৰ পৰা বঞ্চিত কৰিব পাৰিব। Police Accountability Commission তে হাতে দিব নোৱাৰে, because this will not be regarded as serious miscoduct। গতিকে অসম খন আৰক্ষী ৰাজ্য হোৱাতো আমি নিবিচাৰো। মাননীয় অধ্যক্ষ মহোদয়, আমি বিচাৰো ইয়াত গণতন্ত্ৰ সুৰক্ষিত থাকিব লাগিব। এনেকুৱা বহুতো কাহিনী আছে যে Police Accountability Commission ৰ ক্ষমতা থকাৰ পিছতো আৰক্ষী নিয়ন্ত্ৰণ কৰিব পৰা নাই। বহুতে তাৰ পিছতো blackmail কৰে, Human Rights Violate কৰে আৰু তাৰ পিছত যদি আমি আৰক্ষীক এনেকৈ serious misconduct নহয় বুলি কওঁ যিকোনো মানুহক unlawfully arrest কৰাৰ ক্ষমতা দিওঁ, এনেকৈ blackmail কৰাৰ ক্ষমতা দিওঁ, তেওঁলোকে Police Accountability Commission ক জবাৱদিহি নহয়, এই অসম, অসম হৈ নাথাকে। গোটেই অসমত মানুহবিলাকে আৰক্ষীৰ ভয়ত আতংকিত হৈ থাকিব লাগিব। গণতন্ত্ৰৰ হত্যা হব, ৰাজনৈতিক misuse হব, গতিকে এই সদনত যিখন বিল আনিছে, তাত আমাৰ সংশোধনী মানি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অসমত

গণতন্ত্ৰক সুস্থ কৰাৰ কাৰণে যাতে সুবিধা দিয়ে তাৰ অনুৰোধ জনাইছোঁ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া বিৰোধী দলপতি, শ্ৰী দেৱব্ৰত শইকীয়া।

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যি পুলিছ ব্যৱস্থা সেইটো বৃত্ৰিছৰ পৰা আমি উত্তৰাধিকাৰী সুত্ৰে পাইছোঁ। সেই গতিকে যথেষ্টখিনি সামন্ত যোগীয় ব্যৱস্থা আছিল। তথাপিও, ৭১ চনৰ পৰা ৮১ চনলৈকে National Police Commission য়ে ৮ টা report দিছিল। সেইখিনি সময়ত কিছু সংশোধন হ'ল। তাৰ পৰবৰ্তী সময়ত আমাৰ বিভিন্ন Review Committee আৰু Supreme Court ৰ ruling ৰ ভিত্তিত আৰু কিছু হ'ল। তাৰ পিছত দুটা মান Supreme Court ৰ কেছওঁ আহিলে, যাৰ ruling আহিলে। উদাহৰণস্বৰূপে PUCL vs. Union of India, 1997 বা তাৰ পৰবৰ্তী সময়ত Article 21 ৰ definition লৈ যিটো Right to Life and Property লৈ Jonaki vs Union ৰ কেছ হ'ল, শেহতীয়াকৈ আমাৰ অসমৰ প্ৰাক্তন ডি জি পি প্ৰকাশ সিং ডাঙৰীয়াই যিটো কেছ দিছিলে, আজি সেই কথাটো Statement of objects and reasons ত বিশেষ ভাৱে আমাৰ গৃহমন্ত্ৰী মহোদয়ে উল্লেখ কৰিছে। এই ক্ষেত্ৰত আমি যেতিয়া আইন কৰো, ৰাইজৰ সুবিধাৰ কাৰণে আৰু সুবিধা আৰু অসুবিধাখিনি জানিবলৈ হলে দুটা থাকে future perspective বা ভৱিষ্যৎত কি হ'ব সেইখিনি Artificial Intelligence বা planning ৰ যোগেদি কৰা হয়। আৰু কিন্তু কিছুমান কাম আমি কৰিব লাগে পূৰ্বৰ অভিজ্ঞতা পৰা। এই দুয়োখিনিয়ে আমি সামঞ্জস্য ৰাখি কৰিব লাগে। এতিয়া মই এই ক্ষেত্ৰত যিকেইটা provision আমাৰ পৰা সংশোধনী দিয়া হৈছে, এইখিনি আগৰ Act থকাৰ নিচিনাকৈ বাহাল কৰাৰ উপৰিও যিহেতু Supreme Court ৰ মুল এটা অন্যতম আছিল Non partisan state security commission for state যিটো হ'ব লাগে, ডি জি পি জনক নিৰ্বাচন কৰিবলৈ য'ত কেইজনমান non political মানুহ থাকিব, Leader of the Opposition থাকিব, সেইটো ইয়াত সংশোধনী আনিবলৈ অনুৰোধ জনাইছোঁ।

দ্বিতীয়তে, মাননীয় অধ্যক্ষ মহোদয়, ইয়াত যিটো কোৱা হ'ল যে any other source। any other source ৰ ক্ষেত্ৰত গুৱাহাটী হাইকোৰ্টত বৰ্তমানে এটা কেছ চলি আছে, মাটি বাৰী suo moto লৈছিলে। land grabbing কেছ, যিটো ২০১৮-১৯ চন, আৰু ৰ নৱেম্বৰ তাৰিখেও ইয়াত দিয়া হৈছে। চৰকাৰৰ ফালৰ পৰা স্বীকাৰ কৰা হৈছিলে যে বহু চৰকাৰী মাটি জবৰদস্তি occupy কৰিছে আৰু সেই কেছটো উল্লেখ হৈছে বাতৰি কাকতত The Sentinal, প্ৰকাশ হৈছে যে আমাৰ কামৰূপ মেট্ৰ'ত বোধকৰো ৮ শ land grabbing কেছ আহিছিল। আমাৰ অসমত Land Grabbing Act আছিলে ২০১০ চনত, যাৰ অনুসৰি Special Tribunal যাব লাগে। কিন্তু প্ৰভাৱশালী ব্যক্তি আৰু পুলিছৰ বাবে আধা কেছ থানাতে settle হৈছে, যাৰ ফলত বহুতো দুখীয়া মানুহে ন্যায় পোৱা নাই বুলি এই কেছটো আহিছে। গতিকে মাননীয় অধ্যক্ষ মহোদয়, এই কথাটোও অতি গুৰুত্বপূৰ্ণ। ঠিক তেনেকৈ arrest or detention with the due process of law, যিটো আমাৰ National Human Rights Commission ও অসমলৈ আহিছিল ২০১৮ চনত। তেওঁলোকে detention camp বিলাকত গৈছিল, তেওঁলোকৰ report ত সেই কথাটোও উল্লেখ আছে। ঠিক তেনেকৈ বহু ক্ষেত্ৰত যেতিয়া মহিলা পুলিছ নোযোৱাকৈ মহিলা সকলক গ্ৰেপ্তাৰ কৰিবলৈ যায়, সেই ক্ষেত্ৰত আমাৰ গুৱাহাটী হাই কোৰ্টত হৈছে বন্দী প্ৰত্যক্ষীকৰণ বাবে হৈছে যিহেতু without information বা arrest or detention without pro-

cess of law, সেই গতিকে এই কথাবিলাক আমাৰ পূৰ্বৰ অভিজ্ঞতা।

ঠিক তেনেকৈ Non-registration of FIR Report বা এই গোটেইবিলাক আজি যদি আমি চাওঁ তেতিয়া হলে আমি দেখা পাম যে ইয়াত আমাৰ বহুত যিহেতু Article ২২ বা ২১ এই বিলাকৰ Violation ৰ কথাও আছে, আৰু ঠিক তেনেকৈ chapter-5 আছিল section 41of CrPC code of Criminal Procedure ত যে কিয় interpretation দিব লাগে, কিয় ব্যাখ্যা কৰিব লাগে ? কিয় ধৰা হৈছে, এই গোটেইখিনি খুব বিতংকৈ আছে। মই ইমানখিনি সময় নলওঁ, আৰু তেনেকৈ অসমৰ খুব শেহতীয়াকৈ আমি সকলোৰে ডিমাণ্ড কৰিব বিচাৰিছিলো, বিধান সভাত মই এটা প্ৰস্তাবো আনিছিলো Arm Forces Special power Act যিখন পূৰ্বৰ চৰকাৰে কৈছিল যে ইয়াত কিছু সংশোধনী লাগে যাতে এইখন সহজ কৰিব পৰা যায়। ইতিমধ্যে নাগালেণ্ডৰ চৰকাৰে তাত চৰকাৰী প্ৰস্তাৱ লৈছিল, ইয়াক আঁতৰাই দিবলৈ। সেই ক্ষেত্ৰতো বহুখিনি কথা থাকে, যিখিনি পুলিচৰ যে power ইমান বেছি দিয়া হৈছে, সেইখিনি কমাব লাগে বুলি প্ৰাক্তন গৃহ মন্ত্ৰী পি. চিদাম্বৰম ডাঙৰীয়াই বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত প্ৰস্তাৱ দাখিল কৰিছে। সেই গতিকে এই গোটেইখিনি চাই মহোদয়, মই ভাবো যে এই provision খিনি বাহাল ৰখাৰ বাবে ব্যৱস্থা কৰিব লাগে। সেই কাৰণে আমি amendment আনিছো। শেহতীয়াকৈ আমাৰ অসমৰ Central Information Comimissioner য়েও পুলিচক direction দিছে, কিমান মাটি-বাৰীৰ কেচ আছে, সেইখিনি জনাব লাগে। যিহেতু জনোৱা হোৱা নাই। সেই কাৰণে গোটেইখিনি চাই পুলিচৰ যিটো কয় জনহিতাৰ্থে, জনসেৱাৰ্থে। সেইটো প্ৰকৃত পক্ষে হয়, আৰু তেখেত সকলক এনেকুৱা ধৰণৰ বৃটিছৰ নিচিনা Rule of Law ৰ বাহিৰৰ power যিখিনি দিয়াৰ কথা, সেইখিনি শেহতীয়াকৈ খালী কিছু দিন পূৰ্বে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী কল্যাণ সিং ডাঙৰীয়াই কৈছিল মোক ধামাকা লাগে, আপোনালোকে action ল'ব লাগিব। মই আপোনালোকৰ পাছত আছো। তেনেকৈ অসমৰ মুখ্য মন্ত্ৰী ডাঙৰীয়াইয়ো কিছু দিন আগত ঠিক তেনেকুৱা এটা কথা কৈছিল যে এটা pattern হ'ব লাগে, এনেকুৱাধৰণৰ কথা বিলাকে Extra Judicial কিছুমান ক্ষমতাৰ কথা কয়। সেইখিনি আমি বিৰোধীতা কৰিব লাগিব। আমি সংসদীয় ব্যৱস্থাত আইনমতে চলিব লাগিব। Rule of Law হ'ব লাগিব। গতিকে যিখিনি আইনৰ বিৰুদ্ধে আছে সেইখিনি পুনৰ বিবেচনা কৰি প্ৰস্তাৱখিনি প্ৰত্যাহাৰ কৰিবলৈ আমি amendment আনিছো। আশা কৰিছো চৰকাৰে গ্ৰহণ কৰিব।

**মাননীয় অধ্যক্ষ** ঃ- ধন্যবাদ, আমাৰ ২ বজাত Lunch Break আছিল। আমি এইটো extend কৰি দিছো। Continue কৰিম।

**শ্ৰী শ্বেৰমান আলি আহমেদ (বাঘবৰ)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মই এই সংশোধননীৰ ওপৰতে ক'ব খুজিছো। এই চৰকাৰৰ কৃপাত মই ২ মাহ ৫ দিন জেলত থাকিলো। মোৰ প্ৰত্যক্ষ অভিজ্ঞতা এটা ক'ব খুজিছো। তাত এই যে encounter, encounter, এনেকুৱা কেইবাজনো কাৰাবাসিক মই লগ পাইছিলো। তাৰে এজন, মই নাম নকওঁ, এতিয়া, তেওঁ ইতিমধ্যে police Accountability Commission ত complain দিছে, এনেকুৱা বহুকেইজনৰ ভাষ্য মই শুনিলো। মোৰ সৌভাগ্য হৈছিল জেলত থাকোতে। তেওঁ পুলিচৰ গাড়ীৰ পৰা নামি পুলিচে কৈছে, তই দৌৰ। তেওঁ দৌৰা নাই, পুলিচৰ ভৰিত পৰিছে। তাৰ পাছত তেওঁক গতা মাৰি খেদিব খুজিছে। তথাপিও যোৱা নাই। তেতিয়া একদম ওচৰৰ পৰা গুলিয়াইছে, এটা ভৰিত লাগিছে। This is the condition মই এয়ে এটা উদাহৰণ দিলো। encounter ৰ নামত এনেকুৱা আৰক্ষীৰ

আতিশয্য চলি আছে। গতিকে চাৰ, এই সংশোধনীখিনি আনিলে, পুলিচে আৰু কিমান বৰ্বৰভাৱে এই কামবোৰ চলাব। আমি এখন মঙ্গলকামী ৰাষ্ট্ৰৰ নাগৰিক। গতিকে মই as a whole ক'ব খুজিছো এই সংশোধনীখিনি যাতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে গ্ৰহণ কৰি লয়, তেখেতক ইতিহাসে মনত ৰাখিব otherwise এই আতিশয্য পোৱা মানুহৰ অভিশাপ আমাৰ সকলোৰে ওপৰত পৰিব।

**মাননীয় অধ্যক্ষ** ঃ- ঠিক আছে, মুখ্যমন্ত্ৰী ডাঙৰীয়া।

**ড° হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মই সদনৰ সকলোৰে বক্তব্য শুনিছো, আৰু কিবা কাৰণত আমি যিটো intention লৈ এই বিলখন আনিছো আৰু সন্মানীয় সদস্য সকলে যিখিনি কথা কৈছে, মই বহুত বেছি পাৰ্থক্য দেখা নাই। সমস্যাটো হ'ল যে আমি যদি Supreme Court ৰ যিটো প্ৰকাশ সিং কেচ আছিল, এইটো হ'ল আমাৰ Supreme Court Cases 206 8 SEC Justic Y.K. Sabharwal Chief Justice C.K. Thakkar and P.K. Balasubramaniam, এই ৩ জনীয়া বেঞ্চৰ নিৰ্দেশ মতে , Police Accountability Commission এটা গঠন কৰা হৈছে। ইয়াত পুলিচৰ যিটো Complaint Authority, ইয়াত ২ টা layer কৰা হৈছিল। এটা State Commission আৰু এটা District Commission আৰু যেতিয়া আমি কেচখিনি ইয়াত কোনোবাই কৈছে যে আমি judgement টো পঢ়িছিলো, এই judgement টোত যদি চাওঁ, তাত clearly লিখা আছে। There shall be a police complaint & Authority at the district level to look in to the complains against the police office and up to the rank of Deputy Superintendent of police. Similarly, there should be a another police complaint Authority in the State level to look into the complains against the officer to the rank of SP and above. তাৰ মানে Supreme Court য়ে clear কৰি দিছিল যে Police Accountability Commission ৰ State Commission ৰ role হ'ব SP and above আৰু district ৰ কাম হ'ব upto the DSP level. আমাৰ Act খন আমি amendment এনেকে কৰিলো যে OC কো State Commission য়ে যাতে কিন্তু Division of power টো একেবাৰে define কৰি দিছিল যাতে expeditiously কেচবোৰ হিয়াৰিং হ'ব পাৰে। District য়ে কি কৰিব ? State য়ে কি কৰিব ? অসমত for some historical reason আমি District Accountability Commission খন activate নকৰি গোটেইখিনি power,State Commission টোক দি দিলো। তাৰ পাছত Supreme Court য়ে clear য়ে কৈছে কি, The District level Authority may be headed by a retired District Judge while the State level Authority may be headed by retired Judge of a High Court, Supreme court. The head of the State level component Authority shall be chosen by the State Government out of a panel of names proposed by Chief Justice. The head of the District complaint & Authority may also be chosen out of the panel names proposed by the Chief Justice or a Judge of a High Court nominated by him.

These volume of complaint in different State, District and there shall be selected by the State Government from a panel prepared from the State Human Right Commission, Lok Ayukta, State Public Service Commission. The panel may include members amongst the retired Civil Servant, Police Officer and Officer from any other Department and from the civil society. They would work whole time for the Authority and would have to suitably remunerate for the service rendered by them. The Authority may also need the service of regular staff to conduct the field enquiry.So, Supreme Court এ কৈছিল যে regular staff যাবই লাগিব, not by contractual . আমাৰ ইয়াতে Act ত লিখি থ'লে যে, They can appoint people of contract basis. এইটোত কোনোবাই directly ক'ব, সেয়ে তাত directly কৈ দিছে, যে "For the purpose, the Authority may also need the service of regular staff to conduct field enquiries . For this purpose they may utilize service of the retired investigator from CID, Intelligent Vigilance or any other organization the State level Complaint & Authority would take organization."

Next page ত মই আহিম। এতিয়া আমি ইয়াত কি কৰিছো যে Staff টো select কৰিব, Commission য়ে In consultation আমি panel দিওঁ। সেই panel ৰ পৰা তেওঁলোকে select কৰিব। সেই কাৰণে ইয়াত সংশোধনীটো কৰা হৈছে যে ভাল অফিচাৰ সকলৰ আমি panel দি দিম। তেওঁলোকে যাকে chose কৰে। তাৰ কাৰণে এই সংশোধনীটো ত কৰিবলগীয়া বিশেষ একো নাই. ইয়াৰ পিছত যদি আপোনালোকে চাই, any other source প্ৰথম পইন্টটোৱে যদি আপোনালোকে চাই, তাত লিখা আছে, A victim or any person on his behalf. অৰ্থাৎ এইটোত আছেই যে ইয়াত any other source বুলি কোৱাৰ লগে লগে কিছুমান মানুহে নাম নোহোৱা complain দিয়ে। ইয়াত আমি কৈছো, ১ নং টো আমি ছোৱা নাই। তাত কৈছে যে victim or any other person on his behalf. তাৰ মানে আমি যদি তেজপুৰত কোনোবা এজন মানুহক পুলিছে harass কৰিছে on his behalf. আমি ইয়াৰ মানুহ এজনেও দিব পাৰিম। তাৰমানে আজি যদি তেজপুৰত কোনোবা এজন মানুহক পুলিচে harass কৰিছে on his behalf. আমি ইয়াৰ মানুহ এজনো দিব পাৰিম। কিন্তু any other source বুলি কোৱাৰ লগে লগে unname চিঠিবিলাক গৈ থাকে আৰু CVC য়েও আমাক কৈ ছে যে unname, unaddress থকা মানুহৰ চিঠি পত্ৰ complain cognizance তল'ব নালাগে। গতিকে প্ৰথমটো amend কৰা নাই as it is আমি থৈ দিছো যে a victim or any person on his behalf. কেতিয়াবা victim বিলাক অশিক্ষিত হ'ব পাৰে, কথা ক'ব নোৱাৰে। So, we have not disturb we only deleted any other source কাৰণ এইটো হ'ল specific complain. থানাত মাৰিছে, থানাত molestage কৰিছে থানাত rape কৰিছে, ইয়াতে any other source ৰপৰা চিঠি আহিব নালাগে। Either victim or any মানৱ অধিকাৰ সংগঠন on his behalf or any body on his behalf আমি এইটো লিখা নাই যে relative হ'ব লাগিব। কেতিয়াবা relative য়ে ভয়ত নকৰিব পাৰে। Clause

8 আছেই যে any person on his behalf সেই কাৰণে মই ভাৱো যে ইয়াত আপত্তি কৰিব লগা একো নাই। এতিয়া আহক, Supreme Court ৰ অৰ্ডাৰ এইটো মই যিটো police complain and authority বুলি যিটো Supreme Court কৈছে তাত লিখিছে The State Level complain and authority would take cognizance of only, word is of only, of only alligation of serious misconduct by the police personal which should include incident involving death griveous heart and rape in the police cudstody. ইয়াত কিন্তু molestation নাই, Attempt to rape নাই। আমি কিন্তু ইয়াত expand কৰি ৰাখিছো যে যদিও Supreme Court only rape কৈছে, State Level Commission ক আমি power দিব গৈ আছো যে death grevious heart, rape. লগত আমি দুটা add কৰি দিলো যে molestation and attempt to rape. Against women any crime আমি include কৰিলো। Next Supreme Court ক'লে যে The District Lelvel complain an authority would apart from the above cases may also inquire allegation of extortion land, house graving or any incident involving serious abuse of authority. The recommendation of the complain authority both the District State Level for any action Departmental or Criminal action against the Delinquent Officer shall be binding on the authority concern. District Level ত আমি উঠোৱা নাই। এতিয়া আমি কৰিছো যে State Level Committee খনক serious misconduct আৰু misconduct দুয়োটা দি থোৱা আছে। এতিয়া আমি Supreme Court ৰ অৰ্ডাৰ মতে District Committee খনক দিলো আমি misconduct. যিটো ইতিমধ্যে আছে আমি সেই section টো amend কৰা নাই। Police Act ত আছে। That is already there. আপোনালোকে Main Penal Act চাওঁক। Section টো তাত as it is আছে। We have not touch. Section 85 ত District Level Commission খনত যিখিনি Supreme Court য়ে power দিব কৈছিল সেইখন আছেই, and we have not touch. Section 85 ত আপোনালোকে পঢ়িব In Sub Section 1 in Clause B after provide the following explanation shall be added আমি amendment যিটো আনিছো। Misconduct in this context shall be mean by any willful bridge and negligence by a police officer of any law, rule regulation applicable to any police which adversly affect the rights of any member of public এই গোটেইখিনি ইয়াত আছে আৰু Original Act খন আমি touch য়ে কৰা নাই। কেৱল প্ৰথম Act খন কৰোতে আমি ভুল কৰিছিলো। District Level ৰ গোটেই power খিনি State Level ত দি ৰাখিছিলো। তাৰ ফলত অসমত District Level Commission বিলাক Activate হোৱা নাই। তেওঁলোকে কয়, District ৰ OC ৰ power ও State ত আছে। District Level Commission ৰ power খিনিও State ত আছে আৰু একেখিনি power আকৌ District Level ত দি থৈ দিছে। গতিকে we are acting as per order of the supreme court আপোনালোকে যদি এই 85 পঢ়ে, Function of the

District Accountibility Authority, The District Accountibilty Authority may perform the following function forward the complain of serious misconduct receive directly by it to the commission তাৰমানে serious misconduct পালে State ত পঠাই দিব। Forward the further action of the complain of misconduct receive directly to the district provided এই গোটেইখিনি misconduct খিনি গোটেই ইয়াতসোমাই আছে আৰু serious misconduct খিনি গুচি গ'ল State ত আৰু এই division of powers টো as per the focusing case in the supreme court. ইয়াত তিনিটা দিছিল, আমি বঢ়াইহে দিলো। Supreme court য়ে state ক দিছিল কেৱল State Level Commission ক দিছিল death grevious heart and rape in police custody তাকো police custody ত হ'লেহে। আমিতো ইয়াত বঢ়াই দিলো। যদি কোনো পুলিছে কাৰোবাৰ ঘৰত গৈয়ো মাৰি থৈ আহে, কাৰোবাক rape য়ো কৰে, Supreme Court has very limited power দিছিল। আগৰ Act ত দিছিল আৰু আগৰ Act ত State Level Commission ক গোটেইখিনি জাপি দিছিল making District Level Commission in active. সেই কাৰণে District Level Commission ত থাকি গ'ল। District Level ত থাকি যাব। District Level ত বস্তুখিনি থাকি গ'ল। District Level ত আমি touch কৰা নাই। District Level ত আগতে আছিল যে non registered of FIR লৈকে মই আহিম পিছত। আগতে আছিলে যে District ত power দি ৰাখিছিল State তো power দি ৰাখিছিল।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** এটা বস্তু কৰিলে ভাল আছিল। Within 30 days বা 15 days District Level Committee য়ে যদি action নলয়, তেন্তে State Level Committee কৰা ভাল।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** সেইটো that can be considerd.

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলপতি) ঃ** ইয়াত আৰু এটা কথা Section 506 আছিল যিটো criminal intimidation সেইটো serious crime. এতিয়া blackmail বা extortion ৰ কথাটো তেনেকুৰাই।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** We are acting as per the Supreme Court. Supreme Court য়ে কৈছে, The District Level Complain and authority would apart from the above cases may also inquire. District Level য়ে কিন্তু State ৰ খিনি inquire কৰিব পাৰে। ইয়াত District ৰ power টো বেছি। Extortation, land, house graving or any incident involving serious abuse of authority. It is a very wide power. Anything serious abuse of authority. অহা বিধান সভাত আমি District Level Commission activate কৰাৰ কাৰণে আহিম। কাৰণ আমাৰ এতিয়ালৈকে সমস্যা হৈ আছিল যে আমাৰ এতিয়ালৈকে District Level নাই। গুজৰাটত আকৌ District Level Commission Hon'ble MLA সকলো Member. দুজনকৈ MLA District ৰ Police ৰ ওপৰত Member, যাতে পুলিচৰ ওপৰত Legislative Control টো থাকিব পাৰে। আমাৰ এই Act বনাওতে সেই পাৰ্ট বিলাক চোৱা নাছিলো। সেইকাৰণে এইবাৰ আমি কৰিলো যে State ক Supreme Court য়ে powe দিছে,

Supreme Court য়ে কৈছে যে DSP ৰ লৈকে District ত চাব। আমি কিন্তু still যদি grevious heart হয় rape হয়, molestration হয় police station ত হ'লেও OC হলেওঁ আমি State ত ৰাখিছো। কিন্তু Supreme Court য়ে কৈছিল যে SP ৰ ওপৰত হে State ত ৰাখিবা। SP ৰ তলৰ খিনি District ত দিবা। গতিকে আজি আমি কৰিছো যে State Level টো define কৰি লৈছো। যাতে অসমত আমি District Level Commission বিলাক activate কৰিব পাৰো, ন'হলে কেতিয়াবা আমি contempt of court ত পৰিম। সেইকাৰণে আজি this is a first step যে We are making State Level Commission completely harmonious to the focusing case may be দুটা লাইন বেছি দিলো। এটা হ'ল molestration and attempt to rape আৰু focusing case তকৈছে SP and above আমি all kind of police in case of rape grevious heart death আমি দিলো। State য়ে কোৰাত কৈ, Supreme Court য়ে কোৰাতকৈ State ক আমি বেছি দিলো। এতিয়া next stage ত আমি amendment আনিম মই already committee বনাই দিছো। How to activate the District Level Commission. কাৰণ District Level Commission কেইখনৰ কাৰণে মই India ৰ গোটেই কেইখন State আইনখিনি চাব দিছো। আমাৰো আছে formate ত District Level Commission already আছে। কিন্তু আৰু এবাৰ relook কৰি District Level Commission খিনিৰ ওপৰতো আমি amendment আনিম। খালী মই honestly ক'ব খুজিছো, এটা power আমি দুয়োটা জাগাত দিয়া নাই। Non-registration of FIR. Non-registration of FIR. টো আমি কিয় দিয়া নাই CRPC ত তাৰ power already দিয়া আছে। যে Non-registration of FIR হ'লে আমি ক'ত যাব লাগে। যাতে CRPC আৰু আমাৰ Act খন conflict নহয় সেইকাৰণে Non-registration of power টো আমি কাটি দিছো। I may be honest to the House. Supreme Court ৰ দুয়োটা অৰ্ডাৰতে Non-registration of FIR নাই। এই Act খন draft কৰোতে মই গম পাইছিলো। সেইটো সময়ত পৰিৱেশটো এনেকুৱা আছিল তেওঁলোকে অলপ হাভি হৈ গ'ল আৰু হৈ Non Registration of FIR দি দিলে। এতিয়া কাৰ্য্যক্ষেত্ৰত এনেকুৱা হৈছে যে যিকোনো ঠাইৰ পৰা মানুহে পুলিচ Police Accountability Commission ক Complain দিয়ে। কিছুমান উকীলে, আইনৰ জ্ঞান থকা মানুহ কিছুমানে থানাৰ বহিৰত কাম কৰে। তেওঁলোকে কোৰ্টত কাম নকৰে। পুলিচ থানাৰ বাহিৰত এজাহাৰ কাৰীৰ অভিযোগ লিখাৰ কাম কৰে। যিকোনো চেক্শ্যন ধৰি দিয়ে। থানাই নধৰিলেও State Level Police Accountability Commission (SPAC) ত আহি যায়। তাৰ ফলত অসমত আপোনলোকে এচ ডি জিৰ ৰিপোৰ্টত দেখিছে rape case, murder case এটাও নাই। কেৱল attempt to rape বা attempt to murder case আছে। তাৰ ফলত আমাৰ যি এচ ডি জি ৰিপোৰ্ট আছে, তাত আমি defame হৈ আছে। মই এইবাৰ যোৰহাট জিলাত সুধিছিলো যে কেৱল attempt to rape কেচ বহুত আছে। কিন্তু এটাও rape কেচ নাই। যদিও আমি নিবিচাৰো তথাপিও যদি ইমানবোৰ attempt to rape হৈছে, তেনেহ'লে এটা হ'লেও rape হ'লহেঁতেন। পিছত গম পালো যে থানাৰ বহিৰৰ এজাহাৰ লিখা লোকবোৰে এই চেকশ্যনবোৰ ধৰি দিয়ে। ইয়াৰ ফলত বহু লোকৰ সংসাৰ ভাঙিছে। গিৰীয়েক-ঘৈণীয়েকৰ কাজিয়া লাগিছে। তেওঁলোকে থানালৈ গৈছে এই এজাহাৰ লিখা

লোকসকলে ঘৈণীয়েকৰ ওপৰতে গিৰীয়েকে rape কৰা বা তেনেধৰণৰ যি তি চেক্শ্যন লিখি দিয়ে। SPAC ৰ ভয়ত অ' চি এ কেচটো ৰেজিষ্টাৰ কাৰি লয়। পিছত কোৰ্টৰ পৰা কাগজ অহা আৰম্ভ হয়। যিখন সংসাৰ যোৰা লগাৰ সম্ভৱনা আছিল, সেই সংসাৰখনো ভাঙি যায়। সেইকাৰণে আমি এইটো কৰিছো যে Non Registration of FIR local Court has jurisdiction যে যদি FIR পুলিচে কৰা নাই, সেই কথা কোৰ্টত জনাই দিলে তেতিয়া কোৰ্টে লগে লগে সেই FIR টো rgister কৰিবলৈ কোৰ্টে আদেশ দিব। That power is already in CRPC. So basically through this ammendment today we have harmonious the things. যিটো 2008 চনত আমি কৰিব পৰা নাছিলো যে State Level Commission বা District Level Commission. এ এইখন চাব। But let may be honest to all of you that FIR power, Non Registration of FIR হ'লে যিহেতু CRPC ত পাৰাৰ লিখা আছে, সেই SPAC ৰ আওঁতাৰ পৰা সেই পাৰাৰটো বাহিৰ কৰিছো। বাকী ক্ষেত্ৰত regular staff দিয়া any other source ৰ ঠাইত any other person হৈ আছে, এইবোৰ কৰাত কোনো অসুবিধা নাই। বাকীখিনি cosmetic changes কৰিবলগীয়া আছে। বাকীখিনিৰ ক্ষেত্ৰত We are following both letter and spirit of the Prakash Singh Judgement. ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়া আৰু মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াৰ যি সংশোধনী আছিল, সেইটো প্ৰত্যাহাৰ কৰিব নে?

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে জনালে যে যিহেতু District Level Commission হ'ব, আৰু District Level ত যদি ৭৮ যি কেইটা বাদ দিব বিচাৰিছে, সেইকেইটা যদি তাত অন্তৰ্ভুক্ত হৈ যায়, accept Non Registration of FIR এইটো কোৰ্টলৈ যাবলগীয়া বিষয় আৰু কোৰ্টলৈ গৈ ও আছে সেইটো মই জানো। এইটো যদি হয় আৰু ঠিক তেনেদৰে যদি কাম কৰে আৰু District Level functioning ৰ কিছু কথা প্ৰচেচ কৰাৰ কথা কৈছে। এইবোৰ হ'লে স্বাভাৱিকতে আমি ন্যায় পাম বুলি আশা কৰিছো। কিন্তু এতিয়ালৈকে আমি ন্যায় পোৱাৰ ৰাস্তাটো আমাৰ নাই। মুখ্যমন্ত্ৰী ডাঙৰীয়াই কোৱা কথাখিনিৰ ওপৰত আস্থা ৰাখি মই মোৰ সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিলো।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে District Level Commission হ'ব বুলি কৈছে আৰু লগতে Non Registration of FIR টো অন্তৰ্ভুক্ত কৰিবৰ বাবে অনুৰোধ কৰি মই ও মোৰ সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** যিহেতু সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিছে সেয়েহে ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা

দফাৰ সপক্ষে আছে কওঁক, 'হয়'

যিসকল দফাৰ বিপক্ষে আছে কওঁক, 'নহয়'

(দফাটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

এতিয়া বিধেয়কখনৰ ৩ নং দফাত মাননীয় সদস্য শ্ৰী মনোৰঞ্জন তালুকদাৰ , শ্ৰী অখিল

গগৈ, শ্ৰী ভৰত চন্দ্ৰ নৰহ, শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, তেওঁৰ সহযোগী আৰু শ্ৰী আমিনুল ইছলাম আৰু তেওঁৰ সহযোগী আপোনালোকেও সংশোধনী প্ৰস্তাৱ প্ৰত্যাহাৰ কৰিব নেকি?

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, District Level Commission খন হ'ব আৰু এইখিনি তাত অন্তৰ্ভুক্ত হ'ব বুলি কৈছে যেতিয়া এই কথাখিনি আমি মানি লৈছো। আমাৰ বিৰোধী দলৰ দলপতিয়ে নিৰপেক্ষভাৱে বিধায়ক সকলক লোৱাৰ কথা কৈছে আৰু সেই ক্ষেত্ৰত যদি আমাৰ বিৰোধী দলৰ বিধায়ক সকলক লয় ভাল হ'ব। সকলোতকৈ ডাঙৰ কথাটো হৈছে যে যিহেতু এই বিলখন ইয়াত আজি পাচ হৈ যাব আৰু আমি মানি লম, কিন্তু যেতিয়ালৈকে District Level Commission খন নহ'ব তেতিয়ালৈকে Implement আৰু Execution ৰ ক্ষেত্ৰত আগৰ খনেই থাকিব নে আজিৰ পৰাই হ'ব? আচলতে আইন এখন হ'লে যেতিয়ালৈকে gazette notification হৈ হয়, তেতিয়াহ'লে বাকীখিনি নাইকিয়া হৈ যাব। গতিকে যেতিয়ালৈকে District Level Commission খন নাথাকিব তেতিয়ালৈকে বৰ্তমানৰ যিখন Accountability Commission সেইখনেই থাকিব। District Level Commission খন সোনকালে কৰিবৰ বাবে অনুৰোধ জনালো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিখিনি কথা কৈছে সেইখিনি কথা বিশ্বাসত ৰাখি আমি আমাৰ সংশোধনী খন উঠাই ল'লো। ধন্যবাদ।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** সন্মানীয় সদন মই গুজৰাটৰ এটা ৰেফাৰেঞ্চ দিছো । গুজৰাটাৰ এক্টখনত লিখা আছে যে District Level ত দুজন দুজন বিধায়ক District Level Accountability Commission ৰ সদস্য হয়। আমি এতিয়ালৈকে সিদ্ধান্ত লোৱা নাই যে আমি সেইখন ফলো কৰিম নে নকৰিম। কিন্তু অকনমান আলোচনা কৰাৰ পিছত District Level Commission ৰ ফৰ্মেটটো আমি এপ্ৰিলৰ বিধান সভাত লৈ আহিম। যাতে এটা ভাল পুলিচ ব্যৱস্থা আৰু Accountability হয়। De-centralized নকৰাৰ বাবে District Level ত বহু কেচ পৰি আছে। এইখিনি gazette notification নোহোৱালৈকে মই নতুন আইনখন আনিব নোৱাৰো। গতিকে মই এইখিনি অলপ চাই লম।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা কথা ক'বলগীয়া আছিল যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়, District Level Commission ত যেতিয়া আমি আবেদন কৰিছিলো তেতিয়া তিনি মাহ পেলাই থৈছিল আৰু পঠোৱা নাছিল। এই ক্ষেত্ৰত ১৫ দিনৰ ভিতৰত আবেদন পঠাবৰ বাবে যাতে এমেণ্ডমেণ্ট এখন আনে। লগতে District Level Commission খন গঠন নকৰালৈকে যাতে কিবা এটা ব্যৱস্থা কৰে।

**মাননীয় অধ্যক্ষ ঃ** ৩ নং দফাৰ সংশোধনী প্ৰস্তাৱখিনি উঠাই ল'লে।

যিসকল মাননীয় সদস্য-সদস্যা

দফাৰ সপক্ষে আছে কওঁক 'হয়'

যিসকল দফাৰ বিপক্ষে আছে কওঁক 'নহয়'

(দফাটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে ৩ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

এতিয়া বিধেয়কখনৰ ৪ নং দফাত মাননীয় সদস্য শ্ৰী মনোৰঞ্জন তালুকদাৰ আৰু মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ সংশোধনী প্ৰস্তাৱ আছিল। তেওঁলোকে ইতিমধ্যে উঠাই লৈছে।

যিসকল মাননীয় সদস্য-সদস্যা

দফাৰ সপক্ষে আছে কওঁক 'হয়'

যিসকল দফাৰ বিপক্ষে আছে কওঁক 'নহয়'

(দফাটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৰো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে ৪ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

এতিয়া বিধেয়কৰ ৫ নং দফাত সংশোধনী প্ৰস্তাৱ নাই।

এতিয়া বিধেয়কৰ ৫ নং দফাটো সদনৰ মজিয়াত দাঙি ধৰিলো। প্ৰশ্নটো হ'ল-৫ নং দফাটো বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা

দফাৰ সপক্ষে আছে কওঁক, 'হয়'

যিসকল দফাৰ বিপক্ষে আছে কওঁক 'নহয়'

(দফাটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৰো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে ৫ নং দফাটো বিধেয়কখনৰ অংশ হ'ল। বিধেয়কৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ, আৰু আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ, আৰু আৰম্ভণত সদনত দাঙি ধৰিলো। প্ৰশ্নটো হ'ল-১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ, আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা

দফাৰ সপক্ষে আছে কওঁক, 'হয়'

যিসকল দফাৰ বিপক্ষে আছে কওঁক, 'নহয়'

(দফাটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৰো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে বিধেয়কৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত বিধেয়কখনৰ অংশ হ'ল। এতিয়া মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন পাৰিত কৰাৰ বাবে অনুৰোধ জনালো।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "দ্যা আসাম পুলিচ (এমেণ্ডমেণ্ট) বিল, ২০২১ খন পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ক'ব বিচাৰিছো। তাৰ পিছত আমি পাচ কৰি দিম। পুলিচে কেতিয়াবা নকৰিবলগীয়া এফ আই আৰ ও ৰেজিষ্টাৰ কৰে, সেইটো হয়। কিন্তু কেতিয়াবা কৰিবলগীয়া এফ আই আৰ ও ৰেজিষ্টাৰ নকৰে। সেয়েহে এই বিষয়টো চাবলৈ মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। পুলিচে পাচপোৰ্ট, ভোটাৰ আই ডি আদিৰ কাৰণে কিছুমান ডকুমেণ্ট দিব লাগে, কিছুমান আৰক্ষী নিদিয়ে। এইখিনি যাতে মুখ্যমন্ত্ৰী মহোদয়ে চায়।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল The Assam Police Amendment Bill, 2021 পাৰিত কৰা হওঁক, যিসকল মাননীয় সদস্য -সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে কওঁক হয়, যিসকল বিপক্ষে আছে কওঁক নহয়, মই ভাৰো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে,হয়ৰ সাপেক্ষে প্ৰস্তাৱটো পাৰিত কৰা হ'ল আৰু বিধেয়কখনো পাৰিত হ'ল। এতিয়া মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ বিল আছে The Assam Direct Recruitment Commissions for Analogous Posts in class III and class IV Bill,2021. মাননীয় মুখ্যমন্ত্ৰী The Assam Direct Recruitment Commis-

sions for Analogous Posts in class III and class IV Bill,2021 বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Assam Direct Recruitment Commissions for Analogous Posts in class III and class IV Bill,2021. দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল -The Assam Direct Recruitment Commissions for Analogous Posts in class III and class IV Bill,2021 বিবেচনাৰ বাবে লোৱ হওঁক। যিসকল মাননীয় সদস্য -সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে কওঁক হয়, যিসকল বিপক্ষে আছে কওঁক নহয়, মই ভাৱো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে,হয়ৰ সাপেক্ষে প্ৰস্তাৱটো গৃহীত হ'ল। এতিয়া যিসকলে Amendment দিছে তেখেতসকলক ক্ৰমান্বয়ে বক্তব্য ৰাখিবৰ কাৰণে অনুৰোধ জনাইছো।

**শ্ৰী ভৰত নৰহ (নাওঁবৈচা) ঃ** Sir, I beg to move in Sub Clause-1 of Clause-6, of the proposed Bill,the words 'for a period to be notified by the government from time to time' appearing in lines 2 and 3 shall be substituted by the words and figure " for a period 5(five) years". চাৰ ইয়াৰ লগত মই আৰু এটা amendment দিছিলো যিটো ইয়াত নুঠিল। 3rd grade post ৰ appointment ৰ কাৰণে যিটো State Selection Commission গঠন কৰিবলৈ লোৱা হৈছে, তেওঁলোকৰ কাৰ্য্যকালটো এই Act খনত specific নাই যে কেই বছৰীয়া হ'ব। মাথো লিখা আছে যে চৰকাৰে সময়ে সময়ে কাৰ্য্যকালটো ঠিক কৰিব। গতিকে আমি এইটো বিচাৰিছো যে 3rd grade post ৰ appointment ৰ কাৰণে যিটো State Selection Commission গঠন কৰা হ'ব সেইটোৰ কাৰ্য্যকাল ৫ বছৰ হ'ব লাগে। আমি আৰু এটা amendment আনিছিলো যিটো recruitment process হ'ব ইয়াত কোৱা হৈছে যে 3rd grade ৰ কাৰণে এটা commission হ'ব আৰু 4th grade ৰ কাৰণেও এটা commission হ'ব আৰু recruitment process টো তেওঁলোকে SEBA ক দিব, গুৱাহাটী বিশ্ববিদ্যালয় ক দিব, ডিব্ৰুগড় বিশ্ববিদ্যালয় বা agency ক দিয়া হ'ব। Agency মানে নিশ্চয় private agency য়ে হ'ব। তেওঁলোকে out sourcing কৰিব যেনেকৈ আগতে কেৰেলা, উত্তৰ প্ৰদেশ আদিৰ পৰা পুলিচত দিয়া হৈছিলে। আমি কৈছো যে agency টো বন্ধ হ'ব লাগে। অকল বিশ্ববিদ্যালয় বা SEBA ক দিয়ক। আমি এই দুটা amendment য়ে আনিছো।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, I beg to move after sub-clause(b) of clause-5(1) of the proposed Bill, a new proviso shall be added as follows - "the recruitment shall be made with District Level and the Principal Office and the District Concern shall be instituted add each of District Head Quarters".অধ্যক্ষ মহোদয়, State Selection Commission গঠন কৰিব বা আপোনালোকে যিখন বিল আনিছে সেইখন ভালেই হৈছে কিন্তু আমাৰ যিবিলাক 3rd grade আৰু 4th grade ৰ চাকৰি আছে, ইয়াত যিহেতু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াও উপস্থিত আছে, তেওঁ যেতিয়া নিৰ্বাচনৰ বৰাক ভেলীলৈ গৈছিলে তেতিয়া তেওঁ কৈছিল যে এই 3rd grade আৰু 4th grade ৰ চাকৰি সমূহ জিলা

ভিত্তিত দিয়া হ'ব। সেয়েহে মই অনুৰোধ জনাম যে এই 3rd grade আৰু 4th grade ৰ যিবিলাক appointment হ'ব জিলাভিত্তিত যাতে ল'ৰা-ছোৱালী সমূহে চাকৰিটো পায়। State Selection Commission থকাত কোনো আপত্তি নাই।

**শ্ৰী মিছবাহুল ইছলাম লস্কৰ (বৰখলা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কাচাৰত আমি দেখিছো যে বহুতো যুৱক-যুৱতীয়ে দূৰদূৰণিৰ পৰা গৈ 3rd grade বা 4th grade ৰ চাকৰি কৰি আছে। এই সৰু চাকৰিৰ কাৰণে তেওঁলোকে তাত গৈ যি সীমিত দৰমহা পায়, তাৰে ঘৰভাড়া দি থকা, ঘৰলৈ পইচা পঠোৱা যথেষ্ট অসুবিধা। গতিকে মই ভাৱো যে 3rd grade আৰু 4th grade ৰ চাকৰি সমূহ জিলাভিত্তিত দিয়া হয়।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ (উত্তৰ অভয়াপুৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা amendment move কৰিব বিচাৰিছো in the side note of the clause-6 of the proposed Bill, the word 'Chairman' shall be substituted by the word "Chairperson" এই Chairman শব্দটোৱে পুৰুষ প্ৰাধান্যতা বুজায়। যিহেতু বৰ্ণ বৈষম্যৰ কথা আহিয়ে থাকে, গতিকে Chairman ৰ ঠাইত Chairperson শব্দটো include কৰিব লাগে। তাৰ পাছত আৰু এটা মোৰ amendment আছিল যিটো আগতে কোৱা হৈছে ৬ নং clause ত time to time যিটো decision ল'ব সেইটো মই তিনি বছৰ দিছো। কোনোবাই ৫ বছৰো দিছে। চৰকাৰে যিটো suitable বুলি ভাৱে সেইটো এটা specific period mention কৰিব লাগে। অধ্যক্ষ মহোদয়, বিলখনত এনেকুৱা কৰিছে যে Commission টোৱে কেৰাণীৰ কামহে কৰিব আৰু সম্পূৰ্ণ power টো চৰকাৰৰ হাতত ৰাখি দিয়া হৈছে। কিছুমান clause ত commission ৰ হাততো কিছু power দিয়া ভাল হ'ব বুলি মই ভাৱো। যেনে-৭ ৰ ২ ত Secretary জনক commission ৰ partial disposal ত দিয়া আছে। এই কেইটা যদি full fledged নহয়, Secretary জন যদি partially থাকে তেতিয়াহ'লে commission টো কেনেকৈ successfully run কৰিব? সেইটো অলপ চাব লাগে। মোৰ আৰু কেইটামান কথা আছে। Regarding কেনেকৈ selection procedure টো কৰিব, চৰকাৰে approval দিয়া পদ্ধতিতহে কৰিব পাৰিব বুলি commission ক হে কোৱা হৈছে। গতিকে চৰকাৰে approval ৰ ঠাইত commission এ যাতে নিজাবৰীয়াকৈ সিদ্ধান্ত ল'ব পাৰে, সেই ব্যৱস্থাটো ল'লে ভাল হ'ব পৰীক্ষা সম্বন্ধীয় কথাত। বাকী clause -19 ত এটা কথা আছে যে তেওঁলোকৰ বিৰুদ্ধে আইনী ব্যৱস্থা ল'ব নোৱাৰি। কিন্তু যদি ill intention ত কাম কৰে, তাৰ কাৰণে clause -19 এটা পেৰা add কৰিলে ভাল হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এনেকুৱা এখন বিল অনাৰ কাৰণে মই চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো। যিটো section-19, "Protection of Action taken in Good Faith" এইটো মোৰ বোধেৰে delete কৰিলে ভাল হ'ব। কৈছে যে no suit, prosecution or other legal proceeding shall lie against the State Government or the Chairman or Members of the Commission or any officer and staff appointed under this Act in respect of anything which is in good faith done or intended to be done in pursuance of this Act or of any Rules or orders made there under. য'ত regularity নাথাকিব তাত

এইটোৱে বোধহয় এটা ডাঙৰ set back ৰাখি যাব। গতিকে মই ভাবো যে গুড ফেইথ বোলা বস্তুটো একেবাৰে ডিলিট কৰিব লাগে।২ নং কথাটো হ'ল- চেকশ্যন- 9 ত এটা চাব চেকশ্যন 11 ভৰাব লাগে বুলি আমি প্ৰস্তাৱ কৰিছো for maintaining transperency to the functioning of the Commission the right to information Act, 2005 will be applicable to the Chairman, Members, and Staff of the Commission. Right to information Act খন এতিয়া এ পি এচ চিক লৈও বহুত হুলস্থূল হৈ থাকে গতিকে, মই ভাবো যে এই চেকশ্যনটো ভৰাই দিলে বেছি এক্টখন বেছি transparent হ'ব। আৰু শেষত যিটো ক'ব খুজিছো যে চেয়াৰমেনৰ চিলেকশ্যনটো কেনেকুৱা হ'ব। I proposed that section 6 sub section 3 The Chairman will be selected by a 3 Member panel consisting of the Chief Minister, Leader of the opposition and Chief Justice of The Guwahati High Court. The Government will prepared a panel of the Candidate from which this 3 Member Panel will select the final candidate be inserted into the Assam direct reqruitment Commission for analog post in Class-III and Class IV Bill, 2021. এই তিনিটাই মাত্ৰ আনিব খোজা হৈছে।

**माননীয় অধ্যক্ষ ঃ** ধন্যবাদ । .................. মাননীয় মুখ্যমন্ত্ৰী মহোদয়।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি যোৱা বিধান সভা নিৰ্ব্বাচনত অসমৰ ৰাইজক প্ৰতিশ্ৰুতি দিছিলো যে আমি ১ লাখ চৰকাৰী নিযুক্তি সম্পন্ন কৰিম। আৰু সেই উদ্দেশ্যে আমি কি ধৰনে লক্ষ্যত উপনীত হ'ব পাৰো সেয়াই চেষ্টা কৰিছিলো। ইতিমধ্যে প্ৰায় ২ হাজাৰ ল'ৰা-ছোৱালীক নিযুক্তি দিয়া হৈছে, অহা জানুৱাৰী মাহত আৰু ৩-৪ হাজাৰ ল'ৰা -ছোৱালীক নিযুক্তি দিয়া হ'ব। মে মাহতো আমি ৰাখি থৈছো যে পুলিচ, শিক্ষক এনেধৰণে প্ৰায় ৩০-৪০ হাজাৰ নিযুক্তি আমি হয়তো দিব পাৰিমগৈ।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** আপুনি কিন্তু এবছৰত ১ লাখ চাকৰি দিম বুলি কৈছিল।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** ১ লাখেহ হ'ব, কেতিয়াবা ১- ২ মাহ দেৰীও হ'ব পাৰে এইটো লৈ কোনো কথা নাই। কিন্তু আমাৰ ইনটেশ্যনটো হ'ল যে আমি কেনেকৈ নিযুক্তি দিব পাৰো যেতিয়া আমি চাৰ্ভিছ ৰুলবিলাক চালো তাত দেখা পালো যে বিভিন্ন বিভাগে যদি নিজাকৈ বিজ্ঞাপন উলিয়াই- গ্ৰেড-৩, গ্ৰেড-৪ ইত্যাদি এনেকুৱাধৰণৰ যদি কাৰোবাৰ ২টা পোষ্ট আছে, কাৰোবাৰ ৫ টা পোষ্ট আছে, কাৰোবাৰ ৮ টা পোষ্ট আছে- কাৰোবাৰ ১০ টা- এনেক্ষেত্ৰত প্ৰথমে হ'ল- পৰীক্ষাৰ ডেটবিলাক অভাৰলেপিং হয়। একেটা ৰবিবাৰে আঠ- নটা ডিপাৰ্টমেন্টৰ পৰীক্ষা পৰিব পাৰে তেতিয়া কিছুমানে ইচ্ছা থাকিলেও পৰীক্ষা দিব নোৱাৰিব। দ্বিতীয়তে, ডিপাৰ্টমেন্টবিলাকে দুটা পোষ্ট বিচাৰিলেও ২ লাখ কেণ্ডিডেট ১০ টা পোষ্ট বিচাৰিলেও ১০ লাখ কেণ্ডিডেট হয়। একোটা ৰিকুইটমেন্টত আমি ১২-১৫ কোটি টকা খৰচ কৰিব লাগে। সেই কাৰণে আল্টিমেটলী পৰীক্ষা পতা যি অৰ্গেনাইজেশ্যন আছে- লিমিটেড । চেবা হ'ল, ইউনিৰ্ভাচিটি কেইখন হ'ল, আৰু নাই। এ পি এচ চিয়ে এইটো পৰীক্ষা নাপাতে গতিকে আমি ইয়াত চালো যে আমাৰ যি ৫০ হাজাৰ পোষ্ট খালী আছে বা আমি ক্ৰিয়েট কৰিছো এই ৫০ হাজাৰ পোষ্টৰ ইন্টাৰভিউ পাতি আমি আমাৰ ৫ বছৰীয়া কাৰ্য্যকালতো দিব নোৱাৰো। প্ৰথমে কোনোবা এজেন্সীয়ে পৰীক্ষা পাতিব। এজেন্সী মানে মই কোনোবা কেৰেলা, তামিলনাডুক বুজোৱা নাই, আমাৰ চেবা বা ইউনিৰ্ভাচিটি আমাৰ

হাতত নাই। কাৰণ তেওলোকে ৰেগুলাৰ পৰীক্ষা পাতিব লাগে । একে ডেটত বহুতো পৰীক্ষা হ'ব আৰু আমাৰ cost of the exam will be very high. যিটো state Government য়ে বিয়েৰ কৰিব নোৱাৰিব। গতিকে এই যিখন এক্ট অনা হৈছে এইখন হৈছে as a temporary solution for giving 1 Lakh appointment অৰ্থ্যাৎ শিক্ষকৰ চাকৰিখিনিৰ এটা নিৰ্দ্দিষ্ট পন্থা আছে, পুলিছৰ চাকৰিৰ নিজা পন্থা আছে, হেল্থ ডিপাৰ্টমেণ্টৰ চাকৰিৰ নিজা পন্থা আছে আৰু এ পি এচ চিৰ চাকৰিৰ নিজা পন্থা আছে। বাকী যিখিনি নন টেকনিকেল পোষ্ট মানে গ্ৰেড-৩ আৰু গ্ৰেড-৪ থাকি গ'ল আমি মে হওঁক, জুন হওঁক বা জুলাই হওঁক কিমান সোনকালে আমি নিযুক্তিটো দিব পাৰো। কাৰণ, এবছৰ বুলি ক'লে লিটাৰীৰটো নুবুজাই যে, spirit on the spirit কিমান সোনকালে আমি এক লাখ নিযুক্তিটো দিব পাৰো। সেই কাৰণে আমি এটা উপায় হিচাবে এই বিলখন আনিছো। এখন ৰিকুইটমেণ্ট বোৰ্ড হ'ব । য'ত গোটেই কেইটা পৰীক্ষা একেলগে হ'ব। মানুহজনে যেতিয়া পৰীক্ষাত ফৰ্ম ফিল আপ কৰিব । তেওঁ লিখি দিব মোৰ ফাৰ্ষ্ট প্ৰাইয়োৰিটি ইৰিগেশ্যন, চেকেণ্ড প্ৰায়োৰিটি হেল্থ, থাৰ্ড প্ৰায়োৰিটি পি ডব্লিউ ডি ইত্যাদি। এ পি এচ চি বা ইউ পি চে চিৰ দৰে অৰ্থ্যৎ যদি মেৰিটমতে মই ১ নং হ'লো, যদি প্ৰায়োৰিটি লিখি থৈছে প্লেছ অৱ পোষ্টিং বৰাক বুলি তেন্তে মই বৰাকতে যাব পাৰিম তেতিয়া গুৱাহাটীত পাম বুলি কোনো কথা নাই। মই যদি প্ৰায়োৰিটি পোষ্টিং চেক্ৰেটেৰিয়েট নিলিখি ডাইৰেক্ট'ৰেট লিখি থৈছো তেতিয়া হ'লে মই ডাইৰেক্ট'ৰেটত যাম। চেক্ৰেটেৰিয়েটত নাপাম যদিও মোৰ ৰিজাল্টটো ভাল হয়। অৰ্থাৎ ইউ পি এচ চি পেটাৰ্ণটো আমি ইয়াত ল'ব খুজিছো? According to The priority Candidate gives during the Form Fillup. এতিয়া আমি ডিপাৰ্টমেণ্টৰ যিমান পোষ্ট আছে সকলোবিলাক আমি একত্ৰিত কৰিব বিচাৰিছো। এতিয়া লেবৰেটৰী পোষ্ট, টেকনিচিয়ান পোষ্ট সেইটো ইয়াত নাহে কাৰণ সেইবিলাকৰ এটা নিজা নিযুক্তি আছে। কিন্তু যিখিনি এনালগা পোষ্ট আছে য'ত গ্ৰেজুৱেশ্বন লাগে, ক্লাচ- এইট পাচ লাগে, হায়াৰ চেকেণ্ডৰী পাচ লাগে । তাৰ পৰীক্ষাটো আমি একেলগে পাতিম। বঢ়ো ভাষাতো কোৰেশ্বন পেপাৰ হ'ব, বেংগলীতো হ'ব, অসমীয়াতো হ'ব আৰু আমি একেলগে একেবাৰতে পৰীক্ষা পাতি শেষ কৰিম। এতিয়া ভৰত নৰহ ডাঙৰীয়াই কৈছে যে এইটো ৫ বছৰত কৰিব পাৰে নেকি? ডেফিনিটলী পাৰি । আমি প্ৰথম পৰীক্ষা মূলকভাবে ১ লাখ চৰকাৰী নিযুক্তিৰ কাৰনে এই বিলখন আনিছো। যদি আমাৰ সকলোৰে অভিজ্ঞতাটো ভাল হয় আৰু টোটেল ট্ৰেন্সপাৰেন্সী হয় যে তাত কোনো গণ্ডগোল হোৱা নাই। তেনেকুৱা যদি কৰিব পাৰো তেন্তে এইটোকে আমি subordinate selection Commission লৈকে কণভৰ্ড কৰি দিব পাৰিম। এচ অফ নাউ আমি এই ১ লাখ নিযুক্তিটো কৰি লওঁ। তাৰ পিচত যদি নিযুক্তিটো ভাল হয়, বৰাক ভেলীৰ মানুহ, ধুবুৰীৰ মানুহৰো যদি আশা পূৰ্ণ হয় , আজি যে নেকৈ টেট পৰীক্ষাৰ ওপৰত কোনেও কথা নাপাতে টেটটোতো চেন্ট্ৰেলাইচড হয়। ধৰি লওঁক এইটো এটা টেট পৰীক্ষাই হ'ব। টেট পৰীক্ষাত বৰাক ভেলীৰ পৰাও অনৰগল পাইছে। এইবাৰো পাইছে কোনো কম্পপ্লেইন হোৱা নাই। সেই কাৰণে এই পৰীক্ষাটোৰ জৰিয়তে আমি ১ লাখ নিযুক্তিটো খৰতকীয়া কৰিব খুজিছো। মই গোটেইখিনি চাজেশ্যন লৈছো। secretary should be permanent ? yes , he should be permanent, it should be for fine years. not for a 5 years, it should be a permanent Commission. তাৰ পিচত যিখিনি চাজেশ্যন আপোনালোকে দিছে। গোটেই খিনি আমি ইনকৰ্পোৰেট কৰিব পাৰিম।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** আৰ টি আই টো থাকিবনে ?

**মাননীয় মুখ্যমন্ত্ৰী ঃ** আৰ টি আই থাকিবই। ষ্টেট গৰ্ভমেন্টৰ আৰ টি আই এক্টত অলৰেডী ক'ভাৰ হৈছে । কাৰন এইখন independent Commission নহয়। আমাৰ প্ৰিঞ্চিপাল চেক্ৰেটেৰী জনেই তাত গৈ প্ৰিঞ্চিপাল চেক্ৰেটেৰী হ'ব। চেক্ৰেটেৰী জনেই তাত চেক্ৰেটেৰী হ'ব । গতিকে আৰ টি আই নোহোৱাৰ কোনো অৰ্থই নাই । আৰ টি আই থাকিবই । ' গুড ফেইথ ' টো কিয় ৰখা হয় কাৰণ যিমানবিলাক এক্ট আছে সকলো এক্টতে this is a drafting Model. যদি দুৰ্নীতি কৰে তেন্তে এইটোতো মেলাফাইড হৈ গ'ল। সেইটো ' গুড ফেইথ' ক'ভাৰ নকৰে । ' গুড ফেইথ' কি ক'ভাৰ কৰে যে, জেনুইন বানপানী আহি গ'ল, জুই লাগিল। চাপোচ, কোৰেশ্বন পেপাৰত দেখা-দেখিকৈ জুই লাগি গ'ল। আৰ্টিফিচিয়েল বানপানী আহি গ'ল, এইবিলাক ক'ভাৰ কৰিবলৈ গুড ফেইথ এক্ট লাগে । কিন্তু পইচা লোৱাটো 'মেলাফাইড' । কিন্তু দুৰ্নীতিটো গুড ফেইথৰ ডেফিনেশ্যনৰ ভিতৰত নাহে। নিপোটিজিমটো গুড ফেইথৰ ডেফিনেশ্যনৰ ভিতৰত নাহে । গুড ফেইথৰ ডেফিনেশ্যনৰ ভিতৰত এক্ট অৱ গড আৰু হিউমেন যে মই বহীখন চাই আছো । সেই সময়তে মোৰ তেজ বমি আহি মোৰ পৰীক্ষাৰ বহীখন বেয়া হৈ গ'ল। তেতিয়াতো লৰাটোৱে নতুনকৈ পৰীক্ষাটো দিব লাগিব। ডেট ইছ এ গুড ফেইথ । যদি লৰাটোৱে কয় তুমি ডেলিবেৰেটলী মোৰ বহীখনত বমি কৰি দিলা- there are certain exception যিটো গুড ফেইথত কাম কৰে আৰু এইটো পৃথিৱীৰ সকলো এক্টতে থাকে। কিন্তু that doesn't protect any body from nepotism and corruption. গতিকে আপোনালোকে হাউচত আজি যিখিনি ৰাইট স্পিৰিটত অপিনিয়ন দিছে সেইখিনি আমি ৰাখি থম যেতিয়া আমি পাৰ্মানেন্ট কমিশ্যনৰ কাৰণে আহিম তেতিয়া আমি এইখনকে সংশোধন আনিম । সংশোধন অনাত বেয়া নাপাব। we might bring a amendment , saying that this commission will be a permanent commission heirafter গতিকে তেতিয়া আমি গোটেইখিনি ৰাখি থম।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** চিলেকশ্যনটো কেৱল গৰ্ভমেন্টয়ে নকৰি অপোজিশ্যন অফ লীডাৰ আৰু চীফ জাষ্টিচ গৰাকী থাকিলে ভাল হয়।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** ঠিক আছে, যেতিয়া পাৰ্মানেন্ট কমিশ্যনত আহিব। তেতিয়া আমি আপোনালোকৰ গোটেইখিনি কথা কনচিডাৰ কৰিব পাৰিম। এইবাৰ স্পীচিয়েলী যিখন এক্ট আনিছো, কাৰণ বহুত মানুহে আমাক চেলেঞ্জ দি আছে যে আপোনালাকে পাৰিব নে নোৱাৰে এক বছৰৰ ভিতৰত, যেনেকৈ এতিয়া আপুনি কৈছে মে মাহৰ কথাটো, কিন্তু এতিয়াতো দেৰীয়ে হ'ল । দুইমাহ সময় ইন্টাৰভিউৰ বাবে দিব লাগিব। আটাইতকৈ লচ হ'ব after this amendment. কোনো নামো নাই লিষ্টো নাই আমাৰে লচ হ'ব। But we have to do it for our future generation.

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** মাজত খালী ৰাস্তা উলিয়াই নল'ব আকৌ তেতিয়া।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** আপোনাৰ বুদ্ধি ইমান আছে, মোৰ ইমান knowledge নাই, আপুনিটো বৰাকভেলীলৈকে খবৰ ৰাখে। শেষত মই আমাৰ মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই কথা এটা কৈছিল প্ৰনৱ পেগুলৈ। প্ৰনৱ পেগুৰ ঘটনাটো হ'ল যে তেখেতক আমি doubtful citizen দিয়া নাই। আমি কৈছো তেখেতক আমি verify কৰিব নোৱাৰিলো। কাৰণ ৫ বাৰ তেওঁক নটিছ দিয়াৰ পিছতো তেওঁ থানাত আহি উপস্থিত নহ'ল। পাচপোৰ্টৰ নিয়মটো হ'ল যে কাৰোবাক যদি পাচপোৰ্ট লাগে পাচপোৰ্ট আইন মতে এচ আই জনে এইটো established কৰিব লাগিব যে that he is a person living person. তেওঁক ৫ বাৰ নটিচ দিওঁতে তেওঁ অহা নাই বুলি মোক পুলিচে

জনাইছে। পাচপোৰ্টত আমি সেই কথাহে লিখি দিছিলো যে he could not be verify as he did not present himself before the police. ঘৰত মাতিলেও পুলিচ যাব পাৰিলেহেঁতেন বা থানাত আহি হলেও, সেইটোৰ কাৰণেহে এইটো খেলিমেলি হৈছে। এতিয়াও মই এচ পি ক কৈছো তেওঁক মাতি আনি, তেওঁ যদি সচাঁই পাচপোৰ্ট বিচাৰিছে আমি reverification কৰি দি দিব পাৰিম there is no issue.

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ ।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এতিয়া ইয়াৰ লগত এটা এড কৰিব খুজিছোঁ, আমি সকলোৱে জানো স্বাধীনোত্তৰ প্ৰায় ৭৫ বছৰ পাৰ হোৱাৰ পিছতো অসমৰ বা ভাৰত বৰ্ষৰ প্ৰত্যেকটো জনগোষ্ঠী বা জাতিয়ে নিয়োগৰ ক্ষেত্ৰত সমানে সুযোগ সুবিধা পোৱা নাই। সেই কাৰণে আমাৰ ৰাজ্যিক চৰকাৰে ৮০ দশকত এখন আইন আনিছিল, যে জিলা ভিত্তিত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰি দিওঁতে যাতে population pattern টো reflect হয়। মাননীয় মুখ্যমন্ত্ৰী মহোদয়, ইয়াৰ আগতে মই rule 50 ত এখন বিলত আলোচনাৰ কালত।

**মাননীয় অধ্যক্ষ ঃ** হ'ব, অন্য কিবাত সেইটো আহিব নিয়োগৰ ক্ষেত্ৰত সেইটো থাকিব।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মাননীয় মুখ্যমন্ত্ৰীয়ে Article 16 ৰ কথা কৈছিল, Article 16 ত।

**মাননীয় অধ্যক্ষ ঃ** সকলোবোৰ এদিনত ক'ত হ'ব?

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** চাৰ, চাৰ, চাৰ দৃষ্টিগোচৰ কৰিব দিয়ক। Article 16 ৰ section 4 ত আছে Nothing in this article shall prevent the state from making any provision for the reservation of the appointment or post in favour of any backward class of citizen which in the opinion of state is not adequately represented in the services under the state.

**মাননীয় অধ্যক্ষ ঃ** গতিকে কি কৰিব লাগে সেইটো কৈ দিয়ক। আপুনি এতিয়া কি বিচাৰে সেইটো কৈ দিয়ক। Reservation policy ৰাখিব লাগে, আপুনি ক্লিয়াৰ হ'ব খুজিছে।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** চাৰ, মই এটা উদাহৰণ দিছিলো বৰপেটা ফকৰুদ্দিন আলী আহমেদ কলেজৰ ৬০ টাপদৰ নিয়োগ হওঁতে ৭৯ শতাংশ মুছলমান। মই মাননীয় মুখ্যমন্ত্ৰীক অনুৰোধ কৰিব খুজিছো অকল মুছলমান নহয়, চাহ জনগোষ্ঠীৰ মানুহ Deprived হৈছে, হৈ আছে নিয়োগৰ ক্ষেত্ৰত তেনেকৈ বিভিন্ন জনগোষ্ঠী। আমাৰ atleast 3rd grade aru 4th grade appointmentৰ ক্ষেত্ৰত যাতে district wise population reflection of population pattern যিখন আইন আছিল সেই আইনখন যাতে কাৰ্য্যকাৰী কৰা হয়, ইয়াত কোনো particular জনগোষ্ঠীৰ কথা কোৱা হোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** হ'ব ঠিক আছে।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** অধ্যক্ষ মহোদয়, এটা কথা এই যিবিলাক Interview হ'ব পৰীক্ষা যিটো হ'ব সেইটো district wise হ'ব চাগে। মোৰ যিটো প্ৰশ্ন আছিল, মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিল যিটো যে বৰাকভেলীৰ নিযুক্তি 3rd grade, 4th grade বৰাকভেলীতে হ'ব, এইটো clarify কৰিব লাগে। অন্ততঃ আমাৰ ল'ৰা কেইটাই আমাৰ অঞ্চলত অন্ততঃ 3rd grade, 4th grade পাই যাতে, সেইটোৰ কাৰণে মই অনুৰোধ জনাইছোঁ।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সংবিধানত Article 16 ত যিটো Re-

laxation আছে that is regarding caste not regarding area আৰু supreme courtয়ে কৈছে যে যিকোনো ৰাজ্যৰ নিযুক্তিত ৰাজ্যৰ প্ৰত্যেকটো এৰিয়াৰ মানুহক সুবিধা দিব লাগিব, local advertisement হ'ব পাৰে। কিন্তু ধুবুৰীত যদি ৰাজ্যৰ টকা লাগিছে, আজি কৈছে যে ধুবুৰীৰ পোষ্ট, কিন্তু taxটো ধুবুৰীয়ে দিয়া নাই। টেক্সটোতো গুৱাহাটী বা ডিব্ৰুগড়ৰ মানুহে দিছে। গতিকে ইয়াত কথা হ'ল যিখন আমাৰ population Bill অসম বিধান সভাত পাছ হৈছিল Government did not notify it there after যিহেতু এইখন ultra virus হ'ব বুলি ধাৰণা কৰা হ'ল। ইয়াত কথাটো হ'ল যে আমি অসমৰ citizenৰ মাজত except SC/ST আৰু OBC ক বাদ দি আমি বেলেগ discrimination কৰিব নোৱাৰো Artcle 14. বৰাকভেলীৰো মোৰ এটা ইচ্ছা আছিল যে 3rd grade, 4th grade খিনি বৰাকভেলীৰ পদ খিনি আমি বৰাকভেলীত দিব পাৰো নেকি that we have examined. আমাৰ যিটো legal advice আহিছে সেইটো হৈছে যে state cannot discrimate between the citizen এইটো হ'ল legal কথা। যদি হাউচত কেতিয়াবা বিষয়টো আপোনালোকে আলোচনা কৰে discuss with proper legal advice. যেনেকৈ আজি আমি এটা ভাল debate কৰিছোঁ যে fundamental rights ওপৰনে ডি পি ওপৰ, ঠিক আছে যেতিয়া right to poverty act to fundamental rights আছিল, আমি চিলিং এক্ট আনিলো। তেতিয়া চুপ্ৰিম কোৰ্টে কলে যে ডি পি ওপৰ। Prohivition ক্ষেত্ৰত কলে ডি পি ওপৰ। মই ইয়াৰ মাজতে Examine কৰিলোঁ। আকৌ কিছুমান কেছত কৈছে যে এইটো কেছত এফ আৰ ওপৰ, harmonious যিটো interpretation. এতিয়া এই ধৰণে আমি এইটো চাব লাগিব যে যদি within the supreme court mandate legal কথা মতে যদি বৰাকভেলীকো আমি সহায় কৰিব পাৰো যে 4th grade বেঙ্গুলী ভাষা কয়, অসমীয়া ল'ৰা এজন গ'লেও তাত ভাষাৰ কাৰণে নোৱাৰে। যদি আমি সকলোৰে আইন এখন পাছ কৰিব পাৰো but the act has to stand the scrutiny of law. মই বহুত চেষ্টা কৰিছিলোঁ যোৱা পাঁচ বছৰ, যে act has to stand the scrutiny of law বৰাকভেলীৰ কাৰণে এইটো কৰিব পাৰো নেকি? কিন্তু আমাক কোনো legal advice আমি নাপালো। এটা কথাত যে ভাষাৰ কথাটো আহিছিলে, ভাষাতো এটা ডাঙৰ কথা যোৱা কালিও পেপাৰত আহি আছে মাজে মাজে বৰাকত অসমীয়া বঙালী লৈ লাগি থাকে। Congress government and I think we should thanks also. এতিয়া বৰাকভেলীৰ ভাষাক লৈ গণ্ডগোল হৈ আছে যে তেওঁলোকে অসমীয়া লিখিব খোজা নাই। কিয় বঙালী লিখিব, অসমীয়া লিখিব। ১৯৬০ চনত কংগ্ৰেছ চৰকাৰে ইয়াত অফিচিয়েল ভাষা এক্ট কৰি থৈ গৈছে যে অসমীয়া ভাষাটো থাকিবই all over the state. ইয়াতে আমাৰ বি টি আৰতো কেতিয়াবা confusion হয়। কেতিয়াবা বৰাকভেলীতো confusion হয়। Associate state language will not replace the official state language this is the mandate of 3, official State languageৰ যিটো চেক্চন ৩, আমি পাছ কৰা নাই। কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই মাজে মাজে বৰাকভেলীত কিছুমান statement দি আছে। মই ভাৱো যে আমাৰ যি সকল পূৰ্বপ্ৰজন্মই কিছুমান কাম ইয়াত কৰি থৈ গৈছিল that was a detail debate. পবিন্দ্ৰ ডেকা ডাঙৰীয়াই এখন কিতাপ লিখিছে সেইদিনা খন অসম বিধান সভাত তিনিদিন debate হৈছিল, তাৰ ওপৰত লিখা কিতাপ। ১৯৬০ চনত official language act. হিচাপে তাত এইটো approved হৈছিল যে অসমীয়া will be the official language of

State. Secssion 5 ত আনা হৈছিল যে without diluting the provision of section 3 Barak Vallley the language of official communication will be Bengali. তাৰমানে without diluting section 3. সেই কাৰণে মিনিং এইটো আছিল যে তাত অসমীয়া বিষয়া গ'লে অসমীয়াত ক'ব, বঙালী গ'লে বঙালী। ক'ব, ultimately বৰাক উপত্যকা আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ মাজত সমন্বৰ সাকোদাল অসমীয়া ভাষাৰে নিৰ্মাণ হ'ব লাগিব। This is the state language. যোৱাকালি সন্মানীয় সদস্য জয়ন্ত বসুমতাৰী ডাঙৰীয়াই আমাৰ ইয়াত বড়ো ভাষাত প্ৰশ্ন দিছিল। এই ক্ষেত্ৰত মই কওঁ যে তেখেতে যি দলং নিৰ্মাণৰ কথা কৈছিল তেখেতে both English and Assamese language ত প্ৰশ্ন উত্থাপন কৰিছিল it will satisfy all section of voters. কাৰণ অসমত আমাৰ এনেকুৱা হয় যে আমাৰ সমষ্টি বিলাকত বড়ো, বঙালী, মিচিং আদি বিভিন্ন ভাষা-ভাষী লোকে বসবাস কৰে আৰু আমি সকলো ভাষাকে সন্মান দিম, কিন্তু সেইটো Lingua franca হিচাপে হ'ব । This is all about Lingua franca. Lingua franca হিচাপে যেতিয়ালৈকে অসমীয়া ভাষাটো ৰাখি থম তেতিয়ালৈকে আমাৰ ভৌগোলিক অখণ্ডতাটো থাকিব ।

এই সদনত থাকি আমি বিচাৰো যে অসমখন ওপৰত থাকক। Assam should be the primary. সেই কাৰণে মই আমাৰ সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াক বিনম্ৰ ভাবে জনাব বিচাৰো যে আমি বৰাক আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ মাজত কোনো ধৰণৰ পাৰ্থক্য নিবিচাৰো । বৰাক উপত্যকা ভ্ৰমণত গ'লে মই প্ৰায়ে বঙালী ভাষাত কথা ক'বলৈ চেষ্টা কৰো, যিহেতুকে তাৰ সৰহ সংখ্যক মানুহে বাংলা ভাষাটো বুজি পায়। কিন্তু এইটো নুবুজায় যে- Section-III ত অসমীয়া ভাষাক যি মৰ্য্যদা দিয়া হৈছে সেইটো নোহোৱা কৰিম। কাৰণ এইটো কৰাৰ দিনাখনেই বৰাক আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ মাজত থকা সমন্বয়ৰ সাঁকোডাল ভাঙি যাব। সেয়েহে, মই কৈছো যে বৰাক উপত্যকাৰ চতুৰ্থ বৰ্গৰ চাকৰি সমূহত বৰাকৰ মানুহ নিযুক্তি দিলে ভাল হ'ব। যোৱা পাছ বছৰে বহুতো চেষ্টা কৰিছো যিহেতুকে নিৰ্বাচনী সংক্ৰান্তীয় মিটিং সমূহত কোৱা কথা বিলাক ৰাখিবলৈ যথেষ্ট চেষ্টা কৰা হয় । কিন্তু আইনী ভাবে এইটো মানি লোৱা নহয় ।

Population reflection ৰ ওপৰত এটা সঠিক আলোচনা হ'লে ভাল হ'ব ।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** ভাষাৰ ওপৰতো এটা আলোচনা ৰাখিলে ভাল হয় । APSC ৰ পৰা যি অসমীয়া ভাষা উঠাই দিয়া হৈছে, তাৰ ওপৰতো আলোচনা ৰাখিলে ভাল হয়।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** সন্মানীয় বিধায়ক গগৈ ডাঙৰীয়া বিধান সভাৰ ৰুল খনত ইমান device দিয়া হৈছে, গতিকে ইয়াৰ এটা device ৰ ওপৰত Motion দি বিতৰ্ক কৰিলে ভাল পালোহেঁতেন। কোনো বিধায়কে কোনো device ত এই বিষয়টো নানিলে ।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** হয়, মই ৩০১ ত আনিছিলো।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** যদি অধ্যক্ষ মহোদয়ে ৩০১ ত এই বিষয়টো আনিব দিয়ে, মই নিশ্চয় উত্তৰ দিম । এতিয়া বিলৰ সংক্ৰান্তত উত্তৰ দিবলৈ গৈ APSC ৰ ভাষা বিষয়টোত উত্তৰ দিবলৈ সময় নহ'ব । কাৰণ মানুহ বিলাকে ও আমনি পাব ।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** APSC ৰ অসমীয়া ভাষাটো ৰাখিব লাগে ।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** আমি এই বিষয়টোৰ ওপৰত উত্তৰ দিম। মোৰ কথাটো হ'ল পৰৱৰ্তী পৰ্য্যায়ত যদি সদনে এটা proper constructive discussion in proper legal aid ত দিয়ে তেন্তে তাত মোৰ আলোচনা কৰাত বাধা নাই । কিন্তু এটা কথা আপোনালোকে মনত ৰাখিব যে

ধুবুৰী, গোৱালপাৰা বা শিলচৰতেই হওঁক য'ত যি চাকৰি ওলাব তাৰ দৰমহাটো গোটেই অসমৰে কৰদাতা সকলৰ অৱদান থাকে। কাৰণ আমাৰ মাজৰ বহুতে কয় যে এইটো local post, মই কিয় চাকৰি নাপাম । তেখেত সকলে এটা কথা বুজি নাপায় যে এখন গাওঁৰ স্থানীয় মানুহৰ পৰা বৰঙনি লৈ তেখেত সকলক দৰমহা দিয়া নহয়, দৰমহাটো আন ঠাইৰ মানুহৰ কৰৰ পৰাহে আহে । অসম আন্দোলনৰ পিছৰ পৰা লাহে লাহে local শব্দটোৰ প্ৰচলন আৰম্ভ হ'ল । local শব্দটোৱে local resource টোক নুবুজায়। resource সকলোৱে দিয়ে। সেইবাবে এনেধৰণৰ কথা বিলাকত সতৰ্ক হ'ব লাগে যাতে এই কথা বিলাকে অসমৰ পৰিৱেশ বিনষ্ট কৰিব নোৱাৰে ।

আন এটা হ'ল merit আমি population pattern reflectকৰিব যাওঁতে গোৱালপাৰাত যদি এজন চোকা হিন্দু সম্প্ৰদায়ৰ ল'ৰা এজন আৰু কামৰূপত মুছলমান সম্প্ৰদায়ৰ চোকা ল'ৰা এজনে চাকৰি নাপায় than it will be very very dificult situation । যি পদবীতে নহওক কিয় যোগ্য জনে পাব লাগে । This is very serious matter আৰু সদনে যদি বিচাৰে মোৰ আলোচনা কৰাত আপত্তি নাই । (মাননীয় বিধায়ক শ্বেৰমান আলী আহমেদক উদ্দেশ্য কৰি বিষটোৰ ওপৰত আলোচনা কৰিলে ভাল পাম)

--সদনত হুলস্থুল--

**মাননীয় অধ্যক্ষ ঃ** বিল সংক্ৰান্তত যদি জানিবলগীয়া আছে সেইটো ইয়াত জানি বাকীখিনি সদনৰ বাহিৰত ব্যক্তিগতভাৱে আপোনালোকে মাননীয় মুখ্যমন্ত্ৰীৰ পৰা জানি ল'ব ।

গতিকে বিধেয়কখনৰ ২,৩ আৰু ৪ নং দফা তিনিটাৰ সংশোধনী প্ৰস্তাৱ নাই । এতিয়া বিধেয়ক খনৰ ২, ৩ আৰু ৪ নং দফা তিনিটা সদনৰ মাজিয়াত দাঙি ধৰিলো । প্ৰশ্নটো হ'ল যে ২,৩ আৰু ৪ নং দফা তিনিটা বিধেয়কখনৰ অংশ হ'ব ।

যিহেতুকে, বিধেয়কখনৰ ২, ৩, আৰু ৪ নং দফা তিনিটাৰ সংশোধনী প্ৰস্তাৱ নাই।

গতিকে, বিধেয়কখনৰ ২, ৩, আৰু ৪ নং দফা তিনিটা সদনৰ মজিয়াত দাঙি ধৰিলো।

প্ৰশ্নটো হল - বিধেয়কখনৰ ২, ৩, আৰু ৪ নং দফা তিনিটা বিধেয়ক খনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য সদস্যা দফা কেইটাৰ সপক্ষে আছে,

তেখেত সকলে কওক "হয়"

যি সকল বিপক্ষে আছে তেখেত সকলে কওক "নহয়"

মই ভাৱো "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে।

মই ভাৱো ২, ৩, আৰু ৪ নং দফা তিনিটা বিধেয়ক খনৰ অংশ হ'ল।

মাননীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ আৰু শ্ৰী মিছবাহুল ইছলাম লস্কৰ ডাঙৰীয়া আপোনালোকে বিধেয়ক খনৰ ৫ নং দফাত যি সংশোধনী আনিছে সেইটো উঠাই ল'বনে?

যিসকল মাননীয় সদস্য/সদস্যা

বিধেয়ক খনৰ ৫ নং দফাত যি সংশোধনী আনিছে তাৰ সপক্ষে আছে,

তেখেত সকলে কওঁক "হয়"

যি সকল বিপক্ষে আছে কওক "নহয়"

মই ভাৱো "নহয়"ৰ সপক্ষে, "নহয়"ৰ সপক্ষে, "নহয়"ৰ সপক্ষে।

সংশোধনী প্ৰস্তাৱটো নাকচ হ'ল।

এতিয়া ৫ নং দফাটো বিধেয়ক খনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য/সদস্যা দফাটোৰ সপক্ষে আছে,

তেখেত সকলে কওক “হয়”

যি সকল বিপক্ষে আছে তেখেত সকলে কওক “নহয়”

মই ভাৱো “হয়”ৰ সপক্ষে, “হয়”ৰ সপক্ষে, “হয়”ৰ সপক্ষে।

মই ভাৱো ৫ নং দফা তিনিটা বিধেয়ক খনৰ অংশ হ'ল।

বিধেয়কখনৰ ৬ নং দফাটোত মাননীয় সদস্য শ্ৰী অখিল গগৈ, শ্ৰী ভৰত চন্দ্ৰ নৰহ, শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, শ্ৰী প্ৰদীপ চৰকাৰ আৰু শ্ৰী আব্দুছ চোভান আলি চৰকাৰ ডাঙৰীয়া আপোনালোকে বিধেয়ক খনত যি সংশোধনী আনিছে সেইটো প্ৰত্যাহাৰ কৰিবনে? কৰিব।

৬ নং দফাটো বিধেয়ক খনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য সদস্যা দফা কেইটাৰ সপক্ষে আছে,

তেখেত সকলে কওক “হয়”

যি সকল বিপক্ষে আছে কওক “নহয়”

মই ভাৱো “হয়”ৰ সপক্ষে, “হয়”ৰ সপক্ষে, “হয়”ৰ সপক্ষে।

৬ নং দফাটো বিধেয়ক খনৰ অংশ হল।

বিধেয়ক খনৰ ৭ নং দফাটোত মাননীয় সদস্য শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, শ্ৰী প্ৰদীপ চৰকাৰ আৰু শ্ৰী আব্দুছ চোৱাহান আলি চৰকাৰ ডাঙৰীয়া আপোনালোকে বিধেয়ক খনত যি সংশোধনী আনিছে সেইটো উঠাই ল'বনে? উঠাই ল'ব। ৭ নং দফাটো বিধেয়ক খনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য সদস্যা দফা কেইটাৰ সপক্ষে আছে,

তেখেত সকলে কওক “হয়”

যি সকল বিপক্ষে আছে তেখেত সকলে কওক “নহয়”

মই ভাৱো “হয়”ৰ সপক্ষে, “হয়”ৰ সপক্ষে, “হয়”ৰ সপক্ষে।

৭ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়ক খনৰ ৮ নং দফাটোত মাননীয় সদস্য শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, শ্ৰী প্ৰদীপ চৰকাৰ আৰু শ্ৰী আব্দুছ চোভান আলি চৰকাৰ আৰু শ্ৰী অখিল গগৈ ডাঙৰীয়া আপোনালোকে বিধেয়ক খনত যি সংশোধনী আনিছে সেইটো উঠাই ল'বনে? তেখেত সকলে উঠাই ল'লে। এতিয়া ৮ নং দফাটো বিধেয়ক খনৰ অংশ হ'ব। **( সময় ৮.২২)**

**(এতিয়া ৯ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।)**

যিসকল মাননীয় সদস্য সদস্যা দফা কেইটাৰ সপক্ষে আছে,

তেখেত সকলে কওক “হয়”

যি সকল বিপক্ষে আছে তেখেত সকলে কওক “নহয়”

মই ভাৱো “হয়”ৰ সপক্ষে, “হয়”ৰ সপক্ষে, “হয়”ৰ সপক্ষে।

(৮) ৯ নং দফাটো বিধেয়ক খনৰ অংশ হ'ল।

বিধেয়ক খনৰ ১০ ৰ পৰা ১৭ নং দফালৈকে সংশোধনীৰ প্ৰস্তাৱ নাই,

এতিয়া মই বিধেয়ক খনৰ ১০ ৰ পৰা ১৭ নং দফা কেইটা সদনৰ মজিয়াত ডাঙি ধৰিলো। প্ৰশ্নটো হল - বিধেয়ক খনৰ ১০ ৰ পৰা ১৭ নং দফা কেইটা বিধেয়ক খনৰ অংশ হব।

যিসকল মাননীয় সদস্য সদস্যা দফা কেইটাৰ সপক্ষে আছে,

তেখেত সকলে কওক “হয়”

যি সকল বিপক্ষে আছে তেখেত সকলে কওক “নহয়”

মই ভাৱো “হয়”ৰ সপক্ষে, “হয়”ৰ সপক্ষে, “হয়”ৰ সপক্ষে।

এতিয়া ১০ ৰ পৰা ১৭ নং দফা কেইটা বিধেয়ক খনৰ অংশ হ'ল।

বিধেয়ক খনৰ ১৮ নং দফাটোত মাননীয় সদস্য শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, শ্ৰী প্ৰদীপ চৰকাৰ আৰু শ্ৰী আব্দুছ চোভান আলি চৰকাৰ ডাঙৰীয়া আপোনালোকে বিধেয়ক খনত যি সংশোধনী আনিছে সেইটো উঠাই ল'বনে? তেখেত সকলে উঠাই ল'লে। এতিয়া ১৮ নং দফাটো বিধেয়ক খনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য সদস্যা দফাটোৰ সপক্ষে আছে,

তেখেত সকলে কওক “হয়”

যি সকল বিপক্ষে আছে তেখেত সকলে কওক “নহয়”

মই ভাৱো “হয়”ৰ সপক্ষে, “হয়”ৰ সপক্ষে, “হয়”ৰ সপক্ষে।

১৮ নং দফাটো বিধেয়ক খনৰ অংশ হ'ল।

বিধেয়ক খনৰ ১৯ নং দফাটোত মাননীয় সদস্য শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, শ্ৰী প্ৰদীপ চৰকাৰ আৰু শ্ৰী আব্দুছ চোভান আলি চৰকাৰ ডাঙৰীয়া আপোনালোকে যি সংশোধনী আনিছে সেইটো উঠাই ল'বনে? মই ভাবো, তেখেত সকলে উঠাই ল'লে। সেই কাৰণে এতিয়া ১৯ নং দফাটো বিধেয়ক খনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য সদস্যা দফাটোৰ সপক্ষে আছে,

তেখেত সকলে কওক “হয়”

যি সকল বিপক্ষে আছে তেখেত সকলে কওক “নহয়”

মই ভাৱো “হয়”ৰ সপক্ষে, “হয়”ৰ সপক্ষে, “হয়”ৰ সপক্ষে।

১৯ নং দফাটো বিধেয়ক খনৰ অংশ হ'ল।

বিধেয়ক খনৰ ২০ আৰু ২১ নং দফা দুটাত সংশোধনীৰ প্ৰস্তাৱ নাই, গতিকে বিধেয়ক খনৰ ২০ আৰু ২১ নং দফা দুটা বিধেয়ক খনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য/সদস্যা দফাটোৰ সপক্ষে আছে তেওঁলোকে কওক, 'হয়' আৰু যিসকল বিপক্ষে আছে, তেওঁলোকে কওক 'নহয়', মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। ২০ আৰু ২১ নং দফা দুটা বিধেয়কৰ অংশ হ'ল। বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভনিত কোনো সংশোধনী নাই। এতিয়া মই বিধেয়কখনৰ ১ নং দফাৰ সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভন সদনত দাঙি ধৰিলো।

প্ৰস্তাৱটো হ'ল, বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত পৰিসৰ আৰু আৰম্ভন বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য/সদস্যই বিধেয়কখনৰ সপক্ষে আছে তেখেতসকলে কওক 'হয়', যিসকল বিপক্ষে আছে, তেওঁলোকে কওক 'নহয়', মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভন বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মই মাননীয় মুখ্যমন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালো।

**মাননীয় মুখ্যমন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, The Assam Direct Recruitment Commission for Analogous Posts in Class-III and Class-IV Bill, 2021 পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল The

Assam Direct Recruitment Commission for Analogous Posts in Class-III and Class-IV Bill, 2021পাৰিত কৰা হওক। যিসকল মাননীয় সদস্য/সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আৰু তেখেতসকলে কওক 'হয়', যিসকল বিপক্ষে আছে তেওঁলোকে কওক 'নহয়', মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো পাৰিত কৰা হ'ল। বিধেয়কখনো পাৰিত কৰা হ'ল।

The House adjourned till 4.00 PM

**অধিবেশনৰ কাৰ্যসূচী পুনৰ আবেলি ৪.০০ বজাৰ পৰা আৰম্ভ হয়।**
**(মাননীয় অধ্যক্ষ মহোদয়ৰ আসনত মাননীয় উপাধ্যক্ষ মহোদয় উপবিষ্ট)**

**মাননীয় উপাধ্যক্ষ ঃ** কাৰ্যসূচী নং-৭ (খ) মাননীয় আৰকাৰী মন্ত্ৰীক "The Assam Excise (Amendment) Bill, 2021" খন বিবেচনাৰ বাবে উত্থাপন কৰাৰ বাবে প্ৰস্তাৱ কৰিছো।

**শ্ৰী পৰিমল শুক্লবৈদ্য (আৰকাৰী মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Excise (Amendment) Bill, 2021" খন সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** বিধেয়কখনৰ ৪নং দফাত মাননীয় সদস্য শ্ৰী ভৰত চন্দ্ৰ নৰহৰ নামত এটা সংশোধনী আছে। মই মাননীয় সদস্য শ্ৰী নৰহ ডাঙৰীয়াক সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰিবলৈ আৰু ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ আহ্বান জনালো।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওবৈচা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, I beg to move In sub clause(2) of clause 4 of the proposed Bill,in between the punctuation mark 'comma' (,) & word 'fail' appearing in line I, the words "transport owner" shall be inserted. অধ্যক্ষ মহোদয়,ইয়াত যিখন এমেণ্ডমেণ্ট বিল আনিছে, মেইনলি এটা কথা আনিছে যে অসমৰ মাজেদি যিবিলাক গাড়ী বহিঃৰাজ্যলৈ যাব তাৰ বাবে ট্ৰেঞ্জিত চিষ্টেমৰ ব্যৱস্থা কৰিছে। যিখিনি ট্ৰেঞ্জিত চিষ্টেম কৰিছে, আমি জানিব বিচাৰিছো এই চিষ্টেমটোত অ'টো চিষ্টেম আছেনে নাই? যেতিয়া এটা টেঙ্কাৰে পেট্ৰ'ল বা ডিজেল লৈ আনে, অনাৰ লগে লগে ডিপ'ত যেতিয়া ল'ডিং হয় ল'ডিং হোৱাৰ লগে লগে ৰিফাইনেৰি বা আই অ' চিয়ে লগে লগে গম পাই যায় যে এই বস্তুটো তাতে ল'ডিং হৈছে। এতিয়া এই চিষ্টেমটো মই যিটো গম পাইছো আপোনালোকে হয়তো অপিটি চিষ্টেম ও ৰাখিছে, ওৱান টাইম পাচ ৰাৰ্ড ৰাখিছেনে নাই? এতিয়া যদি ধৰাহওঁক, অৰুণাচলৰ এজন মানুহে বা নাগালেণ্ডৰ এজন মানুহে মদ কিনিছে এক ট্ৰাক, তেওঁ অসমৰ মাজেদি লৈ যাব লাগিব , তাৰ কাৰণে তেওঁ ট্ৰেঞ্জিত পাচ লব লাগিব । ট্ৰেঞ্জিত পাচ বোধ হয় কমিছনাৰে নিদিয়ে, লক্ষিমপুৰৰ চুপাৰিটেণ্ডেন্ট অফিচৰ পৰা দিব লাগিব নতুবা আপোনালোকৰ বান্দৰদোৱা বিহপুৰীয়া আছে, তাৰ যিটো চেক গেট আছে ট্ৰেঞ্জিত পাচটো তাতে ইচ্যু কৰিব। এতিয়া নাগালেণ্ডলৈ যাম বুলি ট্ৰেঞ্জিত পাচ লোৱাৰ পিচত, এই গাড়ীখন নাগালেণ্ডত গৈ পালে নাই সেইটো বিভাগে কেনেকৈ গম পাব? আপোনালোকে এই অট'চিষ্টেমটো ৰাখিছেনে নাই? তাৰ কাৰণে পিৰিয়দ কিমান দিন ৰাখিছে? তেওঁ গৈ পাবলৈ দুই বা তিনি দিন লাগে; ধৰাহওঁক, তেওঁলোকে নাগালেণ্ডলৈ নিওঁ বুলি যদি ডিব্ৰুগড় বা তিনিচুকিয়াত নমাই দিয়ে, এইটো ডিটেক্ট কৰিবৰ বাবে আপোনালোকে কি চিষ্টেম ৰাখিছে? আৰু এই ট্ৰেঞ্জিত চিষ্টেমটো introduce কৰাৰ পিচত অসম চৰকাৰৰ Excise বিভাগটোত Excise বাঢ়িছেনে কমিছে? আপোনালোকে ইয়াত

কৈছে যে স্মাগলিং বিলাক বন্ধ কৰিবৰ কাৰণে আমাৰ ওচৰ চুবুৰীয়া ৰাজ্য বিলাকত মদৰ দাম আমাতকৈ ক'ম আৰু স্মাগলিং চিষ্টেম বিলাক বন্ধ কৰিবৰ কাৰণে আপোনালোকে ট্ৰেঞ্জিত চিষ্টেম কৰা বুলি ইয়াত কৈছে। কিন্তু তেওঁলোকে যি স্মাগলিং কৰে সেয়া অফিচিয়েলি নহয়, আন অফিচিয়েলিহে কৰে। তাৰ কাৰণে তেওঁলোকে ট্ৰেঞ্জিত পাচ নলয়,যি বিলাকে স্মাগলিং কৰি আছে। তাত ট্ৰেঞ্জিত চিষ্টেম নহয়। এই চিষ্টেমটো ইয়াত কিয় introduce কৰিব লগা হ'ল, মই বুজি পোৱা নাই । ৯৪ শতাংশ মেনুফেকচাৰ আমাৰ অসমতে হয়, অন্য ৰাজ্যৰ পৰা মদ বেচি পৰিমাণে ইয়াত নাহে বা মেঘালয়ৰ মদ অৰুণাচললৈ নাযায় বেচিকৈ, বা অৰুণাচলৰ মদ নাগালেণ্ডলৈ নাযায় বেচিকৈ, এই এমেণ্ডমেন্ডৰ জড়িয়তে মই এইখিনিকে আপোনাৰ পৰা জানিব বিচাৰিছো। ইয়াত যিটো পেনাল্টিত চিষ্টেম আছে তাত আপোনালোকে ড্ৰাইভাৰ আৰু ট্ৰেন্সপৰ্টাৰ, ট্ৰেন্সপৰ্টাৰ আপোনালোকে কাক বুজাইছে, ট্ৰেন্সপৰ্ট এজেন্সিক নে ট্ৰেন্সপৰ্ট মালিকক বুজাইছে । মোৰ মতে ট্ৰেন্সপৰ্ট গাড়ীৰ মালিককো ইয়াত পেনাল্টিত আনিব লাগে। তেওঁৰ গাড়ীয়ে যদি মদৰ স্মাগলিং কৰে বা মদৰ ট্ৰেঞ্জিত কৰে বা ট্ৰেঞ্জিত চিষ্টেমটো ভায়োলেট কৰি involve হয়, গাড়ীৰ মালিককো আইনৰ আওতালৈ আনিব লাগে। ইয়াত ট্ৰেন্সপৰ্টাৰ বুলি কওঁতে ট্ৰেন্সপৰ্ট এজেন্সিকে বুজাইছে । ট্ৰেন্সপৰ্ট owner লিখা নাই। সেইখিনি মই মাননীয় মন্ত্ৰীৰ পৰা জানিব বিচাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী দূৰ্গা দাস বড়ো (কলাইগাওঁ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে একে লগে উত্তৰ টো দিব।

**মাননীয় উপাধ্যক্ষ ঃ** আাপোনাৰ সংশোধনী আছে।

**শ্ৰী দূৰ্গা দাস বড়ো (কলাইগাওঁ) ঃ** শ্ৰী ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াই যিটো কথা কৈছে আমাৰো বুজাত অলপ অসুবিধা হৈছে, মন্ত্ৰী ডাঙৰীয়াই এই বিষয়ে details অলপ বুজাই দিব কাৰণ তেওঁ কৈছে যে Transit means to move from outside the state of another place of outside. এইটোত আমাৰ অসুবিধাতো কি হৈছে ৰাজ্যত। Estate Department ৰ কিবা লাভ লোকচান বা বেচিকৈ স্মাগলিং হৈছে নেকি ? স্মাগলিং হৈ আছে আমি জানো , এইটো কৰাৰ পিচত prevention ত কিবা সহায় হৈছে নেকি মই জানিব বিচাৰিছো।

**শ্ৰী পৰিমল শুক্লবৈদ্য (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই ভাৱো যে আমাৰ দুয়োগৰাকী সদস্য ৰাজ্যৰ হকে চিন্তিত আৰু বহুখিনি কথা তেওঁলোকে নিশ্চয় গম পায়। আপোনালোকে জানে যে অৰুণাচল, মেঘালয়ৰ excise revenue আৰু অসমৰ excise revenue মাজত পাৰ্থক্য আছে। অসমলৈ যি অবৈধ transit হয় সেয়া আমি ধৰি থাকো। মাজে মাজে আপোনালোকে দেখিব যে আমি non-duty paid গাড়ীবোৰ ধৰি থাকো। মাননীয় সদস্য শ্ৰী ভৰত নৰহ ডাঙৰীয়াই কোৱা ধৰণে বাহিৰৰ মানুহে অৰুণাচলৰ liquor বিক্ৰী কৰিব পাৰে। dry state হোৱাৰ বাবে নাগালেণ্ডত হয়তো অফিচিয়েলী বিক্ৰী কৰিব নোৱাৰিব পাৰে কিন্তু ওচৰ পাজৰে থকা ঠাইবোৰত তেওঁলোকে যিকোনো উপায়েৰে বিক্ৰীৰ বাবে লৈ যায়। অৰুণাচলৰ পৰা পশ্চিম বংগ বা পশ্চিমবংগৰ পৰা যে অৰুণাচল আৰু মেঘালয়লৈ liquor পঠাব নোৱাৰিব তেনে নহয়। বাহিৰৰ মানুহে liquor বিক্ৰী কৰিবলৈ যেতিয়া অসমৰ কৰিডৰটো ব্যৱহাৰ কৰে, তেতিয়া তেওঁলোকে অৰুণাচলৰ নামত পাৰমিট উলিয়ায় আৰু তেওঁলোকে গুৱাহাটী বা গোলাঘাটত ড্ৰপ কৰে। এনেকৈ ড্ৰপ কৰাৰ ফলত অসম চৰকাৰে এক টকাৰো ৰাজহ সংগ্ৰহ কৰিব নোৱাৰে। এই ক্ষেত্ৰত এক্সাইজৰ ফালৰ পৰা control কৰাৰ বাবে আজি আমি চেষ্টা কৰি আছো। কিছুদিন

আগত ordinanceৰ যোগেদি যেতিয়া transit পাচৰ কথা কৈছিলো তেতিয়া আমি দেখিবলৈ পালো যে যিসকল লোকে এনেধৰণৰ কাম কৰে তেওঁলোক এতিয়া চিন্তাত পৰিছে। আগতে এক্সাইজ বা পুলিছে ধৰিলেহে ধৰা পৰে নধৰিলে তেওঁলোক ওলাই গুছি যায়। মাননীয় উপাধ্যক্ষ মহোদয় তেওঁলোকে আমাৰ ইয়ালৈ যদি liquor পঠায় তেন্তে আমাৰ আপত্তি নাই, কিন্তু বেলেগ ৰাজ্যলৈ আমাৰ কৰিদৰ ব্যৱহাৰ কৰি পঠাবলৈ হ'লে তেন্তে তেওঁলোকে আমাৰ কমিশ্যনাৰক আগতীয়াকৈ transit pass উলিওৱাৰ বাবে লিখিব লাগিব। Online যোগেও transit pass উলিয়াব পাৰি। তেতিয়া কমিশ্যনাৰে এই transit pass খনক bordering district লৈ যোৱাৰ বাবে অনুমতি প্ৰদান কৰিব। এই ক্ষেত্ৰত আমি কোনোধৰণৰ ফীজ ধাৰণ কৰি দিয়া নাই। কেৱল মাত্ৰ illegal transportation বন্ধ কৰাৰ বাবে এনে পদক্ষেপ হাতত লৈছো। মাননীয় সদস্য শ্ৰী ভৰত নৰহ ডাঙৰীয়াই সংশোধনী আনিছে - "In sub-clause 2 of Clause 4 of the proposed Bill in between the punctuation mark coma and word failed appearing in line. i.e transport owner shall be inserted". আমি চিন্তা-চৰ্চা কৰি লিখিছিলো যে - In case the consigner, driver or the transporter fails to comply with the provisions of sub section-1 above they shall be liable for penalty and prosecution as per of the Act. যিগৰাকীয়ে consignment টো পঠাব আৰু যিগৰাকী চালক থাকিব, দুইগৰাকীৰে দায়িত্ব থাকিব। Transporter এজনে চিন্তা কৰিব কাৰ বস্তু ল'ব বা কাৰ নল'ব। Transporter য়ে যেতিয়া মালিকৰ পৰা গাড়ীখন ভাড়াত লয়, তেতিয়া তেওঁ মালিকৰ কথা চিন্তা নকৰে আৰু Transporter য়ে বেয়া কাম কৰিলে মালিককো ধৰিব লাগিব। সেইকাৰণে গাড়ীৰ মালিক গৰাকীৰ কথা আমি লিখি দিয়া নাছিলো। কিন্তু আপোনালোকে যদি ভাৱে যে গাড়ীৰ মালিকৰ কথা অন্তৰ্ভুক্ত কৰিলে বেছি ষ্ট্ৰং হ'ব তেন্তে আমাৰ কোনো আপত্তি নাই। ড্ৰাইভাৰৰ কথাটো দিয়াৰ পিছত গাড়ীৰ মালিকৰ কথাটো আঁচলতে নিদিলেও হয়। ঠিক আছে, মাননীয় সদস্য শ্ৰী ভৰত নৰহ ডাঙৰীয়াই কোৱা ধৰণে driver ৰ পিছত "owner of the vehicle" আমি অন্তৰ্ভুক্ত কৰি দিব পাৰো।

**শ্ৰী ভৰত নৰহ (নাওবৈচা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, Cattle Bill ৰ amendment ত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আজি কৈছে যে, যিখন গাড়ীৰে গৰু অনা হয় সেই গাড়ীখন মানুহে জ্বলাই দিয়ে। সেইকাৰণে চৰকাৰে এতিয়া গাড়ীখন জব্দ কৰি চৰকাৰী ভাৱে বিক্ৰী কৰিব। গৰু অনাৰ বাবে যদি গাড়ীখন বিক্ৰী কৰিব পাৰে তেন্তে মদ অনাৰ বাবে আমি গাড়ীৰ মালিকক কিয় পেনাল্টী লগাব নোৱাৰো। আপুনি Consigner, Transporter আৰু driver ৰ ক্ষেত্ৰত পেনাল্টী লগাইছে কিন্তু vehicle owner ৰ নামত একো কথা ইয়াত নাই।

**মাননীয় উপাধ্যক্ষ ঃ** তেওঁ বিচাৰিছে যে Cattle Bill ৰ সংশোধনীত কোৱা ধৰণে গৰু অনা গাড়ীখন জব্দ কৰি চৰকাৰে যিদৰে নিলামী কৰিব। ঠিক তেনেধৰণে মদ অনা গাড়ীখনৰ প্ৰতি চৰকাৰে একশ্যন নলয় কিয়?

**শ্ৰী দূৰ্গা দাস বড়ো (কলাইগাঁও)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এইখিনিতে কথা এটা ক'ব বিচাৰিছো, ভৰত নৰহ ডাঙৰীয়াই শুদ্ধ কথাই কৈ আছে। Transporter য়ে negligence কৰিব পাৰে ঠিকেই কিন্তু মালিক সকল যদি জড়িত হৈ থাকে তেন্তে তেওঁলোকৰ ভয় এটা থাকিব।

লগতে মই মাননীয় মন্ত্ৰী মহোদয়ক ক'ব বিচাৰিছো যে, আপোনালোকে কৰোণাৰ ফলত প্ৰত্যেক খুচুৰা ব্যৱসায়ীৰ পৰা বেছি দামত কিনিব দি ৪ লাখ, ১০লাখ, ২০ লাখ, ৩০ লাখকৈ জমা

লৈছিল। কিন্তু সেইখিনি খুচুৰা ব্যৱসায়ীসকলক আপোনালোকে ৰিটাৰ্ণ দিয়া নাই। এই বিষয়েও এষাৰ কৈ থ'লে ভাল পাম।

**শ্ৰী পৰিমল শুক্লবৈদ্য (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমি "owner of the vehicle" অন্তৰ্ভুক্ত নকৰাৰ মূল কাৰণ হ'ল- এজন মানুহে গাড়ী কিনি গাড়ীখন Transporter ক দি দিয়ে আৰু গাড়ীখনৰ মালিক হয়তো এজন ভদ্ৰ মানুহো হ'ব পাৰে যিয়ে source of income ৰ বাবে গাড়ীখন Transporter ক দিয়ে। এনেধৰণৰ কথাবোৰ চিন্তা কৰিয়েই আমি দিয়া নাছিলো। আমি Consignment টো ধৰিলে তাৰ লগত জড়িত সকলোৰে সাঙোৰ খাব। ইয়াৰ পিছতো যদি আপোনালোকে ভাৱে যে "owner of the vehicle" লিখিব লাগে তেন্তে "Transporter" and "owner of the vehicle" অন্তৰ্ভুক্ত ৰখাত আমাৰ কোনো আপত্তি নাই। আনহাতে মাননীয় সদস্য শ্ৰী দূৰ্গা দাস বড়ো ডাঙৰীয়াই কোৱাৰ দৰে আমি জমা লোৱা টকা কেইখন মান ঠাইত ৰিটাৰ্ণ কৰিছো আৰু বাকীখিনি পৰ্য্যায়ক্ৰমে দি থকা হৈছে।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী ভৰত নৰহ ডাঙৰীয়াৰ সংশোধনীটো গ্ৰহণ কৰা হ'ল। এতিয়া মই সংশোধনীটো সদনত দাঙি ধৰিলো।

"In sub-clause 2 of Clause 4 of the proposed Bill in between the puncuation mark coma and word failed appearing in line. i.e transport owner shall be inserted".

**শ্ৰী দেবব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, Transport Agency বুলি ক'লে ভাল হয় কিয়নো বহুতো owner য়ে Agency ক Agreement কৰি দিয়ে আৰু Agency য়ে পইচা দিয়ে। সেয়েহে Transport Agency ক জড়িত কৰিব পাৰিলে ভাল হয়।

**শ্ৰী পৰিমল শুক্লবৈদ্য (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, Transporter ৰ কথা ইতিমধ্যে আছেই।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া বিধেয়কখনৰ ২ নং আৰু ৩ নং দফাত কোনো সংশোধনী নাই। এতিয়া বিধেয়কখনৰ ২ নং আৰু ৩ নং আৰু ৪নং দফা বিধেয়কখনৰ অংশ হ'ব।

যি সকল মাননীয় সদস্য /সদস্যা দফাটোৰ সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো 'হয়ৰ সপক্ষে, 'হয়ৰ সপক্ষে, 'হয়ৰ সপক্ষে, বিধেয়কখনৰ ২ নং আৰু ৩ নং আৰু ৪নং দফা বিধেয়কখনৰ অংশ হ'ল। এতিয়া বিধেয়কখনৰ ৫নং ৰ পৰা ৯ নং দফাত এই কেইটাত সংশোধনী প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়কখনৰ ৫নং ৰ পৰা ৯ নং দফাটো সদনৰ মজিয়াত দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল-

৫নং ৰ পৰা ৯ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।

যি সকল মাননীয় সদস্য /সদস্যা দফাটোৰ সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো 'হয়ৰ সপক্ষে, 'হয়ৰ সপক্ষে, 'হয়ৰ সপক্ষে, ৫নং ৰ পৰা ৯ নং দফাটো বিধেয়কখনৰ অংশ হ'ল। বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম পৰিসৰ নাম আৰু আৰম্ভণ কোনো সংশোধনী প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়ককনৰ ১নং দফা সংক্ষিপ্ত নাম পৰিসৰ নাম আৰু আৰম্ভণ সদনত দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল-

বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব।

যি সকল মাননীয় সদস্য /সদস্যা দফাটোৰ সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো 'হয়ৰ সপক্ষে, 'হয়ৰ সপক্ষে, 'হয়ৰ সপক্ষে,

বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল।

**কাৰ্য্যসূচী নং ৭ (গ)**

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় আৰকাৰী মন্ত্ৰী বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী পৰিমল শুক্লবৈদ্য (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, The Assam Excise (Amendment) Bill, 2021 with amendment পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া মই সদনত প্ৰস্তাৱটো অনুমোদৰ বাবে সদনত দাঙি ধৰিলো। The AssamExcise (Amendment) Bill, 2021 পাৰিত কৰা হওঁক।

যি সকল মাননীয় সদস্য /সদস্যা দফাটোৰ সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো 'হয়ৰ সপক্ষে, 'হয়ৰ সপক্ষে, 'হয়ৰ সপক্ষে, প্ৰস্তাৱটো পাৰিত কৰা হ'ল। বিধেয়কখনো পাৰিত কৰা হ'ল।

**মাননীয় উপাধ্যক্ষ** ঃএতিয়া কাৰ্য্যসূচী নং ৮। মাননীয় নগৰ উন্নয়ন মন্ত্ৰী The Assam Municipal (Third Amendment) Bill, 2021 বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী অশোক সিংহল (মন্ত্ৰী)**ঃ মাননীয় উপাধ্যক্ষ মহোদয়, The Assam Municipal (Third Amendment) Bill, 2021 দফাই দফাই বিবেচনা কৰাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া মই সদনত প্ৰস্তাৱটো দাঙি ধৰিলো, The Assam Municipal (Third Amendment) Bill, 2021 বিবেচনাৰ বাবে লোৱা হওঁক।

যি সকল মাননীয় সদস্য /সদস্যা দফাটোৰ সপক্ষে আছে তেখেতসকলে কওঁক হয়, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো 'হয়ৰ সপক্ষে, 'হয়ৰ সপক্ষে, 'হয়ৰ সপক্ষে, প্ৰস্তাৱটো গৃহীত হ'ল।

**মাননীয় উপাধ্যক্ষ** ঃ কাৰ্য্যসূচী নং ৮ (খ) বিধেয়কখনৰ ২ নং দফাত মাননীয় সদস্য শ্ৰী ভৰত চন্দ্ৰ নৰহ, শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, শ্ৰী মিস বাহুল ইছলাম লস্কৰ, শ্ৰী হাফিজ বছিৰ আহমেদ, শ্ৰী চিৰাজউদ্দিন আজমল, শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ), শ্ৰী ৰফিকুল ইছলাম, শ্ৰী নজৰুল হক, শ্ৰী নিজানুৰ ৰহমান, শ্ৰী নিজাম উদ্দিন চৌধুৰী, শ্ৰী চুজাম উদ্দিন লস্কৰ, শ্ৰী আমিনুল ইছলাম (কনিষ্ঠ), শ্ৰী মজিমুৰ ৰহমান, শ্ৰী কৰিম উদ্দিন বৰভূঞা, শ্ৰী চামচুল হুদা, শ্ৰী আশ্ৰাফুল হুছেইন, শ্ৰী জাকিৰ হুছেইন লস্কৰ, শ্ৰী আব্দুল আজিজৰ নামত এটা মুঠ তিনিটা সংশোধনী আছে এতিয়া মই মাননীয়

সদস্য শ্ৰী ভৰত চন্দ্ৰ নৰহ, শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, শ্ৰী মিসবাহুল ইছলাম লস্কৰ, শ্ৰী হাফিজ বছিৰ আহমেদ, আৰু সহযোগী সদস্য ১৪ জন আপোনালোকৰ সংশোধনী প্ৰস্তাৱ তিনিটা উত্থাপন কৰিবলৈ আৰু বক্তব্য ৰাখিবলৈ অনুৰোধ জনলো।

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, The Assam Municipal (Third Amendment) Bill, 2021, I beg to move in the Provision of clause 2 of the propose bill the word change appearing in the last line shall be substituted by the word five. উপাধ্যক্ষ মহোদয়, আমাৰ Municipal Election ৫ বছৰৰ মূৰে মূৰে হয়, অসম বিধান সভাৰ Election হয় ৫ বছৰৰ মূৰত। পঞ্চায়ত Election ও ৫ বছৰৰ মূৰে মূৰে হয়। এতিয়া যিটো SC/ST ৰ কাৰণে reservation যদি ১০ বছৰৰ মূৰত লটাৰী হয় , তেতিয়া বস্তুটোৰ খেলি-মেলি হয়। আমি বিচাৰিছো লটাৰীটো ৫ বছৰৰ কাৰণে হয় নেকি? ৫ বছৰৰ মুৰে মুৰে যাতে SC/ST ৰ কাৰণে লটাৰীটো হয়। তেতিয়া ৰাইজ সুখী হ'ব। আমাৰ বৰ্তমান Municipal ৰ revenue কালেকশ্যন কৰিবলৈ খুব টান হৈছে। আমাৰ ইলেকশ্যনটো হোৱা নাই, Excutive officer য়ে চলাই আছে। যিটো মনোনিৰেশ দিব লাগিছিল, সেইকাৰণে আমাৰ revenue কালেকশ্যনটো কম হৈ আছে। মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম, সোনকালে Municipal ৰ Election টো কৰি দিব লাগে। এইখিনিয়ে মোৰ ক'বলগীয়া।

**শ্ৰী আশ্ৰাফুল হুছেইন (চেঙা)** ঃ Sir, I wish to beg in the provision of the Clause 2 of the of the propose Bill, the words '10' years appearing in the last line shall be substituted by the words 'election'. আমাৰ আগৰ সদস্য গৰাকীয়ে কৈ যোৱা ধৰণে যি reservation ৰ কথা কোৱা হৈছিল। আমি মই ভাবো ৫ বছৰৰ পিছে পিছে লটাৰী যোগে কৰা হওঁক। এইখিনিয়ে মোৰ ক'বলগীয়া।

**শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী (যোৰহাট)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ চৰকাৰলৈ এটা উপদেশ হে আছে। মই যিটো বুজিছো, মোৰ ভুলও হ'ব পাৰে আমাৰ যিখন The Assam Municipal (Third Amendment) Bill, 2021, বিল আনিছে, ৰাজ্যখনৰ পৌৰ সভাৰ বৰ্তমানে থকা ৫০ শতাংশ মহিলা সংৰক্ষণৰ ম্যাদ। একেৰাহে সমষ্টিটো ১০ বছৰ কাৰণে বৃদ্ধি কৰিব লাগে। সেইটো মূল কথা। আমাৰ Statement আৰু objective ত দুয়োটা কথাহে উল্লেখ কৰা হৈছে। এনেকুৱা ব্যৱস্থাই গণতান্ত্ৰিক নিৰ্বাচনী প্ৰক্ৰিয়াত মহিলা সকলক বেছি উৎসাহিত কৰিব আৰু পৌৰ সভাত ৰূপায়ণ কৰা আঁচনি সমূহে বহনশীল আৰু স্থায়িত্ব ৰক্ষাৰ ক্ষেত্ৰত সহায় কৰিব। সেয়েহে মই ভাবো object যিটো আছে সেইটো ঠিকে আছে। কিন্তু এটা কথা ক'ব বিচাৰিছো যে, ২০ খন আসনৰ বাবে যদি ১০ বছৰৰ কাৰণে যদি মহিলা সকলৰ বাবে আসন সংৰক্ষিত হয় । যিটো আগতে ৫ বছৰৰ মূৰে মূৰে সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছিল। বাকী থকা ১০খন আসনৰ কাৰণে মহিলা হ'লে পুৰুষ সকলৰ লগতে যুজিব লাগিব। ১১ পৰা ১০ মহিলাৰ কাৰণে ৰাখো বা ১০ ৰ পৰা ২০ লৈ general ৰ কাৰণে ৰাখো, সেই কথাটো কেনেকৈ কৰিব পাৰি, তাৰ বিষয়ে মই অকনমান উপায় এটা ভাৰিছো, মই এটা পৰামৰ্শ দিব খুজিছোঁ, আমাৰ যেতিয়া প্ৰথম parliament ত সংবিধান হৈছিল, তেতিয়া Schedule Caste & Schedule Tribe ৰ যিটো reservation, মোৰ যদি ভুল হোৱা নাই ১০ বছৰৰ কাৰণে ৰাখিছিল। কিন্তু ১০ বছৰ আমি বঢ়াইছিলো কিয়, সেই মানুহখিনিক ওপৰলৈ আনিব পৰা নাই। সেই মানুহখিনি বৰ্তমানৰ যিটো status লৈ আনিব লাগে, এই মুহূৰ্ত ভাৰতবৰ্ষত

তেখেতসকলক সেইটো status লৈ আনিব পৰা নাই কাৰণে মানুহখিনি আৰু অকনমান আগবাঢ়ক, সেই বস্তুটোকে ভাবি প্ৰত্যেক দহ বছৰৰ মূৰে মূৰে parliament সংশোধন কৰি, কৰি আছে। এতিয়া যিটো দহ বছৰ প্ৰথম কেইখন হ'ব, পিছৰ দহ বছৰ হ'ব বাকী আসনখিনিৰ কাৰণে। আজি যেনেকৈ parliment ত আছে দহ বছৰৰ মূৰত review হ'ব, ২০ বছৰৰ মূৰতো মহিলাখিনিক স্বৰলীকৰণ হৈছে নে নাই, নহলে আকৌ extend হ'ব, তেনেকুৱা এটা কৰিব পাৰিলে বেয়া নহয় বুলি মই ভাবোঁ। যদি continuously দহ বছৰ দহ বছৰ থাকে, পিছলৈ অসুবিধাৰ এটা সৃষ্টি হ'ব পাৰে, মোৰ সেই কাৰণে পৰামৰ্শ এটা আছে। বাকী বিলখন পাছ হ'ব লাগিব, বিলখনৰ প্ৰতি মোৰ সমৰ্থন আছে। মই বিলখনত সংশোধনী কৰিবলৈ যোৱা নাই। মই মাত্ৰ এটা পৰামৰ্শ দিছো যাতে এনেকুৱা ধৰণে যদি আগবঢ়াই ল'ব পাৰো বেয়া নহয় নেকি, সেই, চাব পাৰে।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰীঅশোক সিংহল (মন্ত্ৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা ইত্যাদি)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এই যিটো সংশোধনী অনা হৈছে, ইয়াৰ মূল উদ্দেশ্য হ'ল স্বায়ত্ব, stability in urban local bodies। আজি দেখা যায় যে ৫ বছৰৰ কাৰণে মহিলা হ'ল আৰু মহিলা হোৱাৰ পিছত সকলোৰে জানে অহা ৫ বছৰৰ পিছত এই ward টোত পুৰুষ হৈ যাব। গতিকে জিকাৰ পিছতে তেওঁলোকৰ মনত ভাৱ আহে যে অহা পাচঁ বছৰৰ পিছত এই ward টো নিৰ্বাচন খেলিব নোৱাৰিম। পুৰুষৰ চিট দহ বছৰৰ কাৰণে যদি reserve কৰি নিদিয়ে, মহিলাৰ চিট যদি দহ বছৰৰ কাৰণে reserve কৰি নিদিয়ে, তেতিয়া কি হয় তেখেতে জানিব যে এই চিটটো অহা বাৰৰ কাৰণে মহিলাৰ কাৰণে নাথাকে, পুৰুষৰ হৈ যাব। তেতিয়া stability টো নাথাকে। (... হুলস্থুল....)

ইয়াত কোনো বেলেগ কথা নাই, বহুত আলোচনা বিলোচনাৰ পিছত এই সিদ্ধান্তটো হৈছে যে দহ বছৰৰ কাৰণে যদি এইটো কৰা যায়, আজি বিধান সভাতো SC sit ৰ reservation ৰ আছে। গতিকে মহিলাৰ কাৰণে ৫০ শতাংশ আসন reserve কৰি দিয়াৰ পিছত মহিলা যেন এইবাৰ নিৰ্বাচন খেলাৰ পিছতো অহা বাৰো তেখেতে থাকিব, কমাত ভালকৈ নিয়োগ কৰে। নহলে Municipal বোৰত দেখা যায় যে টিকত হোৱাৰ পিছতে জানে যে অহা বাৰ আমি টিকত নাপাম, পঞ্চায়তোতো একে আছে। জানে যে এইবাৰ য'ত মহিলা আছে, তাতে অহাবাৰৰ কাৰণে পুৰুষ হ'ব। এই যিটো প্ৰক্ৰিয়া আছে, ইয়াৰ এটা progressive view এটা ল'ব লাগে। মই ভাবো যে এই প্ৰস্তাৱটোৱে stability টো আনিব।

(.. হুলস্থুল)

মাননীয় উপাধ্যক্ষ মহোদয়, মহিলাৰ কাৰণে 50 % reserve হৈ গ'ল আৰু বাকীখিনি open হৈ গ'ল। তাতে মহিলা আৰু পুৰুষ দুয়োটাই খেলিব পাৰে। আৰু যিটো কৈছে এজন মহিলাই তাতে থাকিব লাগিব, ward ৰ ক্ষেত্ৰত আপুনি এই ward ত থাকিলে বুলিয়ে, এই ward ত খেলিব পাৰিব বুলি একো কথা নাই। বেলেগ এটা ward ত গৈ নিৰ্বাচন খেলিব পাৰে। পঞ্চায়তৰ ক্ষেত্ৰত যিটো আছে যে সেই পঞ্চায়তৰে হ'ব লাগিব, ward ৰ ক্ষেত্ৰত Municipal election ৰ এই যুক্তিটো নাখাটে আৰু এই যিটো আছে, দহ বছৰ কৰিলে stability আহিব, অহাৰ পিছতে কাম নহয়, অনাস্থা হৈ থাকে, এই গোটেই stability টো ভাল হ'ব লাগে, সেই কাৰণে দহ বছৰ কৰা হৈছে। মই ভাৱো আলোচনা বিলোচনাৰ মাধ্যমত এইটো কৰা হৈছে। এইটো progressive thought reform ৰ agenda ।আমি ৰাতিপুৱাই কৈছো যে reform আমি বহুখিনি কৰিলো। online trade license ৰ কথা ৰাতিপুৱা কৈছো, আকৌ repeat নকৰো। সেইটো বিভাগক

Ministry of Housing & Urban Affairs য়ে বহু বছৰৰ পৰা 51 reform কৰিব দিছিলে, এই reforms 1 ভিতৰত 48 reforms কৰি দিলো, তিনিটা reforms বাকী আছে, যিটো হ'ল- Digitalisation of property taxes of all Municipal Board of Assam, Public Master Plan of Towns of Assam & Online Building Plan with Auto Scrutiny System.

আমি Municipal cader বনোৱাৰ কাৰণে Municipal Administrative Service, Municipal Engineering Service & Municipal Finance Service এই service বিলাকো constitute কৰি আছো। অহা দিনবোৰ আপোনালোকে এই reforms বোৰো দেখিবলৈ পাব। মই ভাৰো যে This is progressive thought, যে stability আহিব লাগে, নহলে পাচঁ বছৰ জিকাৰ পিছত জানে যে অহা পাচঁ বছৰ মই নাহো, Mayor জনকো তেখেতে নামানা হয়, বাকী কথা নুশুনা হয়। তেখেতে জানে যে পাচঁ বছৰ পিছত মই টিকত নাপাওঁ। গতিকে This is progressive thought, accountibility বাঢ়িব।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰী শ্বেৰমান আলি আহমেদ (বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা ব্যাখ্যা যোগ কৰিব খূজিছো, মন্ত্ৰী মহোদয়ে যিটো কৈছে, ঠিকে আছে। কিন্তু তেখেতৰ explanation টো সন্তোষজনক নহ'ল। পুৰুষজনৰহে সমস্যা হয়। আচলতে হয়, পুৰুষজনে পাচঁ বছৰ খেলি অহা বছৰৰ কাৰণে সেই চিটতো মহিলাৰ কাৰণে reservation হ'ব, তেতিয়া বহুখিনি খেলিমেলি হয়।

মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছোঁ যে আমাৰ প্ৰাক্তন অধ্যক্ষ গোস্বামী ডাঙৰীয়াই যিখিনি পৰামৰ্শ দিছে, মই ভাৰো that is a very progressive think, যে after every 20 years subject to the scrutiny or revision of such requirement of reservation।

**শ্ৰীঅশোক সিংহল (মন্ত্ৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা ইত্যাদি)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় প্ৰাক্তন অধ্যক্ষ শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ডাঙৰীয়াই যিটো পৰামৰ্শ আগবঢ়াইছে যে review কৰিব লাগে। ৫০ শতাংশ মহিলাৰ কাৰণে সদায় reserve থাকিব। এইটোতো review কৰাৰ কাৰণে কোনো প্ৰশ্ন নুঠে। আমি যিটো কৰিছো দহ বছৰৰ কাৰণে কৰিছোঁ। So, let the things evolve, একবাৰ evolve হ'ব দিয়ক, যদি আমি দেখো যে এইটো নহয়, তেতিয়া হ'লে সেইটো পাঁচ বছৰ পিছতো আমি review কৰিব পাৰো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া মাননীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, শ্ৰী মিছ্বাহুল ইছলাম লস্কৰ, শ্ৰী হাফিজ ৰছিদ আহমেদ আৰু সহযোগী সদস্যসকল, আপোনালোকে সংশোধনী প্ৰস্তাৱ কেইটা প্ৰত্যাহাৰ কৰিবনে। (... হুলস্থুল... )

**শ্ৰী পিয়ুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াই কৈছে যে এইটো মহিলাসকলৰ under development ৰ কাৰণে কৰা নাই। আমি তেনেকুৱা দৃষ্টিভঙ্গিৰে অনা নাই। এইখন বিল কিয় অনা হৈছে । ইতিমধ্যে কৈছে যে ৫ বছৰৰ কাৰণে যদি কোনোবাই খেলে, গম পাই যে অহাবাৰ মই খেলিব নোৱাৰো, কাম বেয়াকে হয়। মই আগতে আৰবান ডেভেলপমেন্টৰ মন্ত্ৰী আছিলো , গতিকে মই জানো। সেইটোৰ কাৰণেহে অনা হৈছে, মই আকৌ কৈছো যে ইতিমধ্যে মহিলা অসমত ইতিমধ্যে uplift হৈয়ে

আছে। উপাধ্যক্ষ ডাঙৰীয়া শ্বেৰমান আলি ডাঙৰীয়াৰ সমষ্টিত টাউন কমিটী নাই।

**মাননীয় উপাধ্যক্ষ** ঃ- শ্বেৰমান আলি ডাঙৰীয়া এই প্ৰস্তাৱত আপোনাৰ নাম নাই, আপুনি Suggesion দিব খুজিছিল কাৰণে দিছিলো।

**শ্ৰী পিযুষ হাজৰিকা (মন্ত্ৰী)** ঃ- উপাধ্যক্ষ মহোদয় এখেতৰ সমষ্টিত টাউন কমিটী নাই। তেখেতে নাজানে, টাউন কমিটী থকা বিধায়ক সকল মনে মনে আছে। টাউন কমিটী থকা সকলে গম পায় কিমান গণ্ডগোল হয়। একবাৰ যদি গম পাই যায় যে মই আৰু অহাবাৰ খেলিব নোৱাৰো কাকো নামানা হৈ যায়। মই বিভাগটো চলাই মই ভোগী থৈছিলো। গতিকে সেইটোৰ কাৰণে কোৱা হৈছে যে, stability অনাৰ কাৰণে, মানুহ গৰাকীয়ে যাতে নাভাবে যে মই অহাবাৰ খেলিব নোৱাৰো। সেইটোৱে কোৱা হৈছে যে কোনো upliftment বা অন্য কথা কোৱা হোৱা নাই। আপুনি এনেয়ে সকলো কথাতে মাত নামাতিব।

( সদনত হুলস্থূল)

**মাননীয় উপাধ্যক্ষ** ঃ- এতিয়া মাননীয় সদস্য শ্ৰী ভৰত চন্দ্ৰ নৰহ, কমলাক্ষ দে পুৰকায়স্থ, মিছবাহুল ইছলাম লস্কৰ, হাফিচ ৰছিদ আহমেদ আৰু সহযোগী ১৪ জন সদস্যৰ আপোনালোকৰ সংশোধনীৰ প্ৰস্তাৱ কেইটা প্ৰত্যাহাৰ কৰিবনে ?

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)** ঃ- মাননীয় উপাধ্যক্ষ মহোদয় প্ৰত্যাহাৰটো কৰিবই লাগিব আলটিমেটলি। কাৰণ সংখ্যা আমি ইমান বেছি নহয়, সেয়ে প্ৰত্যাহাৰ কৰিবই লাগিব। কিন্তু মন্ত্ৰী মহোদয়ে যিটো justification দিলে ১০ বছৰৰ ঠাইত ৩০ বছৰ কৰিব লাগে। সেইটো যদি আপোনালোকে amendment নকৰে আমি ultimately withdraw কৰিব লাগিব। লগতে মোৰ এটা Suggesion আছিল, যে এতিয়া municipality ৰ আমাৰ বহুত অসুবিধা হৈছে। যেতিয়া নিৰ্বাচন হোৱা নাই, ৰেভিনিউ সংগ্ৰহ কম হৈ আছে। সোনকালে municipality ৰ নিৰ্বাচনটো পাতি দিয়ক নহলে আমাৰ বহুত অসুবিধা হৈ আছে। ইয়াৰ উত্তৰটো বিচাৰিছো।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) (ধিং)** ঃ- মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ দলৰ ফালৰ পৰা যিটো সংশোধনী দিয়া আছিল, প্ৰথম ৩৩ শতাংশ আছিল তাৰ পিছত এইখন হাউচতে Act বনাই ৩৩ শতাংশটো ৫০ শতাংশ কৰিলো, আৰু ৰোটেশ্যনত হৈ আছে। এইবাৰ ৫০ শতাংশ আৰু ৫ বছৰ পিছত বেলেগ পঞ্চায়ত কেইটাৰ হয়। এতিয়া যিকেইটা আন ৰিজাৰ্ভ হৈ থাকিল, যদি ১০ বছৰৰ কাৰণে কৰা হয়, বাকী ৱাৰ্ড বিলাকত কিন্তু মহিলা উপযুক্ত আছিল। পিছৰ ৫ বছৰত সুবিধা পাব লাগিছিল, তেওঁলোকে কিন্তু নাপাব। ১০ বছৰ ৰখি কোনোবাই হয়তো খেলিব নোৱাৰিব।

**মাননীয় উপাধ্যক্ষ** ঃ- মহিলাই সকলোতে খেলিব পাৰিব বুলি কৈছে মন্ত্ৰী ডাঙৰীয়াই, মহিলাই ১০০ শতাংশতেই খেলিব পাৰিব।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) (ধিং)** ঃ- মাননীয় উপাধ্যক্ষ মহোদয়, unreserved seat ত পাৰে। unreserved seat ত মহিলা জিকাটো অসুবিধা। যিয়ে নহওঁক মই ভাবো যে এইটো যিহেতু ৫ বছৰ কৰিলে justified হ'ল হয়, সেয়েহে এইটো ৰিভিজনত দিয়া হওঁক।

**মাননীয় উপাধ্যক্ষ** ঃ- এতিয়া সংশোধনী প্ৰস্তাৱকেইটা withdraw কৰিছেনে ?

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)** ঃ- withdraw কৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ- গতিকে সংশোধনী কেইটা প্ৰত্যাহাৰ কৰাৰ কাৰণে সদনৰ সন্মতি আছেনে ? আছে, সদনৰ সন্মতি সাপেক্ষে সংশোধনী কেইটা প্ৰত্যাহাৰ কৰা হ'ল। বিলখনৰ দফা নং ২ বিধায়ক

খনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য সদস্যা দফা কেইটাৰ সপক্ষে আছে,তেখেত সকলে কওঁক "হয়" যি সকল বিপক্ষে আছে কওঁক "নহয়" মই ভাৱো "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে, "হয়"ৰ ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ল। বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম পৰিসৰ আৰু আৰম্ভনত কোনো সংশোধনী প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়খনৰ ১ নং দফা সংক্ষিপ্ত নাম পৰিসৰ আৰু আৰম্ভন সদনত দাঙি ধৰিলো। প্ৰশ্নটো হ'ল বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম পৰিসৰ আৰু আৰম্ভন বিধেয়খনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য সদস্যা দফা টোৰ সপক্ষে আছে,তেওঁলোকে কওঁক "হয়" যি সকল বিপক্ষে আছে কওঁক "নহয়" মই ভাৱো "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে, "হয়"ৰ বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম পৰিসৰ আৰু আৰম্ভনত বিধেয়কখনৰ অংশ হ'ল।

কাৰ্য্যসূচী নং ৮ (গ) মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী অশোক সিংহল (মন্ত্ৰী)** ঃ- মাননীয় উপাধ্যক্ষ মহোদয়, 'The Assam Municipal (Third Amendment) Bill, 2021' পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ- এতিয়া মই প্ৰস্তাবটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল 'The Assam Municipal (Third Amendment) Bill, 2021' পাৰিত কৰা হওঁক। যিসকল মাননীয় সদস্য সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে, তেওঁলোকে কওঁক "হয়" যি সকল বিপক্ষে আছে কওঁক "নহয়" মই ভাৱো "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে, "হয়" ৰ প্ৰস্তাৱটো পাৰিত কৰা হ'ল, আৰু বিধেয়কখনো পাৰিত কৰা হ'ল।

এতিয়া কাৰ্য্যসূচী নং ৯ (ক) মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী 'The Guwahati Municipal Corporation ( Amendment) Bill, 2021' বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী অশোক সিংহল (মন্ত্ৰী)** ঃ- মাননীয় উপাধ্যক্ষ মহোদয়, 'The Guwahati Municipal Corporation ( Amendment) Bill, 2021. দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ- এতিয়া মই প্ৰস্তাবটো সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল 'The Guwahati Municipal Corporation ( Amendment) Bill, 2021 বিবেচনাৰ বাবে লোৱা হওঁক। যিসকল মাননীয় সদস্য সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে, তেওঁলোকে কওঁক "হয়" যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক "নহয়" মই ভাৱো "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে, "হয়" ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া কাৰ্য্যসূচী নং ৯ (খ ) বিধেয়কখনৰ ২নং দফাটোত সংশোধনীৰ প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়কখনৰ ২নং দফাটো সদনৰ মজিয়াত দাঙি ধৰিলো প্ৰশ্নটো হ'ল ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে, তেওঁলোকে কওঁক "হয়" যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক "নহয়" মই ভাৱো "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে, "হয়" ৰ সপক্ষে ২নং দফাটো বিধেয়কখনৰ অংশ হ'ল। বিধেয়কখনৰ ৩ নং দফাটো মাননীয় সদস্য শ্ৰী ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াৰ নামত দুটা সংশোধনী আছে। এতিয়া মাননীয় সদস্য শ্ৰী ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াক সংশোধনী প্ৰস্তাৱ দুটা উত্থাপন কৰিবলৈ আৰু প্ৰস্তাৱৰ ওপৰত বক্তব্য ৰাখিবলৈ আহ্বান জনালো।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওবৈচা)** ঃ- মাননীয় উপাধ্যক্ষ মহোদয়, মই ৪ টা সংশোধনী আনিছিলো, তাৰে এটা সংশোধনী মুভ নকৰো। গোটেইখিনি এতিয়া একেলগে গাম। মাননীয় উপাধ্যক্ষ মহোদয়, এটা সংশোধনী যিটো GMC, ৰ অনাস্থাৰ ক্ষেত্ৰত two third মেজৰিটি লাগে বুলি কৈছিল ।তাত আমি simple majority হ'ব লাগে বুলি মই আনিছিলো। কাৰণ মই move নকৰো কাৰণ মই পাৰ্টীৰ লগত আলোচনা কৰিলো। Hon'ble Speaker Sir, I beg to move in sub-clause (i) of clause 3 of the proposed Bill, the words "the State Government" appearing in line 2 shall be substituted by the words "State Election Commission". Sir, next I beg to move in sub-clause (ii) of clause 3 of the proposed Bill, the word "ten" appearing in line 3 shall be substituted by the word "five". Sir, I beg to move in proposed Clause 43(1) of Clause 7 of the proposed Bill, the words "by the Department of Housing and Urban Affairs" appearing in lines 4 & 5, the words "State Election Commission" shall be substituted. Sir, ইয়াত জি এম চি য়ে যিটো সংশোধনীৰ কাৰণে বিল আনিছে চৰকাৰে, ইয়াত কিছুমান প্ৰভিজনত আমাৰ Suport আছে, যেনে পেনেল প্ৰভিজন যিটো strengthen কৰিব বিচাৰিছে, আমাৰ তাত ক'বলগীয়া নাই, আমি সেইটো Suport কৰিছো। ৰাজ্যচৰকাৰে ৱাৰ্ডবিলাক বঢ়াবৰ কাৰণে যিটো চেষ্টা চলাইছে সেইটোত আমাৰ Suport আছে, আৰু Municipality Service Commission যিটো set-up কৰিব বিচাৰিছে, সেইটোত আমাৰ Suport আছে কিন্তু G.M.C ৰ যিটো নিৰপেক্ষতা আৰু autonony ৰ কাৰণে G.M.C ৰ গোটেই নিৰ্বাচনটো সংবিধানৰ article, 243ZA, এই মতে G.M.C ৰ নিৰ্বাচন বিলাক conduct কৰিব লাগে State Election Commission য়ে। এই কাৰণে G.M.C ত যিখিনি এতিয়া ward আপোনালোকে বঢ়াব বিচাৰিছে কিন্তু ইয়াত লিখিছে আমাৰ তাৰ কাৰণে Amendment আনিছো The State Government by notification in the official gazette shall determine the number of ward into which the city shall be devided. তাৰমানে Government য়ে determine কৰিব Ward কিমান হ'ব, কিমান হ'ব, কেনেকৈ হ'ব সেইটো Government য়ে determine কৰিব আপোনালোকে এই Amendment টো আনিছে, আমি কৈছো যে সেইটো Government য়ে কৰিব নালাগে। সেইটো State Election Commission য়ে কৰিব লাগে। এতিয়াতো ৩১ টা Ward আছে। আগতেতো ৬০ টা আছিল সেইটো নমাই ৩১ টা ward কৰিলে। আকৌ এই ৩১ টা Ward আপোনালোকে বঢ়াব বিচাৰিছে। যদি বঢ়াব খোজে সেইটো আমি State Election Commission ক দিব লাগে। সেইটো State Government ৰ duty নহয়। State Election Commission ৰ duty. তাৰ পাছত delimitattion ৰ কাৰণে আপুনি delimitation ৰ board এখন বনাব বিচাৰিছে। ইয়াত আপোনাকে 43 ত In the purpose of election of council to the Government may by order published in the Official Gazattee constituate a delimitation board with first member number by decided by the department of housing and urban affairs এতিয়া আমি কৈছো যে, এই delimitation board টো housing and urban affairs department ৰ

under ত থাকিব নালাগে। সেইটো আপোনালোকে আনিব লাগে, State Election Commission ৰ under ত। কাৰণ আমাৰ সংবিধানৰ article 243 Z M ত Election of the Municipalities. The Superintendent Direction and Control of the preparation of Elector Rules for and the conduct all elections to the Municipalities shall be detested in the State Election Commission rufer to in Article 246 K. আৰু সেইকাৰণে State Government য়ে State Election Commission ক দায়িত্বটো দিয়ক। কিমান ward হ'ব আৰু delimitation যিটো board বনাইছে State Election Commission ৰ juricdiction ৰ under ত আনক। এতিয়া ক'ৰোণা ভাইৰাছৰ কাৰণে GMC ৰ election টো, election পাতিবৰ নোৱাৰাৰ কাৰণে turm টো বঢ়াই দিয়া হৈছিল। কিন্তু গুৱাহাটী হাইকোৰ্টতত এগৰাকী গুৱাহাটীৰ নাগৰিক মীৰা বৰঠাকুৰ, তেওঁ PIL কৰিছিল। Election টো কেতিয়া পাতিব চৰকাৰে ক'ব লাগে। কোৰ্টে আপোনালোকৰ Additional Advocate General ক হাইকোৰ্টে সুধিলে election কেতিয়া পাৰিব। ২০২২ চনৰ এপ্ৰিল মাহ মানত পাতিম বুলি ক'লে, তেতিয়া কিন্তু হাইকোৰ্টে ক'লে যে oraly ক'লে ন'হ'ব। আপোনালোকে affidifit দিব লাগিব কোৰ্টক আৰু এই affidifit টোৰ তাৰিখ ৮ ডিচেম্বৰ আছিল তাত কি হৈছে মই গম পোৱা নাই। এইটো মাননীয় মন্ত্ৰীৰ পৰা জানিব বিচাৰিছো যে GMC Election কেতিয়া হ'ব আৰু Government এ কি reply দিছে কোৰ্টক। কিন্তু চাৰ, ক'ৰোণা ভাইৰাছটো ২০২০ চনৰ ২৩ মাৰ্চৰ পৰা lockdown টো আৰম্ভ হৈছে। Election আমি পাতিব নোৱাৰা হৈছো। কিন্তু GMC Board ৰ কাৰ্য্যকালটো ২০১৭ চনতে আগৰ কাৰ্য্যকালটো শেষ হৈছে আৰু তেতিয়া পৰা election টো হেৰা নাই। ২০১৮-১৯ চনত কোনো ক'ৰোণা ভাইৰাছ নাছিল। তেতিয়াও GMC Election টো নহ'ল আৰু GMC ত যিটো Commissioner আছে আৰু আগতে ইয়াত councillor আছিল। এতিয়া সংবিধান মতে, GMC এলেকাৰ development ৰ কাৰণে GMC ক involve কৰিব লাগে। GMC Commissioner Office আৰু Councillor সকলক। কিন্তু Guwahati GMC ৰ ভিতৰত যিটো জলজীৱন আৰু আৰবান মিছনৰ যিটো প্ৰজেক্ট হৈছিল, প্ৰায় কেইবা বছৰো হ'ল আৰু এটা Smart City আৰম্ভ হৈছে, তাত GMC Commissioner Officer সকলক involve কৰা নাই আৰু আগত Councillor কো জলজীৱনৰ যিটো আৰবান মিছন প্ৰজেক্টত তাত councilor সকলক involve কৰা নাই। তাৰ সলনি কি কৰিছে আপোনালোক চৰকাৰে power টো GMC ক নিদি department য়ে নিজৰ হাতত ৰাখিব বিচাৰিছে আৰু নিজৰ হাতত ৰাখি আপোলোকে কি কৰিছে যে GMC ক power নিদি councillor ক নিদি Line Department ৰ যোগেদি আপোনালোকে কামবিলাক কৰাই আছে, যিমান ইয়াত কাম হৈ আছে। GMC Commissioner য়ে এতিয়া আমাৰ ইয়াত এতিয়ালৈকে এই সংক্ৰান্তত আমাৰ ইয়াৰ functioning ৰ ওপৰত যিটো Assam State Finance Commission এটা, দুটা, চাৰিটা পাচঁটা হৈ গ'ল তাত আপোনালোকে GMC ৰ Functioning কেনেকুৱা হৈছে, এই report বিলাকত আছে। Assam State Finance Commission. এক, দুই, তিনি, চাৰি হৈ গ'ল এইটো পাঁচ নম্বৰ। পাঁচ নম্বৰত আপোনাৰ ইয়াত যিটো summery of recommendation Govrnment of Assam ৰ finance ৰ action taken report, ইয়াত যিটো Assam State Finance Commission য়ে

কৈছিল, The annual technical inspection report of the Accountant General Audit of Local Bodies for the 2011-12 reveal date the activities check to have been transferred to the PRI are still bring performe by the authorities of the line department without associating PRI. সেইটো Assam State Finance Commissioner পঞ্চম ৰিপোৰ্ট হয় এইটো। ইয়াৰ অৰ্থ এইটো হ'ল সংবিধানত যেতিয়া পঞ্চায়ত গঠন কৰাৰ পাছত, মিউনিচিপালিটি গঠন কৰা পাছত, পঞ্চায়তক এইযে ১৮ টা ১৬ টা ডিপাৰ্টমেণ্ট দিব লাগে, 11 schedule ত লিখা আছে পঞ্চায়তক দিব লাগে আৰু ১৮ টা ডিপাৰ্টমেণ্ট 12 schedule ত লিখা আছে, মিউনিচিপালিটিক দিব লাগে। কিন্তু এই 12 schedule ত ১৮ টা ডিপাৰ্টমেণ্ট এতিয়ালৈকে GMC ক চৰকাৰে handover কৰা নাই। মাত্ৰ কিছুমান বাচি বাচি দুই-তিনিটাহে কৰিছে। সংবিধানত 12 schedule ত থকা ডিপাৰ্টমেণ্ট বিলাক GMC ক handover নকৰে আৰু ইয়াত Smart City বা জলজীৱন মিছন বা আৰবান মিছন স্কীম বিলাকত যদি GMD ক যদি involve নকৰে আপোনালোকে কিছুমান paralley কাম কৰি আছে। যে GMC ত কে চৰকাৰে বিচাৰে GMD ৰ দ্বাৰা কাম বিলাক হ'ব লাগে। কাৰণ GMD ৰ দ্বাৰা কাম হ'লে চৰকাৰৰ হাতত থাকিব, মন্ত্ৰীৰ হাতত থাকিব, চৰকাৰৰ হাতত থাকিব। GMC ক দিলেতো, GMC বেলেগ। GMC Autonomous Body, চৰকাৰে সেইকাৰণে GMC দিব নুখুজে। Line Department ৰ যোগেদিয়ে স্কীম বিলাক, প্ৰজেক্ট বিলাক লৈ থাকিব খোজে। সেইকাৰণে যিটো purpose ত চৰকাৰে GMC কৰা হৈছে যে নিয়ম মতে অন্যৰাজ্য বিলাকত মেয়ৰ, আমাৰ আগতে যিটো মেয়ৰ আছিল, ডেপুটি মেয়ৰ অন্যান্য দেশবিলাকত ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী যেতিয়া এখন দেশলৈ আহে এয়াৰপৰ্টত মিনিষ্টাৰ নাযায়, আমাৰ ইয়াতহে মিনিষ্টিৰ যায়। অন্য দেশবিলাকত মেয়ৰ যায়। মেয়ৰটো ইমান গুৰুত্বপূৰ্ণ পদবীত আছে, তেওঁৰ মৰ্য্যদা আছে। মেয়ৰে ৰাষ্ট্ৰপতিক, প্ৰধান মন্ত্ৰীক এয়াৰপৰ্টত received কৰে অন্য দেশত। আমাৰ ইয়াতো মেয়ৰে এয়াৰপৰ্টত পাট্টাই নাপায়। বিজেপি চৰকাৰ হোৱা অকল ছয়মাহ হ'লহেতেন, মই ন'কলোহেতেন। বিজেপি চৰকাৰ ছয়মাহ নহয়, পাচঁ বছৰ ছয়মাহ হৈছে। সংসদীয় পৰিক্ৰমা মন্ত্ৰী শ্ৰী পিয়ুষ হাজৰিকা ডাঙৰীয়াই সদায় পাহৰি যায় যে বিজেপি চৰকাৰ মাত্ৰ ছয়মাহ হৈছে, মুখ্যমন্ত্ৰী ডাঙৰীয়ায়ো কেতিয়াবা পাহৰি যায়। মোৰ ছয় মাহত বুলি কয়। ছয়মাহ নহয়, আপোনালোকৰ পাচঁ বছৰ ছয়মাহ হৈছে। পাচঁ বছৰ ছয়মাহ enough time. সেইকাৰণে আমাৰ নতুন যিটো Urban Housing Minister, সিংঘল ডাঙৰীয়া আপুনি বহুত অভিজ্ঞ মানুহ, আপোনাৰ কাৰ্য্যকালতে 11 schedle ৰ গোটেই power বিলাক পঞ্চায়তক আৰু 12 schedule ৰ গোটেই ডিপাৰ্টমেণ্ট বিলাক Municipality ক আপুনি handover কৰক ।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনালোকে Chair ক point কৰি ক'ব।

**শ্ৰী ভৰত নৰহ (নাওঁবৈচা) ঃ** মাননীয় উপাধ্যক্ষ মহোয়ক মই এইটো অনুৰোধ কৰিছো আপোনাৰ যোগেদি আৰু ইয়াতো 10 years টো মই আনিছো। ইয়াত ইতিমধ্যে Municipality Act ত 10 years টো কৰিছে। 10 years টো আমি পাচঁ বছৰ হোৱাটো বিচাৰিছো। এইটো সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে যিখিনি কৈছে তাৰ ফৰেও কথা ক'ব পাৰে, against তটো ক'ব পাৰে যে পাচঁ বছৰৰ পাছত আমি উঠিবগৈ নোৱাৰিম, সেইকাৰণে আমি এই পাচঁ বছৰে যি কৰিব লাগে কৰি লওঁ। পিছতটো টিকতো নাপাওঁ উঠিবও নোৱাৰিম কাৰণ চিটটো reserve নহয় যেতিয়া। তাৰমানে

মই উঠিব নোৱাৰিম সেইবুলি ভাবি পাৰে কিন্তু সেইটো নহয়, তেওঁ কিন্তু বেলেগ সেই reserve sit ত নহয় বেলেগ চিটটো উঠিব পাৰে। মহিলাৰ কাৰণে সকলো খোলা আছে। সেইটোত ফৰেও কথা ক'ব পাৰে, against তটো ক'ব পাৰে। কিন্তু এইযে ইয়াত সংবধানত যিটো লিখা আছে সেইটো ভালকৈ পঢ়ি চাব 243 A. ইয়াত এটা বস্তু আছে rotation, পাচঁ বছৰ যে কৰে, তাৰমানে পাচঁবছৰৰ মূৰে মূৰে rotation হ'ব লাগে। যদি continous ১০ বছৰ বুলি কয় তেতিয়া mimium of the rotation valueless হৈ যায়। Rotation শব্দটো value নোহোৱা হৈ যায়। Rotation আকৌ পাচঁ বছৰৰ মূৰত পাব নহয়। পাচঁ বছৰৰ মূৰে মূৰে। ১০ বছৰ continous কৰা মানে rotation ৰ ওপৰত rotation শব্দটো ৰাখি লাভ নাই। ১০ বছৰ কৰি দিলো । কিন্তু সংবিধানত কৈছে এইটো rotation পাচঁ বছৰৰ মূৰে মূৰে। চাৰ, মোৰ amendment ৰ support ত এই কথাখিনি কৈছে।

**মাননীয় উপাধ্যক্ষঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী অশোক সিংহল (মন্ত্ৰী, নগৰ উন্নয়ন ইত্যাদি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় সদস্য ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াই State Election Commission ৰ যি কথা উলিয়াইছে, GMCৰ নিৰ্বাচনটো State Election Commission হে পাতিব, আমি নাপাতো। আনহাতে, Delimitation টো Election Commission ক দিয়াৰ যি কথা ক'লে, সেই ক্ষেত্ৰত মই কওঁ যে Delimitation কৰাটো Election Commissionৰ কাম নহয়। Election Commission ৰ কাম হ'ল- draft Rule বনাই প্ৰকাশ কৰা, নিৰ্বাচন পাতি ৰিজাল্ট ঘোষণা কৰা আৰু ৰিটাৰ্নিং বিষয়া নিয়োগ কৰি নিৰ্বাচন নটিফাই কৰা আদি। গোটেই ভাৰতবৰ্ষত যেতিয়া Delimitation হয়, তেতিয়া কেন্দ্ৰীয় চৰকাৰে Delimitation Commission গঠন কৰি দিয়ে। আগৰ আইনখনৰ মতে GMCৰ কমিশ্যনাৰে পোনপটীয়াকৈ Delimitation ৰ প্ৰপোজেলটো পঠিয়াই দিছিল আৰু তাত কোনো Commissionৰ কথা নাছিল। নগৰ আৰু চহৰত কংগ্ৰেছ, বিজেপি, এ.আই.ইউ.ডি.এফ. বুলি কোনো কথা নাই। উপাধ্যক্ষ মহোদয়, ভাৰত বৰ্ষত rapid urbanization হৈ আছে যাৰ প্ৰভাৱ অসমতো পৰিছে। এটা সময়ত, ১১-১৩ % urban population আছিল, এতিয়া সেইটো বৃদ্ধি হৈ ১৯% হৈছে। মই ভাৱো আগন্তুক দিনত এইটো ২ ৰ পৰা ২.৫ % লৈ বাঢ়িব। নগৰ, urban local bodies, municipaltyবোৰ ভাল হ'ব লাগে যাৰ কাৰণে আমি reforms আনি থাকিব লাগিব আৰু progressive চিন্তাৰে কথা পাতি কাম কৰিব লাগিব। সেয়েহে, এই বিধেয়কসমূহ progressive চিন্তাৰে অনা হৈছে। মেয়ৰৰ বহুত সন্মান থকা কথাটো, তেখেতে ঠিকেই কৈছে। মই গুৱাহাটীতে ডাঙৰ-দীঘল হৈছো, কিন্তু, আপুনি বৰ্ণনা কৰা ধৰণৰ মেয়ৰ মই কোনোদিন কংগ্ৰেছৰ শাসন কালত নাপালো। এইবাৰ হয়তো আমি তেনেকুৱা এজন মেয়ৰ পাতিবলৈ চেষ্টা কৰিম যিজনে আপুনি বিচৰা ধৰণে ভালকৈ perform কৰিব পাৰিব । আনহাতে, আপুনি স্মাৰ্ট চিটিৰ যি কথা ক'লে, সেই ক্ষেত্ৰত মই কওঁ যে স্মাৰ্ট চিটিটো এটা মিছন হয়, তাৰ কাম জি.এম.চি.য়ে কৰিব নোৱাৰে। স্মাৰ্ট চিটিত আমাৰ স্থানীয় বিধায়ক, মেয়ৰ, ডেপুটি মেয়ৰ সকল City Advisory Body ৰ মেম্বাৰ হৈ থাকে। GMC ৰ Commissioner, GMDA ৰ CEO তাৰ বোৰ্ডত থাকে। আনহাতে, মুখ্য সচিব তাৰ Chairman হৈ থাকে। গতিকে, এই মিছন বিলাকত জি.এম.চি.ৰ কোনো কাম নাথাকে। জি.এম.চি.ৰ আন বহুতো কৰিব লগীয়া কাম আছে, যেনে- স্বচ্ছতা, solid waste management, liquid waste management, de-siltation, ভালদৰে লাইট জ্বলোৱা, ৰাস্তা

নিৰ্মাণ কৰা আদি। লগতে, গোটেই ভাৰতবৰ্ষত urban poor সকলৰ upliftment ৰ বাবে মোডী ডাঙৰীয়াৰ নেতৃত্বত বহু ধৰণৰ আঁচনি চলি আছে যিবোৰ ৰূপায়ণ কৰাৰ দায়িত্ব urban local body বোৰৰ ওপৰত আছে। Urban Local Bodies ভাল হ'লেহে নগৰ আৰু চহৰত উন্নয়ন হ'ব পাৰিব, স্থায়ী হ'ব পাৰিব। মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিৰ্দেশ দিয়া অনুসৰি আমি reformsৰ চিন্তা কৰিয়েই কামবোৰ কৰি আছো .....interruptions.. . জি.এম.চি.ৰ নিৰ্বাচন এপ্ৰিল মাহত অনুষ্ঠিত হ'ব। তাৰ আগতে, ফেব্ৰুৱাৰী মাহৰ শেষৰ ফালে বা মাৰ্চ মাহৰ প্ৰথম ভাগত মিউনিচিপালটিৰ নিৰ্বাচন হ'ব। এই গোটেইখিনি কথাৰ বাবে শাসকীয় বা বিৰোধীৰ কোনো সম্পৰ্ক নাই। নগৰ-চহৰ ভাল হ'লেই অসমখন ভাল হ'ব। Urban Affairs, Urban Local Bodies ৰ ওপৰত চৰকাৰৰ বহুত নিয়ন্ত্ৰণ নাথাকে। মাননীয় সদস্যগৰাকীয়ে নিজেই কৈছে যে 11th Schedule মতে তেওঁলোকে local self govt. ৰ নিচিনাকৈ কাম কৰে। তাত আমাৰ চৰকাৰৰ বহুত অধিকাৰ নাথাকে। আজি ৰাতিপুৱা কমলাক্ষ দে' পুৰকায়স্থ ডাঙৰীয়াই নিয়ম ৩০১ ৰ অধীনত উত্থাপন কৰি কৈছে যে দুৰ্নীতি হৈছে। যিহেতু চৰকাৰৰ কৰিবলগীয়া বেছি নাথাকে, গতিকে তাত বহি থকা ব্যক্তিসকলে সিদ্ধান্তবোৰ লয়। মই মাননীয় উপাধ্যক্ষৰ জৰিয়তে সদনক জনাই ভাল পাম যে কিছুদিন আগতে সমগ্ৰ অসম ভিত্তিত যিমান Urban Local Bodies আছে, তাত Project Management software দিছো। এই software টোৈত ৰাইজেও চাব পাৰিব। Muncipalty য়ে যেতিয়া এটা কাম কৰিব তাত enter কৰি চাব পাৰিব যে কি কাম কৰি আছে, কিমান টকাৰ কাম, কোন ঠিকাদাৰে কামটো পাইছে, তেওঁৰ ফোন নং, ইঞ্জিনীয়াৰ জনৰ নাম আৰু ফোন নং আদি সকলো পাব। লগতে, আমি চেষ্টা কৰি আছো যে লাহে লাহে technology ৰ intervention ৰ জৰিয়তে ব্যৱস্থাটো ইমান ভাল কৰি দিম যে ক'তো দুৰ্নীতি হোৱাৰ scope নাথাকিব, কাম আধৰুৱা হৈ নাথাকিব আৰু তেনেকুৱা এটা পৰিৱেশ আমি সকলোৱে মিলি গঢ়িব লাগিব। মন্ত্ৰী হিচাপে মই অকল নটিফাই কৰি কামটো কৰিব নোৱাৰিম। বহুতো Muncipalty ত Finance Commission ৰ পৰা পোৱা পইচাৰ utilization নাই। গতিকে, reforms ৰ জৰিয়তে আমি যদি কামখিনি কৰি ল'ব পাৰো, তেন্তে ভাল হ'ব। মই কাকো দোষ দিব বিচৰা নাই। কিন্তু, মই যি legacy পাইছো সেইটো সকলোৱে সহযোগত ভাল কৰাৰ চেষ্টা কৰি আছো। এই reforms বোৰৰ খাতিৰতে delimitation কৰা হৈছে। আগতে, জি.এম.চি.য়ে নিজে কৰিছিল, এতিয়া আমি Delimitation Commission গঠন কৰি দিছো। ইয়াৰোপৰি, ১০ বছৰ rotation কৰাৰ যি কথা আনিছে, সেইটো Muncipalty Act amend হওঁতে গোটেই কথাখিনি আহিছিল। গতিকে, একেটা কথা মই পুনৰ নকওঁ। মই ভাৰো যে This is a progressive decision of the government and this Bill will bring in lot of accountability, transparency and cohesiveness. সেয়েহে, এই বিধেয়কখন সদনে পাছ কৰি দিয়াটো মই বিচাৰো।

**মাননীয় উপাধ্যক্ষঃ** ওৱাজেদ আলী চৌধুৰী ডাঙৰীয়াই এটা পৰামৰ্শ দিব বিচাৰিছে।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা)ঃ** উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে আমাৰ Muncipalty Board বা Town Committee সমূহত যোৱা চৰকাৰৰ দিনত লটাৰীৰ জৰিয়তে reservation কৰা হৈছিল। কিন্তু, সেইটোৰ ইতিমধ্যে এবছৰ পাৰ হৈ গৈছে। এইবাৰ নিৰ্বাচনৰ আগত আকৌ নতুনকৈ লটাৰী হ'ব নে যোৱা চৰকাৰৰ দিনত লটাৰী হিচাপে যি reservation ৰাখিছিল, এইবাৰো সেইটোকে

ৰাখিব ?

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** চাৰ, Municipalty Board ত Anti Defection Law টো নোহোৱাৰ কাৰণে তাত বহুতো খেলি-মেলি হয়। সেইকাৰণে, মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে পৰৱৰ্তী অধিবেশনত যাতে Anti Defection Law টো আনে। .....interruptions.... কৰিমগঞ্জ Municipaltyত Delimitation হৈছে, সেই বিষয়ে কাকো জনোৱা নাই, মনে মনে কৰিছে। তাৰ ওপৰত তদন্ত কৰিব লাগে। কাৰণ delimitation হ'লে গোটেই ৰাইজে জানিব লাগে। গতিকে, সেইটো সঠিক মতে হৈছে নে নাই তাৰ উত্তৰ মন্ত্ৰী মহোদয়ৰ পৰা বিচাৰিছো।

**শ্ৰী বসন্ত দাস (মঙ্গলদৈ)ঃ**মাননীয় উপাধ্যক্ষ মহোদয়, অলপ আগতে মন্ত্ৰী মহোদয়ে জনসংখ্যা বঢ়াৰ কথা কৈছে। আৰম্ভণিৰে পৰা মংগলদৈ টাউনত ১০ টা ৱাৰ্ড আছে। আপোনাক মই নিজেও লিখি দিছো যে এটা ৱাৰ্ডত পাঁচ হাজাৰলৈকে জনসংখ্যা হৈছে। গতিকে, মন্ত্ৰী মহোদয়ে নিৰ্বাচনৰ আগত ১০ টাৰ পৰিৱৰ্তে ১৫ টা বা ২০ টা ৱাৰ্ড কৰি দিব নেকি জানিব বিচাৰিছো।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ) ঃ** চাৰ, Delimitation ৰ ক্ষেত্ৰত সৰভোগ টাউন কমিটিত চাৰিটা ৱাৰ্ড আছিল, সেইটো ১০ টা কৰি দিলে। কিন্তু, সেই চাৰিটাৰ কোনো area extension নকৰিলে যাৰ ফলত চাৰি-পাঁচশ ভোটাৰৰ একোটাকৈ ৱাৰ্ড কৰি দিছে। হাউলীতো এনেদৰে কৰিছে আৰু তাত কেচো হৈছে। এই ক্ষেত্ৰত কোনো public consent নলৈ bureaucratic measure ত কৰি দিলে যাৰ ফলত ৪টাৰ ঠাইত ১০ টা হৈ গ'ল। ৩০০-৪০০ ভোট আছে। এই ধৰণৰ একেবাৰে abstract কথা এটা হৈছে। গতিকে, delimitation কেনেকৈ কৰা যাব তাৰ বাবে কিছুমান norms থকাটো দৰকাৰ।

**মাননীয় উপাধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী অশোক সিংহল (মন্ত্ৰী, নগৰ উন্নয়ন ইত্যাদি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, কমলাক্ষ দে' পুৰকায়স্থ ডাঙৰীয়াই যি Anti Defection Law অনাৰ কথা ক'লে, সেইটোহে বাস্তৱ। ১০ বছৰ নাৰাখি ৫ বছৰ ৰখাৰ কথা যিমানেই নকওঁক কিয়, বাস্তৱ ক্ষেত্ৰত কিন্তু বিধায়কসকলেও নিজৰ নিজৰ মিউনিচিপালটি চলোৱাৰ ক্ষেত্ৰত বহুত কষ্ট পায়। যিসকলে মিউনিচিপালটি চলাই আছে তেওঁলোকে এই কথাটো উপলব্ধি কৰিব আৰু যি সকলৰ মিউনিচিপালটি নাই তেওঁলোকে উপলব্ধি নকৰে। আমি progressive কামবিলাক আৰম্ভ কৰিছো। আপুনি দিয়া পৰামৰ্শটো বেয়া নহয়, কিন্তু সেই মতে কৰিব পাৰি নে নোৱাৰি চাব লাগিব যিহেতু তাত urban local govt আছে। কিয়নো পঞ্চায়তত তেনেকৈ কৰিব নোৱাৰে। নতুন নতুন ফৰ্মেটবোৰ আমি experiment কৰিবলৈ আৰম্ভ কৰিছো। নতুন Municipalty Act অনাৰ ব্যৱস্থা লৈছো। মোডী চৰকাৰে Model Municipalty Act এখন উলিয়াই দিছে, আমি সেইটো অধ্যয়ন কৰি গোটেই অসমৰ কাৰণে ল'ব পাৰো নে নাই তাৰ চেষ্টা কৰি আছো। হয়তো পৰৱৰ্তী বিধান সভাত আমি নতুন Act খন আনিব পাৰিম। দ্বিতীয়তে, ৱাৰ্ড সৰু-ডাঙৰ হোৱাৰ কথা যিটো ওলালে নতুন এটা Municipal Act আমি অনাৰ কাৰণে ব্যৱস্থা লৈছো, হয়তো next বিধান সভাত মোদী চৰকাৰে Model Municipal Act এটা উলিয়াই দিছে আৰু তাৰ ওপৰত study কৰি আছো। এই Act খন যাতে আমি গোটেই অসমৰ কাৰণে ল'ব পাৰো তাৰ বাবে আমি চেষ্টা কৰি আছো। হয়তো অহা বিধান সভাত আমি এইটো লৈ আহিব পাৰিম।

দ্বিতীয়তে, যিটো কথা ওলাইছে যে Ward টো সৰু হৈ গ'ল বা ডাঙৰ হৈ গ'ল, যিয়ে

হৈ গ'ল আপুনি হয়তো তেতিয়া বিধায়ক নাছিলে। আপুনি বিধায়ক হোৱাৰ পাছতহে আপোনাৰ মনত আহিছে যে Ward টো সৰু হৈ গ'ল বা ডাঙৰ হৈ গ'ল। কিন্তু তাৰ আগতে এইটো notify হৈ গ'ল, draft rule published হৈ গ'ল। এতিয়া অহা ফেব্ৰুৱাৰীত হয়তো election য়ে হ'ব। এতিয়া যদি এইখন বদলি কৰিব লাগে তেতিয়াহ'লে আপুনি Election Commission ক ক'ব লাগিব। তেখেতসকলে যদি election টো ৰখাই দিয়ে আৰু আপুনি বিচৰা ধৰণে যদি আপোনাৰ তাত Municipal Ward বনাই দিয়ে তাত মোৰ কোনো আপত্তি নাই।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই জানো যে এইটো এতিয়া revise কৰিব নোৱাৰি। কিন্তু এইটো কাণ্ডৰ ফলত গোটেই Election process টো সৰু সৰু Municipality কৰি দি farce কৰি পেলালে। তিনিশ চাৰিশ ভোটক লৈ যেতিয়া এখন Municipal Ward ত Election হ'ব তেতিয়া curruption টো সাংঘাতিকভাৱে হ'ব।

**শ্ৰী অশোক সিংহল (মন্ত্ৰী, নগৰ উন্নয়ন ইত্যাদি) ঃ** আপোনাৰ Suggestion টো acceptable. আমাৰ বাজেটৰ লিডাৰেও যিটো কথা ক'লে সেইটো গুৰুত্বপূৰ্ণ। আমাৰ বহুত বিধায়কে মোক সুধে, তাৰ মই এটা স্পষ্টীকৰণ দিব খুজিছো, যিহেতু আমি ১০ বছৰৰ কাৰণে মহিলাৰ ward টো reserve কৰি আছো, তাৰ অৰ্থটো হ'ল যে ৫০ শতাংশ আসন আমি মহিলাৰ কাৰণে reserve কৰি আছো। গতিকে প্ৰস্তাৱটো থাকিব যে য'ত যোৱাবাৰ Election ত পুৰুষ আছিলে তাত মহিলা হ'ব আৰু য'ত মহিলা আছিল তাত পুৰুষ হ'ব। বহুত বিধায়কে কৈছে যে lottery ত য'ত মহিলা আছিল তাত মহিলা হৈ গ'ল। তেওঁলোকে যদি তাত আৰু ১০ বছৰ থাকে তেতিয়াহ'লে ১৫ বছৰ মহিলা হৈ যাব পাৰে। গতিকে আমি simple formula ত যাম, য'ত পুৰুষ আছিলে ৫০ শতাংশত তাত মহিলা হৈ যাব আৰু এই মহিলা ward ১০ বছৰ চলিব আৰু lottery যিটো এক ডেৰ বছৰ আগত হৈছিলে তাত আমি nullify কৰি দিম।

**মাননীয় উপাধ্যক্ষ ঃ** ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াই তিনিটা সংশোধনী প্ৰস্তাৱ আনিছিলে, ৩ নং, ৬ নং আৰু ৭ নং ত। সেইকেইটা আপুনি withdraw কৰিবনে?

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ যিটো Election Commission সেইটো Parliament ততে পাচ হয় আৰু এইটো Independent Autonomous body হয়। আপোনালোকে ইয়াত যিটো Delimitation Board বনাইছে ward creation ৰ কাৰণে সেইটো Department ৰ under ত চৰকাৰৰ হাতত থাকিব এইখন Act ৰ মতে। ইয়াত Commission শব্দটো নাই Delimitation Board আছে। Ward create কৰাৰ পাছত এই Delimitation Board য়ে report submit কৰিব Government ক । Government ক report submit কৰাৰ আগতে GMC ৰ কাৰণে আপোনালোকে All Party Meeting পাতি opinion ল'ব নে নলয় ? National Level ৰ যিটো Delimitation Commission য়েও All Party Meeting পাতে।

**শ্ৰী অশোক সিংহল (মন্ত্ৰী) ঃ** যিটো Delimitation Commission হ'ব সেইটো যদি আইনত পৰিণত হয় তাৰ Rules টো আমি frame কৰি notify কৰি দিম।

**মাননীয় উপাধ্যক্ষ ঃ** ভৰত নৰহ ডাঙৰীয়া, আপুনি এই কেইটা amendment withdraw কৰিছেনে?

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কথাটো

স্পষ্ট কৰা নাই। এইটো Democratic norms হয়। যেতিয়া National Level তো Delimitation Commission হয়, MP আৰু MLA ৰ seat ৰ কাৰণে তেওঁলোকে All Party Meeting পাতি opinion লয়। গতিকে GMC ত আপোনালোকে যেতিয়া বেছিকৈ ward create কৰিব বিচাৰিছে, board বনাইছে সেয়েহে Government ক report submit কৰাৰ আগতে আপোনালোকে All Party Meeting পাতিব লাগে।

**শ্ৰী অশোক সিংহল (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমি এই ক্ষেত্ৰত আগৰ পৰম্পৰা ৰক্ষা কৰি চলিম।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া সংশোধনী কেইটা প্ৰত্যাহাৰ কৰাত সদনৰ সন্মতি আছেনে?(সদনে সন্মতি জনায়) সদনৰ সন্মতি সাপেক্ষে ৩ নং, ৬ নং আৰু ৭ নং সংশোধনী কেইটা প্ৰত্যাহাৰ কৰা হ'ল। এতিয়া বিধেয়কখনৰ ২, ৪, ৫ নং দফাত কোনো সংশোধনী প্ৰস্তাৱ নাই আৰু ৮ ৰ পৰা ২১ নং দফা কেইটাতো কোনো সংশোধনী প্ৰস্তাৱ নাই। গতিকে বিধেয়কখনৰ ২ ৰ পৰা ২১ নং দফা কেইটা বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য সদস্যা দফা কেইটাৰ সপক্ষে আছে কওঁক হয় আৰু যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক নহয়। মই ভাৱো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে বিধেয়কখনৰ ২ ৰ পৰা ২১ নং দফা কেইটা বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ২২ নং দফাত মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়াৰ নামত এটা সংশোধনী প্ৰস্তাৱ আছে। বিধেয়কখনৰ ২৩ নং দফাটো মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়াৰ নামত আন এটা সংশোধনী প্ৰস্তাৱ আছে। তেখেত অনুপস্থিত। গতিকে এতিয়া দফা নং ২২ আৰু ২৩ বিধেয়ক খনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য সদস্যা দফা কেইটাৰ সপক্ষে আছে কওঁক হয় আৰু যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক নহয়। মই ভাৱো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে বিধেয়কখনৰ ২২ নং আৰু ২৩ নং দফা কেইটা বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ২৪, ২৫ আৰু ২৬ নং দফা কেইটাত কোনো সংশোধনী প্ৰস্তাৱ নাই। এতিয়া মই এই ২৪, ২৫ আৰু ২৬ নং দফা কেইটা সদনৰ মজিয়াত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল- ২৪, ২৫ আৰু ২৬ নং দফা কেইটা বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য সদস্যা দফা কেইটাৰ সপক্ষে আছে কওঁক হয় আৰু যিসকল বিপক্ষে আছে তেখেতসকলে কওক নহয়। মই ভাৱো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে বিধেয়কখনৰ ২৪ নং, ২৫ নং আৰু ২৬ নং দফা কেইটা বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য সদস্যা দফাটোৰ সপক্ষে আছে কওঁক হয় আৰু যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক নহয়। মই ভাৱো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল।

এতিয়া কাৰ্য্যসূচী নং ৯। মাননীয় নগৰ উন্নয়ন মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন পাৰিত কৰাৰ বাবে অনুৰোধ জনালো।

**শ্ৰী অশোক সিংহল (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, The Guwahati Municipal Corporation (Amendment) Bill, 2021 পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন

কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত উত্থাপন কৰিলো। প্ৰস্তাৱটো হ'ল - The Guwahati Municipal Corporation (Amendment) Bill, 2021 পাৰিত কৰা হওক। যিসকল মাননীয় সদস্য সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে কওঁক হয় আৰু যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক নহয়। মই ভাৱো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে প্ৰস্তাৱটো পাৰিত কৰা হ'ল আৰু বিধেয়কখনো পাৰিত কৰা হ'ল।

এতিয়া কাৰ্য্যসূচী নং ১০(ক)। মাননীয় নগৰ উন্নয়ন মন্ত্ৰীক The Guwahati Metropolitan Development Authority (Amendment) Bill, 2021 বিবেচনাৰ বাবে সদনত উত্থাপন কৰিবলৈ মই অনুৰোধ জনালো।

**শ্ৰী অশোক সিংহল (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, The Guwahati Metropolitan Development Authority (Amendment) Bill, 2021 দফাই দফাই বিবেচনা কৰিবৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল - The Guwahati Metropolitan Development Authority (Amendment) Bill, 2021 বিবেচনা কৰিবৰ বাবে লোৱা হওক। যিসকল মাননীয় সদস্য সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে কওক হয় আৰু যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক নহয়। মই ভাৱো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া কাৰ্য্যসূচী নং ১০(খ)। বিধেয়কখনৰ ২ নং দফাত মাননীয় সদস্য শ্ৰী হাফিজ বচিৰ আহমেদ, শ্ৰী আমিনুল ইছলাম (কনিষ্ঠ), শ্ৰী সুজাম উদ্দিন লস্কৰ আৰু শ্ৰী কৰিমউদ্দিন বৰভূঞাৰ নামত এটা সংশোধনী প্ৰস্তাৱ আছে। এতিয়া মই মাননীয় সদস্য শ্ৰী হাফিজ বচিৰ আহমেদ, শ্ৰী আমিনুল ইছলাম (কনিষ্ঠ), শ্ৰী সুজাম উদ্দিন লস্কৰ আৰু শ্ৰী কৰিম উদ্দিন বৰভূঞাক আপোনালোকৰ সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰিবলৈ আৰু ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ অনুৰোধ জনালো।

**শ্ৰী মজিবুৰ ৰহমান (দলগাঁও) :** Hon'ble Deputy Speaker Sir, I beg to move in proposed sub Clause-1 of Clause-2 of the proposed Bill. The words " Superintending Engineer appearing " in line two shall be substituted by the words Additional Chief Engineer. মই এই কাৰণেই চুপাৰিনটেণ্ডিং ইঞ্জিনিয়াৰৰ ঠাইত এডিশ্যনেল চীফ ইঞ্জিনিয়াৰ দিব খুজিছো। যিহেতুকে Superintending Engineer তকৈ এটা ষ্টেপ আগত থাকে এডিশ্যনেল চীফ ইঞ্জিনিয়াৰ । তাৰ পিচত চীফ ইঞ্জিনিয়াৰ হয়। গতিকে জি এম ডি এ এখন বহু ডাঙৰ এৰিয়া- যিহেতু গুৱাহাটী মেট্ৰ'প'লিটান চিটি বিস্তাৰ হৈ আছে আৰু এইখন এখন স্মাৰ্ট চিটি বুলি আগতে কোৱা হৈছে গতিকে ইয়াৰ কামখিনি সুচাৰুৰূপে কৰিবৰ কাৰণে মই ভাবো যে এজন পূৰ্ণ অভিজ্ঞতা থকা ব্যক্তি এজনক দিলে বেছি ভাল হ'ব। সেইকাৰণে মই বুজিছো যে এডিশ্যনেল চীফ ইঞ্জিনিয়াৰক যদি চীফ ইঞ্জিনিয়াৰ হিচাপে দিয়া হয় তেতিয়াহ'লে এইটো এটা ন্যায় দিয়া হ'ব। otherwise Additional Chief Engineer ৰ ঠাইত যদি চুপাৰিনটেণ্ডিং ইঞ্জিনিয়াৰক দিয়া হয় তেন্তে মই ভাবো এটা ষ্টেপ পিছুৱাই অহা হ'ব। গতিকে এই ক্ষেত্ৰত মই মাননীয় বিভাগীয় মন্ত্ৰীক অনুৰোধ কৰিম যাতে এডিশ্যনেল চীফ ইঞ্জিনিয়াৰক চীফ ইঞ্জিনিয়াৰ ঠাইত দিয়া হয়।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া ..।

**শ্ৰীঅশোক সিংহল (মন্ত্ৰী, নগৰ উন্নয়ন বিভাগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এই এমেণ্ডমেন্টটো অনাৰ প্ৰয়োজন হ'ল বৰ্ত্তমান এডিশ্যনেল চীফ ইঞ্জিনিয়াৰে আছে। পদবীটো কিন্তু এডিশ্যনেল চীফ ইঞ্জিনিয়াৰৰ পদবীত থকা ইঞ্জিনিয়াৰ আমি নাপাও আৰু সেই কাৰণে জি এম ডিএত আমি যোগ্য ব্যক্তিক নিয়োগ কৰিব নোৱাৰো। যিকোনো বিভাগে এডিশ্যনেল চীফ চেক্ৰেটেৰীক আমাৰ তাত ডেপুটেশ্যনত আগবঢ়াই নিদিয়ে। এই পদবীটো সদায় ৰিক্ত হৈ থাকে । কোনো এজন ইনচাৰ্জ চীফ ইঞ্জিনিয়াৰ জি এম ডি এ হৈ থাকে । এই যিটো এমেণ্ডমেন্টটো অনা হৈছে, চুপাৰিনটেনডেন্ট ইঞ্জিনিয়াৰ বুলি ক'লে হয়তো আমি বেলেগ বিভাগৰ পৰা ইঞ্জিনিয়াৰ পাম আৰু জি এম ডি এটো আমি চলাব পাৰিম।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য হাফিজ বছিৰ আহমেদ ডাঙৰীয়া আপোনালোকে সংসদীয় প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিবনে ? সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিছে। প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰাটোত সদনৰ সন্মতি আছেনে ? সদনৰ সন্মতি সাপেক্ষে সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল। এতিয়া ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যা দফাটোৰ সপক্ষে আছে তেখেতসকলে কওক 'হয়'ৰ যিসকলে বিপক্ষে আছে তেওলোকে কওক 'নহয়' যিসকলে স্বপক্ষে আছে তেওলোকে কওক 'হয়' মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। ১ নং দফাটো বিধেয়কৰ অংশ হ'ল। বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়কৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনত দাঙি ধৰিলো। প্ৰশ্নটো হ'ল বিধেয়কৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যা দফাটোৰ সপক্ষে আছে তেখেতসকলে কওক ' হয় 'ৰ যিসকলে বিপক্ষে আছে তেওলোকে কওক ' নহয়' মই ভাবো ' হয় 'ৰ সপক্ষে, ' হয় 'ৰ সপক্ষে, ' হয় 'ৰ সপক্ষে । বিধেয়কৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল। কাৰ্য্যসূচী নং ১০ (গ) মাননীয় নগৰ উন্নয়ন মন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ ল'বলৈ অনুৰোধ জনালো।

**শ্ৰীঅশোক সিংহল (মন্ত্ৰী, নগৰ উন্নয়ন বিভাগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, "Guwahati Metropolitan Development Authority (amendment ) Bill, 2020-2021" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল- "The Guwahati Municipal Development Authority ( amendment) Bill, 2021" পাৰিত কৰা হওক । যিসকল মাননীয় সদস্য- সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেওঁলোকে কওক 'হয় 'ৰ যিসকলে বিপক্ষে আছে তেওলোকে কওক ' নহয়' যিসকলে স্বপক্ষে আছে তেওঁলোকে কওক 'হয় ' মই ভাবো ' হয় 'ৰ সপক্ষে, ' হয় 'ৰ সপক্ষে, ' হয় 'ৰ সপক্ষে প্ৰস্তাৱটো পাৰিত কৰা হ'ল। আৰু বিধেয়খনো পাৰিত কৰা হ'ল।

এতিয়া আজি বিয়লি ৭ টা বজাত আমাৰ এম এল এ কেম্পাচত প্ৰাক্ বৰদিনৰ এটা কালচাৰেল প্ৰগ্ৰেমৰ লগতে নৈশ ভোজৰ আয়োজন কৰা হৈছে, সকলোকে নিমন্ত্ৰণী পত্ৰ দিয়া হৈছে । মই সকলো মাননীয় সদস্য- সদস্যাকে পৰিয়ালৰ সৈতে অংশ গ্ৰহণ কৰাৰ বাবে নিমন্ত্ৰণ জনাইছো। ...

**The House is adjourned till 9.00 a.m on 24 December, 2021**.